ৰঘুৰপি কাব্যম্

(মহাকবি কালিদাস বিৰচিত মহাকাব্য ৰঘুবংশৰ সমীক্ষাত্মক আলোচনা)

ড° মালিনী গোস্বামী

চন্দ্ৰ প্ৰকাশ
পানবজাৰ, গুৱাহাটী
১৯৯৪ চন

RAGHURAPI KAVYAM,
A CRITICAL EXAMINATION OF KALIDASA'S RAGHUVAMSAM WRITTEN BY DR MALINEE GOSWAMI AND PUBLISHED BY SRI RAJENDRA MOHAN SARMA, ON BEHALF OF CHANDRA PRAKASH, TIHU AND GUWAHATI-1
Rs. 50.00 ONLY

প্ৰকাশক ঃ- শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মা
চন্দ্ৰ প্ৰকাশ
টিহু ঃ গুৱাহাটী-১

প্ৰথম প্ৰকাশ ঃ এপ্ৰিল- ১৯৯৪

মূল্য ঃ ৫০.০০ টকা
লেখিকাৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত
বেটুপাত ঃ শ্ৰী বিনোদ ৰাজকুমাৰ

ডি. টি. পি.
শিৱশক্তি ট্ৰেডাৰ্চ
হেদায়েৎপুৰ ৰোড
গুৱাহাটী- ৩

মুদ্ৰাকৰ ঃ জাতাশ্ৰী প্ৰেছ
২৬, [illegible] লেন
কলিকতা—৬

পঢ়াশালীয়া পাঠৰ লগতে জীৱনবোধৰ পাঠো লাভ কৰা,

মোৰ কৈশোৰৰ বিদ্যামন্দিৰ বাল্য–ভৱনৰ ৰৰবাইদেউ

***শ্ৰীযুতা অৱলা গোঁহাইৰ** হাতত পৰম ভক্তিৰে অৰ্পিত ।*

'ৰঘুৰপি কাব্যম' নামৰ এই গ্ৰন্থখনিত মহাকবি কালিদাসৰ মহাকাব্য ৰঘুবংশৰ এক সমীক্ষাত্মক আলোচনা আগবঢ়োৱা হৈছে। গ্ৰন্থৰ শিৰোনামাৰূপে ব্যৱহাৰ কৰা শ্লোকাংশটিৰ তাৎপৰ্য্য একে শীৰ্ষক প্ৰবন্ধটিত দেখুওৱা হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ অসমীয়া পাঠ্যক্ৰমৰ ছাত্ৰসকলৰ প্ৰয়োজনৰ কথা মনত ৰাখি গ্ৰন্থখন প্ৰস্তুত কৰা হৈছে যদিও আন সংস্কৃত প্ৰেমী পাঠকৰ মন যোগাব পৰাকৈ তথ্য দিবলৈ যত্ন কৰা হৈছে। স্থান বিশেষে ব্যক্তিগত মতামত আৰু ধাৰণাকো পাঠকৰ বিচাৰৰ বাবে আগবঢ়োৱা হৈছে।

গ্ৰন্থখনিৰ দ্বিতীয় প্ৰবন্ধটোৰ বাবে কেইখনমান মূল্যবান গ্ৰন্থ অধ্যাপক ড° প্ৰফুল্ল কটকীদেৱে তেখেতৰ ব্যক্তিগত সংগ্ৰহৰ পৰা ধাৰলৈ দি সহায় কৰাৰ বাবে তেখেতৰ প্ৰতি সশ্ৰদ্ধ কৃতজ্ঞতা জনালো। চন্দ্ৰ প্ৰকাশৰ স্বত্বাধিকাৰী শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মাদেৱে কিতাপখন প্ৰকাশ কৰি উলিওৱাৰ বাবে তেখেতলৈ ধন্যবাদ জনালো।

ইতি-

মালিনী গোস্বামী

বিষয়সূচীঃ

ৰঘুবংশ আৰু মহাকবি কালিদাস	১
মহাকাব্য আৰু মহাকাব্য ৰঘুবংশ	১৪
ৰঘুবংশৰ কথাবস্তু	২৭
ৰঘুবংশৰ শিৰোনামা	৩৬
ৰঘুবংশ আৰু ৰামায়ণ	৪০
ৰঘুবংশৰ চৰিত্ৰসমূহ	৫৪
ৰঘুৰপি কাব্যম্	৭১
ৰঘুবংশত প্ৰকৃতি	৯৭
ৰঘুবংশত প্ৰেম	১০৭
ৰঘুবংশত অতিপ্ৰাকৃত উপাদান	১২১
ৰঘুবংশৰ আদৰ্শ	১২৫
ৰঘুবংশত ভাৰতীয় সমাজ	১৩১
ৰঘুবংশত ভৌগোলিক তথ্য	১৩৭
ৰঘুবংশত কালিদাসৰ ব্যক্তিত্ব আৰু বৈদগ্ধ্য	১৪৮

পৰিশিষ্টঃ অসমীয়া অনুবাদ

প্ৰথম সৰ্গ	১৬৯
দ্বিতীয় সৰ্গ	১৭৯

ৰঘুবংশ আৰু মহাকৱি কালিদাস

ভাৰতীয় সাহিত্যলৈ মহাকাব্য ৰঘুবংশ মহাকৱি কালিদাসৰ এক অনুপম অৱদান। এই মহাকাব্যৰ ঊনৈশটা সৰ্গত ঊনত্ৰিছজন সূৰ্য্যবংশীয় ৰজাৰ জীৱনচৰ্যা গ্ৰথিত হৈছে। ৰামায়ণ প্ৰসিদ্ধ সূৰ্য্যবংশৰ ৰমণীয় কথাভাগৰ আধাৰত ৰঘুবংশৰ কথা বস্তু নিৰ্মাণ কৰা হৈছে যদিও এই কাব্য ৰামায়ণৰ পুনৰাবৃত্তি নহয়। গ্ৰন্থসূচনাতে কালিদাসে পূৰ্বসূৰী কৱি বাল্মীকিৰ প্ৰতি কৃতজ্ঞতাত মূৰ দোঁৱাইছে যদিও বিষয়বস্তু নিৰ্মাণৰ ক্ষেত্ৰত তেওঁ কেৱল ৰামায়ণৰ ওপৰতে নিৰ্ভৰ কৰা নাই। বৰং কালিদাসে ইতিহাস পুৰাণাদিৰ পৰা সংগৃহীত প্ৰাচীন বিষয়বস্তুৰ প্ৰয়োজনীয় সংস্কাৰ সাধন কৰি ইক্ষ্বাকুবংশৰ পূৰ্ণ দৈৰ্ঘ্যৰ বংশলতিকা প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছে। ইতিহাসপ্ৰসিদ্ধ সূৰ্য্যবংশীয় ৰজাসকলৰ জীৱনগাথা প্ৰণয়ন কৰাৰ চলতে কালিদাসে সমগ্ৰ ভাৰতবৰ্ষৰ প্ৰতিচ্ছবি ৰঘুবংশত ধৰি ৰাখিবলৈ চেষ্টা কৰিছে। সেই অৰ্থত মহাকাব্য ৰঘুবংশক কালিদাসৰ সমসাময়িক ভাৰতবৰ্ষৰ প্ৰতিচ্ছবি ধৰি ৰখা এখন স্বচ্ছ দাপোণ বুলি ক'ব পাৰি। হিমালয়ৰপৰা ভাৰত মহাসাগৰলৈকে আৰু পাৰস্যৰপৰা কামৰূপলৈকে তদানীন্তন ভাৰতবৰ্ষৰ ভৌগলিক, ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু সামাজিক জীৱনধাৰাৰ সমগ্ৰ তথ্য কালিদাসে এই মহাকাব্যত পৰিবেশন কৰিছে। ৰঘুবংশত মানৱজীৱনৰ সৰ্বাঙ্গীন চিত্ৰ চিত্ৰিত হৈছে। দিলীপ, ৰঘু, ৰাম আদিৰ জীৱনৰ মহত্তম কীৰ্ত্তি কীৰ্ত্তনৰ দ্বাৰা যিদৰে জীৱনৰ অৰ্থময়তা আৰু পূৰ্ণতাৰ ব্যঞ্জনা কৰা হৈছে, তেনেদৰে অগ্নিবৰ্ণৰ উচ্ছৃংখল জীৱন যাত্ৰাৰদ্বাৰা কেৱল এক পথচ্যুত ব্যক্তিৰে নহয়, এটা বংশৰ অধঃপতনৰ ইঙ্গিত দিয়া হৈছে। তেনেদৰে ৰঘুবংশত জীৱনবীক্ষাৰ

আদৰ্শ পাঠ নিহিত হৈ আছে বুলি ক'লেও ভুল কোৱা নহয়। ইয়াত ত্যাগ, সংযম, সৌহাৰ্দ্য, আকাংখ্যা, মিত্ৰতা আদি আদৰ্শবোৰৰ যথাযথ মূল্যায়ন কৰা হৈছে। ব্ৰহ্মচৰ্য্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্যাস— ভাৰতীয় জীৱনযাত্ৰাত এই চতুৰাশ্ৰমে কিদৰে সামাজিক জীৱন শৃংখলাবদ্ধ কৰি ৰাখে তাক ৰঘুবংশত সাৰ্থকভাৱে প্ৰতিপাদন কৰা হৈছে। ৰঘুবংশীয় ৰজা সকলে শৈশৱত বিদ্যাভ্যাসত ব্যস্ত থাকে- 'শৈশৱে অভ্যস্ত বিদ্যানাং,' যৌৱনত বিষয়ভোগ কৰে, কিন্তু বিষয়বাসনা চৰিতাৰ্থ কৰাই গাৰ্হস্থ্য সকলৰ একমাত্ৰ লক্ষ্য নহয়, তেওঁলোকে সন্তানাৰ্থে বিবাহ কৰায়- 'প্ৰজায়ৈ গৃহ্মেধীনাম', নিজৰ প্ৰৌঢ়াবস্থাত উপযুক্ত বিদ্যাবান তৰুণ সন্তানক যোগ্যস্থানত স্থাপন কৰি নিজে সন্যাস গ্ৰহণ কৰে। সংসাৰভোগ সমাপ্ত কৰি, উত্তৰ পুৰুষৰ বাবে বাট এৰি দি, স্বেচ্ছায় যোগবলেৰে তনুত্যাগ কৰা ৰঘুবংশীয় সংযমী ৰজাসকলৰ শৃংখলাবদ্ধ জীৱনযাত্ৰা কেৱল ব্যক্তিবিশেষৰ নহয়, প্ৰাচীন ভাৰতীয় সমাজব্যৱস্থাৰে এক তাৎপৰ্য্যপূৰ্ণ নীতি আছিল।

মহাকাব্যৰূপে ৰঘুবংশই সকলো শাস্ত্ৰীয় লক্ষণ চৰিতাৰ্থ কৰিছে। তদুপৰি কালিদাসৰ বস্তুচয়নৰ নৈপুণ্য, ৰচনাৰ চাতুৰ্য্য আৰু অভিনৱ উপস্থাপন ৰীতিয়ে কাব্যখনিক এক অনন্য বৈশিষ্ট্য প্ৰদান কৰিছে। স্বাভাৱিকতে কালিদাস ৰস, ধ্বনি,ছন্দ আৰু অলংকাৰৰ অবিসংবাদী যাদুকৰ, তাতে ৰঘুবংশত ব্যৱহৃত সৰল, প্ৰাঞ্জল আৰু স্বাভাৱিক প্ৰকাশভঙ্গীয়ে কাব্যখনক এক অসাধাৰণ সম্মোহনী প্ৰদান কৰিছে। তাৰ ফলত ৰঘুবংশত কালিদাসৰ বৈদৰ্ভীৰীতিৰ সাৰ্থক প্ৰদৰ্শন ঘটিছে। আলংকাৰিক দণ্ডীয়ে বোধকৰো ৰঘুবংশ পঢ়িয়েই মন্তব্য কৰিছিল যে—

লিপ্তা মধুদ্ৰৱেণাসন্ যস্য নিৰ্বিষয়া গিৰঃ।
তেনেদং বৰ্ত্ম বৈদৰ্ভং কালিদাসেন শোধিতম্ ।।

ৰঘুবংশ কালিদাসৰ পৰিণত প্ৰজ্ঞাৰ উজ্জ্বল স্বাক্ষৰ। এইখন মহাকাব্যত মহাকবিজনাৰ মনীষাৰ পূৰ্ণ প্ৰকাশ ঘটিছে। আৱশ্যক অনুযায়ী কালিদাসে ইয়াত ৰাজনীতি, সমাজনীতি, ধৰ্মনীতি, জ্যোতিষ, বিজ্ঞান, দৰ্শন, সুকুমাৰ কলা আদি বিভিন্ন বিষয়ৰ বিস্তৃত আলোচনা আৰু প্ৰাসঙ্গিক উল্লেখ কৰিছে। সেয়েহে কালিদাসৰ জ্ঞান- পৰিধিৰ পৰিমাপক ৰূপে ৰঘুবংশক অভিহিত

কৰিব পাৰি। তদুপৰি তদানীন্তন ভাৰতবৰ্ষত চৰ্চিত হোৱা জ্ঞানবিজ্ঞানৰ বিভিন্ন দিশৰ ওপৰত ৰঘুবংশই সম্যকভাৱে আলোকপাত কৰিব পাৰিছে। ৰঘুবংশত কালিদাসৰ কেৱল বৈদগ্ধ্যই নহয়, ব্যক্তিত্বৰো পূৰ্ণ প্ৰতিফলন ঘটিছে। কালিদাসৰ স্থান আৰু কাল সম্বন্ধে আজিলৈকে যিমান বাদানুবাদ উত্থাপিত হৈছে, তেওঁৰ ব্যক্তিত্ব সম্পৰ্কে সিমান তৰ্ক বিতৰ্ক শুনিবলৈ পোৱা নাযায়। তেওঁৰ আনকেইখন গ্ৰন্থ বাদ দিলেও কেৱল ৰঘুবংশতে এজন গুণী, জ্ঞানী, দয়ালু, সুখী গৃহস্থী, নিষ্ঠাবান ৰাজসেৱক, দায়িত্বশীল সমাজসেৱক আৰু প্ৰতিভাবান কৱিৰ স্বৰূপ উদ্ভাসি উঠিছে।

ৰামায়ণত বাল্মীকিয়ে ৰামৰ জীৱনীক গুৰুত্ব দি ঊনৈশজন সূৰ্য্যবংশীয় ৰজাৰ কাহিনী ২৪০০ টা শ্লোকত ৰচনা কৰিছে। ৰামায়ণৰ আদিকাণ্ডতে এই কথা জনাই থোৱা হৈছে যে - চতুৰ্বিংশত্ সহস্ৰাণি শ্লোকানামুক্তবানৃষিঃ। তথা সৰ্গশতান্ পঞ্চ ষট্‌কাণ্ডানি তথোত্তৰম্ (৪.২)। কালিদাসে কিন্তু ৰামায়ণৰ সমূহ কাহিনী সামৰি লৈ ওপৰঞ্চি ভাৱে আৰু অধিক তথ্য সন্নিৱেশ কৰি ঊনত্ৰিছ জন ৰঘুবংশীয় ৰজাৰ জীৱনচৰ্যা ১৫৬১ টা শ্লোকত সম্পূৰ্ণ কৰিছে। কালিদাসৰ পৰিমিতিবোধ প্ৰখৰ হোৱাৰ বাবে ৰঘুবংশৰ কম পৰিসৰতে বেছি তথ্যৰ পৰিৱেশন কৰিব পাৰিছে। ৰামায়ণৰ উপৰিও পুৰাণাদি বিভিন্ন উৎস উদ্‌ঘাটন কৰি কালিদাসে বিশ্বাসযোগ্যভাৱে সূৰ্য্যবংশৰ বংশাৱলী প্ৰস্তুত কৰোঁতে এজন নিৰলস গৱেষকৰ ঐকান্তিকতা প্ৰকাশ পাইছে।

ৰঘুবংশত কালিদাসৰ প্ৰজ্ঞা আৰু প্ৰতিভাৰ অপূৰ্ব সমন্বয় সাধিত হৈছে বাবেই কাব্যখনে এক বিস্ময়কৰ পৰিণতি লাভ কৰিছে। সেয়েহে সৰল সহজ আৰু অতি সাৱলীল ভাষাত ৰচিত হোৱা স্বত্বেও ৰঘুবংশৰ ওপৰত মুঠতে তেত্ৰিছটা টীকা প্ৰণীত হৈছিল বুলি জনা যায়। ই কাব্যখনৰ জনপ্ৰিয়তাকে প্ৰতিপাদন কৰে। ৰঘুবংশৰ এই জনপ্ৰিয়তা আজিও অটুট আছে। সেয়েহে যুগে যুগে সমালোচকসকলে স্বীকাৰ কৰি আহিছে— 'ক ইহ ৰঘুকাৰে ন ৰমতে।'

ৰঘুকাৰ অৰ্থাৎ ৰঘুবংশৰ ৰচোতা কালিদাস পাঠক সমালোচকৰ মাজত ইমান জনপ্ৰিয় হোৱা স্বত্বেও তেওঁৰ সঠিক পৰিচয় আজিও উদিয়াৰ পৰা হোৱা নাই। কালিদাসৰ জীৱন আৰু প্ৰতিভা সম্পৰ্কে প্ৰচলিত জনশ্ৰুতিৰ

বলবত্তাৰ ফলতেই কবিজনাৰ প্ৰকৃত পৰিচয় অন্ধকাৰত লুকাই পৰিল। লোক পৰম্পৰা আৰু প্ৰাচীন মতবাদ অনুসৰি কবি - মানস আৰু কবি- প্ৰতিভা দৈৱদত্ত আশীৰ্বাদ। দৈৱপ্ৰেৰিত হৈয়ে কবিৰ অন্তৰ্দৃষ্টি মুকলি হয় আৰু কবিয়ে কাব্য ৰচনা কৰে। ভাৰতীয় সাহিত্যতত্ত্বত এই দৈৱ প্ৰেৰণাবাদ ভৰত মুনিতকৈয়ো প্ৰাচীন আৰু ইউৰোপীয় সাহিত্যতত্ত্বৰ বিচাৰত ই প্লেটোৰ সমানেই প্ৰাচীন। কাব্যতত্ত্বৰ দৈৱপ্ৰেৰণাবাদ অনুসৰি ক্ৰান্তদৰ্শী কবিসকল দেৱদূতৰ দৰেই পূণ্যাত্মা। এই সংস্কাৰে ইমান দৃঢ়ভাৱে জনসাধাৰণৰ মনত খোপনি পুতি বৈছিল যে তাৰ ফলত মনীষী সকলৰ জীৱনচৰিতত অনেক লৌকিক অলৌকিক আখ্যান সংযুক্ত হৈ পৰিছিল। অসাধাৰণ মেধাশক্তি সম্পন্ন বাল্মীকি, পাণিনি, শ্ৰীহৰ্ষ, হোমাৰ, মিল্টন, আদিৰ দৰে কালিদাসৰ প্ৰকৃত জীৱনকথাও অলৌকিক গাথাৰে আচ্ছন্ন হৈ পৰিল। তেনে জনশ্ৰুতিৰ মতে শৈশৱতে পিতৃ-মাতৃ হেৰুওৱা ব্ৰাহ্মণ সন্তান এজন পশুপালকৰদ্বাৰা লালিত পালিত হৈ যুৱক হ'ল। জড়বুদ্ধিৰ যুৱকজনে ৰজাৰ পাৰিষদ বৰ্গৰ প্ৰৰোচনাত পৰি ৰাজকুমাৰী বিদুষী বিদ্যাৱতীক বিবাহ কৰালে আৰু তেওঁৰ জড় বুদ্ধিৰ বাবে পত্নীৰ দ্বাৰা অপমানিত হৈ কালী গোঁসানীৰ আৰাধনাত ব্ৰতী হ'ল। কিন্তু দেৱীৰ কৃপা লাভ কৰিবলৈ অসমৰ্থ হৈ নিজকে দেৱীৰ আগত উৎসৰ্গা কৰিবলৈ যাওঁতেই গোঁসানীৰ দিব্য নিশ্বাসত সৰ্বজ্ঞান লাভ কৰি কালিদাস নামে দীক্ষিত হ'ল। কিন্তু দীৰ্ঘকালৰ মূৰত ঘৰলৈ ঘূৰি অহা স্বামীৰ পাণ্ডিত্যক স্বীকৃতি নিদি তেওঁৰ পত্নীয়ে দুৱাৰমুখতে তেওঁক সুধিলে, 'অস্তি কশ্চিদ্ বাগ্ বিশেষঃ? অৰ্থাৎ বিশেষ কিবা কথা আছে নেকি? পত্নীৰ প্ৰশ্নত ক্ষুণ্ণ হোৱা কবিয়ে সেই পদ চাৰিটিৰে আৰম্ভ কৰি চাৰিখন মহান গ্ৰন্থ প্ৰণয়ন কৰিলে। সেই কেইখন হ'ল ক্ৰমে কুমাৰসম্ভৱ, মেঘদূত, ৰঘুবংশ আৰু ঋতুসংহাৰ। দৈৱিক মেধাৰে অনুপ্ৰাণিত কালিদাসে মালৱিকাগ্নিমিত্ৰ বিক্ৰমোৰ্বশীয় আৰু অভিজ্ঞান শাকুন্তলৰ দৰে অমৰ কাব্য লিখি নিজেও অমৰত্ব লাভ কৰিলে।

এনে জনশ্ৰুতিয়েই কালিদাসক সিংহলৰ ৰজা কুমাৰদাসৰ মিত্ৰ আছিল বুলি কয় আৰু কোনো গণিকাৰ ষড়যন্ত্ৰত পৰি সিংহলতে মৃত্যুমুখত পৰে বুলিও জানিবলৈ দিয়ে। এনে কিংবদন্তীৰ মতেই আকৌ কালিদাস ভৱভূতিৰ মিত্ৰ, গুৰু বা প্ৰতিদ্বন্দ্বী আছিল। কালিদাসক স্বদেশী বুলি দাবী কৰা বঙ্গদেশীয়

পণ্ডিতসকলৰ মতে তিনিঠাইত কালিদাসৰ তিনিগৰাকী পত্নী আছিল। আৰু তাকে লৈ বঙ্গদেশত নানা মুখৰোচক কাহিনীৰ প্ৰচলন আছে (এই কাহিনীবোৰ মিৰাচি আৰু নবলেকাৰ, কালিদাস, পৃ. ৬৮ - ৭৫ প্ৰভৃত উল্লেখ কৰিছে।) এনেবোৰ কাহিনীয়ে ব্যক্তিবিশেষৰ বাস্তৱ জীৱনত আলোকপাত কৰিব নোৱাৰে, বৰং প্ৰকৃত সত্য উদ্ধাৰত অন্তৰায়ৰূপেহে দেখা দিয়ে। কালিদাসৰ দৰে তীক্ষ্ম মেধা সম্পন্ন কবিৰ ক্ষেত্ৰত এই কথা বিশেষকৈ খাটে। সেয়েহে কালিদাসৰ পৰিচয় বিচাৰি পণ্ডিত গৱেষক সকলে নানা ঐতিহাসিক তথ্য পৰীক্ষা কৰিছে, নানা বাদ প্ৰতিবাদত প্ৰবৃত্ত হৈছে আৰু মহাকবিজনৰ প্ৰকৃত পৰিচয় সম্পৰ্কে কেতবোৰ সম্ভাব্য সিদ্ধান্ত আগবঢ়াইছে। তদুপৰি কবিৰ প্ৰতিভা, পাণ্ডিত্য আৰু ব্যক্তিত্বৰ দাপোণ স্বৰূপ তেওঁৰ সাহিত্যকৃতিত কবিজনৰ প্ৰকৃত স্বৰূপ বিচাৰি তেওঁৰ গ্ৰন্থৰাজি বিশ্লেষণ কৰি চাইছে। ৰঘুবংশ কালিদাসৰ অন্যতম সৃষ্টি। ইয়াত কালিদাসৰ প্ৰতিবিম্ব কিমান স্পষ্টকৈ পৰিছে তাক পৰৱৰ্তী প্ৰবন্ধ কেইটিত পৰীক্ষা কৰি চোৱা হৈছে।

এই কথা পূৰ্বতে কোৱা হৈছে যে কালিদাসৰ স্থান আৰু কাল সম্বন্ধে পণ্ডিত সমালোচক সকলৰ মাজত যথেষ্ট বাদানুবাদ চলি আহিছে। কবিয়ে নিজৰ জন্মৰ স্থান, কাল আদি সম্পৰ্কে নিজেও স্পষ্টভাৱে একো কৈ যোৱা নাই আৰু ইতিহাসেও তেওঁৰ বিষয়ে কোনো তথ্য আগবঢ়োৱা নাই গতিকে কালিদাসৰ পৰিচয় বিচাৰি তেওঁৰ গ্ৰন্থসমূহৰ অন্তৰঙ্গ সাক্ষ্যৰ ওপৰতে প্ৰধানকৈ নিৰ্ভৰ কৰিবলগীয়া হয়। অৱশ্যে খৃষ্টাব্দ ষষ্ঠ শতিকাৰ দণ্ডী, খৃষ্টাব্দ সপ্তম শতিকাৰ বাণভট্ট, খৃষ্টাব্দ দশম শতিকাৰ ৰাজশেখৰ, শ্ৰীকৃষ্ণ কবি, খৃষ্টাব্দ একাদশ শতিকাৰ পদ্মগুপ্ত, সোঢ়ল, খৃষ্টাব্দ দ্বাদশ শতিকাৰ গোবৰ্দ্ধনাচাৰ্য্য আদি সংস্কৃত কবি সমালোচকে কালিদাসৰ কাব্যৰ আৰু কাব্যৰীতিৰ প্ৰশংসা কৰি অনেক মন্তব্য আগবঢ়াইছে। সেইবোৰে কালিদাসৰ কাল, জন্মস্থান বা কাব্য চৰ্চ্চাৰ স্থান সম্বন্ধে কোনো সিদ্ধান্ত দিব নোৱাৰে। তেনে মন্তব্যৰ পৰা কালিদাসৰ কাব্যৰ মূল্যায়ন কৰিব পাৰি আৰু অতি বেছি তেওঁৰ শেহতীয়া আনুমানিক কাল নিৰ্ণয় কৰিবহে পাৰি। কিন্তু তেওঁৰ আনুমানিক উৰ্দ্ধতন সময়সীমা নিৰ্দ্ধাৰণৰ বাবে যথেষ্ট যুক্তি তৰ্কত অৱতীৰ্ণ হ'বলগীয়া হয়। কালিদাসৰ স্থান আৰু কাল সম্বন্ধে গৱেষণাত ব্যস্ত হোৱা অনেক পণ্ডিতৰ

ভিতৰত প্ৰধানকৈ অধ্যাপক সাৰদাঞ্জন ৰায়, ৰঘুনাথ গোপাল নন্দৰ্গৰ্কাৰ, অধ্যাপক আপ্তে, এম দি পৰাদকাৰ, বাসুদেৱ বিষ্ণু মিৰাচি, ৰামকৃষ্ণ গোপাল ভাণ্ডাৰকাৰ, কে. বি পাঠক, চি কুনহান ৰাজা, বাচস্পতি গৈৰোলা, মুকুন্দ মাধৱ শৰ্ম্মা আদি ভাৰতীয় পণ্ডিত আৰু হিপ্ৰোলাইট ফাউচ্চ, চাৰ উইলিয়াম জোন্স, ড° পিটাৰচন, ড° মেক ডোনাল্ড, ড° ফাৰ্গুচন, ড°হোৰ্নলে, ড° কীথ, ড° স্মিথ, ড° উইলচন,ড° বেন্টলি আদি বিদেশী পণ্ডিতৰ মন্তব্য প্ৰধানকৈ সুৰ্বিৰ পাৰি। এই সকলোবোৰ পণ্ডিতৰ মতামত বৰ্ত্তমান এই প্ৰবন্ধত আগবঢ়াবলৈ গলে প্ৰন্থত অতিব্যাপ্তি দোষ ঘটাৰ আশংকা আছে। তদুপৰি কালিদাসৰ কাল সম্বন্ধীয় বাদানুবাদ ভি. ভি. মিৰাচি, বাচস্পতি গৈৰোলা, এ.বি.কীথ আদিৰ প্ৰন্থত বিস্তৰভাৱে আলোচিত হৈছে। অসমীয়া ভাষাতো বিশিষ্ট গৱেষক ড° থানেশ্বৰ শৰ্ম্মাই তেখেতৰ 'মহাকবি কালিদাসৰ অভিজ্ঞান শাকুন্তলম্ - এক সমীক্ষা' নামৰ গ্ৰন্থত কালিদাসৰ কাল সম্বন্ধে বিভিন্ন পণ্ডিতে আগবঢ়োৱা সূত্ৰ সমূহৰ ভিতৰত প্ৰচলিত সকলো প্ৰধান মতবাদ তথ্য সহকাৰে বিশ্লেষণ কৰি দেখুৱাইছে আৰু সেইবোৰৰ পক্ষে বিপক্ষে যুক্তি দাঙি ধৰি স্বকীয় অভিমত আগবঢ়াইছে (পৃ. ১২-২১)। এই সকলো মতবাদৰ ভিতৰত হিপ্ৰলিট ফাউচে আগবঢ়োৱা সময়েই প্ৰাচীনতম। তেওঁৰ মতে কালিদাস খৃষ্টপূৰ্ব অষ্টম শতিকাৰ ৰঘুবংশৰ শেষ ৰজা অগ্নিবৰ্ণৰ সমসাময়িক।[১] এই সন্দৰ্ভত অধ্যাপক বেন্টলিয়ে নিৰ্দ্ধাৰণ কৰা সময়েই কালিদাসৰ শেহতীয়া আনুমানিক সময়। তেওঁ ভোজ প্ৰবন্ধ সমূহৰ ওপৰত নিৰ্ভৰ কৰি কব খোজে যে কালিদাস খৃষ্টাব্দ দ্বাদশ শতিকাৰ ধাৰা প্ৰদেশৰ ৰজা ভোজৰ সভাকবি আছিল[২]। এই দীঘলীয়া সময়ছোৱাৰ যি কোনো বিন্দুত কালিদাসক স্থাপন কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। এই ক্ষেত্ৰত কালিদাসৰ নামত প্ৰচলিত দুকুৰিৰো অধিক গ্ৰন্থই সমস্যা আৰু জটিল কৰি তুলিছে। তদুপৰি ভাৰতীয় পৰম্পৰাই কোনো এক ৰজা শকাৰি বিক্ৰমাদিত্যৰ লগত কালিদাসৰ সম্বন্ধ স্থাপন কৰি থৈছে (খ্যাতিং কামপি কালিদাসকৃতয়ো নীতাঃ শকাৰাতিনা- অভিনন্দ, ৰামচৰিত, ৩৩.১)

১। ৰমেন্দ্ৰ মোহন বসু সম্পাদিত অভিজ্ঞান শকুন্তলম্, পাতনি, এম. কৃষ্ণমাচাৰিয়াৰ, হিষ্টৰি অৱ ক্লাচিকেল সংস্কৃত লিটাৰেচাৰ, পৃ. ১০৮।

২। কৃষ্ণমাচাৰিয়াৰ, প্ৰাগুক্ত গ্ৰন্থ, পৃ.১১০।

আৰু সেই ৰজাৰ ন জন সভা পণ্ডিতক নৱৰত্ন বুলি একে সূত্ৰেৰে গাথি থৈছে-
ধন্বন্তৰিক্ষপণকামৰসিংহশংকুবেতালভট্টঘটকৰ্পৰকালিদাসাঃ। খ্যাতো ৱৰাহমিহিৰো নৃপতেঃ সভায়াং ৰত্নানি বৈ ৱৰৰুচির্নৱ বিক্ৰমস্য।। (জ্যোতিৰ্বিদ্যাভৰণ, ২২/২১)। সেইবাবে এক তিনিকোণীয়া পৰীক্ষাৰ দ্বাৰা কালিদাসৰ কাল পৰীক্ষা কৰিব লগীয়া হয়। কেৱল আধুনিক পণ্ডিত সকলেই নহয়, দশম শতিকাৰ আলংকাৰিক ৰাজশেখৰেও কালিদাসৰ সমস্যাৰ জটিলতাত উবাদিহ নাপাই মন্তব্য কৰিছিল-

একোঽপি জীয়তে হন্ত কালিদাসো ন কেনচিত
শৃংগাৰে ললিতোদ্‌গাৰে কালিদাসত্ৰয়ী কিমু।।

এই সুদীৰ্ঘ কালছোৱাৰ ভিতৰত কালিদাসক স্থাপন কৰিব খোজা বিভিন্ন সময়ৰ ভিতৰত ড° কীথে আগবঢ়োৱা অভিমতেই বেছিভাগ পণ্ডিতে সমৰ্থন কৰিছে। তেওঁৰ মতে কালিদাস গুপ্তবংশীয় ৰজা শকাৰি বিক্ৰমাদিত্য দ্বিতীয় চন্দ্ৰগুপ্তৰ সমসাময়িক। ড° কীথকে আদি কৰি কালিদাস বিশেষজ্ঞ বাচস্পতি গৈৰোলা, বিষ্ণুৰাম বামন মিৰাচি, নাৰায়ণ ৰঘুনাথ নৱলেকাৰ আদিৰ দৰে আধুনিকতম পণ্ডিতে নিজৰ নিজৰ অতিৰিক্ত যুক্তিৰে কালিদাসক খৃষ্টাব্দৰ চতুৰ্থ শতিকাৰ গুপ্তকালীন কবি বুলি অভিমত দিছে। ভাৰতীয় ইতিহাসৰ সোণালী যুগ গুপ্তযুগেই কালিদাসৰ কাব্যচৰ্চ্চাৰ বাবে অনুকূল সময় আছিল বুলি মানি লব পাৰি।

কালিদাসৰ জন্মস্থান স্থিৰ কৰিবলৈ যাওঁতেই এজানি বিতৰ্কৰ মুখামুখি হবলগীয়া হয়। কাৰণ ভাৰতৰ বিভিন্ন প্ৰদেশৰ পণ্ডিতে কালিদাসক স্বস্থানীয় কবি বুলি গৌৰৱ কৰিব খোজে। বঙ্গদেশৰ পণ্ডিতসকলে কালিদাসৰ নামটোৰ ওপৰত ভিত্তি কৰি তেওঁক বঙ্গদেশীয় কবি বুলি দাবী কৰে। কালিদাসৰ জন্ম আৰু জীৱন সম্বন্ধীয় বহুতো লোক কথা বঙ্গদেশত প্ৰচলন আছে।[৩] কুমাৰ সম্ভৱৰ এটা শ্লোক (৬.৩৯) আৰু মেঘদূতৰ কেতবোৰ উল্লেখৰ আধাৰত বঙ্গদেশীয় পণ্ডিতসকলে কৰা দাবী শক্তিশালী যুক্তিৰে মিৰাচি আদি

৩। 'কালিদাস জন্মস্থান অনুষ্ঠান পত্ৰিকা'ৰ পৰা ভি. ভি মিৰাচি আৰু এন. আৰ. নৱলেকাৰৰ দ্বাৰা ৰচিত 'কালিদাস' নামৰ গ্ৰন্থৰ (১৯৬৯ চন পৃ. ৬৯-৭১) এই কথা সমূহ আলোচনা কৰা হৈছে।

পণ্ডিতসকলে ইতিমধ্যে খণ্ডন কৰিছে। অধ্যাপক লক্ষ্মীধৰ কাল্লাৰ নেতৃত্বত এদল পণ্ডিতে কালিদাসক কাশ্মীৰী কৰি বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰে। কালিদাসৰ কুমাৰসম্ভৱত হিমালয়ৰ বৰ্ণনা, মেঘদূতত অলকাপুৰীৰ বৰ্ণনা, ৰঘুবংশত কুবেৰ আৰু কুম্ভ - নিকুম্ভৰ লোককথাৰ উল্লেখ আদিয়েই প্ৰধানকৈ অধ্যাপক কাল্লাৰ দাবীৰ সমৰ্থনত আগবঢ়োৱা তথ্য। কিন্তু পৰৱৰ্তীকালৰ পণ্ডিতসকলে কাল্লাৰ সকলো যুক্তি নিৰসন কৰিছে। আৰু কাশ্মীৰী শৈৱদৰ্শনৰ লগত কালিদাসৰ শিৱভক্তিৰ পাৰ্থক্য প্ৰতিপন্ন কৰা হৈছে। তেনেদৰে পিটাৰচন আদি পণ্ডিতে কালিদাসক বিদৰ্ভৰ বাসিন্দা বুলি কব খোজে। মালবিকাগ্নিমিত্ৰ নাটকৰ নায়িকা বিদৰ্ভ দেশৰ হোৱা বাবে, ৰঘুবংশত বিদৰ্ভদেশৰ বৰ্ণনা থকা বাবে আৰু বিশেষকৈ কালিদাসৰ ৰচনাত বৈদৰ্ভী ৰীতিৰ প্ৰয়োগ দেখি এচাম পণ্ডিতে অতি দুৰ্বল যুক্তিৰে কালিদাসক বিদৰ্ভৰ লোক বুলি কব খোজে। তেনেদৰে মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰী আৰু অধ্যাপক এচ. এম. পৰাঞ্জপে আদি গৱেষকে মেঘদূতত বিদিশাৰ বিশদ বিবৰণ দেখি কালিদাসক ষষ্ঠ শতিকাৰ হুন বিজেতা যশোধৰ্মৰ লগত সাঙুৰি থ'ব খোজে। কিন্তু এইসকল পণ্ডিতৰ যুক্তিৰো বলবত্তা কম হোৱা বাবে কালিদাসক বিদিশাৰ লোক বুলি মানি লবলৈ টান হয়। কালিদাসৰ কাব্যত উজ্জয়িনীৰ প্ৰতি কৰিৰ প্ৰবল আকৰ্ষণ পৰিলক্ষিত হয়। উজ্জয়িনীৰ উদাত্ত প্ৰশংসা, শিপ্ৰানদীৰ প্ৰতি বিশেষ মোহ, মহাকাল মন্দিৰৰ প্ৰতি গভীৰ অনুৰাগ আৰু উজ্জয়িনীৰ আভিজাত্যত গৌৰৱবোধ কালিদাসৰ এক বৈশিষ্ট্য বুলিব পাৰি। উজ্জয়িনী নগৰীৰ প্ৰাণ প্ৰাচুৰ্য্য বৰ্ণনাত কৰিৰ উৎসাহ লক্ষ্য কৰি বেছিভাগ পণ্ডিতে কালিদাসক উজ্জয়িনীৰ লোক বুলি কব খোজে। প্ৰাচীন সাহিত্যত ভূ- স্বৰ্গ বুলি বৰ্ণিত ঐশ্বৰ্য্যশালী উজ্জয়িনী নগৰী শিক্ষাৰ কেন্দ্ৰস্থলো আছিল। শূদ্ৰক আদি সাহিত্যিকৰ দৰে কালিদাসেও এই উৎসৱ মুখৰ নগৰীতে কাব্যচৰ্চা কৰিবলৈ অনুপ্ৰেৰণা পাইছিল বুলি মানি লব পাৰি।

কালিদাসে ৰচনা কৰা গ্ৰন্থৰ সংখ্যা আৰু গ্ৰন্থবোৰৰ পৌৰ্বাপৰ্য্যৰ বিষয়টো লৈয়ো পণ্ডিতসকলৰ মাজত মতানৈক্য আছে। সংস্কৃত সাহিত্যৰ ইতিহাসত প্ৰায় দুকুৰি গ্ৰন্থ কালিদাসে ৰচনা কৰিছিল বুলি কোৱা হৈছে। সেইবোৰৰ ভিতৰত ঋতুসংহাৰ, মালবিকাগ্নিমিত্ৰ, বিক্ৰমোৰ্বশীয়, মেঘদূত

কুমাৰসম্ভৱ, অভিজ্ঞানশাকুন্তল আৰু ৰঘুবংশ সৰ্বজনস্বীকৃতভাৱে একেজন কালিদাসৰ ৰচনা। তদুপৰি আন কেইখনমান জ্যোতিষ, ছন্দ, আয়ুৰ্বেদ, নীতি, কোষ আদি বিষয়ক শাস্ত্ৰীয় গ্ৰন্থ আৰু কেইখনমান কাব্য আৰু এলানি স্তুতিবাচক চমু কাব্য কালিদাস নামৰ কবিয়ে ৰচনা কৰিছিল বুলি জনা যায়।[৪] কিন্তু এই সকলোবোৰ গ্ৰন্থৰ ৰচনাৰীতি, বিষয়বস্তু নিৰ্বাচন গ্ৰন্থৰ বিভিন্ন দিশৰ মানদণ্ড আদি আভ্যন্তৰীন সাক্ষ্য পৰীক্ষা কৰি সকলোবোৰ গ্ৰন্থ একেজন কালিদাসেই ৰচনা কৰিছিল বুলি ক'বলৈ টান হয়। সেয়েহে পণ্ডিতসকলে কালিদাস নামৰ একাধিক কবিৰ অস্তিস্ব স্বীকাৰ কৰিছে। তেওঁলোক কালিদাস নামৰ কোনো অৰ্বাচীন কবিও হ'ব পাৰে বা কালিদাসৰ ছদ্মনামেৰে গ্ৰন্থ ৰচনা কৰা আন অখ্যাত কবিও হব পাৰে। কালিদাসৰ নামত প্ৰচলিত গ্ৰন্থসমূহৰ ৰচনাৰ কাল আৰু বিষয়বস্তুৰ তাৰতম্যলৈ চকু দি অষ্টম আৰু নৱম শতিকাৰ কাব্যতত্ত্ববিদসকলেই ইতিপূৰ্বে একাধিক কালিদাসৰ আবিৰ্ভাৱ হৈছিল বুলি সন্দেহ কৰিছিল। দেবেন্দ্ৰই কবিকল্পলতাত,[৫] অভিনন্দই ৰামচৰিতত[৬] আৰু ৰাজশেখৰে সুক্তিমুক্তাৱলীত[৭] এনে একাধিক কালিদাসৰ উপস্থিতি স্বীকাৰ কৰিছে। সেতুবন্ধৰ টীকাকাৰ জয়পুৰৰ ৰজা ৰামদাসেও সেতুবন্ধৰ প্ৰণেতা কালিদাস তিনিখন নাটকৰো ৰচয়িতা আছিল বুলি উল্লেখ কৰিছে[৮]। আধুনিক

৪। ঋতুসংহাৰ, মালবিকাগ্নিমিত্ৰ, বিক্ৰমোৰ্বশীয়, মেঘদূত কুমাৰসম্ভৱ, অভিজ্ঞানশকুন্তল, ৰঘুবংশ, শ্ৰুতবোধ, কৌন্তেশ্বৰদৌত্য, জ্যোতিৰ্বিদাভৰণ, দুৰ্ঘটকাব্য, নলোদয়, সেতুবন্ধ, অম্বাস্তৱ, কল্যাণস্তৱ, কালীস্তোত্ৰ, কাব্যনাটকালংকাৰাঃ, নৱৰত্নমালা, পুষ্পবাণবিলাস, মকৰন্দস্তৱ, গঙ্গাস্তোত্ৰ, মংগলাষ্টক, ৰত্নকোষ, ৰাক্ষসকাব্য, গঙ্গাস্তোত্ৰ, লক্ষ্মীস্তৱ, লঘুস্তৱ, বিদ্বদ্বিনোদ, বৃন্দাবনকাব্য, শ্ৰুতচন্দ্ৰিকা, বৈদ্যমনোৰমা, শৃংগাৰতিলক, শৃংগাৰৰসাষ্টক, শ্যামলাদণ্ডক।

৫। ৭.১৫

৬। হালেনোত্তমপূজয়া কবিবৃষঃ শ্ৰীপালিতো লালিতঃ খ্যাতিং কামপি কালিদাস কবয়ো নীতাঃ শকাৰাতিনা॥

৭। একোঽপি জীয়তে হন্ত কালিদাসো ন কেনচিৎ।
শৃংগাৰে ললিতোদ্গাৰে কালিদাসত্ৰয়ী কিমু॥

৮। ধীৰাণাং কাব্যচৰ্চাচতুৰিমবিধয়ে বিক্ৰমাদিত্যবাচা যং চক্ৰে কালিদাসঃ কবিকুমুদবিধুঃ সেতুনাম প্ৰবন্ধম্॥

গবেষক সকলৰ ভিতৰত টি. এচ নাৰায়ণ শাস্ত্রী [৯], এম্ কৃষ্ণমাচাৰিয়াৰ [১০] আদি পণ্ডিতে কালিদাসৰ নামত প্ৰচলিত আন গ্ৰন্থ সমূহৰ প্ৰণেতা সকলক ক্ৰমে মাতৃগুপ্ত, মেধাৰুদ্ৰ, কোটিজিত, পদ্মগুপ্ত, মাধৱ, যমক কৱি কালিদাস, চম্পূ ভাগৱতৰ প্ৰণেতা নৱকালিদাস, বাদছাহ্ আকবৰৰ ৰাজসভাৰ সমস্যা কৱি কালিদাস, লম্বোদৰ প্ৰহসনৰ ৰচক কালিদাস ইত্যাদি বুলি চিনাক্ত কৰিছে। এই পণ্ডিত সকলৰ যুক্তিবোৰ পঢ়ি এনে লাগে বোধকৰো প্ৰকৃত কালিদাসৰপৰৱৰ্ত্তী নিপুণ কৱিসকলক কালিদাস উপাধিৰে বিভূষিত কৰা হৈছিল, নতুবা কালিদাসটো তেওঁলোকৰ উপনামৰ দৰে হৈ পৰিছিল। অথবা কোনো কোনো কৱিয়ে গৌৰৱ কৰিবলৈ নিজৰ নামৰ লগত কালিদাস উপাধি বা উপনাম যোগ দি লৈছিল।

কালিদাসৰ সৰ্বজন স্বীকৃত গ্ৰন্থ সাতখনৰ ৰচনাৰ পৌৰ্বাপৰ্য্য নিৰ্ণয়ৰ ক্ষেত্ৰতো পণ্ডিতসকলৰ মতভেদ আছে। বেছিভাগ পণ্ডিতেই ঋতুসংহাৰক কৱিৰ প্ৰথম প্ৰচেষ্টা বুলি প্ৰায় একমত। তাৰ মাজতে ব্যতিক্ৰম থকা দুই এজনৰ ভিতৰত উল্লেখনীয় ব্যক্তি কুন্হান ৰাজাই ৰঘুবংশক কালিদাসৰ প্ৰথম কাব্য ৰচনা বুলি অনুমান কৰে- It is perhaps one of Kalidasa's earliest compositions. We do not know whether it is his earliest composition or whether the drama Malavikagnimitra preceded it. The probability is that he started this epic as his first attempt at poetry. পণ্ডিত ৰাজাই তেখেতৰ এনে অনুমানৰ সপক্ষে যুক্তিও দিছে (দ্ৰষ্টব্য Survey of Sanskrit Literature, পৃ. ১১৫)। কালিদাসৰ অন্তিম ৰচনা কোনখন হ'ব সেই বিষয়ে কিন্তু সমালোচকৰ ভিন ভিন মত। প্ৰায় সকলো পণ্ডিতেই দৃশ্যকাব্য কেইখন আৰু শ্ৰব্যকাব্য কেইখন সুকীয়াকৈ আলোচনা কৰাৰ বাবে দৃশ্যকাব্যৰ ভিতৰত মালবিকাগ্নিমিত্ৰ প্ৰথম আৰু শকুন্তলা শেষ ৰচনা বুলিছে। শ্ৰব্যকাব্যৰ ভিতৰত ঋতুসংহাৰ আদি আৰু ৰঘুবংশ শেষ ৰচনা বুলিছে। কিন্তু শকুন্তলা আৰু ৰঘুবংশৰ ভিতৰত পৌৰ্বাপৰ্য্য নিৰূপণৰ পৰা বেছিভাগ পণ্ডিত বিৰত আছে। যি কেইজন পণ্ডিতে সামগ্ৰিকভাৱে কালিদাসৰ সাতোখন ৰচনাৰ কালক্ৰম নিৰূপণ কৰিবলৈ প্ৰয়াস কৰিছে

৯। হৈড়িম্ব- বৈদৰ্ভ্যৰ পাতনি।
১০। প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১১২-১১৪

তেওঁলোকৰ ভিতৰত চন্দ্ৰবালি পাণ্ডেৰ মতে অভিজ্ঞান শকুন্তলম্ অন্তিম আৰু ৰঘুবংশ তাৰ আগৰ ৰচনা।[১১] এ. কে. বাৰ্ডাৰৰ আনুমানিক ক্ৰমত মালবিকাগ্নিমিত্ৰ প্ৰথম ,ৰঘুবংশ দ্বিতীয় আৰু কুমাৰসম্ভৱ অন্তিম ৰচনা।[১২] ড° এ. বি. কীথে শ্ৰব্যকাব্য কেইখনৰ কালক্ৰম সম্পৰ্কে বিশদ আলোচনা কৰা নাই যদিও ঋতুসংহাৰক প্ৰথমে আৰু ৰঘুবংশক শেষত আলোচনা কৰিছে।[১৩] ড° অমল ধাৰি সিঙৰ Kalidasa, a critical study নামেৰে প্ৰকাশ পোৱা গৱেষণা গ্ৰন্থত তেখেতে সামগ্ৰিকভাৱে ঋতুসংহাৰক প্ৰথম আৰু ৰঘুবংশক অন্তিম ৰচনা বুলি কৈছে যদিও স্বমতৰ সপক্ষে যথেষ্ট যুক্তি আগবঢ়োৱা নাই।[১৪] আমাৰ বোধেৰে ৰঘুবংশক কালিদাসৰ সৰ্বশেষ ৰচনা বুলি ক'ব পাৰি আৰু তাৰ সপক্ষে বোধকৰো এনে কেতবোৰ যুক্তি আগবঢ়াব পাৰি- (১) কালিদাস কল্পনা বিলাসী কবি। কিন্তু ৰঘুবংশৰ কাহিনীভাগত কল্পনাতকৈ ঐতিহাসিক সত্য আৰু পুথিগত শাস্ত্ৰীয় তথ্যৰ প্ৰাধান্যহে চকুত পৰে। ঐতিহাসিক ঘটনাত কাব্যিকতাৰ প্ৰলেপ সানিবলৈহে তেওঁ কল্পনাৰ প্ৰয়োগ কৰিছে। ৰঘুবংশ লিখাৰ বয়সলৈ তেওঁ কল্পনা বিলাসতকৈ সত্য তথ্য উদঘাটনৰ বাবেহে আগ্ৰহী হৈ পৰিছিল। (২) ৰঘুবংশ লিখাৰ সময়লৈ কালিদাসে গোটেই ভাৰতবৰ্ষ নহ'লেও ভাৰতৰ বেছিভাগ ঠাই পৰিভ্ৰমণ কৰিবলৈ সুবিধা পাইছিল। ইতিমধ্যে অনেক গ্ৰন্থ লিখি প্ৰতিষ্ঠা আৰু জনপ্ৰিয়তা লাভ কৰা ৰজাৰ প্ৰিয়পাত্ৰ কৱিয়ে ৰজাৰ পৃষ্ঠপোষকতাতে এনেদৰে নানা দেশ ভ্ৰমণ কৰিবলৈ সুবিধা পাইছিল। এনেদৰে দীঘে প্ৰস্থই ভাৰতবৰ্ষৰ প্ৰাকৃতিক আৰু ৰাজনৈতিক অৱস্থাবোৰৰ জ্ঞান হোৱাৰ বাবে ৰঘুবংশ ভৌগোলিক তথ্যত চহকী। (৩) ৰঘুবংশৰ বিষয়বস্তু গহীন বিধৰ। ইয়াত ৰঘুবংশীয় ৰজাসকলৰ সংযত, শৃংখলাবদ্ধ আৰু সৎ জীৱনযাত্ৰাৰ উদাত্ত প্ৰশংসা কৰা হৈছে। এনে আদৰ্শবান জীৱনৰ উপদেশ তৰুণ কবিতকৈ বয়সীয়া প্ৰবীন কবিৰ পৰাহে আশা কৰিব পাৰি। (৪) কালিদাসৰ আন আন কাব্য কেইখনত উদ্ভ্ৰান্ত প্ৰেমৰ কাহিনী বৰ্ণিত হৈছে। ৰঘুবংশত যদিও একাধিক নায়িক - নায়িকা প্ৰস্তুত কৰা হৈছে তথাপি

১১। Kalidasa, 1st edition, p.115

১২। Indian Kavya Literature, Vol. 3 . p. 123.

১৩। A History of Sanskrit literature p. 82

১৪। দ্ৰষ্টব্য,Kalidasa ; A Critical Study, p. 14

তেওঁলোকৰ প্ৰেমৰ স্বৰূপ গহীন। অজ প্ৰেমিক নায়ক কিন্তু অগ্নিমিত্ৰ, যক্ষ, দুষ্যন্ত আৰু পুৰুৰবাৰ দৰে তেওঁ প্ৰেমৰ খাতিৰত কৰ্ত্তব্য, দায়িত্ব আৰু আদৰ্শৰ পথৰ পৰা ভ্ৰষ্ট হোৱা নাই। অগ্নিমিত্ৰৰ উচ্ছৃংখল প্ৰেম ৰঘুবংশত ৰূপায়িত হৈছে যদিও তাৰ উদ্দেশ্য বেলেগ। ৰাজবংশৰ স্খলন দেখুৱাবলৈ আৰু উচ্ছৃংখল জীৱনৰ পৰিণতি বুজাবলৈ আৰু শ্ৰদ্ধাবিহীন সম্ভোগৰ ফল বুজাবলৈকে অগ্নিমিত্ৰৰ অনিয়ন্ত্ৰিত প্ৰেমৰ ৰূপায়ণ কৰা হৈছে, প্ৰেমগাথা অংগৰূপে নহয়। (৫) এই কথা স্বীকাৰ্য্য যে ৰঘুবংশত কালিদাসৰ জ্ঞানৰ বিস্তৃতি যিদৰে ধৰা পৰিছে তেওঁৰ আন কোনো এখন কাব্যতে তেনেদৰে পৰা নাই। ৰঘুবংশ কালিদাসৰ পৰিণত প্ৰজ্ঞাৰ প্ৰামাণ্য কৃতি, তাক বৰ্ত্তমানৰ এই গ্ৰন্থৰ অন্তিম অধ্যায়ত আলোচনা কৰা হৈছে। দীৰ্ঘ দিনৰ কাব্য চৰ্চ্চা আৰু অধ্যয়নৰ ফলস্বৰূপে জ্ঞান - বিজ্ঞানৰ প্ৰায় সকলোবোৰ শাখাকে ইতিমধ্যে কালিদাসে আয়ত্ব কৰি লৈছিল আৰু তাৰ প্ৰতিফলন ৰঘুবংশৰ পাতে পাতে স্পষ্টভাৱে পৰিছে। এই কাব্যত কবিয়ে নিজৰ অতিদূৰপ্ৰসাৰী মানসিক দিগ্বলয়ৰ সন্ধান নিজে দিব পাৰিছে। (৬) মালৱিকাগ্নিমিত্ৰ নাটকত নাট্যকলা আৰু নাট্যশাস্ত্ৰ সম্বন্ধীয় কথাবোৰ শাস্ত্ৰীয় কথা ৰূপেই কাব্যত প্ৰয়োগ হোৱা দেখা যায়। উদাহৰণ স্বৰূপে এই নাটকৰ নায়ক- নায়িকাৰ শাৰিৰীক মানসিক স্বৰূপ নিৰূপনৰ কথালৈকে আঙুলিয়াব পাৰি। এইখন কালিদাসৰ প্ৰথম অৱস্থাৰ ৰচনা বুলি প্ৰায়ভাগ পণ্ডিতে মানি লৈছে। ইয়াত শাস্ত্ৰীয় তথ্যৰ লগত কাব্যিকতাৰ সুসংমিশ্ৰণ (blending) ঘটা নাই। কুমাৰসম্ভৱ, মেঘদূত, শকুন্তলা আদিত শাস্ত্ৰীয় তথ্য পৰিবেশনৰ সুবিধাই কম। কিন্তু ৰঘুবংশত দৰ্শন, জ্যোতিষ, আয়ুৰ্বেদ, ৰাজনীতি, সমৰনীতি আদিৰ তা ত্বিক কথাসমূহ শাস্ত্ৰীয় তথ্য হৈ নাথাকি কাব্যিক উপাদান হৈ পৰিছে। ৰঘুবংশত কালিদাসৰ প্ৰতিভাই পৰিপক্কতা লাভ কৰিছিল বাবেই নিৰস শাস্ত্ৰবস্তুকো কাব্যৰসেৰে সৰস কৰি তুলিব পাৰিছিল। সেয়েহে ৰঘুবংশত বুদ্ধিগম্য শাস্ত্ৰ আৰু হৃদয়গম্য কাব্যৰ সুসংমিশ্ৰণ ঘটিছে। (৭) তদুপৰি ৰঘুবংশৰ সহজ সৰল বাগ্‌ভংগীও কালিদাসৰ পৰিপক্কতাৰে পৰিচায়ক। নবীন লিখকে বিষয়বস্তু আৰু আদৰ্শৰ গভীৰতাতকৈ ভাষা - অলংকাৰ - ছন্দ আদিৰ চমৎকাৰিতা সাধনত অধিক মনোনিবেশ কৰে। এই কথা সহজবোধ্য যে বক্তব্য বিষয় সম্পৰ্কে বক্তাৰ ধাৰণা (concept)

যিমানে স্পষ্ট হ'ব তেওঁ সিমান সৰল ভাষাত বক্তব্য দাঙি ধৰিব পাৰিব। ৰঘুবংশতো প্ৰায় শ্লেষাদি বৰ্জিত সৰল প্ৰাঞ্জল আৰু স্বচ্ছ ভাষাই তেওঁৰ পৰিপক্ক বুদ্ধি আৰু বিষয়বস্তু সম্পৰ্কে থকা স্পষ্ট ধাৰণাকে ব্যঞ্জিত কৰে। পৰিণতপ্ৰজ্ঞ বয়সস্থ কবিয়ে কবিসুলভ দায়বদ্ধতাৰ কথা মনত ৰাখি মহান আদৰ্শৰ বাহকৰূপে ৰঘুবংশক সৰল ভাষাত ৰচনা কৰিছিল- সকলোৱে বুজিব পৰাকৈ, নিজৰ কবিত্ব বা পাণ্ডিত্য প্ৰদৰ্শনৰ বাবে নহয়। ৰঘুবংশত থকা এই বিশেষ বৈশিষ্ট্য বোৰে কাব্যখন কবিৰ অন্তিম ৰচনা বুলি প্ৰমাণ কৰি দেখুৱায়।

চমুকৈ কবলৈ গলে ৰঘুবংশত কালিদাসৰ প্ৰতিভা, অভিজ্ঞতা, উপলব্ধি, বিচক্ষণতা আৰু আদৰ্শৰ মিশ্ৰিত প্ৰকাশ ঘটিছে। কথাবস্তুৰ বিশাল পৰিসৰে কাহিনী ভাগত বৈচিত্ৰ্য আনিছে। সৰল বাগ্‌ভঙ্গীয়ে কাব্যখন অনায়াসবোধ্য কৰি তোলাৰ ফলতে কাব্যখন সুখপাঠ্য হৈছে, কালিদাসৰ মনোগ্ৰাহী ৰচনাৰীতিয়ে কাব্যখন উপভোগ্য কৰি তুলিছে আৰু অনেক শাস্ত্ৰীয় আৰু লৌকিক তথ্যৰ পৰিবেশনৰ ফলত কাব্যখন এখন বিশ্বকোষতুল্য মূল্যবান গ্ৰন্থৰূপে স্বীকৃত হৈছে। সৰ্বোপৰি ৰঘুবংশত কালিদাসৰ ব্যক্তিত্ব আৰু বৈদগ্ধ্যৰ পূৰ্ণ প্ৰতিফলন ঘটিছে।

মহাকাব্য আৰু মহাকাব্য ৰঘুবংশ

মহাকাব্য বুলিলে ছন্দোবদ্ধ অতিদীৰ্ঘ ৰচনাকে সাধাৰণতে বুজা যায়। পৃথিবীৰ বিভিন্ন ভাষাত ৰচিত ধ্ৰুপদী সাহিত্যৰ ই এক অন্যতম শাখা। ঘটনাৰ ব্যাপকত্ব, চৰিত্ৰৰ তদনুৰূপ বিকাশ আৰু আদৰ্শৰ বিশ্বজনীনতা এই শ্ৰেণীৰ সাহিত্যৰ সাধাৰণ লক্ষণ যদিও, প্ৰাচ্য আৰু পাশ্চাত্যৰ কাব্যতাত্ত্বিক সকলে পৃথক পৃথককৈ মহাকাব্য বা এপিকৰ (Epic) লক্ষণ নিৰূপন কৰি থৈছে। ভাৰতীয় অলংকাৰ শাস্ত্ৰৰ ভিতৰত ভামহৰ কাব্যালংকাৰ (১ম অধ্যায়), ভোজৰাজৰ সৰস্বতীকণ্ঠাভৰণ (৫ ম অধ্যয়), বিশ্বনাথ কবিৰাজৰ সাহিত্যদৰ্পন (৬ষ্ঠ পৰিচ্ছেদ) আৰু অগ্নিপুৰাণত (অধ্যায় ৩৩৭) মহাকাব্যৰ লক্ষণসমূহ স্পষ্টকৈ নিৰ্দিষ্ট কৰি দিয়া হৈছে। তাৰ ভিতৰত সাহিত্যদৰ্পনত বেছি বিস্তাৰিতকৈ এই বিষয়ে আলোচনা কৰা হৈছে। কবিৰাজৰ মতে যি পদ্য কাব্য সৰ্গত বিভক্ত হৈ ৰচিত হয় সেয়ে মহাকাব্য। ইয়াত এজন বীৰ নায়কৰ চৰিত্ৰ বৰ্ণিত হয়। তেওঁ সদ্বংশজাত, ক্ষত্ৰিয় আৰু ধীৰোদাত্ত গুণযুক্ত হ'ব লাগিব। অথবা ইয়াত একে বংশতে ওপজা অনেক কুলীন নৃপতিৰ চৰিত্ৰৰ বৰ্ণনা হ'ব পাৰে। মহাকাব্যত শৃঙ্গাৰ, বীৰ আৰু শান্ত এই তিনিবিধ ৰসৰ যি কোনো এটা অঙ্গীৰস ৰূপে আৰু আন সকলো ৰস তাৰ অঙ্গৰূপে অভিব্যঞ্জিত হোৱাটো আৰু সেইদৰে নাটকত থকা সকলোবোৰ সন্ধি থাকাটো বাঞ্ছনীয়। কোনো ঐতিহাসিক ঘটনা নাই বা কোনো মহাপুৰুষৰ বিষয়ে লোকপ্ৰসিদ্ধ ঘটনা ইয়াৰ বিষয়বস্তু হ'ব লাগে। এই মহাকাব্যত ধৰ্ম অৰ্থ কাম মোক্ষ এই চতুৰ্বৰ্গৰ কাব্যাত্মক আলোচনা থাকিব লাগে আৰু তাৰে (চাৰিবৰ্গৰ) ভিতৰত এটা

প্ৰধান ফলৰূপে প্ৰতিপাদিত হ'ব লাগে। মহাকাব্যৰ আৰম্ভণিতে নমস্কাৰ ৰূপ, আশীৰ্বাদ স্বৰূপ বা বস্তুনিৰ্দেশাত্মক মঙ্গলাচৰণ থাকিব লাগে। খল লোকৰ নিন্দা আৰু সাধুলোকৰ গুণ কীৰ্ত্তন মহাকাব্যত সন্নিবিষ্ট হ'ব লাগে। মহাকাব্যৰ একোটা সৰ্গৰ পদ্যবোৰ কোনো এটা বিশেষ ছন্দত ৰচিত হ'ব লাগে কিন্তু সৰ্গৰ শেষত দুই এটা বেলেগ ছন্দৰ শ্লোক থাকিব লাগে। অৱশ্যে কোনো কোনো মহাকাব্যত একোটা সৰ্গৰ শ্লোকবোৰ বিভিন্ন ছন্দত ৰচিত হোৱাও দেখা যায়। ইয়াৰ এটা সৰ্গৰ শেষৰফালে পৰৱৰ্ত্তী সৰ্গৰ বিষয়বস্তুৰ ইঙ্গিত থাকিব লাগে। কাব্যৰ ভিতৰত যিকোনো স্থানত বৰ্ণনীয় ইতিবৃত্তৰ লগত সংগতি ৰাখি সন্ধ্যা, সূৰ্য্য, চন্দ্ৰ, নিশা, প্ৰদোষ, অন্ধকাৰ, দিন, ৰাতিপুৱা, দুপৰীয়া, মৃগয়া, পৰ্বত, ঋতু, বন-উপবন, সাগৰ, সম্ভোগ, বিয়োগ, মুনিচৰিত্ৰ, স্বৰ্গ, নগৰ, যজ্ঞ, সংগ্ৰাম, যাত্ৰা, বিবাহ, মন্ত্ৰণা, পুত্ৰজন্মোৎসৱ, ইত্যাদি বিলাক বিষয়ৰ সাঙ্গোপাঙ্গ বৰ্ণনা থাকিব লাগে। কবিৰ নাম, বৰ্ণনীয় ইতিবৃত্ত, নায়কৰ নাম অথবা আন কোনো আৱশ্যকীয় বিষয় অনুসৰি মহাকাব্যৰ নাম ৰাখিব লাগে। আৰু সৰ্গবিলাকৰ নাম সেই সেই সৰ্গৰ বৰ্ণনীয় বিষয় অনুসাৰে ৰাখিব লাগে।[১] অলংকাৰ শাস্ত্ৰত

---

১. সৰ্গবন্ধো মহাকাব্যং তত্ৰৈকো নায়কঃ সুৰঃ।
সদ্বংশঃ ক্ষত্ৰিয়ো বাপি ধীৰোদাত্তগুণান্বিতঃ।।
একবংশভবা ভূপাঃ কুলজা বহবোহপি বা।
শৃংগাৰবীৰ শান্তানামেকোহঙ্গী ৰস ইষ্যতে।।
অঙ্গানি সৰ্বেহপি ৰসাঃ সৰ্বে নাটকসন্ধয়ঃ।
ইতিহাসোদ্ভৱং বৃত্তমন্যদ্বা সজ্জনাশ্ৰয়ম্।।
চত্বাৰস্তস্য বৰ্গাঃ স্যুস্তেষ্বেকং চ ফলং ভৱেৎ।
আদৌ নমস্ক্ৰিয়াশীৰ্বা বস্তুনিৰ্দেশ এৱ বা।।
ক্বচিন্নিন্দা খলাদীনাং সতাং চ গুণকীৰ্ত্তনম্।
একবৃত্তময়ৈঃ পদ্যৈৰৱসানে অন্যবৃত্তকৈঃ।।
নাতিস্বল্পা নাতিদীৰ্ঘা সৰ্গা অষ্টাধিকা ইহ।
নানাবৃত্তময়ঃ ক্বাপি সৰ্গঃ কশ্চন দৃশ্যতে।।
সৰ্গান্তে ভাবিসৰ্গস্য কথায়াঃ সূচনং ভৱেৎ।
সন্ধ্যাসূৰ্য্যেন্দুৰজনী প্ৰদোষধ্বান্তবাসৰাঃ।।
প্ৰাতৰ্মধ্যাহ্ন মৃগয়া শৈলৰ্তুবন সাগৰাঃ।
সম্ভোগ বিপ্ৰলম্ভৌ চ মুনিস্বৰ্গপুৰাধ্বৰাঃ।।
ৰণপ্ৰয়াণ উপযমমন্ত্ৰ পুত্ৰোদয়াদয়ঃ।
বৰ্ণনীয়া যথাযোগং সাংগোপাংগা অমী ইহ।
কবেৰ্বৃত্তস্য বা নাম্না নায়কস্যেতৰস্য বা।
নামাস্য সৰ্গোপাদেয়কথয়া সৰ্গনাম তু। ৬.৩০৩।।

দিয়া মহাকাব্যৰ এই লক্ষণ যথেষ্ট ব্যাপক। ৰামায়ণ, মহাভাৰত, ৰঘুবংশ, শিশুপালবধ আদি মহাকাব্যই আখৰে আখৰে এই নিয়মাৱলী পালন কৰিব পৰা নাই যদিও, ভাৰতীয় মহাকাব্যসমূহ উক্ত নির্দ্ধাৰিত পৰিসীমাৰ ভিতৰতে ৰচিত হৈছে।

তেনেদৰে পাশ্চাত্যৰ কাব্যতাত্ত্বিক সকলেও এনে ছন্দোবদ্ধ দীঘলীয়া ৰচনাৰ প্ৰকৃতি নির্দ্ধাৰণ কৰি থৈ গৈছে। পশ্চিমীয়া কাব্যতত্ত্বৰ আলোচনত এনে ৰচনাক এপিক বা বীৰগাথা (heroic poem) বুলি কোৱা হৈছে। সাধাৰণভাৱে কবলৈ গলে এপিক সমূহ হ'ল এক মহান আৰু গভীৰ বিষয়বস্তুক লৈ অতি উচ্চস্তৰৰ কলাসম্মত ৰীতিত ৰচিত এক দীঘল বৰ্ণনাত্মক কবিতা।[২] ইয়াত এজন বীৰ বা দিব্যপুৰুষৰ কাৰ্য্যাৱলী বৰ্ণনা কৰা হয় আৰু এটা জাতিৰ বা জনগোষ্ঠীৰ জীৱন প্ৰণালী প্ৰতিফলিত হয়। এপিকৰ স্বৰূপ নিৰূপন কৰি হেগেলে কৈছে যে ইয়াৰ বিষয়বস্তু বাস্তৱ ঘটনাৰ ভিত্তিত ৰচিত হ'ব লাগিব। তেনে বাস্তৱিক ঘটনাৰ সকলো দিশ আৰু তাৎপৰ্য্যৰ ওপৰত আলোকপাত কৰিব পৰাকৈ কবিজনৰ উপস্থাপন ৰীতি শক্তিশালী হ্ব লাগিব।তেনে ধৰণে উপস্থাপিত ঘটনা যে এটা যুগৰ এটা জাতিৰ জীৱনৰ লগত নিবিড়ভাৱে জড়িত তাক স্পষ্টকৈ বুজাব পাৰিব লাগিব। এই এপিকবোৰে কোনো এজন বীৰৰ বা এটা জনগোষ্ঠীৰ বীৰসকলৰ ধাৰাবাহিকক কাহিনী বৰ্ণনা কৰে। এনে বীৰগাথাবোৰৰ মূল বিষয়বস্তু প্ৰসিদ্ধ ঐতিহাসিক কাহিনী হ'লেও ইয়াৰ লগত সদায় ইতিপূৰ্বে প্ৰচলিত পৌৰাণিক কথা, লোককথা, আখ্যান, উপাখ্যান, জনবিশ্বাস আৰু জনশ্ৰুতিত ওপঙি ফুৰা কিংবদন্তী আদি বহু পৰিমাণে সন্নিবিষ্ট থাকে[৪] বাবে এখন এপিকক, সামগ্ৰিকভাৱে সেই জনগোষ্ঠীৰ স্বচ্ছ দাপোণ বুলি গ্ৰহণ কৰিব পাৰি। একোখন এপিকৰ বিষয়বস্তুক সাধাৰণতে একাধিক কাণ্ড বা book ত ভাগ কৰা হয়। আৰু প্ৰতিকাণ্ড একাধিক সৰ্গ বা

২। M.H Abrams, A Glossary of Literary Terms, 1987, p. 49

৪। ...but to some extent it is the result of a process of evolution and consolidation and that a large amount of pre- existing material, in the shape of floating legends and earlier folk poems and sagas is gathered up into its composition-- W.H. Hudson, An Introduction to the study of Literature, p. 106.

canto ত ভাগ কৰা হয়। অতিপ্ৰাকৃত উপাদানৰ উপস্থিতি আৰু প্ৰকৃতিৰ বিস্তৃত বৰ্ণনা এপিকৰ অন্যতম বৈশিষ্ট্য। বাগাড়ম্বৰ এপিকৰ আন এক লক্ষণ।

এৰিষ্টট্‌লে 'পয়েটিকচ' গ্ৰন্থত চমুকৈ এপিকৰ লক্ষণ আগবঢ়াইছে। তেওঁৰ মতে এপিক বৰ্ণনাত্মক ৰীতিত ৰচিত আৰু সি একবৃত্তময়। ইয়াৰ কাহিনীভাগ নাটকীয় সূত্ৰানুসাৰে গঠন কৰা হয়। এপিকৰ বিষয়বস্তু এক একক, অখণ্ড আৰু সম্পূৰ্ণ ঘটনা।তেওঁৰ মতে এ পিকৰ ভাব ভাষা, ৰচনাৰীতি আদিত উচ্চমানৰ শৈল্পিক ৰুচিবোধ অৱশ্যেই থাকিব লাগে। এপিক বৰ্ণনাত্মক ৰীতিত লিখাৰ বাবে তাত সমসাময়িক ঘটনাৱলী কৈ যাব পাৰি। মূল বিষয়বস্তুৰ লগত খাপ খোৱা প্ৰাসঙ্গিক বস্তুৱে কাব্যৰ বিশালত্ব আৰু মহত্ব বৃদ্ধি কৰে। এৰিষ্টট্‌লে এপিকৰ বাবে হিৰোয়িক ছন্দৰ অনুমোদন কৰিছে। এই বিধ ছন্দ শিল্পধৰ্মী আৰু সকলোতকৈ মৰ্যাদাসম্পন্ন (stateliest) ছন্দ। এপিকত অতিদৈৱিক আৰু অবিশ্বাস্য ঘটনা সংযোগৰ অৱকাশ বেছি আৰু সেইবোৰে শ্ৰোতাৰ বাবে আনন্দ বৈচিত্ৰ্যৰ সৃষ্টি কৰে। বাগ্ বৈদগ্ধ্য এপিক প্ৰণেতা সকলৰ অন্যতম বৈশিষ্ট্য হোৱা উচিত।

বিভিন্ন যুগত ৰচিত এপিক সমূহৰ বৈশিষ্ট্য সমূহলৈ লক্ষ্য ৰাখি পশ্চিমীয়া সমালোচক সকলে এইবিধ সাহিত্যক দুভাগত ভাগ কৰি আলোচনা কৰিছে। প্ৰথমবিধ ৰচনাক এপিক অৱ গ্ৰউথ বা প্ৰিমিটিভ এপিক (epic of growth or primitive epic) বোলা হয়। দ্বিতীয় বিধক এপিক অৱ আৰ্ট বা লিটাৰেৰী এপিক (epic of art or literary epic) বোলা হয়। কাব্যতাত্ত্বিক সকলৰ মতে প্ৰথম বিধ এপিক এজন ব্যক্তিৰ ৰচনা নহয়। ই এনে এক সংকলন য'ত বিভিন্ন সময়ত বিভিন্ন ব্যক্তিয়ে ৰচনা কৰা বিভিন্ন কাহিনীৰ আৰু ধাৰাবাহিক ভাবে প্ৰচলিত বিষয়বস্তুৰ বিবৰ্ত্তিত ৰূপক পোৱা যায়। কোনো এক প্ৰসিদ্ধ কাহিনীৰ লগত সমাজৰ বিভিন্ন স্তৰত সিঁচৰিত হৈ থকা কাহিনীৰাজিৰ একত্ৰীকৰণ, মিশ্ৰিতকৰণ, সুপৰিকল্পিত ভাবে সেইবোৰৰ গ্ৰথন আৰু কলাসন্মত ভাবে সুসংবদ্ধৰূপত সেইবোৰৰ উপস্থাপন – এই প্ৰক্ৰিয়াতে প্ৰিমিটিভ এপিকবোৰ ৰচিত হৈছিল বুলি ভবা হয়।আনহাতেদি লিটাৰেৰি এপিক বা আৰ্ট এপিকবোৰ এজন ব্যক্তিৰ দ্বাৰা ৰচিত। এইবিধ এপিক প্ৰথমবিধৰ আদৰ্শত্তে প্ৰস্তুত কৰা হয়। ইয়াৰ বিষয়বস্তু প্ৰিমিটিভ এপিকৰ পৰা সংগ্ৰহ কৰাও হ'ব

পাৰে বা ঐতিহাসিক আৰু পৌৰাণিক কাহিনীও হ'ব পাৰে বা প্ৰজ্ঞাবান কবিৰদ্বাৰা উদঘাটিত বা জ্ঞানলব্ধও হ'ব পাৰে।৫ দুয়ো প্ৰকাৰ এপিকৰ মাজৰ প্ৰধান পাৰ্থক্য এইখিনিয়েই যে প্ৰিমিটিভ এপিকবোৰক এটা বিশেষ জনগোষ্ঠীৰ ঐতিহ্যবহনকাৰী স্বচ্ছ, স্বতঃস্ফূৰ্ত, বিশাল ৰচনা বুলি ক'ব পাৰি। আনহাতেদি আৰ্ট এপিকবোৰ প্ৰিমিটিভ এপিকৰ অনুকৰণত ৰচিত ঐতিহ্যাসিক আৰু পুৰাতাত্ত্বিক জ্ঞানসমৃদ্ধ প্ৰণালীবদ্ধ ৰচনা। নিপুণ উপস্থাপন প্ৰণালী, মহাকাব্যিক উপাদানসমূহৰ মনোগ্ৰাহী অনুকুলন আৰু পাণ্ডিত্যপূৰ্ণ কথনভঙ্গীৰ বাবে এইবিধ এপিকক যথাৰ্থতে সাহিত্যিক এপিক (literaly epic) বা কলাসম্মত এপিক (art epic) বুলি কোৱা হয়।

মহাকাব্য আৰু এপিকৰ লক্ষণ সমূহ জানি লৈ বিচাৰ কৰি চালে দেখা যায় যে দুয়োবিধ ৰচনাৰ মাজত কেতবোৰ বিষয়ত বৈসাদৃশ্য আছে। দুয়োবিধ ৰচনাৰে বিষয়বস্তু ইতিহাসোদ্ভুত হোৱাটো এটা সাধাৰণ লক্ষণ যদিও, এপিকৰ কথাবৃত্ত কেতিয়াবা ইতিহাসৰ লগত সম্পৰ্ক নহ'বও পাৰে যেনে, পেৰেডাইজ লষ্ট। এৰিষ্টটলেও ঐতিহাসিক ৰচনা আৰু ইতিহাসৰ পাৰ্থক্য দেখুৱাইছে। কিন্তু সকলোবোৰ মহাকাব্যৰ বৃত্তান্তভাগ ইতিহাসসম্ভূত হোৱাতো নিতান্তই আৱশ্যকীয় (ইতিহাসোদ্ভৱং বৃত্তং)। কেৱল তেনে কথাবস্তুৰ লগত প্ৰচুৰ পৰিমাণে কাল্পনিক কথাৰ সংযোগ ঘটাই অতিৰঞ্জন কৰা হয়। মাঙ্গলিক স্তুতি, আশীৰ্বচন আৰু বস্তুনিৰ্দেশেৰে মহাকাব্য আৰু এপিক আৰম্ভ কৰাটো এটা সাধাৰণ লক্ষণ। দুয়োবিধ দীঘলীয়া কথাবস্তু সৰ্গ, অধ্যায় আদিত ভাগ কৰা হয়।এপিক সাধাৰণতে কেইবাটাও বুক বা কাণ্ডত বিভক্ত আৰু প্ৰতি বুক কেন্টো বা সৰ্গত বিভক্ত। মহাকাব্যসমূহৰ ভিতৰত ৰামায়ণৰ কথাবস্তু কাণ্ডত আৰু প্ৰতিকাণ্ড সৰ্গত বিভক্ত, মহাভাৰতৰ কথাভাগ পৰ্বত আৰু প্ৰতি পৰ্ব অধ্যায়ত বিভক্ত। পৰৱৰ্ত্তী মহাকাব্য সমূহ কেৱল সৰ্গত ভাগ কৰা হৈছে। মহাকাব্য আৰু এপিক দুয়ো ঠাইতেই মূল ঘটনাস্ৰোতৰ পৰিপুষ্টিৰ বাবে বহুতো সৰু সৰু উপকাহিনী বা আখ্যান সংযোগ কৰা হয়। দুয়োবিধ ৰচনাতে নায়কজন কেতিয়াবা অতি বীৰপুৰুষ আৰু কেতিয়াবা কোনো দিব্য পুৰুষ হয়। ৰামায়ণৰ ৰামচন্দ্ৰ, মহাভাৰতৰ কৃষ্ণ বীৰ আৰু দিব্যাদিব্য পুৰুষ; কুমাৰসম্ভৱৰ মহাদেৱ

৫। W.H. Hudson, An Introduction to the study of Literature, p. 107

দিব্যপুৰুষ; বদুবংশৰ বদু বীৰ পুৰুষ। তেনেদৰে ইলিয়দৰ আকিলিজ বীৰপুৰুষ;ইনিদৰ ইনিজ দিব্যাদিব্য, পেৰেডাইজ লষ্টৰ আদম সমগ্ৰ মানৱগোষ্ঠীৰ প্ৰতিনিধি আৰু খ্ৰাইষ্ট দিব্যাদিব্য পুৰুষ। দুয়োবিধ ৰচনাতে প্ৰচুৰ পৰিমাণে অতিলৌকিক উপাদান সংযোগ কৰা হয়। ৰামায়ণত ৰামৰ অৱতাৰ ,সাগৰত সেতু বন্ধন, ৰাক্ষস বধ, হনুমানৰ গন্ধমাদন আনয়ন , সগৰৰ পাতাল গমণ আদি, মহাভাৰতত অৰ্জুণৰ দিব্যাস্ত্ৰ লাভ আৰু প্ৰয়োগ ,মৰ্ত্ত্যৰ লোকৰদ্বাৰা দেৱতাসকলক নিমন্ত্ৰণ, কৃষ্ণৰ অলৌকিক কাৰ্যাবলী, কুমাৰ সম্ভৱত ইন্দ্ৰৰ সভা, অকাল বসন্ত ইত্যাদিৰ দৰে আশ্চৰ্য্যজনক আৰু আমোদদায়ক কথা এপিকতো প্ৰচুৰ পৰিমাণে পোৱা যায়, যেনে, ইলিয়দত ট্ৰজানৰ যুদ্ধত আকিলিজৰ বীৰত্ব, ওদিচাচৰ জল -স্থল ভ্ৰমণ, পেৰেদাইজ লষ্টৰ স্বৰ্গৰ যুদ্ধৰ বৰ্ণনা, পাতাল ভ্ৰমণৰ কথা, চাটানৰ যাত্ৰা ইত্যাদি। দুয়োবিধ ৰচনাতে নায়ক সকলৰ কাৰ্য্যকলাপত দেৱতা, গন্ধৰ্ব ,অপ্সৰা আদি অলৌকিক চৰিত্ৰৰ সহযোগিতা দেখা যায়। হোমাৰৰ এপিকত অলিম্পিয়ান দেৱতাসকলে আৰু মিল্টনৰ এপিকত খ্ৰাইষ্ট আৰু অপ্সৰা সকলে মৰ্ত্ত্যৰ চৰিত্ৰসকলক যিদৰে সহায় কৰিছে তেনেদৰে ৰামায়ণ আদি মহাকাব্যত ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ, নাৰদ, ইন্দ্ৰ, বৰুণ, অপ্সৰা, গন্ধৰ্ব, কিন্নৰ আদিয়ে লৌকিক চৰিত্ৰসমূহৰ কামকাজত সহযোগ কৰিছে।

এপিকৰ বৰ্ণনাশৈলী সাধাৰণ কথন ভঙ্গীতকৈ পৃথক। বিষয়বস্তুৰ গাম্ভীৰ্য্য আৰু নিৰ্মাণ কৌশলৰ মহত্ব ৰক্ষা কৰিবলৈকে তাত এক অসাধাৰণ চমৎকাৰ ৰচনাৰীতি প্ৰয়োগ কৰা হয়। এনে ৰচনাৰীতিৰ প্ৰধান বৈশিষ্ট্য হৈছে অতি বিস্তাৰিত আৰু অতি বৰ্ণাঢ্য উপমাৰ প্ৰয়োগ, শব্দচয়নৰ আড়ম্বৰ, বাক্য বিন্যাসৰ বৈচিত্ৰ্য ইত্যাদি। এৰিষ্টটলৰ মতে ইয়াৰ অত্যুজ্জ্বল বাগ বৈদগ্ধ্যৰ বাবে চৰিত্ৰ আৰু ভাৱধাৰাত ছায়া পৰাহে দেখা যায়। কিন্তু মহাকাব্যত কথনভঙ্গী সৰল আৰু সহজ। মহাকাব্যত ব্যৱহৃত ভাষা গাম্ভীৰ্যপূৰ্ণ। কিন্তু শব্দপ্ৰয়োগ আৰু বাক্যবিন্যাসৰ চমৎকাৰিতা ইয়াত পাবলৈ নাই। মহাকাব্য সমূহৰ বেছিভাগ শ্লোক অনুষ্টুভ, ইন্দ্ৰবজ্ৰা ,উপেন্দ্ৰবজ্ৰা, বংশস্থবিল আদিৰ দৰে চুটি ,সৰল আৰু গুৰলা ছন্দত ৰচা হয়। অতি দীঘলীয়া ছন্দৰ প্ৰয়োগ মহাকাব্যত কমকৈ দেখা যায়। এপিকত ব্যৱহৃত যি এপিক চিমিলি (epic

simile) আৰু যি আড়ম্বৰপূৰ্ণ. ৰচনাৰীতি (grand style) সেই ৰীতি ৰামায়ণ, মহাভাৰত, ৰঘুবংশ, কুমাৰসম্ভৱ, জানকীহৰণ আদিত পাবলৈ নাই। আনকি পাণ্ডিত্যৰ প্ৰতিযোগিতাত নামি পৰা মাঘ,ভাৰৱি বা শাস্ত্ৰীয় তথ্যৰে পৰিপূৰ্ণ ভট্টি, শ্ৰীহৰ্ষ আদিৰ মহাকাব্যতো তেনে ৰীতি পাবলৈ নাই। তেনে ৰীতি সংস্কৃত ভাষাৰ গদ্য সাহিত্যতহে প্ৰচুৰ পৰিমাণে ব্যৱহাৰ হৈছে। মহাকাব্যৰ চূড়ান্ত উদ্দেশ্য হৈছে খল লোকৰ নিন্দা আৰু সৎ লোকৰ গুণ কীৰ্ত্তন কৰা। মহাকাব্যক চতুৰ্বৰ্গ সাধনৰ আহিলাৰূপে সৃষ্টি কৰা হয়।[৬] এপিক সৃষ্টিৰ আঁৰত তেনে উদ্দেশ্য নিহিত হৈ থকাটো নিতান্তই আৱশ্যকীয় নহয়। মহাকাব্যৰ প্ৰতিটো সৰ্গৰ শেষৰ ফালে পৰৱৰ্ত্তী সৰ্গৰ কথাবস্তুৰ ইঙ্গিত দিয়াটো নিতান্তই ধৰা- বন্ধা নিয়ম, কিন্তু এপিকত নহয়। মহাকাব্যৰ দৰে প্ৰতি সৰ্গৰ অৱসানৰ সময়ত বৃত্ত সলনি কৰাটোও এপিকৰ নিয়ম নহয়। মহাকাব্যত শৃঙ্গাৰ, বীৰ আৰু শান্তৰস অঙ্গীৰস হোৱা উচিত (অৱশ্যে ৰামায়ণৰ মুখ্যৰস কৰুণ)। কিন্তু এপিক সদায় বীৰৰস প্ৰধান। এনেদৰে দুইবিধ ৰচনাৰ মাজত বহুখিনি পাৰ্থক্য লক্ষ্য কৰা যায়।

সাধাৰণতে ৰামায়ণ আৰু মহাভাৰতক এপিক অব গ্ৰউথ বা প্ৰিমিটিভ এপিক জাতীয় ৰচনা আৰু ৰঘুবংশ, নৈষধচৰিত আদিক আৰ্ট এপিক বা লিটাৰেৰি এপিক জাতীয় ৰচনা বুলি কোৱা হয় যদিও এই বিষয়ে পুনৰ পৰীক্ষা কৰি চোৱাৰ প্ৰয়োজন আছে। কিয়নো ওপৰত দেখুওৱা বৈশাদৃশ্য বোৰৰ বাহিৰেও দুয়োবিধ ৰচনাৰে নিৰ্মাণ কৌশলৰ মাজত যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয়।

মহাকাব্যৰ দৰে অতিদীৰ্ঘ কবিতাৰ নিৰ্মাণ প্ৰক্ৰিয়া সম্পৰ্কে জানিবলৈ পাশ্চাত্যৰ চিন্তাবিদ সকলে যথেষ্ট গৱেষণা চলাইছে আৰু তাৰ পৰা বহুতো তথ্য জানিব পৰা গৈছে। যি পদ্ধতিৰে পৰীক্ষা কৰি এপিক অব গ্ৰউথত একাধিক কবিৰ হাত থকা বুলি প্ৰমাণ কৰা হৈছে সেই পদ্ধতিৰে পৰীক্ষা কৰি চালে ভাৰতীয় মহাকাব্যসমূহৰ ভিতৰত কেৱল মহাভাৰততহে অনেক কবিৰ হাতৰ পৰশ অনুভৱ কৰা যায়। অৱশ্যে মহাভাৰতৰ ৰচয়িতা ব্যাসৰ নামটোৰ পৰাই তেওঁক মহাকাব্যখনৰ সংকলক সম্পাদক আছিল বুলি বুজিব পাৰি। বেদৰ

৬। তুল. চতুৰ্বৰ্গফলপ্ৰাপ্তি সুখাদল্পধিয়ামপি কাব্যাদেৱ যতস্তেন তৎস্বৰূপং নিৰূপ্যতে।

মন্ত্রসমূহ সংকলন কৰি বৰ্ত্তমান ৰূপত সজাই উলিয়াইছিল বাবে তেওঁক ব্যাস বোলা হয়- বিব্যাস বেদান্ যস্মাৎ স তস্মাদ্ ব্যাস ইতি স্মৃতঃ। মহাভাৰতৰ প্ৰণেতাজনক ব্যাস বুলি কোৱালৈ চাই তেঁৱো মহাকাব্যখনৰ সংকলক আছিল বুলি ভাবিব পাৰি। তদুপৰি মহাকাব্যখনত থকা ভালেমান কথাবস্তুৰ অনৈক্যলৈ চায়ো মহাভাৰতৰ সৃষ্টিত একাধিক কবিৰ হাত থকা বুলি অনুমান কৰা যায়। উদাহৰণ স্বৰূপে সভাপৰ্বৰ তৃতীয় অধ্যায়ত অৰ্জুনে তেওঁৰ দেৱদত্ত শংখ স্থপতিবিদ ময়ৰূপৰা পোৱা বুলি কোৱা হৈছে। আকৌ বনপৰ্বৰ ১৬৫ সংখ্যক অধ্যায়ত অৰ্জুনে নিবাতকবচ অসুৰৰ বিৰুদ্ধে কৰা যুদ্ধযাত্ৰাৰ সময়ত দেৱতাসকলৰ পৰা দেৱদত্ত শংখ পোৱা বুলি কোৱা হৈছে। অৰ্জুনে পাশুপাত অস্ত্ৰ ক'ত কেনেকৈ কেতিয়া পালে সেইসম্পৰ্কেও একাধিক সংবাদ মহাভাৰতত পোৱা যায়। ই এটা মনকৰিবলগীয়া বিষয় যে এনে ধৰণৰ অনৈক্য সমূহ সদায় পৃথক পৃথক ছন্দতহে পোৱা যায়। একেটা বিষয়কে একাধিক কবিয়ে বিভিন্ন প্ৰসঙ্গত আগবঢ়োৱা বৰ্ণনা সংকলন কৰোতে এনে অনৈক্য থাকি গ'ল। একেখন গ্ৰন্থতে এনদৰে থকা কথাবস্তুৰ অনৈক্য সম্পৰ্কে বিচাৰ কৰিবলৈ গ'লে মৌখিক কবিতা ৰচনাৰ কৌশল সম্পৰ্কে জানিব লাগিব। আমেৰিকাৰ হাৰ্ভাৰ্দ বিশ্ববিদ্যালয়ৰ এসময়ৰ অধ্যাপক আৰু ধ্ৰুপদী সাহিত্যৰ বিশেষজ্ঞ মিলমেন পেৰীয়ে হোমাৰৰ মহাকাব্যৰ উৎস আৰু ৰচনা পদ্ধতি সম্পৰ্কে গৱেষণা কৰি এই সিদ্ধান্ত দিছে যে মহাকাব্যৰ কবিসকলে কাব্যৰ পাঠ মুখস্থ কৰি নাৰাখে বৰং তেওঁলোকে কথাবস্তু, পাত্ৰপাত্ৰীৰ নাম পৰিচয় আৰু তেওঁলোকৰ বিশেষণসমূহ মনত ৰাখি থয়। তদুপৰি তেওঁলোকে বহুপৰিমাণৰ ইতিপূৰ্বে বিৰচিত আৰু প্ৰচলিত উক্তি, বাক্য বা বাক্যাংশ 'সূত্ৰ' ৰূপে মনত ৰাখি থয়। আৰু মহাকাব্যখন পাঠ কৰাৰ সময়ত সেই কথাবস্তু আৰু চৰিত্ৰত সূত্ৰসমূহ খটুৱাই আকস্মিক আবৃত্তি কৰে। মিলমেন পেৰী আৰু তেওঁৰ ছাত্ৰ এলবাৰ্ট লৰ্ডে শতাধিক তেনে আবৃত্তি বিভিন্ন ঠাইৰ পৰা বিভিন্ন সময়ত বাণীবদ্ধ কৰি আনি পৰীক্ষা কৰি চাই দেখিছিল যে ইলিয়দৰ একেটা কাহিনীকে দুঠাইত দুজন আবৃত্তিকাৰে বেলেগ বেলেগ পাঠেৰে (text) গায়। আনকি একেজন আবৃত্তিকাৰে একেটা কাহিনী সদায় একে পাঠেৰে (text) নাগায়। কিন্তু একো একোটা নিৰ্দিষ্ট বিষয় বৰ্ণনাৰ বাবে তেওঁলোকে কেতবোৰ সাধাৰণ

উক্তি, বাক্য বা বাক্যাংশ ব্যৱহাৰ কৰে।আমেৰিকাৰ হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক দেনিয়েল এইচ. এইচ. ইংগলচে এই উক্তি সমূহক এপিক ফৰমুলা (epic formula) বুলি উল্লেখ কৰিছে।[৭] মহাভাৰতৰ গঠনপ্ৰণালীৰ বিশ্লেষণাত্মক পৰীক্ষা কৰি দেখা গৈছে যে ইলিয়দৰ দৰে মহাভাৰতৰ চাৰণসকলেও প্ৰস্তুত কাহিনীক প্ৰতিবাৰ আবৃত্তি কৰোতে পৃথক পৃথককৈ উপস্থাপন কৰিছিল। কিন্তু নিৰ্দিষ্ট বিষয় উপস্থাপনৰ ক্ষেত্ৰত কেতবোৰ পূৰ্বপ্ৰস্তুত নিৰ্দিষ্ট বাক্য ব্যৱহাৰ কৰিছিল। ছন্দ অনুযায়ী আৰু বৰ্ণনীয় বিষয়ৰ প্ৰকৃতি অনুযায়ী তেনে বাক্য কিঞ্চিৎ ইফাল সিফাল কৰিব পাৰে। উদাহৰণ স্বৰূপে প্ৰায়ে যুদ্ধৰ বৰ্ণনা আৰম্ভ হয় এনেদৰে– ততঃ প্ৰববৃতে যুদ্ধং তুমুলং লোমহৰ্ষণম্।

অধ্যাপক ইংগলচৰ মতে এই সূত্ৰবোৰ হৈছে এক প্ৰকাৰৰ আৰ্হি বা চানেকী।প্ৰয়োজন অনুসৰি সেইবোৰৰ বাক্য গাঁঠনি বা দুই এটা শব্দ সলনি কৰি ব্যৱহাৰ কৰিব পাৰি। যেনে, যদি কেতিয়াবা দুজন যোদ্ধাৰ যুদ্ধ বৰ্ণনা কৰিব লাগে তেতিয়া ওপৰৰ বাক্যষাৰ কিঞ্চিৎ সলনি কৰি ক'ব--

তয়ো প্ৰববৃতে যুদ্ধং বৃত্ৰবাসৱয়োৰিব।

কেতিয়াবা তাকে অকণমান ইফাল সিফাল কৰি কব-

তত্ৰাসীৎ সুমহদ্ যুদ্ধং কুৰুণাং পাণ্ডবৈঃ

ইও অতি আমোদজনক কথা যে বেলেগ বেলেগ যোদ্ধাৰ নাম এই সূত্ৰবোৰত খাপ খাই পৰে। উদাহৰণ স্বৰূপে–

ক্ষেমধূৰ্ত্তিস্তু সংক্ৰুদ্ধঃ কেকয়স্য মহাত্মনঃ।
ধনুষ্ চিচ্ছেদ ভল্লেন পীতেন নিশিতেন চ ।। (৭.৮২.৩)

একে সূত্ৰকে খুটুৰাই আকৌ কৈছে–

বীৰধন্বা ততঃ ক্ৰুদ্ধো ধৃষ্টকেতোঃ মহাত্মনঃ।
দ্বিধা চিচ্ছেদ ভল্লেন প্ৰহসন্নিৱ ভাৰত।। (৭.৮২.১৪)

এই দুইটি উদাহৰণত একেটা সূত্ৰতে আক্ৰমণকাৰী ৰূপে ক্ষেমধূৰ্ত্তি আৰু বীৰধন্বা আৰু আক্ৰান্তৰূপে কেকয় আৰু ধৃষ্টকেতুৰ নাম লগাই দিয়া হৈছে।

৭। দ্ৰষ্টব্যঃ Address of the chief guest by prof. D.H.H. Ingalls, Amrtama hotsava, BORI Poona, 1993.

ইয়াত স্বৰৰ হ্ৰস্বদীৰ্ঘৰ সামঞ্জস্য ৰক্ষা কৰি এনেকৈ শব্দ বাচি অনা হৈছে যাতে ছন্দৰ বিচ্যুতি নঘটে। কেতিয়াবা বিষয়বস্তুলৈ চাই বিশেষণ আদি প্ৰয়োগ কৰি এনে সূত্ৰৰ বিস্তাৰণ আৰু সংকোচন ঘটোৱাও হয়। এনে সূত্ৰ মহাভাৰতৰ পৰা অনেক উল্লেখ কৰিব পাৰি।

তদুপৰি ইও অতি মনকৰিবলগীয়া বিষয় যে মহাভাৰতৰ বৰ্ণনীয় ঘটনাসমূহ সদায় একেটা পদ্ধতিতে ঘটে। যেনে, সকলোবোৰ যুদ্ধ একেবোৰ পৰিস্থিতিৰ মাজেৰে আগবঢ়া দেখা যায়। তয়ামম্যা ধনুযুদ্ধৰ বৰ্ণনাৰ শেষত সাধাৰণতে যোদ্ধাজনক আঘাত কৰাৰ আগতে তেওঁৰ সাৰথি বা ঘোঁৰাক আঘাত কৰা হয়। যোদ্ধাজন ৰথৰ পৰা নামি পৰিবলগীয়া হলে আক্ৰমণকাৰী জনো নিজৰ ৰথৰ পৰা নামি মাটিলৈ আহে। তেতিয়া দুয়ো তৰোৱালেৰে যুজে ।অনেক সময় বহুসূত্ৰ থটুৱাই এনে যুদ্ধ বৰ্ণনাৰ পিছত আক্ৰান্তজন মাটিত বাগৰি পৰিব। বিজেতাই "সুদৃষ্টঃ ক্ৰিয়তাম্ লোকঃ" বুলি সাৱধানবাণী শুনাব। পৰাজিত পক্ষই মূৰ দোঁৱাই বা মুখত তৃণ লৈ পৰাজয় বৰণ কৰিব। যদি পৰাজিত পক্ষই বিজিত পক্ষৰ চকুলৈ চাই পুনৰ হুংকাৰ আদি কৰে তেনে বিজিত শত্ৰুৰে তেওঁৰ শিৰচ্ছেদ কৰিব। স্বৰ্গৰ সুন্দৰী অপ্সৰা সকলে যুদ্ধক্ষেত্ৰৰ ওপৰত অনৱৰতে বিচৰণ কৰিয়ে থাকে বুলি ভৰা হয়। মৃত আৰু বিজিত যোদ্ধাৰ যিজনেই খ্যাতনামা বীৰ হয় তেওঁৰ ওপৰত পুষ্পবৃষ্টিৰে প্ৰশংসা বৰ্ষন কৰে আৰু মৃত যোদ্ধাক ইন্দ্ৰপুৰীলৈ আগবঢ়াই নিয়ে। শেষত মৃতবীৰ (সাধাৰণতে যদি তেওঁ পাণ্ডৱৰ পক্ষৰ হয়) জনৰ বিক্ৰম, পৰাক্ৰম আৰু গুণ গৰিমা বৰ্ণনা কৰা হয়। সাধাৰণতে এই নিয়মতে মহাভাৰতৰ প্ৰায় সকলোবোৰ যুদ্ধ চলিছে। ঘটনাৰ দাবীত এনে গতানুগতিক বৰ্ণনাকে কিছু ইফাল সিফাল কৰা হয়। মহাকাব্যৰ কবি সকলৰ হাতত আন আন কাহিনী বৰ্ণনাৰ বাবেও নিৰ্দিষ্ট সূত্ৰ প্ৰস্তুত কৰা থাকে। বিভিন্ন চৰিত্ৰৰ প্ৰৱেশ, প্ৰস্থান আদিৰ বাবে, বিভিন্ন ঋতুৰ বৰ্ণনাৰ বাবে, যুদ্ধক্ষেত্ৰৰ বৰ্ণনাৰ বাবে, ৰাজসভা বৰ্ণনাৰ বাবে, ৰমণী সৌন্দৰ্য্য বৰ্ণনাৰ বাবে, প্ৰেমৰ বৰ্ণনাৰ বাবে প্ৰস্তুত সূত্ৰ (formula) এই কবিসকলৰ হাতত আছিল।

পশ্চিমীয়া গৱেষকসকলে সিদ্ধান্ত কৰি উলিওৱা মহাকাব্য নিৰ্মাণ কৌশলৰ এই তথ্য কেৱল মহাভাৰতৰ ক্ষেত্ৰতহে বিশ্লেষণ কৰি দেখুৱাৰ

পাৰি। ৰামায়ণ আদিত একেবোৰ সূত্ৰকে ঘূৰাই পকাই ব্যৱহাৰ কৰি কাহিনী উপস্থাপন কৰাৰ কৌশল দেখা নাযায়। বিষয়বস্তুৰ অনৈক্য অৱশ্যে ৰামায়ণতো কিছু পৰিমানে আছে । ৰামায়ণৰ বালকাণ্ড আৰু উত্তৰকাণ্ড প্ৰক্ষিপ্ত বুলি কোৱাৰ পৰা ইয়াত্রে
একাধিক কবিৰ হাত থকাৰ কথা বুজা যায়। মূল ৰামকথাৰ লগত গ্ৰথিত নানা আখ্যান - উপাখ্যান সকলোবোৰ বাল্মীকিয়ে সৃষ্টি কৰিছে বুলিও নিশ্চিত ভাৱে ক'ব নোৱাৰি। কিন্তু ৰামায়ণৰ মসৃণ, প্ৰাঞ্জল, সৰল ভাষাত এপিকৰ ভাষাৰ অত্যুৎসাহী বাক্ বৈদগ্ধ্য নাই। আনহাতে নৈষধচৰিত, শিশুপালবধ, ৰঘুবংশ আদিক আৰ্ট এপিক জাতীয় ৰচনা বুলি কোৱা যায় যদিও, এইবোৰ ভাৰতীয় মহাকাব্যত যে একাধিক কবিৰ প্ৰচেষ্টা জড়িত নাই তাকো প্ৰমাণ কৰিব নোৱাৰি। এই মহাকাব্য সমূহত থকা উপকাহিনীবোৰ যে সমাজত ইতিমধ্যে চলিথকা আখ্যান, কিংবদন্তী বা জনশ্ৰুতি নহয় তাক প্ৰমাণ কৰিব পৰা নাযায়। সেইবোৰ পৰৱৰ্ত্তী কালত আন কবিৰ দ্বাৰা সংযোজিত প্ৰক্ষেপ বুলি ,সন্দেহ কৰাৰো থল নথকা নহয়।

ওপৰত দেখুওৱাৰ দৰে প্ৰাচ্য আৰু পাশ্চাত্যত ৰচিত বৰ্ণনাত্মক অতিদীৰ্ঘ কবিতাৰ মাজত কেতবোৰ সাদৃশ্য দেখা যায় যদিও, এপিকৰ সংজ্ঞাৰে মহাকাব্যৰ আৰু মহাকাব্যৰ সংজ্ঞাৰে এপিকৰ মান নিৰ্ণয় কৰিবলৈ গ'লে হ'ব পৰা খেলিমেলিৰ হাত সাৰিবৰ বাবে ভাৰতত ৰচিত মহাকাব্যসমূহক ভাৰতীয় আলংকাৰিকসকলে বান্ধি দিয়া লক্ষণেৰে জুখি চোৱাটোৱেই যুক্তিযুক্ত কথা হ'ব।

কালিদাসৰ ৰঘুবংশ এখন মহাকাব্য। 'সৰ্গবন্ধো মহাকাব্য' ইত্যাদি লক্ষণ ৰঘুবংশই চৰিতাৰ্থ কৰিছে। ৰঘুবংশৰ কাহিনীভাগ উনৈশটা সৰ্গত ভাগ কৰি ৰচনা কৰা হৈছে। ইয়াত সূৰ্য্যবংশত ওপজা উনত্ৰিশজন নৃপতিৰ জীৱন চৰিত বৰ্ণিত হৈছে। বীৰৰস এই মহাকাব্যৰ প্ৰধান ৰস। ঘটনাৰ বৈচিত্ৰ্য অনুযায়ী আন সকলোবোৰ ৰসকে অঙ্গীৰসৰ পৰিপোষকৰূপে ব্যৱহাৰ কৰা হৈছে। ৰঘুবংশৰ কাহিনীভাগ ইতিপূৰ্বে ৰামায়ণ আৰু পুৰাণাদিত বৰ্ণনা কৰা হৈছে। ইয়াত একাধিক মহান ব্যক্তিৰ জয়গাথা ৰচিত হৈছে। এই মহাকাব্যত দিলীপৰ পৰা সুদৰ্শনলৈকে আটাইকেইজন ৰজাৰ জীৱন ধৰ্ম - অৰ্থ- কাম- মোক্ষৰ

সাধনত ব্ৰতী হৈছে। তদুপৰি কালিদাসে প্ৰধানকৈ দিলীপক ধৰ্মৰ, ৰঘুক অৰ্থৰ ,অজক কামৰ আৰু দশৰথক মোক্ষৰ সাধকৰূপে কাব্যৰ আৰম্ভণিতে থিয় কৰাইছে। সমস্ত জগতৰে পিতৃ- মাতৃ পাৰ্বতী- পৰমেশ্বৰৰ বন্দনাৰে ৰঘুবংশ আৰম্ভ হৈছে আৰু দ্বিতীয় আৰু তৃতীয় শ্লোকত মহাকাব্যখনৰ বিষয়াবস্তুৰ সূচনা কৰা হৈছে। ৰাৱণ তাড়কা, শম্বুক, লৱনাসুৰ আদি খললোকৰ কাৰ্য্যাৱলীৰ নিন্দা কৰি অসৎ কাৰ্য্যৰ ভয়াবহ পৰিণাম ঘোষণা কৰা হৈছে। আনহাতেদি দিলীপ, ৰাম আদি চৰিত্ৰৰ গুণাৱলীৰ আৰু কাৰ্য্যাৱলীৰ বিস্তৃত কথন হৈছে। প্ৰথম সৰ্গৰ প্ৰথমৰ শ্লোকসমূহ অনুষ্টুভ ছন্দত আৰু শেষৰ শ্লোকটি প্ৰহৰ্ষিণী ছন্দত ৰচিত হৈছে। ত্ৰয়োদশ সৰ্গৰ প্ৰথমৰ শ্লোকসমূহ উপেন্দ্ৰবজ্ৰা আৰু শেষৰ বাৰটা শ্লোক বসন্ততিলকা ছন্দত ৰচনা কৰা হৈছে। এই নিয়ম সকলোবোৰ সৰ্গতে পালন কৰা হৈছে। নৱম সৰ্গত স্বাগতা, দ্ৰুতবিলম্বিত, মত্তময়ূৰ, বসন্ততিলকা আদিৰসমাবেশ ঘটিছে। প্ৰথম সৰ্গৰ শেষৰ ফালে (১.৯১-৯৪) জানিবলৈ দিয়া হৈছে যে দ্বিতীয় সৰ্গত দিলীপৰ নন্দিনীসেৱা বৰ্ণনা কৰা হ'ব। দ্বিতীয় সৰ্গৰ শেষৰ শ্লোকত (২.৭৫) সুদক্ষিণাই গৰ্ভধাৰণ কৰাৰ কথা জানিবলৈ দি তৃতীয় অংকত ৰাণীৰ গৰ্ভাৱস্থা আৰু ৰঘুৰ জন্মৰ কথা কোৱা হৈছে। এনেদৰে সকলোবোৰ সৰ্গৰ শেষৰ ফালে পৰৱৰ্ত্তী সৰ্গৰ কথাবস্তুৰ ইঙ্গিত দিয়া হৈছে।

সাহিত্যশাস্ত্ৰই বিচৰা মতে ৰঘুবংশত বিষয়বস্তুৰ লগত সংগতি ৰাখি কালিদাসে বিভিন্ন পাৰ্থিব অপাৰ্থিব বৰ্ণনা সংযোগ কৰিছে। সেইবোৰৰ ভিতৰত ৰঘুবংশৰ ত্ৰয়োদশ সৰ্গত (৪৭-৫৩) চিত্ৰকূট পৰ্বতৰ অনুপম বৰ্ণনা পোৱা যায়। ৰঘুৰ দিগ্বিজয় কালত (চতুৰ্থ সৰ্গত) মলয়, দৰ্দুৰ, সহ্য আদি পৰ্বতৰ বৰ্ণনাআছে। ৰঘুবংশত অনেক নৈ, নিজৰা, জান, জুৰি আদিৰ সৌন্দৰ্য্যৰ কথা কোৱা হৈছে। ত্ৰয়োদশ সৰ্গত গঙ্গা আৰু যমুনাৰ মনোৰম বৰ্ণনা পোৱা যায়। ষষ্ঠ সৰ্গতো প্ৰয়াগৰ গঙ্গা-যমুনাৰ সঙ্গমৰ বৰ্ণনা দিয়া হৈছে। ৰঘুবংশৰ ত্ৰয়োদশত সমুদ্ৰৰ যি বিস্তৃত বৰ্ণনা কালিদাসে দিছে তেনে বৰ্ণনা প্ৰাচীন ভাৰতীয় সাহিত্যৰ আন ক'তো পোৱা নাযায়। ৰঘুবংশ মহাকাব্য সন্ধ্যা, প্ৰদোষ; ৰজনী, গছ লতা ,সূৰ্য্যাস্ত ,সূৰ্যোদয়, চন্দ্ৰোদয় আদিৰ বৰ্ণনাৰে সমৃদ্ধ। চতুৰ্থ সৰ্গত ৰঘুৰ দিগ্বিজয় যাত্ৰা ,ষষ্ঠ সৰ্গত ইন্দুমতীৰ সয়ম্বৰ , সপ্তম সৰ্গত অজৰ বিবাহ, একাদশ সৰ্গত ৰাম লক্ষ্মণ ভৰত শত্ৰুঘ্নৰ বিবাহ আদি

বিস্তৃতভাবে চিত্ৰিত হৈছে। প্ৰথম, পঞ্চম আৰু অষ্টম সৰ্গত বশিষ্ঠৰ আৰু পঞ্চদশত বাল্মীকিৰ কাৰ্য্যাবলীৰ বৰ্ণনাত মুনিচৰিত্ৰৰ কথন সাৰ্থক হৈছে। সমালোচনা শাস্ত্ৰৰ নিয়মানুসৰি ৰঘুবংশই এই সকলো বিষয় নিজৰ পৰিসৰত সুমুৱাই লৈছে। তদুপৰি বৰ্ণনীয় ইতিবৃত্ত অনুসৰি অতি সাৰ্থকভাৱে মহাকাব্যখনৰ নাম ৰঘুবংশ ৰখা হৈছে। (এই বিষয়ে ৰঘুবংশৰ শিৰোনামাৰ প্ৰসঙ্গত আলোচনা কৰা হৈছে।) এনেদৰে কাব্যতত্ত্বই বান্ধি দিয়া মহাকাব্যৰ সকলো লক্ষণ ৰঘুবংশই চৰিতাৰ্থ কৰিছে। কেৱল শাস্ত্ৰীয় অৰ্থতহে যে ৰঘুবংশ এখন মহাকাব্য তেনে নহয়। শ্ৰব্যকাব্যৰূপে ৰমণীয় ৰঘুবংশক জ্ঞান- বিজ্ঞানৰ বিশ্বকোষ আখ্যা দিব পাৰি।- এই মহাকাব্যৰ উচ্চ নীতিবোধ আৰু মহান আদৰ্শৰ বাবেও এই মহাকাব্য প্ৰকৃততেই মহান কাব্য।

ৰঘুৰংশৰ কথাবস্তু

ৰঘুৰংশ ১৯টা সৰ্গত ৰচিত এখন সুদীৰ্ঘ মহাকাব্য। কাব্যখনিৰ শুভাৰম্ভ আৰু নিৰ্বিঘ্নসমাপ্তি কামনা কৰি কালিদাসে প্ৰথম শ্লোকতে সমস্ত জগতৰ পিতা- মাতা মহাদেৱ আৰু পাৰ্বতীৰ বন্দনা কৰিছে। সূৰ্য্য সম্ভূত মহাপ্ৰতাপী ৰঘুৰংশৰ বৃত্তান্ত লিখিবলৈ লৈ তেওঁ নিজৰ যোগ্যতা সম্বন্ধে সবিনয়ে সন্দেহ প্ৰকাশ কৰিছে আৰু বাল্মীকি আদি পূৰ্ব কবিৰ কাব্যকৃতি তেওঁৰ পথপ্ৰদৰ্শক হব বুলি আশা প্ৰকাশ কৰিছে। ৰঘুৰংশৰ ৰজাসকলৰ সাধাৰণ গুণাৱলী বৰ্ণনা কৰি কালিদাসে কৈছে, তেওঁলোক আজন্মশুদ্ধ , ফলসিদ্ধি পৰ্য্যন্ত কৰ্মৰত আৰু আসমুদ্ৰ ভূভাগৰ শাসক আছিল। তেওঁলোকৰ ৰথৰ গতি স্বৰ্গলৈকে অপ্ৰতিহত আছিল। তেওঁলোকে বিধিপূৰ্বক অগ্নিক আহুতি দিছিল। ইচ্ছানুযায়ী যাচকসকলক দান কৰিছিল, অপৰাধীক দণ্ড দিছিল আৰু কালানুযায়ী সজাগ আছিল। দানৰ বাবে তেওঁলোকে অৰ্থ সংগ্ৰহ কৰিছিল, সত্যৰক্ষাৰ বাবে মিতভাষী আছিল, যশৰ লাভৰ বাবে বিজয়কামী আছিল আৰু সন্তান লাভৰ বাবে বিবাহ কৰাইছিল। শৈশৱত বিদ্যাভ্যাস, যৌৱনত বিষয়ভোগ, বাৰ্দ্ধক্যত বাণপ্ৰস্থ আৰু অৱশেষত যোগসমাধিৰ দ্বাৰা দেহত্যাগ, এয়ে আছিল তেওঁলোকৰ জীৱনচৰ্যা। এনে সদ্‌গুণযুক্ত ৰজা সকলৰ আদি পুৰুষ আছিল সূৰ্যসম্ভূত মনু। বৈৱস্বত মনুৰ এই বংশতে ৰাজৰ্ষি দিলীপৰ জন্ম হয়। সৰ্বগুণ সমৃদ্ধ ৰজা দিলীপৰ পত্নী আছিল দাক্ষিণ্য গুণ সম্পন্না সুদক্ষিণা। তেওঁলোক নিঃসন্তান আছিল। সেয়ে সন্তান প্ৰাপ্তিৰ উপায় বিচাৰি তেওঁলোকে কুলগুৰু বশিষ্ঠৰ আশ্ৰমলৈ যাত্ৰা কৰিলে। সন্ধ্যা সময়ত তেওঁলোকে নগৰৰ প্ৰান্তদেশত অৱস্থিত আশ্ৰমত উপস্থিত হলগৈ। ভক্তিভাৱে মুনিক প্ৰণাম জনাই আগমনৰ উদ্দেশ্য জনালে আৰু সন্তানহীনতাৰ বাবে পিতৃঋণ পৰিশোধ কৰিব নোৱাৰাৰ দুখ ব্যক্ত কৰিলে। যোগবলেৰে বশিষ্ঠই দিলীপৰ সন্তানহীনতাৰ কাৰণ জানি লৈ তেওঁক

কলে যে এবাৰ ইন্দ্ৰৰ সেৱা কৰি পৃথিৱীলৈ উভতি আহোঁতে পত্নীৰ চিন্তাত মগ্ন হৈ থকা দিলীপে স্বৰ্গৰ কামধেনু সুৰভিক যথোচিত সন্মান প্ৰদৰ্শন কৰিবলৈ পাহৰি গৈছিল। সুৰভিৰ অভিশাপেই দিলীপৰ অপুত্ৰকতাৰ কাৰণ। সুৰভিৰ অবিহনে তেওঁৰ সন্তান নন্দিনীৰ সেৱা শুশ্ৰূষাৰ দ্বাৰা দিলীপৰ শাপমুক্তি হ'ব পাৰে। সেয়েহে বশিষ্ঠৰ আশ্ৰমতে যজ্ঞৰ আহুতিসাধনৰূপে বাসকৰা নন্দিনীক সেৱা- শুশ্ৰূষাৰে প্ৰসন্ন কৰিবলৈ বশিষ্ঠই দলীপক আদেশ দিলে। বশিষ্ঠৰ সেই আদেশ শিৰোধাৰ্য্য কৰি দিলীপে সুদক্ষিণাৰ সৈতে ব্ৰহ্মচাৰী ব্ৰতেৰে আশ্ৰমত থাকি নন্দিনীৰ সেৱাত আত্মনিয়োগ কৰিলে।

দ্বিতীয় সৰ্গত ব্ৰহ্মচাৰী বেশে থকা দিলীপৰ নন্দিনীসেৱা আৰু শাপমোচনৰ বিষয়ে কোৱা হৈছে। ৰাতিপুৱাতে সুদক্ষিনাই পূজা বন্দনাৰে নন্দিনীক বনলৈ বুলি সাজু কৰি তোলে। দিলীপে পুৱাৰ পৰা সন্ধ্যা পৰ্য্যন্ত নন্দিনীৰ পাছে পাছে ছাঁয়াৰ দৰে থাকি তেওঁৰ সেৱা কৰে। হাতত ধনুশৰ লৈ নন্দিনীক বন্যপশুৰ পৰাও ৰক্ষা কৰে। সূৰ্য্যাস্তৰ পৰত গৃহাভিমুখী নন্দিনীক সুদক্ষিণাই ধূপ দীপ চন্দনেৰে পূজা অৰ্চনা কৰি প্ৰণাম কৰে। এনেদৰে তেওঁলোকে একৈশ দিন অতিবাহিত কৰিলে। তাৰ পিছদিনা ৰজাৰ ভক্তি পৰীক্ষা কৰিবৰ বাবে নন্দিনীয়ে হিমালয়ৰ প্ৰান্তদেশৰ এক গুহাত প্ৰবেশ কৰিলে। ৰজা দিলীপ হিমালয়ৰ শোভা দৰ্শনত অন্যমনস্ক হৈ পৰিছিল। তেনে সময়তে হঠাৎ নন্দিনীৰ চিঞৰত তেওঁৰ তন্ময়তা ভাগিল আৰু আক্ৰমনোদ্যত এক সিংহৰ কবলত পৰা নন্দিনীক তেওঁ দেখিবলৈ পালে। নন্দিনীক ৰক্ষা কৰিবৰ বাবে ধনুৰ শৰ সংযোজন কৰিবলৈ লওঁতেই দিলীপ স্তব্ধ হৈ ৰ'ল, কাৰণ আক্ৰমণকাৰী সিংহই মানুহৰ স্বৰেৰে ৰজাক সম্বোধন কৰি নিজৰ পৰিচয় দি ক'লে যে তেওঁ মহাদেৱৰ দাস কুম্ভোদৰ। পাৰ্বতীয়ে পুত্ৰৱৎ প্ৰতিপালন কৰা দেৱদাৰু বৃক্ষৰ ৰক্ষনাবেক্ষনৰ বাবে তেওঁক ইয়াত নিয়োগ কৰা হৈছে। সেয়ে মহাদেৱৰ কৃপাত তেওঁৰ আহাৰ তেওঁৰ বাসস্থানতে উপস্থিত হয়হি। সেয়ে সমুখৰ গাইজনী তেওঁৰ ভক্ষ্য। নন্দিনীক ৰক্ষা কৰিবৰ বাবে দিলীপে সিংহৰ লগত অনেক বাক্‌বিতণ্ডা কৰিলে। শেষত ৰজাই নন্দিনীৰ ৰক্ষাৰ বাবে নিজৰ শৰীৰ সিংহৰ খাদ্য ৰূপে উৎসৰ্গা কৰিলে। মায়াসিংহ অন্তৰ্দ্ধান হ'ল। নন্দিনী প্ৰসন্ন হৈ তেওঁৰ বাঞ্ছিত বৰ প্ৰদান কৰিলে। আশ্ৰমলৈ ঘূৰি আহি ৰজাই বশিষ্ঠক সকলো নিবেদন কৰিলেহি। অভীষ্ট সিদ্ধিৰ পথ মুকলি হ'লত মুনিয়ে ৰজদম্পতীক

ৰাজধানীলৈ বিদায় দিলে।

তৃতীয় সৰ্গত সুদক্ষিণাৰ গৰ্ভত ৰঘুৰ জন্ম হ'ল। দিনে দিনে ৰঘুৰ শ্ৰীবৃদ্ধি ঘটিল। অস্ত্ৰশিক্ষা আৰু শাস্ত্ৰশিক্ষা একেলগে সমাপ্ত হ'ল। যুবাবস্থাত বিবাহ সংস্কাৰ কৰি তেওঁক দিলীপে যুবৰাজ পদত অভিষিক্ত কৰিলে। দিলীপে শততম্ অশ্বমেধ যজ্ঞৰ আয়োজন কৰি যজ্ঞাশ্ব ৰক্ষাৰ দায়িত্ব ৰঘুৰ ওপৰত দিলে। শতক্ৰতু ইন্দ্ৰই যজ্ঞৰ ঘোঁৰা হৰণ কৰি নিলে। নন্দিনীৰ কৃপাত ৰঘুৱে দিব্যদৃষ্টি লাভ কৰি স্বৰ্গৰ পথ দেখিবলৈ পালে ।ইন্দ্ৰৰ লগত ৰঘুৰ তুমুল ৰণ হ'ল। ৰঘুৰ বীৰত্বত প্ৰসন্ন হৈ ইন্দ্ৰই তেওঁক বৰ দান কৰিলে আৰু দূতমুখে দিলীপলৈ বাতৰি পঠিয়ালে যে যজ্ঞাশ্ব ইন্দ্ৰই ঘুৰাই নিদিয়ে। কিন্তু যজ্ঞৰ ফল দিলীপে লাভ কৰিব। বিনা অশ্বেৰে যজ্ঞ সমাপন কৰি ৰঘুৰ হাতত ৰাজ্যভাৰ সমৰ্পন কৰি পত্নীৰে সৈতে ৰজা দিলীপে বানপস্থ গ্ৰহণ কৰিলে।

চতুৰ্থ সৰ্গত ৰঘুৰ দিগ্বিজয় বৰ্ণিত হৈছে। পৈতৃক সিংহাসন অধিকাৰ কৰি পোনতে ৰঘুৱে শত্ৰু ৰজাসকলক দমন কৰি সুপ্ৰতিষ্ঠিত হ'ল। ইতিমধ্যে বৰ্ষাৰ ইন্দ্ৰধনু আকাশত অস্পষ্ট হোৱাৰ সময়তে, অৰ্থাৎ শৰৎকালৰ প্ৰাৰম্ভতে ৰঘুৱে নিজৰ বিজয়ধনু দাঙি ল'লে আৰু দিগ্বিজয় যাত্ৰাৰ পাতনি মেলিলে। বিশাল সেনাবাহিনী লগত লৈ ৰঘুৱে পোনতে পূৰ্বদিশৰ সাগৰ তীৰবৰ্ত্তী ৰজাসকল আৰু বঙ্গদেশীয় ৰজাসকলক পৰাস্ত কৰি কপিশা নৈ পাৰ হৈ উৎকল দেশীয় ৰজাসকলৰ সাহায্যত কলিঙ্গ দেশ অধিকাৰ কৰিলে। এইবাৰ ৰঘুৰ বিজয় সেনানীয়ে দক্ষিণমুৱা হৈ যাত্ৰা আৰম্ভ কৰিলে। পাণ্ড্যৰাজে ৰঘুৰ ওচৰত নতি স্বীকাৰ কৰিলে। সানুদেশৰ মলয় আৰু দৰ্দুৰ পৰ্বতত যথেচ্ছা বিহাৰ কৰি সমুদ্ৰতীৰৰ সহ্য পৰ্বত লংঘন কৰিলে। পশ্চিম দিশত ত্ৰিকূটাদি পৰ্বত পাৰ হৈ ৰঘুৰ সেনাবাহিনীয়ে পাৰসিক, হুন আৰু কম্বোজৰ বিশাল অশ্বাৰোহী বাহিনীক পৰাজয় কৰিলে। পশ্চিমৰাজ্য হস্তগত কৰি ৰঘুৱে উত্তৰ পথত গতি কৰি হিমালয়ৰ পাদদেশৰ পাৰ্বত্য ৰজাসকলক জয় কৰি প্ৰাগজ্যোতিষপুৰ পৰ্য্যন্ত আগবাঢ়িল। কামৰূপৰ ৰজাই অসংখ্য মদবৰ্ষী হাতী দানেৰে ৰঘুৰ বশ্যতা স্বীকাৰ কৰিলে। অযোধ্যালৈ ঘূৰি আহি ৰঘুৱে দিগ্বিজয়ত আহৃত সম্পদ দানেৰে বিশ্বজিৎ যজ্ঞ সম্পন্ন কৰিলে।

যজ্ঞৰ অন্তত নিষ্কিঞ্চন ৰঘুৰ ওচৰলৈ বৰতন্তু ঋষিৰ শিষ্য কৌৎসে দান

বিচাৰি আছিল। ৰঘুৱে কুবেৰৰ ৰাজ্য অধিকাৰ কৰি দানপুঁজি সংগ্ৰহ কৰাৰ কথা ভাবিলে কিন্তু স্বৰ্গীয় ধনবৃষ্টিৰ দ্বাৰা ৰজাৰ কোষাগাৰ পূৰ্ণ হ'ল আৰু প্ৰসন্ন কৌৎস মুনিৰ আশীৰ্বাদত ৰঘুৰ অজ নামে এটি পুত্ৰ সন্তান জন্ম হ'ল। অজ ডাঙৰ হ'ল আৰু পিতৃৰ আদেশ মৰ্মে ভোজ ৰজাৰ কন্যা ইন্দুমতীৰ সয়ম্বৰলৈ যাত্ৰা কৰিলে। পথত কন্যাহাতীৰ ৰূপত অহা গন্ধৰ্ব কুমাৰক অজই শৰনিক্ষেপেৰে শাপমুক্ত কৰি সন্মোহন নামৰ অস্ত্ৰ লাভ কৰিলে। নিৰ্দ্দিষ্ট দিনত প্ৰসন্ন হৃদয়েৰে দীপ্তিমান অজ সয়ম্বৰ সভাত উপস্থিত হ'ল।

ষষ্ঠ সৰ্গত ভোজৰজাৰ বিশাল সয়ম্বৰ সভাত মগধ, অংগ, অবন্তি, অনূপ, শূৰসেন, কলিংগ, নাগপুৰ আদি দেশৰ ৰাজকুমাৰ সকলৰ সমাবেশ ঘটিছে। ধাত্ৰী সুনন্দাই প্ৰতিজন ৰাজকুমাৰৰে উদাত্ত বৰ্ণনা আগবঢ়াই গ'ল। শেষত ইক্ষ্বাকুবংশীয় সুদৰ্শন কুমাৰ অজৰ কণ্ঠত ইন্দুমতীয়ে বৰমাল্য অৰ্পন কৰিলে।

সপ্তম সৰ্গত অজ- ইন্দুমতীৰ বিবাহ অনুষ্ঠিত হয়। বিবাহ অনুষ্ঠান উপলক্ষে ভোজনগৰী উৎসৱ মুখৰ হৈ পৰিল। নৱবধূৰে সৈতে অযোধ্যাভিমুখী অজক প্ৰত্যাখ্যাত অভিমানী কন্যাপ্ৰাৰ্থী ৰজা সকলে বাটতেটি প্ৰত্যাহ্বান জনালে। অজৰ অজস্ৰ তীৰবৰ্ষণৰ দ্বাৰা বিধ্বস্ত হোৱা ৰজাগণে চতুৰঙ্গ সেনানী গঠন কৰি অজক আক্ৰমন কৰিলে। অজই সন্মোহন অস্ত্ৰেৰে সকলোকে মূৰ্চ্ছিত কৰি ইন্দুমতীক লৈ অযোধ্যা পালেগৈ। ৰঘুৱে পুত্ৰ আৰু পুত্ৰবধূক অভিনন্দন জনালে।

অষ্টম সৰ্গত ৰঘুৱে বানপ্ৰস্থ গ্ৰহণ কৰে আৰু দেহত্যাগ কৰে। অজ-ইন্দুমতীৰ দশৰথ নামে এটি পুত্ৰসন্তান জন্ম হয়। এদিন অজ আৰু ইন্দুমতী ৰাজ উদ্যানত বিহাৰ কৰি থাকোঁতে এক স্বৰ্গীয় পুষ্পমালা ইন্দুমতীৰ বক্ষস্থলত পৰিলহি আৰু তাতে তেওঁৰ মৃত্যু হ'ল। পত্নীশোকত ৰজা ব্যাকুল হ'ল। শোকাচ্ছন্ন ৰজাক সান্ত্বনা দিবৰ বাবে কুলগুৰু বশিষ্ঠই এক শিষ্যযোগে জনালে যে শাপভ্ৰষ্টা অপ্সৰা এগৰাকী তেওঁৰ পত্নী ইন্দুমতী ৰূপে আছিল। দিব্যমালাৰ স্পৰ্শত তেওঁ শাপমুক্তি লাভ কৰিছে। গতিকে ইয়াত অজৰ শোক অনাৱশ্যক। পুত্ৰ দশৰথৰ মুখলৈ চাই অজই কিছুত দিন কটালে। পিছলৈ স্ত্ৰী সন্তাপত অনশন পালন কৰি মৃত্যু বৰণ কৰিলে।

নৱম সৰ্গত দশৰথৰ ৰাজ্য শাসন, মৃগয়া আৰু অন্ধমুনিৰ পুত্ৰবধৰ আখ্যান কথিত হৈছে। সংযমী, মহাৰথি, করুণাময়, আশ্ৰিতবৎসল ইন্দ্ৰসখা দশৰথে কোশল, কেকয় আৰু মগধ দেশৰ তিনিগৰাকী ৰাজকুমাৰী কৌশল্যা, কৈকেয়ী আৰু সুমিত্ৰাক বিয়া কৰাইছিল। এবাৰ তমসা নদীৰ পাৰত মৃগয়াচাৰী ৰজা দশৰথে নাতিদূৰত কন্যাহাতীৰ গম্ভীৰ বৃংহন শুনিবলৈ পালে। অস্ত্ৰকুশলী ৰজাই লগে লগে শব্দভেদী বাণ নিক্ষেপ কৰিলে। কিন্তু বাণে ঠিক লক্ষ্যত ভেদ কৰিলে যদিও সেই শব্দ হস্তী বৃংহন নাছিল, এক মুনিকুমাৰে কলহত পানী ভৰোৱাৰ শব্দহে আছিল। মুনি কুমাৰৰ করুণ কান্দোনত অনুতপ্ত ৰজাই তেওঁক অন্ধ পিতামাতাৰ ওচৰলৈ লৈ গল। অন্ধমুনিয়ে দশৰথক অভিশাপ দিলে যে তেওঁলোক দুয়োৰে যিদৰে পুত্ৰশোকত মৃত্যু হ'ব তেনেদৰে ৰজায়ো পুত্ৰশোকত প্ৰাণ এৰিব লাগিব। নিঃসন্তান ৰজাৰ বাবে এই অভিশাপ বৰ স্বৰূপ হ'ল।

অনেক কাল অতিবাহিত হ'ল। দশৰথৰ পুত্ৰ জন্ম নোহোৱা দেখি ঋষিসকলে পুত্ৰেষ্টি যজ্ঞ কৰাৰ সিদ্ধান্ত ল'লে। আনহাতেদি ৰাক্ষসৰাজ ৰাৱণৰ অত্যাচাৰত অতিষ্ঠ হোৱা দেৱতাগণ নাৰায়ণৰ ওচৰলৈ আশ্ৰয় বিচাৰি গ'ল। নাৰায়ণে নিজে পৃথিৱীত জন্ম লৈ ৰাৱণক দমন কৰিব বুলি কথা দিয়ে। সেই পৰিকল্পনা অনুযায়ী দশৰথৰ পুত্ৰেষ্টি যজ্ঞৰ হোমাগ্নি ৰ পৰা উত্থিত এক দিব্যপুৰুষে দশৰথৰ হাতত পৰমান্নপূৰ্ণ এক স্বৰ্ণপাত্ৰ দান কৰিলে। কৌশল্যা আৰু কৈকেয়ী দুয়ো নিজৰ পায়সৰ অৰ্দ্ধেক ভাগ সুমিত্ৰাক খাবলৈ দিলে। যথাসময়ত কৌশল্যাৰ গৰ্ভত ৰাম, কৈকেয়ীৰ গৰ্ভত ভৰত আৰু সুমিত্ৰাৰ গৰ্ভত লক্ষ্মণ আৰু শত্ৰুঘ্নৰ জন্ম হ'ল।

একাদশ সৰ্গত তাড়কাদি ৰাক্ষস বধ আৰু ৰজপুত্ৰ সকলৰ বিবাহ বৰ্ণিত হৈছে। সকলো বিদ্যাত নিপুণ হোৱাৰ পিছত এদিন ঋষি বিশ্বামিত্ৰ আহি ৰাক্ষস অধ্যুষিত আশ্ৰমাঞ্চলত শান্তি স্থাপনৰ বাবে ৰামৰ সাহায্য বিচাৰে। ৰাম-লক্ষ্মণে তাড়কা, মাৰীচ, সুবাহু আদি ৰাক্ষসক বধ কৰে আৰু পথত গৌতমমুনিৰ অভিশপ্ত ভাৰ্য্যা অহল্যাৰ শাপ মোচন কৰে। বিশ্বামিত্ৰৰ নিৰ্দেশত মিথিলালৈ আহি জনক ৰজাৰ সভাৰ চৰ্তানুযায়ী হৰধনু ভঙ্গ কৰি সীতাক লাভ কৰে। জনকৰ চাৰি কন্যা সীতা, উৰ্মিলা, মাণ্ডৱী আৰু শ্ৰুতকীৰ্তিৰ সৈতে ক্ৰমে ৰাম,

লক্ষ্মণ, ভৰত আৰু শত্ৰুঘ্নৰ বিবাহ হয়। দশৰথৰ সৈতে ৰাজকুমাৰ সকল অযোধ্যালৈ ওভটাৰ পথত অগ্নিমূৰ্ত্তি পৰশুৰামৰ সৈতে ৰামৰ সংঘৰ্ষ হয়। ৰামে তেওঁৰ স্বৰ্গৰ পথ বাণৰুদ্ধ কৰি দিলে। ঋষিয়ে ৰামক আশীৰ্বাদ কৰি অন্তৰ্দ্ধান হ'ল।

দশৰথে ৰামক যুবৰাজ ৰূপে অভিষিক্ত কৰাবলৈ যা-যোগাৰ কৰোতেই কৈকেয়ীয়ে দশৰথৰ পৰা পূৰ্বপ্ৰতিশ্ৰুত দুটি বৰ প্ৰাৰ্থনা কৰে। এটি বৰৰ দ্বাৰা ভৰতৰ ৰাজ্যাভিষেক প্ৰাৰ্থনা কৰা হ'ল। আৰু আনটি বৰৰ দ্বাৰা ৰামৰ চৈধ্য বছৰ বনবাস বিচৰা হ'ল। পিতৃসত্য ৰক্ষাৰ্থে ৰামে লক্ষ্মণ আৰু সীতাৰে সৈতে বনবাসলৈ গ'ল। অযোধ্যাবাসী স্তব্ধ হৈ পৰিল। দশৰথে পুত্ৰ শোকত প্ৰাণ ত্যাগ কৰিলে। মাতুল গৃহত থকা ভৰতক আনি ৰাজ্যভাৰ দিব খোজা হ'ল। কিন্তু ভৰত মান্তি নহৈ চিত্ৰকূট পৰ্বতৰ আশ্ৰমত থকা ৰামক অনেক প্ৰাৰ্থনা জনালে, অৱশেষত ৰামৰ পাদুকাযোৰ আনি নন্দিগ্ৰামত স্থাপন কৰি তাৰে পৰাই তেওঁ ৰাজ্য চলালে। চিত্ৰকূট এৰি ৰাম পঞ্চবটীলৈ গ'ল। পঞ্চবটীত ৰাৱণৰ ভগ্নী শূৰ্পনখা লক্ষ্মণৰ দ্বাৰা অপমানিতা হ'ল। শূৰ্পনখাৰ প্ৰতিশোধপৰায়ণ ভাতৃদ্বয় খৰ আৰু দূষণে আক্ৰমণ কৰিবলৈ আহি লক্ষ্মণৰ হাতত নিহত হ'ল। শেষত ৰাৱনে মায়াৰ বলেৰে সীতাক হৰণ কৰিলে। ৰামে সুগ্ৰীৱৰ লগত মিত্ৰতা কৰিলে আৰু সমুদ্ৰত সেতু বান্ধি ৰাৱণৰ ৰাজধানী লংকালৈ যাত্ৰা কৰিলে। ৰাৱণৰ ভাতৃ বিভীষণৰ সাহায্যত ৰাম-লক্ষ্মণে মেঘনাদ, কুম্ভকৰ্ণ আৰু শেষত ৰাৱণক বধ কৰি বিভীষণক লংকাৰ ভাৰ অৰ্পণ কৰি অগ্নিবিশুদ্ধা সীতাৰে সৈতে অযোধ্যালৈ প্ৰত্যাবৰ্তন কৰে। পুষ্পক বিমানেৰে আকাশ মাৰ্গেৰে প্ৰত্যাবৰ্ত্তণৰ পথত ৰামে সীতাৰ আগত আগবঢ়োৱা লংকাৰ পৰা এই পথছোৱাৰ চিত্ৰময় বৰ্ণনাই ত্ৰয়োদশ সৰ্গ সমৃদ্ধ কৰিছে। বাটত পৰা জনস্থান, মলয় পৰ্বত, পম্পাসৰোবৰ, গোদাবৰী নদী, পঞ্চবটী, চিত্ৰকূট পৰ্বত, মন্দাকিনী নদী, অগস্ত্য, শাতকৰ্ণি, শৰভঙ্গ আদি ঋষি সকলৰ আশ্ৰম সমূহ, গঙ্গা যমুনাৰ সংগমস্থল আৰু অৱশেষত সৰযু নদীৰ বিশদ বৰ্ণনা এই সৰ্গত পোৱা যায়। সৰযুৰ তীৰত ভৰতে সকলোকে স্বাগতম জনালে। ৰাম, লক্ষ্মণ, সীতাৰ লগত ভৰতৰ মিলন হ'ল। কুলগুৰু বশিষ্ঠ আৰু অযোধ্যাৰ সেনাবাহিনীয়ে তেওঁলোকক অভ্যাৰ্থনা জনালে। আধাক্ৰোশ দূৰৰ উপবনত থকা প্ৰথম কল্পিত শিবিৰত

সকলোৰে জিৰণি ললে।

মাতৃসকলৰ সৈতে ৰাম-লক্ষ্মণ-সীতাৰ মিলন, ৰামৰ অভিষেক আদিৰে চতুৰ্দশ সৰ্গ আৰম্ভ হৈছে। কিছুদিন অতিবাহিত হোৱাত সীতাৰ গৰ্ভলক্ষণ দেখা দিলে। ৰামৰ অনুৰোধত তেওঁ গৰ্ভকালিক ইচ্ছা বাপে পঞ্চবটীৰ অৰণ্যৰাজিত পুনৰ বিচৰণ কৰাৰ কথা ক'লে। ইতিমধ্যে প্ৰজাৰ মাজত প্ৰচলিত সীতাৰ অপবাদৰ কথা আৰু ৰাৱণৰ দ্বাৰা অপহৃতা সীতাক গ্ৰহণ কৰাৰ বাবে পুৰবাসী সকলে ৰামক নিন্দা কৰাৰ কথা ৰামে গুপ্তচৰৰ মুখেদি জানিবলৈ পালে। প্ৰজাৰ সন্তুষ্টিৰ বাবে সীতাক পৰিত্যাগ কৰাৰ সিদ্ধান্ত লৈ লক্ষ্মণক সেই দায়িত্ব দিলে। দোহদ পূৰণৰ আজুহাতত সীতাক লক্ষ্মণৰ লগত পঞ্চবটীলৈ পঠোৱা হ'ল। বাল্মীকিৰ আশ্ৰমৰ ওচৰত লক্ষ্মণে সীতাক সকলো জনাই ক্ষমা বিচাৰিলে। অভিমানিনী সীতাই ৰামৰ সন্দিগ্ধতাত আচৰিত হ'ল আৰু নিজৰ কঠোৰ সিদ্ধান্তৰ কথা জনালে যে সন্তানৰ মুখলৈ চাই তেওঁ এতিয়া জীয়াই থাকিব যদিও প্ৰসৱৰ পিছত তেওঁ এনে কঠোৰ তপস্যা কৰিব যাতে জন্মান্তৰতো তেওঁ ৰামকেই পতিৰূপে পায় কিন্তু বিচ্ছেদৰ যন্ত্ৰণা যেন পাবলগীয়া নহয়। লক্ষ্মণ ঘূৰি গ'ল। সীতাৰ বিননিয়ে বনস্থলী কঁপাই তুলিলে। বাল্মীকিয়ে আহি সীতাক সান্ত্বনা দি আশ্ৰমত আশ্ৰয় দিলে।

পঞ্চদশ সৰ্গত লব-কুশৰ জন্মৰ পৰা ৰামৰ স্বৰ্গাৰোহণলৈকে সমস্ত কথাভাগ বৰ্ণিত হৈছে। ৰামৰ আদেশত মথুৰা নগৰীৰ লবনাসুৰক বধ কৰিবৰ বাবে আহি শত্ৰুঘ্নই বাল্মীকিৰ আশ্ৰমত আশ্ৰয় লৈছেহি। সেই ৰাতিয়েই সীতাই লব আৰু কুশক জন্ম দিয়ে। বাল্মীকিৰ তত্ত্বাৱধানত দুই শিশুৱে শাস্ত্ৰ আৰু অস্ত্ৰাভ্যাসত পাৰ্গত হৈ পৰে। তদুপৰি বাল্মীকিয়ে দুয়োকে স্বৰচিত ৰামায়ণ আবৃত্তি কৰিবলৈ শিকালে। ৰামে অশ্বমেধ যজ্ঞ অনুষ্ঠান কৰিলে। সকলো অভ্যাগতৰ লগতে বাল্মীকিও লবকুশক লগত লৈ যজ্ঞস্থলীত উপস্থিত হ'ল। দুই শিশুৰ মুখত ৰামায়ণৰ মধুৰ গীত শুনি আৰু ৰামৰ লগত দুয়োৰো আকৃতিৰ সাদৃশ্য দেখি সমবেত সকলোৱে তেওঁলোকৰ পৰিচয় বিচাৰিলে। ৰামেও বাল্মীকিৰ মুখে শিশু দুটিৰ পৰিচয় পালে সৰ্বসমক্ষত পুনৰ্বাৰ অগ্নিপৰীক্ষা কৰি ৰামে সীতাক গ্ৰহণ কৰাৰ প্ৰস্তাৱ দিলে। সীতা যজ্ঞস্থলীলৈ আহিল কিন্তু তেওঁ নিজৰ বিশুদ্ধতা প্ৰমাণ কৰি বসুমতীৰ গৰ্ভত স্থান ল'লে। ইয়াৰ পিছত

ৰামে দীৰ্ঘকাল ৰাজ্য শাসন কৰি শেষত পুত্ৰ আৰু ভাতৃপুত্ৰ সকলৰ হাতত ৰাজ্য অৰ্পন কৰি ছদ্মবেশী কালৰ অনুৰোধক্ৰমে স্বৰ্গাৰোহণ কৰিলে।

ষষ্ঠদশ সৰ্গত ৰামৰ পুত্ৰ কুশে অযোধ্যাৰ পৰা ৰাজধানী নতুন ঠাইলৈ তুলি নি নাম দিলে কুশাৱতী। কিন্তু অযোধ্যাৰ ৰাজলক্ষ্মী স্বপ্নাদৃষ্ট হৈ কাতৰ মিনতি কৰাত কুশে ৰাজধানী পুনৰ অযোধ্যালৈ ঘুৰাই আনিলে। কুশৰ যুৱাবস্থাত এদিন সৰযূত স্নান কৰোতে তেওঁৰ বাহুমূলত বন্ধ অগস্ত্যৰ উপহাৰ, ইক্ষ্বাকুবংশৰ ৰক্ষাকবচ আৰু বিজয়লক্ষ্মীৰ মোহন মন্ত্ৰ স্বৰূপ অলংকাৰ এপদ পানীত সৰি পৰিল। বহুত বিচাৰিও সেই আভৰণ বিচাৰি পোৱা নগ'ল। নাগকন্যা কুমুদ্বতীয়ে সেই আভৰণ পাই সযতনে ৰক্ষা কৰিলে আৰু নাগৰাজ কুমুদৰ লগত আহি সেই আভৰণ কুশক সমৰ্পণ কৰিলে। কুমুদ্বতীৰ প্ৰতি প্ৰণয় আৰু কৃতজ্ঞতাবশতঃ কুশে তেওঁক বিবাহ কৰালে।

সপ্তদশ সৰ্গত কুশ আৰু কুমুদ্বতীৰ পুত্ৰ অতিথিৰ জন্ম হয়। ইন্দ্ৰৰ অনুৰোধ ক্ৰমে দুৰ্জয় নামে দানৱ বধ কৰি যুদ্ধত কুশ নিজেও নিহত হয়। মন্ত্ৰীসকলে অতিথিক সিংহাসনত বহুৱালে। নীতিকুশল অতিথিৰ দক্ষ প্ৰশাসনত ৰাজ্য আৰু অধিক সমৃদ্ধিশালী হৈ পৰে।

অষ্টাদশ সৰ্গত অতিথিৰ পৰৱৰ্তী এঘেৰজন ৰজাৰ ৰাজত্বকালৰ সংক্ষেপ বৃত্তান্ত পোৱা যায়। অতিথিৰ পিছত ক্ৰমে নিষধ, নল নভ, পুণ্ডৰীক, ক্ষেমধন্বা, দেৱানীক, অহীনগু, পৰিয়াত্ৰ, শীল, উন্নাভ, বজ্ৰঘোষ, বজ্ৰনাভ, শংখন, ব্যুষিতাশ্ব, বিশ্বসহ, হিৰণ্যনাভ, কৌসল্য, ব্ৰহ্মিষ্ঠ, পুত্ৰ, পুষ্য, আৰু ধ্ৰুৱসন্ধি ৰজা হ'য় ধ্ৰুৱসন্ধি সিংহৰ আক্ৰমনত নিহত হ'ল। প্ৰজাবৰ্গই নাবালক সুদৰ্শনক ৰজা পাতিলে। যুৱাবস্থাত সুদৰ্শনে বিবাহ কৰালে আৰু অগ্নিবৰ্ণৰ জন্ম হ'ল।

ঊনবিংশ সৰ্গত বৃদ্ধাবস্থাত সুদৰ্শনে অগ্নিবৰ্ণৰ অভিষেক অনুষ্ঠিত কৰি নৈমিষাৰণ্যলৈ গৈ সন্যাস ধৰ্ম গ্ৰহণ কৰিলে। পিতৃপুৰুষৰ দ্বাৰা সুদৃঢ় বিশাল সাম্ৰাজ্যত অগ্নিবৰ্ণই পোনতে মনে প্ৰাণে প্ৰজাপালন কৰিছিল যদিও পিছলৈ নিষ্কণ্টক ৰাজ্যত তেওঁ বিলাসী জীৱন যাত্ৰাৰ আশ্ৰয় ল'লে। অতিৰিক্ত শৃঙ্গাৰ বিলাসৰ ফলত তেওঁ ৰাজযক্ষ্মাৰ দ্বাৰা আক্ৰান্ত হৈ মৃত্যুবৰণ কৰে। কিন্তু বশিষ্ঠৰ মন্ত্ৰনামতে পুত্ৰহীন ৰজাৰ অগ্নিদাহাদি কাৰ্য্য ৰাজগৃহৰ সমীপৱৰ্তী

উপবনতে সমাধা কৰি ৰজাৰ প্ৰাণত্যাগৰ ঘটনা গোপনে ৰখা হ'ল আৰু অন্তঃসত্ত্বা ৰাণীৰ অভিষেক কৰা হ'ল। অমাত্যবৰ্গৰ সহায়ত ৰাণীয়ে দক্ষতাৰে শাসন কাৰ্য্য চলাই নিলে। এনেদৰে সূৰ্য্যবংশৰ ইতিকথাৰ সমাপ্তি ঘটিল।

ৰঘুবংশৰ শিৰোনামা

কালিদাসে তেওঁৰ এই দীঘলীয়া কাব্যখনৰ নাম ৰাখিলে 'ৰঘুবংশম্'। বিষয়বস্তু বিচাৰ কৰি দেখা গ'ল যে কালিদাসে এই গ্ৰন্থত উনত্ৰিশজন সূৰ্য্যবংশীয় ৰজাৰ জীৱনচৰ্যা ৰচনা কৰিছে। এই বংশটোৰ প্ৰতিষ্ঠাতা বৈৱস্বত মনু আৰু কাব্যখন আৰম্ভ হৈছে ৰজা দিলীপৰ জীৱনীৰে। তদুপৰি কাব্যখন ৰচনাৰ বাবে কৱিয়ে প্ৰেৰণা পাইছে ৰামায়ণৰ পৰা। ৰামায়ণৰ নায়ক ৰামচন্দ্ৰ ভাৰতীয় পৰম্পৰত মৰ্যাদাপুৰুষোত্তম। তেনে স্থলত কালিদাসে মনু বা দিলীপ বা ৰামৰ নামেৰে কাব্যখনৰ নামকৰণ কৰিব লাগিছিল। কিন্তু কালিদাসে দিলীপৰ পুত্ৰ ৰঘুৰ নামেৰেহে বংশটোৰ পৰিচয় দিবলৈ ভাল পালে। কালিদাসৰ দৰে চিন্তাশীল কৱিজনৰ এনে ৰুচিৰ তাৎপৰ্য্য নিশ্চয় বিচাৰ কৰি চাব পাৰি।

গ্ৰন্থ এখনিৰ শিৰোনামা নিৰ্বাচনত গ্ৰন্থকাৰৰ দক্ষতা, ৰুচি আদিৰ লগতে তেওঁৰ অভিপ্ৰেত বক্তব্যও ব্যঞ্জিত হয়। এই মহাকাব্যৰ প্ৰধান উদ্দেশ্য হ'ল সূৰ্য্য বংশীয় ৰজাসকলৰ গুণগৰিমা ব্যাখ্যান। ইয়াত উনত্ৰিছজন ৰজাৰ কাহিনী গ্ৰথিত হৈছে যদিও কেৱল ৰঘু আৰু ৰামৰ জীৱনীহে জন্মাৱধি মৃত্যু পৰ্য্যন্ত আগবঢ়োৱা হৈছে। আন ৰজা সকলৰ জীৱনৰ দুই এটা ঘটনাহে পৰিবেশন কৰা হৈছে, যেনে দিলীপৰ সন্তানহীনতা আৰু নন্দিনীসেৱা, অজৰ সম্মোহন অস্ত্ৰ প্ৰাপ্তি আৰু ৰাজকন্যা লাভ ইত্যাদি। কিন্তু ৰঘু আৰু ৰামৰ জীৱনী পৰিবেশনত কালিদাসে অধিক মনোযোগ দিছে। ৰঘুৰ কীহিনী তৃতীয়ৰ পৰা অষ্টম সৰ্গ পৰ্য্যন্ত আৰু ৰামৰ কাহিনী দশমৰ পৰা পঞ্চদশ সৰ্গ পৰ্য্যন্ত বিস্তৃত হৈ আছে। এই দুইজন ৰজাৰ ভিতৰতো আকৌ ৰঘুৰ জীৱনৰ ৰাজকীয় মহিমা উদাৰ ভাৱে বৰ্ণিত হৈছে। ৰামৰ জীৱন প্ৰকৃতাৰ্থত তপস্বীৰ জীৱন। ত্যাগ আৰু সংযমেই সেই জীৱনৰ সঞ্জীৱনী। বাল্মীকিয়েও ৰামৰ জীৱনত ৰাজকীয় আড়ম্বৰ সংযোগ কৰিবলৈ সুবিধা দিয়া নাই। গতিকে কালিদাসে ৰঘুৰ চৰিত্ৰতে সকলো ৰাজোচিত সৎগুণৰ পৰিস্ফুৰণ ঘটোৱাৰ সুবিধা লৈছে।

দিলীপৰ বৰ্ণনাৰে কাব্য আৰম্ভ হৈছে যদিও এইজন ৰজাৰ গাত ৰাজোচিত

লক্ষণসমূহ ফুটাই তোলাৰ সুবিধা কালিদাসে পোৱা নাই। বৰং তেওঁৰ প্ৰৌঢ় াৱস্থাৰ দুই এক ঘটনাৰে দিলীপৰ প্ৰসঙ্গ সামৰিছে। ৰঘুৰ জন্ম, জন্মোৎসৱ শিক্ষা, বিবাহ, দিগ্বিজয়, অভিষেক, শাসন, যজ্ঞানুষ্ঠান, পুত্ৰলাভ পুত্ৰবধুলাভ, বাণপ্ৰস্থ দেহত্যাগ একাদিক্ৰমে বৰ্ণাইছে। ইয়াৰ আগতে প্ৰথম সৰ্গত দিয়া দিলীপৰ সন্তানহীনতা আৰু সন্তান লাভৰ কাহিনী ৰঘুৰ জন্মৰ প্ৰাক্কথন যেনহে লাগে। বৈৱস্বত মনুৰ পৰা বংশটো আৰম্ভ হোৱা বুলি কʼলেও আৰু ৰঘুৰ পূৰ্বপুৰুষ ৰজাসকলৰ গুণগান কৰিলেও কালিদাসৰ মানত বংশটোৱে ৰঘুৰ দিনতহে প্ৰতিষ্ঠা লাভ কৰিছিল। কালিদাসে ৰঘুক তেওঁৰ আদৰ্শৰ ৰজাজন কৰি সজাই তুলিছে। কেৱল সূৰ্য্যবংশীয় ৰজাসকলৰ ভিতৰতে নহয় কালিদাসৰ সমূহ গ্ৰন্থৰ ৰজাসকলৰ ভিতৰত ৰঘুৰ দুৰ্লংঘ্য ব্যক্তিত্ব অতি মনোগ্ৰাহী ৰূপত চিত্ৰিত হৈছে। তেওঁ একাধাৰে অস্ত্ৰবিদ্যা আৰু শাস্ত্ৰবিদ্যাত পাৰদৰ্শী। অনন্য বীৰ ৰঘুৰ পৰাক্ৰমত স্বয়ং ইন্দ্ৰয়ো দিলীপক শতযজ্ঞৰ ফল প্ৰদান কৰিবলৈ বাধ্য হʼল। দিগ্বিজয় যাত্ৰাত তেওঁ সমগ্ৰ জম্বুদ্বীপৰ ৰজা সমূহক বশ্যতা স্বীকাৰ কৰালে। ৰাজ্যজয়ত সংগৃহীত সমস্তধন তেওঁ মুক্তহস্তে দান কৰিলে। ৰিক্তহস্ত ৰঘুৰ ওচৰৰ পৰা আনকি ৰৰতন্তু শিষ্য কৌৎসও শুদাহাতে যাবলগীয়া নহʼল। পিতৃভক্ত ৰঘুৰ পুত্ৰবাৎসল্যও অকপট ভাৱে প্ৰকাশ হৈছে। চতুৰাশ্ৰমত নিষ্ঠাবান ৰজা ৰঘুৰ অকৃত্ৰিম দেশপ্ৰেম তেওঁৰ প্ৰতিটি কাৰ্য্যতে প্ৰতিফলিত হৈছে। এনে এজন ৰজাৰ বংশাৱলীকে যে কালিদাসে এই গ্ৰন্থত পৰিবেশন কৰিব খুজিছে তাক তেওঁ শিৰোনামাতেই সূচিত কৰিছে।

তদুপৰি কৱিৰ কাব্যৰ পৰিসৰো উক্ত শিৰোনামাই নিৰ্দ্দিষ্ট কৰি দিছে। ৰঘুবংশৰ উৎস যদিও ৰামায়ণ, তথাপি দুয়োখন গ্ৰন্থৰে পৰিসৰ পৃথক পৃথক। ৰামায়ণত বাল্মীকিয়ে কেৱল ৰামৰ জীৱনগাথাহে কʼব খুজিছে- ৰামস্য অয়নম্ ৰামায়ণম্। অয়ণ শব্দৰ অৰ্থ গতি, মাৰ্গ, পথ। ৰামায়ণ নামটোৰ দ্বাৰা এই কথা স্পষ্টকৈ বুজিব পাৰি যে ৰামৰ জীৱন বৃত্তান্ত সবিশেষ উৎথাপন কৰাই বাল্মীকিৰ প্ৰধান উদ্দেশ্য আছিল। ৰামৰ পূৰ্বপুৰুষ সকলৰ পৰিচয় দিয়াৰ প্ৰসঙ্গতহে তেওঁ দিলীপৰ পৰা দশৰথলৈকে ৰজাসকলৰ বিৱৰণ দিব লগা হৈছে। সেয়েহে তেওঁ কুশৰ লগে লগে মহাকাব্যখনৰ সামৰণি মাৰিছে। কিন্তু

ৰঘুবংশত কালিদাসৰ উদ্দেশ্য বেলেগ। মহাকাব্যখনৰ পৰিসৰৰ লগত সংগতি ৰাখি কালিদাসে গ্ৰন্থখনিৰ নাম ৰঘুবংশ ৰাখিছে। সূৰ্য্যবংশৰ সকলো ৰজাৰে কালানুক্ৰমিক টোকা ইয়াত পোৱা যায়। বিভিন্ন উৎসৰ পৰা সমল গোটাই কালিদাসে নিজে শুদ্ধ বুলি ভবামতে সূৰ্য্যবংশৰ বংশলতিকা প্ৰস্তুত কৰিছে। তেনে অৰ্থত ৰঘুবংশ সূৰ্য্যবংশৰ বংশাৱলী মাথোন। গতিকে দিলীপতে আৰম্ভ কৰি ৰামায়ণত নথকা কুশৰ পিছৰ ৰজাসকলকো তেওঁ কাব্যত অন্তৰ্ভূক্ত কৰিছে।

ৰঘুৰ-উত্তৰ পুৰুষ সকলৰ মাজত অনেক উপযুক্ত ৰজা থকা স্বত্বেও কাব্যৰ আ ৰম্ভতে ৰঘুৰ শ্ৰেষ্ঠতা আৰু মহত্ব এনেদৰে প্ৰতিষ্ঠা কৰি লোৱা হৈছে যে বিশাল ব্যক্তিত্বৰ অধিকাৰী ৰঘুৰ নামেৰে বংশটো নামকৰণ কৰাৰ দ্বাৰা পৰৱৰ্ত্তী ৰজাসকলৰ গৰিমাৰাশিকো ব্যঞ্জিত কৰাৰ সুবিধা হৈছে।

অৱশ্যে সূৰ্য্যবংশক ৰঘুবংশ নামেৰে বাল্মীকিয়েও ৰামায়ণত দুবাৰ উল্লেখ কৰিছে। তুলনীয়—

'ৰঘুবংশস্য চৰিতং চকাৰ ভগবান মুনিঃ' (আদি ৩.৯)আৰু 'অহং চ ৰঘুবংশশ্চ লক্ষ্মণশ্চ মহাবলঃ' (সুন্দৰ ১. ১১) । কালিদাসে ৰামায়ণৰ পৰাও এই নাম সংগ্ৰহ কৰিব পাৰে।

এচাম আধুনিক পণ্ডিতে অৱশ্যে ৰঘুবংশৰ নামটোত বৌদ্ধধৰ্মৰ প্ৰভাৱ লক্ষ্য কৰিছে আৰু অনেক যুক্তিৰে তাক সাব্যস্ত কৰিবলৈ বিচাৰে। তেনে পণ্ডিত সকলৰ ভিতৰত টি. জি মায়েকাৰে তেখেতৰ Kalidasa, His art and tho ught নামৰ গ্ৰন্থত[1] এই কথা প্ৰতিপন্ন কৰিবলৈ বিচাৰিছে যে বৌদ্ধ বংশগ্ৰন্থ সমূহৰ প্ৰভাৱত কালিদাসে সংস্কৃত ভাষাত এক নতুন শ্ৰেণীৰ কাব্যধাৰাৰ সূচনা কৰিবলৈ বিচাৰিছিল আৰু তাৰে আৰম্ভণ ৰূপে ৰঘুবংশ লিখিছিল। বৌদ্ধ সাহিত্যৰ বংশ গ্ৰন্থবোৰত কোনো ৰাজবংশৰ কেৰাজনো ৰজাৰ আখ্যান সন্নিবিষ্ট কৰা হয়। আৰু সেইবোৰ প্ৰধানকৈ উপদেশপূৰ্ণ হয়। প্ৰতিজন ৰজাৰ কাহিনী য়ে বিভিন্ন বিষয়ত নীতিপৰক বক্তব্য ভাষি ধৰে।বৌদ্ধ সাহিত্যত এই শ্ৰেণীৰ ৰচনাই এটা বিশেষ ধাৰাৰ প্ৰৱৰ্ত্তন কৰিছিল। তেনে গ্ৰন্থৰ ভিতৰত মহাবংশ, দীপবংশ আদিৰ নাম বিশেষভাৱে উল্লেখনীয়।

---

1. Poona Deshmukh Prakashana. P.94-96

আলংকাৰিক ভামহেও অশ্মকবংশ নামে এক গ্ৰন্থৰ উল্লেখ কৰিছে। এই দৃষ্টিৰে ৰঘুবংশক পৰীক্ষা কৰা সমালোচক সকলে ক'ব খোজে যে এই নীতিপৰক বংশগ্ৰন্থবোৰৰ আৰ্হিতে কাব্যিক ৰূপ প্ৰদান কৰি কালিদাসে ৰঘুবংশ নিৰ্মাণ কৰিলে।

কোনোবাই ক'ৰবাত এই পণ্ডিত সকলৰ এই অভিমতৰ বিৰোধিতা কৰিছেনে নাই জনা হোৱা নাই কিন্তু এই সম্পৰ্কত ব্যক্তিগত মতামত এনে ধৰণৰ কালিদাসৰ পৃষ্ঠপোষক ৰজাসকল হিন্দু আছিল আৰু হিন্দুধৰ্মৰ পুনৰুত্থানৰ বাবে তেওঁলোকে চেষ্টা কৰিছিল। এই সময়ছোৱা প্ৰকৃততে বৌদ্ধধৰ্মৰ অৱসাদৰ কাল। গতিকে এনে সময়তে হিন্দুৰজাৰ পৃষ্ঠপোষকতাত থাকি কালিদাসে বৌদ্ধ সাহিত্যৰ অনুকৰণত কাব্য লিখিব বুলি ভাবিব নোৱাৰি। কালিদাসৰ আন গ্ৰন্থত বৌদ্ধধৰ্মৰ প্ৰভাব দেখা নাযায়। গতিকে ৰঘুবংশৰ দৰে এখন মহাকাব্য তেওঁ এনে প্ৰভাৱত লিখি উলিয়াব বুলি ভাবিব নোৱাৰি। কালিদাসে ৰামায়ণত হয়তো ৰঘুবংশ শব্দটো পাইছে আৰু তেওঁৰ নিজৰ কাব্যৰ উদ্দেশ্য, লক্ষ্য আদৰ্শ আৰু পৰিসৰৰ অভিব্যঞ্জনা কৰিব পৰাকৈ মহাকাব্যখনৰ নাম ৰঘুবংশ ৰাখিছে।

ৰঘুবংশ আৰু ৰামায়ণ

ৰামায়ণ লৌকিক সংস্কৃত ভাষাত ৰচিত প্ৰথম কাব্য। ইতিপূৰ্বে সৃষ্টি হোৱা বৈদিক সাহিত্যৰ সাহিত্যিক সুষমালৈ লক্ষ্য কৰিলে এই কথা মানি লবলৈ টান হয় যে বৈদিক যুগত কাব্য, গীত, উপন্যাস আদিৰ দৰে সাহিত্য সৃষ্টি হোৱা নাছিল। বেদৰ কবিসকলে বৰষুণ বিচাৰি বৰুণক কাতৰ প্ৰাৰ্থনা জনাইছিল, বিজুলীৰ তৰোৱালেৰে কলিয়া ডাৱৰ ফালি আশীষ বাৰি ঢালি দিবলৈ ইন্দ্ৰক অনুৰোধ কৰিছিল, নায়িকা উষাক অনুসৰণ কৰা যুৱক ভাস্কৰক আকাশ মঞ্চত দৰ্শন কৰিছিল, দোকমোকালিতে টোপনিৰ পৰা সকলো প্ৰাণীকে জগাবলৈ বুলি কোমল চাদৰ টানি অহা স্নেহময়ী মাতৃ উষাৰ পৰশ অনুভৱ কৰিছিল, তৰা শোভিত ৰাতিৰ বতাহত কৃষ্ণাঙ্গী নায়িকাৰ স্পৰ্শ লাভ কৰিছিল। এনে অনুভূতি সম্পন্ন কবিসকলে, যি সকলে বিমূৰ্ত অনুভূতিক কল্পনাৰ যদুকাঠিৰে জীৱন্ত কৰি তুলিব পাৰিছিল সেই সকল কবিয়ে নিজৰ জীৱনৰ দুখ-আনন্দ, আশা-হতাশা, ভয়-আশ্চৰ্য্য আদিক বাক্যেৰে কেতিয়াও প্ৰকাশ কৰা নাছিল বুলি ক'লে বিশ্বাস নহয়। কিন্তু যি কোনো কাৰণতে নহওঁক সেই যুগৰ ধৰ্মীয় সাহিত্যৰাজি যিমান সাৱধানতাৰে সংৰক্ষণ কৰা হ'ল, লৌকিক ৰচনাৰাজি সিমান নিষ্ঠাৰে সংৰক্ষণ কৰা নহ'ল। সেয়েহে দেৱবিষয়ক কল্পনাসিদ্ধ সাহিত্যখিনি জীয়াই থাকিল আৰু লৌকিক জীৱনৰ ভাবানুভূতিসিদ্ধ সাহিত্যখিনি হেৰাই গ'ল। সাহিত্যতত্ত্বৰ সমালোচকসকলে কাব্য আখ্যা দিয়া সৃষ্টিশীল সাহিত্যৰাজিৰ ভিতৰত ৰামায়ণেই প্ৰথমতে ৰচিত হৈছিল আৰু তাতেই পোন প্ৰথমবাৰৰ বাবে পাৰ্থিৱ মানুহৰ জীৱনালেখ্য কথিত হোৱা দেখা যায়। বাল্মীকি নিজে অসাধাৰণ কবিত্ব প্ৰতিভাৰ, সূক্ষ্ম অন্তৰ্দৃষ্টিৰ, সহানুভূতিশীল বোধশক্তিৰ আৰু শক্তিশালী ভাষাৰ অধিকাৰী হোৱা বাবে তেওঁৰ ৰচনাৰ বিশাল পৰিসৰে দৃশ্যমান জগতৰ সকলোবোৰ দিশকে সামৰি লৈছে। সেয়ে ৰামায়ণ পৰৱৰ্ত্তী কবিসকলৰ চিন্তা চৰ্চ্চা-, ধ্যান-

ধাৰণা আৰু সাহিত্য- সমলৰ উৎস স্বৰূপ হৈ পৰিল। তদুপৰি সাহিত্যিক সুষমাৰ বাবেই হওঁক বা আদৰ্শৰ মহত্ত্বৰ বাবেই হওঁক ৰামায়ণৰ জনপ্ৰিয়তাও প্ৰশ্নাতীত। সেয়েহে প্ৰায় সকলোবোৰ প্ৰাচীন ভাৰতীয় কবিৰ ৰচনাৰ ক'ৰবাত নহয় ক'ৰবাত ৰামায়ণৰ ছাঁ পৰি ৰৈছে। বহুতো কবিয়ে নিজৰ কাব্যত বাল্মীকিৰ প্ৰতি শ্ৰদ্ধা আৰু ৰামায়ণৰ ওচৰত ঋণ স্বীকাৰ কৰি গৈছে। মহাকবি কালিদাসো আদিকবি বাল্মীকিৰ প্ৰভাৱৰ পৰা মুক্ত নহয়। কালিদাসৰ বিভিন্ন ৰচনাত ৰামায়ণৰ প্ৰভাৱ সিঁচৰিত হৈ আছে যদিও তেওঁৰ ৰঘুবংশ মহাকাব্যখন ৰামায়ণক আশ্ৰয় কৰিয়ে গঢ়ি উঠিছে। কিন্তু ৰামায়ণৰ বিষয়বস্তু পুৰাণাদি বিভিন্ন উৎসত সন্নিবিষ্ট হৈ থকাৰ উপৰিও কালিদাসৰ মৌলিক প্ৰতিভাই ৰামায়ণৰ বিষয়বস্তুক ৰঘুবংশত এনে ৰূপত সজাই তুলিছে যে ৰামায়ণ আৰু ৰঘুবংশৰ মাজৰ সম্বন্ধক লৈ পণ্ডিতসকলৰ মাজত সততে বাদ প্ৰতিবাদৰ সৃষ্টি হৈছে।

ৰঘুবংশত ২৯ জন সূৰ্য্যবংশীয় ৰজাৰ গৌৰবোজ্জ্বল কাহিনী বৰ্ণিত হৈছে। বৈদিক সাহিত্যত এই কাহিনীবোৰ পাবলৈ নাই। ৰামায়ণতে প্ৰথমবাৰৰ বাবে সূৰ্য্যবংশীয় ৰজা সকলৰ জীৱন- বৃত্তান্ত কথিত হৈছে। ইয়াত এই বংশৰ ঊনৈশ পুৰুষৰ উল্লেখ কৰা হৈছে। বাল্মীকিয়ে 'অব্যক্ত প্ৰভৱো ব্ৰহ্মা শাশ্বতো নিত্য অব্যয়ঃ' (১.৭০.১৯), এই বুলি ব্ৰহ্মাৰ পৰা এই বংশৰ উৎপত্তি হোৱা দেখুৱাইছে। প্ৰজাপতি মনুৰ পুত্ৰ ইক্ষ্বাকুৱে অযোধ্যাত ৰাজধানী পাতি ৰাজ্য চলাইছিল। ব্ৰহ্মাৰ পৰা আৰম্ভ কৰিলে দিলীপ এই বংশৰ দ্বাবিংশতিতম পুৰুষ। ৰামায়ণে ব্ৰহ্মা আৰু দিলীপৰ মাজৰ ৰজাসকলৰ টোকা দিয়া নাই। কিন্তু দিলীপৰ পৰা কুশলৈকে নৃপতি সকলৰ পৌৰ্বাপৰ্য্য এনে ক্ৰমত সজাইছে— দিলীপ, ভগীৰথ, ককুৎস্থ, ৰঘু, প্ৰবৃদ্ধ, শংখন, সুদৰ্শন,অগ্নিবৰ্ণ, শীঘ্ৰগ, মৰু, প্ৰশুশ্ৰুক, অম্বৰীষ, নহুষ , যযাতি, নাভাগ, অজ, দশৰথ, ৰাম, কুশ। এই ক্ৰম অনুসৰি দিলীপৰ পৰা ৰঘুলৈকে চাৰি পুৰুষ আৰু ৰঘুৰ পৰা অজলৈকে তেৰ পুৰুষ দেখুওৱা হৈছে। বাল্মীকিয়ে ৰামৰ পুত্ৰ কুশৰ জীৱন চৰিত বৰ্ণনাৰে মহাকাব্যৰ সামৰণি মাৰিছে।

একে বংশৰে ৰাজন্যবৰ্গৰ জীৱন চৰিত কথিত হ'লেও কালিদাসৰ ৰঘুবংশৰ পৰিসৰ ৰামায়ণতকৈ বিস্তৃত। কালিদাসে যি ক্ৰমত এই ৰজাসকলৰ

পৌৰ্বাপৰ্য্য নিৰ্ণয় কৰিছে সিও ৰামায়ণতকৈ পৃথক। কালিদাসে বৈবস্বত মনুৰ[1] পৰা এই বংশৰ উৎপত্তি হোৱা বুলি কৈছে যদিও প্ৰকৃততে দিলীপৰ পৰাহে সূৰ্য্যবংশৰ বিৱৰণ আৰম্ভ কৰিছে। ৰঘুবংশত ৰজাসকলৰ ক্ৰম এনে ধৰণৰ দিলীপ, ৰঘু, অজ, দশৰথ, ৰাম, কুশ, অতিথি, নিষধ, নল, নভ, পুণ্ডৰীক, ক্ষেমধন্বা, দেৱানিক, অহিনগু, পাৰিয়াত্ৰ, শীল, উন্মাভ, বজ্ৰনাভ, শংখন, ব্যুষিতাশ্ব, বিশ্বসহ, হিৰণ্যনাভ, কৌশল্য, ব্ৰহ্মিষ্ঠ, পুত্ৰ, পুষ্য, ধ্ৰুৱসন্ধি, সুদৰ্শন, অগ্নিবৰ্ণ।

ৰামায়ণ আৰু ৰঘুবংশত উল্লেখ কৰা নৃপতিসকলৰ তালিকা দুখনলৈ লক্ষ্য কৰিলে দেখা যায় যে কালিদাসে ৰামায়ণৰ উনৈশ টা পীৰি মাত্ৰ ছটালৈ চমুৱাইছে। আনহাতেদি ৰামায়ণত নথকা তেইছজন ৰজাক কুশৰ উত্তৰাধিকাৰী ৰূপে একাদিক্ৰমে কাব্যখনত স্থান দিছে। এই ৰজাসকলৰ সংবাদ কালিদাসে পুৰাণ সাহিত্যৰ দৰে আন উৎসৰ পৰা আনিছে। ব্ৰহ্মপুৰাণত (৮.৮৫-৯৪) সূৰ্য্যবংশীয় ৰজাসকলৰ ইতিহাস কোৱা হৈছে। ইয়াত মুঠতে ২০ জন ৰজাৰ তালিকা দিয়া হৈছে। তাৰ ভিতৰত দিলীপৰ পৰা অহিনগুলৈকে চৈধ্যজন নৃপতিৰ যি ক্ৰম ইয়াত প্ৰস্তুত কৰা হৈছে সি ৰঘুবংশৰ লগত মিলে। এই পুৰাণে অহিনগুৰ পিছত ছজন ৰজাৰ নামোল্লেখ কৰিছে। সেই সকলৰ ভিতৰত কেৱল বজ্ৰনাভৰ নামহে ৰঘুবংশত পোৱা যায়। বিষ্ণুপুৰাণ আৰু বায়ুপুৰাণতো সূৰ্য্যবংশীয় ৰজাসকলৰ বৃত্তান্ত ডাঙি ধৰা হৈছে। বিষ্ণুপুৰাণে একত্ৰিছজন সূৰ্য্যবংশীয় ৰজাক স্থান দিছে। ৰঘুবংশত নথকা ভগীৰথ আৰু দীৰ্ঘবাহুক দিলীপ আৰু ৰঘুৰ মাজত স্থাপন কৰা হৈছে। তদুপৰি আহিনগুৰ পিছত ৰূপ, ৰুৰু, দল, ছল, উক্থ আৰু শংখনাভৰ নাম উল্লেখ কৰা হৈছে। অৱশ্যে ৰঘুবংশতো ব্ৰহ্মপুৰাণত নথকা ছজন ৰজাৰ নাম পোৱা যায়। সেইসকল হৈছে শীল, উন্নাভ, শঙ্খন, কৌশল্য, ব্ৰহ্মিষ্ঠ আৰু পুত্ৰ। বায়ুপুৰাণে আকৌ দিলীপৰ পৰা অগ্নিবৰ্ণলৈকে আঠাইছ পুৰুষ উল্লেখ কৰিছে। এই গ্ৰন্থতো ৰামায়ণ আৰু ৰঘুবংশত নথকা চাৰিজন ৰজাৰ নাম সংযোগ কৰা হৈছে, অথচ ৰঘুবংশত থকা পাঁচজন ৰজাৰ নাম বাদ দিয়া হৈছে। ভাগৱতপুৰাণে সূৰ্য্যবংশীয় ৰজাসকলৰ সবাতোকৈ দীঘল তালিকা দিছে। তাত বৈবস্বত মনুৰ পৰা

১। ৰঘুবংশ ১.১১

অগ্নিবৰ্ণলৈকে ৭৮ পুৰুষৰ উল্লেখ কৰি এশ ত্ৰিচ জন ৰজাৰ নামোল্লেখ কৰিছে। এই পুৰাণেও বহু নতুন ৰজাৰ নাম অন্তৰ্ভূক্ত কৰিছে আৰু ৰামায়ণ -ৰঘুবংশৰ বহু নাম বাদ দিছে। অগ্নি (২৭৩.২৯) আৰু মৎস্য পুৰাণত (১২.৪৪-৫৮) ৰজাসকলৰ সংখ্যা আৰু ক্ৰম একেধৰণে পোৱা যায়। এই দুই পুৰাণত অজৰ পূৰ্ববৰ্ত্তী ৰজা সকলৰ নাম আৰু ক্ৰম ৰামায়ণ বা ৰঘুবংশৰ লগত নিমিলে কিন্তু অজৰ পৰা অহিনগুলৈকে ৰঘুবংশৰ তালিকাৰ লগত সম্পূৰ্ণৰূপে মিলে। পদ্মপুৰাণে এই বংশৰ যি বৰ্ণনা দিছে সি ৰঘুবংশৰ লগত সকলোপিনৰ পৰা মিলে। হৰিবংশতো কুশৰ পৰা অগ্নিবৰ্ণলৈকে চৌবিছ জন ৰজাৰ নামোল্লেখ কৰা হৈছে। ভাসৰ প্ৰতিমা নাটকত ৰামৰ পূৰ্ববৰ্ত্তী বুলি দিলীপ, ৰঘু, অজ আৰু দশৰথৰ নামহে পোৱা যায়।

সূৰ্য্যবংশৰ ইতিহাস থকা এনে উৎসত পোৱা সমূহ তথ্যৰ তুলনামূলক পৰীক্ষা কৰি চালে কালিদাসৰ তালিকাৰ লগত পুৰাণবিলাকত পোৱা তালিকাৰহে যথেষ্ট মিল দেখা যায়। কিন্তু ৰঘুবংশতপোৱা শীল, উন্নাভ, কৌশল্য, ব্ৰহ্মিষ্ঠ আৰু পুত্ৰ এই কেইজন নৃপতিৰ নাম ৰামায়ণেও উল্লেখ কৰা নাই আৰু পুৰাণবিলাকেও উল্লেখ কৰা নাই। এনে সমীক্ষাৰ পৰা ৰামায়ণক ৰঘুবংশৰ কাহিনীভাগৰ উৎস বুলি কবলৈ সংকোচ জন্মে। ইতিমধ্যে কোবাৰ দৰে পদ্মপুৰাণ আৰু ৰঘুবংশৰ ৰাজন্যবৰ্গৰ সম্পূৰ্ণ মিল থকাৰ উপৰিও দুই গ্ৰন্থৰে বৰ্ণনা, প্ৰকাশভঙ্গী, আনকি ধাতুৰূপ বোৰবো সাদৃশ্য পৰিলক্ষিত হয় বাবে এনে বিষয়লৈ দৃষ্টিপাত কৰি উইন্‌টাৰনিজ আদিৰ দৰে পশ্চিমীয়া সমালোচক সকলে পদ্মপুৰাণকে ৰঘুবংশৰ উৎস বুলি কব খোজে। কিন্তু এই দুই গ্ৰন্থৰ পৌৰ্বাপৰ্য্যৰ সমস্যা সমাধান হোৱাৰ পিছত এই কথা প্ৰমাণিত হৈছে যে পদ্মপুৰাণ ৰঘুবংশৰ পৰবৰ্ত্তী ৰচনা। গতিকে আগৰ খনেহে পিছৰ খনৰ পৰা বিভিন্ন উপাদান ধাৰ কৰিছে। এচাম ভাৰতীয় চিন্তাবিদে ৰঘুবংশৰ বিভিন্ন অংশ বিভিন্ন পুৰাণৰ পৰা সংগ্ৰহ কৰা হৈছে বুলি কব খোজে। এওঁলোকে প্ৰধানকৈ ব্ৰহ্ম, বিষ্ণু আৰু বায়ু পুৰাণকে ৰঘুবংশৰ কাহিনীভাগৰ উৎস বুলি কব খোজে। এই সকলৰ ভিতৰত কালিদাস বিশেষজ্ঞ এচ. পি. পণ্ডিত,[২] লৌকিক সংস্কৃত সাহিত্যৰ পূৰ্ণদীৰ্ঘ ইতিহাস প্ৰণেতা এম. কৃষ্ণমাচাৰিয়াৰ[৩] আদিৰ দৰে

৩। History of classical Sanskrit Literature, p.114

সমালোচকে পুৰাণ সমূহকে ৰঘুবংশৰ উৎস বুলি সিদ্ধান্ত দিছে।

কিন্তু কেৱল কথাবস্তুৰ সাদৃশ্যালৈ চকু নিদি বৰ্ণনা ৰীতি, কাহিনী উপস্থাপন, অলংকাৰ প্ৰয়োগ, প্ৰকাশভঙ্গী, উপকাহিনী সংযোজন আদি বিভিন্ন বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি, বিশেষকৈ ৰঘুবংশৰ আৰম্ভণিতে কালিদাসে বাল্মীকি আৰু ৰামায়ণৰ প্ৰতি যি শ্ৰদ্ধা আৰু কৃতজ্ঞতা প্ৰকাশ কৰিছে তালৈ চাই ৰামায়ণ আৰু ৰঘুবংশৰ মাজত কোনো সম্বন্ধ নাই বুলি কোৱা টান।

এই কথা নিশ্চিত ভাৱে ক'ব পাৰি যে ৰঘুবংশৰ নৱম সৰ্গৰ পৰা পঞ্চদশ সৰ্গলৈকে এই সাতোটা সৰ্গৰ বাবে কালিদাস বাল্মীকিৰ ওচৰত ঋণী। কিন্তু বাকী বাৰটা সৰ্গৰ বাবে কথাবস্তু কালিদাসে পুৰাণসমূহৰ পৰা চয়ন কৰিছে। ভাসৰ প্ৰতিমা আৰু ৰঘুবংশৰ সাদৃশ্যালৈ চাই দুয়োখন গ্ৰন্থৰে এটা সাধাৰণ উৎস আছিল বুলি অনুমান হয়। আৰু তেনে উৎসৰ পৰাই হয়তো কালিদাসে কেৱল ৰঘুবংশত থকা শীল, উন্নাভ আদি পাঁচজন ৰজাৰ খবৰ গোটাইছিল। পুৰাণ সমূহত ৰাজন্যবৰ্গৰ নামৰ বিস্তৃতি, ৰামায়ণ আদিত উল্লেখ নথকা ৰজাসকলৰ নামোল্লেখ আৰু এখনৰ লগত আনখন পুৰাণৰ বৈসাদৃশ্য আদি কথাৰ পৰা এনে সন্দেহ হ'ব পাৰে যে বিভিন্ন লোকে বিভিন্ন সময়ত বিভিন্ন স্বাৰ্থপূৰণ কৰিবলৈ ব্যক্তিবিশেষৰ নাম সূৰ্য্যবংশৰ তালিকাত সুমুৱাই দিছিল। অথবা কৱিৰ বা অনুলিপি কাৰকৰ কল্পনাপ্ৰসূত ব্যক্তি এনে গ্ৰন্থৰ সম্প্ৰেৰিত পাঠত সোমাই পৰিছিল। পুৰাণ বিলাকৰ ওপৰত কোনো বিশেষ লিখকৰ স্বত্বাধিকাৰ নথকা বাবে এই সাহিত্যত প্ৰক্ষেপ সোমোৱাৰ সম্ভাৱনাও সৰহ। ৰঘুবংশত বিশ্বাসযোগ্য ভাৱে কৰা তথ্যৰ উপস্থাপন আৰু আঁৰ নলগাকৈ দিয়া বৰ্ণনাৰ পৰা এই সিদ্ধান্তলৈ আহিব পাৰি যে বিভিন্ন উৎসৰ পৰা সমল গোটাই আনি, সেইবোৰৰ যুক্তিপূৰ্ণ বিচাৰ বিশ্লেষণ কৰি পৰিপাটীকৈ সজাই, কাব্যৰসেৰে পুষ্ট কৰি পাঠকলৈ আগবঢ়াই দিয়াৰ গোটেই খিনি কৃতিত্ব কালিদাসৰ। কালিদাস যে কেৱল কল্পনা বিলাসী কবিয়ে নহয়, তেওঁ এজন চিন্তাশীল গবেষকো আছিল, সেই কথা তেওঁৰ ৰচনাৰ প্ৰতিটি অভিব্যক্তিয়ে প্ৰমাণ কৰে, য'ত তেওঁ উপমা আদিৰ প্ৰয়োগো যুক্তিপূৰ্ণ তথ্যৰ ভেটিতহে উপস্থাপন কৰিছে।

এইখিনিতে মহাকাব্যখনিৰ শিৰোনামা সম্পৰ্কে এটি প্ৰশ্ন জাগে। সূৰ্য্যবংশত একাধিক স্বনামধন্য নৃপতি থকা স্বত্বেও কালিদাসে কাব্যখনৰ

নামকৰণ এজন বিশেষ নৃপতিৰ নামেৰে কৰিলে কিয় ? ৰামায়ণৰ শিৰোনামা লৈয়ো তেনে একে ধৰণৰ প্ৰশ্ন হ'ব পাৰে। তেনে প্ৰশ্নৰ উত্তৰ এনেদৰে দিব পাৰি। গ্ৰন্থ দুখনৰ শিৰোনামাই গ্ৰন্থকাৰ দুজনৰ প্ৰধান উদ্দেশ্যক সুন্দৰ ভাৱে ব্যঞ্জিত কৰাৰ লগতে মূল কাব্যবস্তুৰ ইঙ্গিত দিছে। ৰামস্য অয়নম্ ৰামায়ণম্। অয়ন মাতে গতি, বৃত্তান্ত। ৰামায়ণ নামটোৰ দ্বাৰা এই কথা স্পষ্টকৈ বুজিব পাৰি যে ৰামৰ জীৱন বৃত্তান্ত সবিশেষ উৎথাপন কৰাই বাল্মীকিৰ প্ৰধান লক্ষ্য আছিল। ৰামৰ পূৰ্বপুৰুষ সকলৰ পৰিচয় দিয়াৰ প্ৰসঙ্গতহে তেওঁ দিলীপৰ পৰা দশৰথলৈকে ৰজাসকলৰ বিৱৰণ দিব লগা হৈছে। সেয়েহে তেওঁ কুশৰ লগে লগে মহাকাব্যখনৰ সামৰণি মাৰিছে। তদুপৰি বাল্মীকি ৰামৰ সমসাময়িক আছিল বুলি যি জনশ্ৰুতি আছে তাৰ ভিত্তিতো ক'ব পাৰি যে কুশৰ পৰৱৰ্ত্তী ৰাজন্যবৰ্গৰ বৃত্তান্ত দিয়াটো বাল্মীকিৰ পক্ষে সম্ভৱ নহয় আৰু সমসাময়িক ৰজা ৰামৰ জীৱনত অধিক গুৰুত্ব আৰোপ কৰাটোও তেওঁৰ কাৰনে স্বাভাৱিক কথা। কিন্তু ৰঘুবংশত কালিদাসৰ উদ্দেশ্য বেলেগ। মহাকাব্যখনৰ পৰিসৰৰ লগত সংগতি ৰাখি কালিদাসে তাৰ নাম ৰঘুবংশ ৰাখিছে। সূৰ্য্যবংশৰ সকলো ৰজাৰে কালানুক্ৰমিক টোকা ইয়াত পোৱা যায়। বিভিন্ন উৎসৰ পৰা সমল গোটাই কালিদাসে নিজে শুদ্ধ বুলি ভৱা মতে সূৰ্য্যবংশ ৰ বংশলতিকা প্ৰস্তুত কৰিছে। তেনে অৰ্থত ৰঘুবংশ সূৰ্য্যবংশৰ বংশাৱলী মাথোন। গতিকে দিলীপতে আৰম্ভ কৰি ৰামায়ণত নথকা কুশৰ পিছৰ ৰজাসকলকো তেওঁ কাব্যৰ অন্তৰ্ভূক্ত কৰিছে। দিলীপৰ বৰ্ণনাৰে কাব্য আৰম্ভ হৈছে যদিও এইজন ৰজাৰ গাত ৰাজোচিত লক্ষণসমূহ ফুটাইতোলাৰ সুবিধা কালিদাসে পোৱা নাই। বৰং তেওঁৰ প্ৰৌঢ়াৱস্থাৰ দুই এটা ঘটনাৰ দ্বাৰাই সেই প্ৰসঙ্গ সামৰিছে। এনে লাগে যেন ৰঘুৰ জন্মৰ প্ৰাক্‌কথনৰূপেহে দিলীপৰ আখ্যান বৰ্ণনা কৰা হৈছে। আনহাতে ৰঘুৰ জীৱন চৰিত জন্মাৱধি উপস্থাপন কৰা হৈছে। আৰু সকলোবোৰ ক্ষত্ৰিয়োচিত সৎগুণৰ পৰিস্ফুৰণ ৰঘুৰ চৰিত্ৰত ঘটোৱা হৈছে। ফলত এনে লগা হৈছে যেন ৰঘুৰ পৰাহে বংশটোৱে পূৰ্ণ প্ৰতিষ্ঠা লাভ কৰিছে। ৰঘুৰ উত্তৰ পুৰুষ সকলৰ মাজত অনেক উপযুক্ত ৰজা থকা স্বত্বেও কাব্যৰ আৰম্ভতে ৰঘুৰ শ্ৰেষ্ঠতা আৰু মহত্ব এনেদৰে প্ৰতিষ্ঠা কৰি লোৱা হৈছে যে বিশাল ব্যক্তিত্বৰ অধিকাৰী ৰঘুৰ নামেৰে বংশটো নামকৰণ কৰাৰ দ্বাৰা পৰৱৰ্ত্তী ৰজাসকলৰ

গৰিমাৰাশিকো ব্যঞ্জিত কৰাত সুবিধা হৈছে। সেয়েহে তেওঁ ৰামায়ণৰ অনেক ৰজাৰ মাজৰ পৰা ৰঘুক বংশটোৰ প্ৰতিনিধি ৰূপে ব্যৱহাৰ কৰিছে।

ৰঘুবংশৰ কাহিনীভাগৰ বৈচিত্ৰ্য আৰু বিস্তৃতিৰ বাবে কালিদাসৰ কলাত্মক কল্পনাৰাশিয়ে কাব্যখনত স্বচ্ছন্দে বিচৰণ কৰিবলৈ সুবিধা পাইছে। সকলো মহৎ গুণৰ মূৰ্ত্তিমান প্ৰতিভূ ৰজা দিলীপৰ বৰ্ণনাৰে কালিদাসে মহাকাব্যখনৰ পাতনি মেলিছে। দ্বিতীয় সৰ্গত দিলীপে সপত্নীক কামধেনু নন্দিনীৰ সেৱাব্ৰতৰ যোগেদি পুত্ৰপ্ৰাপ্তিৰ - বৰ লাভ কৰিছে। তৃতীয় সৰ্গত ৰঘুৰ জন্ম, দিলীপৰ অশ্বমেধ যজ্ঞ সমাপন, ৰঘুৰ ইন্দ্ৰ বিজয় আদিৰ বৰ্ণনা দিয়া হৈছে। ৰাময়ণত এইখিনিতে অংশুমানৰ পুত্ৰ দিলীপে কপিলমুনিৰ ৰোষত পৰা পিতৃপুৰুষ সকলৰ উদ্ধাৰৰ বাবে যজ্ঞ কৰা আৰু দিলীপৰ পুত্ৰ ভগীৰথে তপোবলেৰে গঙ্গা নমাই অনাৰ কাহিনী বৰ্ণোৱা হৈছে। ৰঘুবংশৰ চতুৰ্থ সৰ্গত ৰঘুৰ দিগ্বিজয়ৰ কাহিনী, পঞ্চম সৰ্গত ৰঘুৰ বিশ্বজিৎ যজ্ঞৰ কাহিনী, বৰতন্তু ঋষিৰ শিষ্য কৌৎসৰ পৰা পুত্ৰলাভৰ বৰ লাভ, অজৰ জন্ম আদি, ষষ্ঠ সৰ্গত বিদৰ্ভ ৰজাৰ সয়ম্বৰ সভাত ইন্দুমতীৰ দ্বাৰা অজক বৰমাল্য প্ৰদান, সপ্তম সৰ্গত অজ ইন্দুমতীৰ বিবাহ আৰু বিৰোধীপক্ষৰ ৰজাসমূহৰ ওপৰত অজৰ জয়লাভ, অষ্টম সৰ্গত অজৰ অভিষেক, ইন্দুমতীৰ মৃত্যু, বশিষ্ঠৰ দ্বাৰা অজক সান্ত্বনা প্ৰদান, দশৰথৰ অভিষেক, নৱম, দশম সৰ্গত দশৰথৰ গুণৰাশিৰ বৰ্ণনা, পুত্ৰেষ্টি যজ্ঞ সম্পাদন, ৰাম, লক্ষ্মণ, ভৰত আৰু শত্ৰুঘ্নৰ জন্ম !দি বৰ্ণোৱা হৈছে। দশৰথৰ শব্দভেদী বাণৰ দ্বাৰা শ্ৰৱনকুমাৰৰ হত্যা, অন্ধমুনিৰ শাপ প্ৰদান, দেৱতাসকলৰ দ্বাৰা বিষ্ণুৰ ওচৰত ৰাৱণৰ বিৰুদ্ধে নিবেদন, ঋষ্যশৃঙ্গৰ দ্বাৰা পুত্ৰেষ্টি যজ্ঞ সম্পাদন আদি ঘটনাসমূহ ৰামায়ণত যিদৰে আছে ৰঘুবংশতো তেনেদৰেই উপস্থাপন কৰা হৈছে। একাদশ সৰ্গত বিশ্বামিত্ৰৰ তত্ত্বাধানত ৰাম আৰু লক্ষ্মণৰ দ্বাৰা তাড়কা, সুবাহু, মাৰিচৰ নিধন, অহল্যাৰ শাপ মোচন, সীতা -সয়ম্বৰ আৰু চাৰিওজন ৰাজকুমাৰৰ বিবাহ, পৰশুৰামৰ সৈতে যুদ্ধ, দ্বাদশ সৰ্গত ৰামৰ অভিষেকৰ প্ৰস্তুতি, ৰামৰ বনবাস, সীতাহৰণ, ৰাৱণবধ আদি বৰ্ণোৱা হৈছে। ৰামায়ণৰ অযোধ্যাকাণ্ডৰপৰা যুদ্ধকাণ্ডলৈকে এই সুদীৰ্ঘ বৰ্ণনা কালিদাসে চাৰিটা সৰ্গতে সামৰি থৈছে। ত্ৰয়োদশ সৰ্গত ৰামৰ স্বদেশলৈ প্ৰত্যাবৰ্ত্তন ৰামায়ণৰ (যুদ্ধকাণ্ড ১২২- ১২৬) অনুকৰণত প্ৰস্তুত কৰা হৈছে। কিন্তু

কালিদাসৰ প্ৰতিভাৰ পৰিপক্কতাৰ ফলত ৰঘুবংশৰ ত্ৰয়োদশ সৰ্গ অত্যধিক উপাদেয় হৈ পৰিছে। চতুৰ্দশ সৰ্গত কালিদাসে হুবহু ৰামায়ণৰ অনুকৰণত ৰামৰ অভিষেক, সীতাৰ বনবাস, বাল্মীকিৰ আশ্ৰমত সীতাৰ তপস্যা, পঞ্চদশ সৰ্গত লব- কুশৰ জন্ম আৰু শিক্ষা কাল, ৰামৰ দ্বাৰা শম্বুক বধ , ৰামৰ যজ্ঞ অনুষ্ঠান, ৰাজসভাত কুশ -লবৰ দ্বাৰা ৰামায়ণ পাঠ, সীতাৰ পাতল প্ৰবেশ, পুত্ৰসকলৰ হাতত ৰাজ্য সমৰ্পণ, দুৰ্বাসাৰ আগমন, লক্ষ্মণৰ মৃত্যু, ৰামচন্দ্ৰৰ স্বৰ্গগমণ আদি কাহিনী আগবঢ়াইছে। কালিদাসে স্বকীয় ভাবে ষোড়শ সৰ্গত কুশৰ ৰাজ্যশাসন, কুশাৱতীত অযোধ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰ সৈতে কুশৰ স্বপ্নালাপ, অযোধ্যালৈ কুশৰ প্ৰত্যাবৰ্ত্তন, কুমুদ্বতীৰ লগত বিবাহ আদি; সপ্তদশ সৰ্গত ইন্দ্ৰৰ সাহাৰ্য্যাৰ্থে কৰা যুদ্ধত কুশৰ মৃত্যু, অতিথিৰ জন্ম আদি; অষ্টাদশ সৰ্গত অতিথিৰ পৰৱৰ্ত্তী এঁকৈচজন ৰজাৰ পৰিচয় আৰু একোনবিংশতি সৰ্গত অগ্নিবৰ্ণৰ শাসন, ভোগ বিলাসাদি আৰু শেষত গৰ্ভৱতী ৰাণীৰ অভিষেক আৰু মন্ত্ৰীসকলৰ সাহায্যত ৰাণীৰ দ্বাৰা ৰাজ্য শাসন আদি ঘটনাৱলী বৰ্ণনা কৰিছে।

সাধাৰণভাৱে ক'বলৈ গলে ৰঘুবংশৰ লগত ৰামায়ণৰ বহুখিনি সাদৃশ্য পৰিলক্ষিত হয় যদিও ৰামায়ণে প্ৰধানকৈ ৰামৰ জীৱন চৰিত প্ৰস্তুত কৰাত মনোনিবেশ কৰিছে কিন্তু ৰঘুবংশই ঊনত্ৰিছ জন সূৰ্য্যবংশীয় ৰজাৰ ইতিহাস ৰচনাত গুৰুত্ব আৰোপ কৰিছে। ৰামায়ণে এই পৰিয়ালৰ নৃপতিবৰ্গক কালিক পৌৰ্বাপৰ্য্য অনুসৰি স্থাপন কৰা নাই। কিন্তু ৰঘুবংশই তেওঁলোকৰ পৌৰ্বাপৰ্য্য নিৰ্ণয় কৰি কাহিনীৰ ক্ৰম সজাইছে। বাল্মীকিয়ে জনশ্ৰুতি, লোককথা আৰু অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি ৰামায়ণৰ কথাবস্তু প্ৰস্তুত কৰিছে। কালিদাসৰ আগত কিন্তু ইতিপূৰ্বে প্ৰস্তুত কথাবস্তু সঞ্চিত আছিল। তাকে প্ৰজ্ঞা আৰু কবি প্ৰতিভাৰ দ্বাৰা তেওঁ শোধন কৰি উপস্থাপন কৰিছে। বাল্মীকিৰ দৰে কালিদাসেও চতুৰ্বৰ্গ সাধনৰ আদৰ্শৰূপে সূৰ্য্যবংশীয় ৰজা সকলক ব্যৱহাৰ কৰিছে। কিন্তু কালিদাসে দিলীপ, ৰঘু, অজ আৰু দশৰথক ক্ৰমে ধৰ্ম, অৰ্থ, কাম, মোক্ষৰ প্ৰতীকৰূপে লৈ শেষত ৰামচন্দ্ৰৰ চৰিত্ৰত চতুৰ্বৰ্গৰ সমন্বয় দেখুৱাইছে। কালিদাসে কাব্যত ভাৰতীয় জীৱনৰ এই আদৰ্শাত্মক দিশটোক অধিক বিশ্লেষণ কৰি দেখুৱাবলৈ সুবিধা পাইছে। তেওঁ নিজৰ লক্ষ্যত উপনীত হ'বৰ বাবে নিজৰ প্ৰখৰ কল্পনা শক্তিৰ আশ্ৰয় লৈছে আৰু দিলীপৰ পৰা অজলৈকে আৰু

কুশৰ পৰা অগ্নিবৰ্ণলৈকে ৰজাসকলৰ কাৰ্য্যৱলী আৰু জীৱনৰ ঘটনাৱলী পৰিকল্পিত ৰূপত প্ৰকাশ কৰিছে। ৰঘুবংশৰ চৰিত্ৰসমূহ ফঁহিয়াই চালে এই বিষয়ে নিঃসন্দেহ হ'ব পৰা যায়।

কেৱল বিষয়বস্তুৰ ক্ষেত্ৰতে নহয়, ৰূপকল্প, প্ৰকাশভঙ্গী আদিৰ ক্ষেত্ৰতো ৰামায়ণৰ লগত ৰঘুবংশৰ যথেষ্ট মিল দেখা যায়। কোনো কোনো ক্ষেত্ৰত কালিদাসৰ ওপৰত বাল্মীকিৰ প্ৰভাৱ স্বীকাৰ নকৰি উপায় নাই। বাল্মীকিৰ ধ্যান- ধাৰণাক কালিদাসে কেতিয়াবা বিস্তৃৰ কৰিছে। যেনে-ইক্ষ্বাকু সকলৰ সাধাৰণ গুণ সম্পৰ্কে বাল্মীকিয়ে থোৰতে কৈ থৈছে–

আদিবংশ বিশুদ্ধানাং ৰাজ্ঞাং পৰমধৰ্মিণাম্।
ইক্ষ্বাকুকুলজাতানাং বীৰাণাং সত্যবাদিনাম্।। (আদি ৭০.৪৪)

এই শ্লোকৰ প্ৰতিটো শব্দৰ পৰাই যে কালিদাসে একোটাকৈ শ্লোক ৰচিবলৈ অনুপ্ৰেৰণা পাইছিল তাৰ প্ৰমাণ ৰঘুবংশৰ প্ৰথম সৰ্গৰ পঞ্চম শ্লোকৰ পৰা অষ্টম শ্লোকলৈকে থকা ইক্ষ্বাকুসকলৰ গুণৰাশিৰ বৰ্ণনাৰ পৰা পাব পাৰি। ৰঘুবংশৰ প্ৰথম সৰ্গত বশিষ্ঠৰ আশ্ৰমৰ বৰ্ণনা (১.৪৯-৫৩) আৰু ৰামায়ণৰ বশিষ্ঠাশ্ৰমৰ (আদি ৫১.২৩-২৮) বৰ্ণনাৰ মিল মনকৰিবলগীয়া। ৰঘুবংশত বশিষ্ঠৰ কামধেনু নন্দিনী (১.৮১-৮৬) ৰামায়ণৰ শবলাৰ (আদি ৫২.২০,৫৩.১-৫) দৰে অসাধাৰণ গুণসম্পন্না আৰু অভীষ্টদায়িনী। দুয়োগ্ৰন্থৰে শৰৎবৰ্ণনাত কেৱল ভাব- ভাষাৰেহে যে মিল আছে তেনে নহয়, শব্দ প্ৰয়োগতো চকুত লগা সাদৃশ্য আছে। ৰামায়ণৰ (কিষ্কিন্ধা ৩০.৩৭-৬০) দৰে ৰঘুবংশতো কোৱা হৈছে যে শৰৎকাল ৰজাসকলৰ বাবে যুদ্ধৰ প্ৰস্তুতিৰ কাল- "যাত্ৰায়ৈ চোদয়ামাস তং শক্তেঃ প্ৰথমং শৰৎ (৪-২৪)।

ৰঘুবংশত ইন্দ্ৰমতীৰ মৃত্যুত অজৰ বিলাপ (৮.৩৮-৭০) ৰামায়ণত বালিৰ মৃত্যুত তাৰাৰ বিলাপৰ (কিষ্কিন্ধা ১৯-২৩) পুনৰাবৃত্তি মাথোন। ৰঘুবংশৰ দশম সৰ্গৰ পৰা পঞ্চদশ সৰ্গলৈকে বৰ্ণিত ঘটনাৱলী ৰামায়ণৰ আদিকাণ্ডৰ একাংশৰ (আদি ১৫.৬-৩৪) বিস্তৃতিকৰণ মাথোন। তেনেদৰে ৰামায়ণৰ উত্তৰকাণ্ডত থকা ৰামৰ সৈতে সন্ন্যাসীবেশী মৃত্যু দেৱতাৰ গোপন সংবাদ, বাৰ্ত্তালাপত লক্ষ্মণৰ দ্বাৰা ব্যাঘাত, স্বৰ্ত্তানুযায়ী লক্ষ্মণৰ মৃত্যু, ৰামৰ স্বৰ্গগমণ আদি কাহিনী কালিদাসে ৰঘুবংশত কেৱল নিজৰ ভাষাৰেহে প্ৰকাশ

কৰিছে, বিষয়বস্তু কিন্তু ৰামায়ণৰ পৰাহে লৈছে।

চিত্ৰকল্প আৰু অলংকাৰ প্ৰয়োগৰ বাবেও কালিদাসে ৰামায়ণৰ পৰা ধাৰণাসমূহ ধাৰলৈ লৈছিল। ৰামায়ণত ৰাম- সীতাৰ যুতিটোৰ বিষয়ে মন্তব্য কৰি কোৱা হৈছে—

স ৰামঃ পৰ্ণশালায়ামাসীনঃ সহ সীতয়া-।

বিৰৰাজ মহাবাহুশ্চিত্ৰয়া চন্দ্ৰমা ইব।। (অৰণ্য ৩.১৭)

(পৰ্ণকুটীৰত সীতাৰ সৈতে বহি থকা মহাবাহু সেই ৰামে চিত্ৰাৰ সৈতে থকা চন্দ্ৰৰ দৰে বিৰাজ কৰিছিল।) ৰঘুবংশত দিলীপ আৰু সুদক্ষিণাৰ বৰ্ণনাত একে ধাৰণাকে প্ৰয়োগ কৰা হৈছে এনেদৰে—

কাহপ্যভিখ্যা তয়োৰাসীদ্ ব্ৰজতোঃ শুদ্ধবেষয়োঃ।

হিমনিৰ্মুক্তয়োৰ্যোগে চিত্ৰাচন্দ্ৰমসোৰিব।। (১.৪৬)

(উজ্জ্বল বেশধাৰী তেওঁলোক দুয়োজনে (দিলীপ আৰু সুদক্ষিণাই) হিমমুক্ত ক্ষণৰ চিত্ৰা আৰু চন্দ্ৰৰ দৰে শোভা পাইছিল)। ৰঘুবংশত অজ ডাঙৰ হ'ল, ৰূপে, বলে, শীলে যেন ৰঘুৰ দ্বিতীয়ৰূপ, যেন এটা চাকিত জ্বলোৱা আন এটা চাকিহে— 'কুমাৰঃ প্ৰৱৰ্ত্তিতো দীপ ইব প্ৰদীপাত' (৫.৩৭)। ৰামায়ণত কুশ আৰু লব- 'ৰূপলক্ষণসম্পন্নৌ মধুৰস্বৰভাষিনৌ, বিম্বাদিৱোত্থিতৌ বিম্বৌ ৰামদেহাত তথাপৰৌ'— যেন ৰামৰ দেহাৰূপ বিম্বৰ পৰা উৎপন্ন হোৱা প্ৰতিবিম্বহে। কালিদাসে কৈছে, শক্ৰৰ বেষ্টৰ মাজত অজক দেখি ইন্দুমতীৰ ম্লান পৰি যোৱা মুখখন উষ্ণ নিশ্বাসত মলিন হোৱা দাপোন যেন লাগিছিল। বাল্মীকিয়ে কৈছে, হিমাবৃত চন্দ্ৰটো নিশ্বাস মলিন দাপোন যেন লাগিছিল। বাল্মীকিৰ মতে শিশুৰাম প্ৰতিপদৰ চন্দ্ৰৰ দৰে—'প্ৰতিপচ্চন্দ্ৰদৰ্পনম্'। কালিদাসৰ মতে শিশু দশৰথ 'প্ৰতপচ্চন্দ্ৰনিভো হয়মাত্মজঃ'। সমুদ্ৰক দ্বিখণ্ডিত কৰা নলৰ সেতুক আকাশমাৰ্গৰ পৰা দেখিবলৈ শৰদাকাশ দ্বিখণ্ডিত কৰা ছায়াপথ যেন লাগিছিল —'শুশুভে সুভগঃ শ্ৰীমান স্বাতীপথ ইৱাম্বৰে (যুদ্ধ ২২.৭৪) ৰঘুবংশতো কৈছে— 'ছায়াপথেনেৱ শৰৎপ্ৰসন্নমাকাশমাবিস্কৃতচাৰুতাৰম্ (১৩.২)। এনে সমান্তৰাল উক্তি দুই গ্ৰন্থৰ পৰা বহুতো উল্লেখ কৰিব পাৰি।

চৰিত্ৰসমূহৰ ভাৱানুভূতি প্ৰকাশতো ৰামায়ণৰ ছাঁ ৰঘুবংশত পৰা দেখা যায়। ৰাম আৰু সীতাৰ সম্ভোগ আৰু বিচ্ছেদৰ বিভিন্ন অনুভূতি দুয়োজন

কৰিয়ে প্ৰদৰ্শন কৰিছে। ৰামায়ণত আছে, লংকাৰ পৰা প্ৰত্যাবৰ্ত্তন কৰা কালত ৰামচন্দ্ৰই সীতাক পম্পাবনৰ অৰণ্যানি দেখুৱাই তেওঁৰ বিৰহকালৰ বিভিন্ন অৱস্থাৰ ক থা জনাইছে। এই বনানি তেওঁৰ বেদনাৰ সাক্ষী। ৰঘুবংশত আছে ৰামে সীতাক মাল্যবান পৰ্বতৰ সুউচ্চ শিখৰ ৰাশি দেখুৱাই নিজৰ বিৰহ-ব্যাকুল অৱস্থাৰ স্মৃতি ৰোমন্থন কৰিছে। ৰামায়ণ (কিষ্কিন্ধা. ১) আৰু ৰঘুবংশত (১৩ শ সৰ্গ) একেদৰে কোৱা হৈছে যে ফুলৰ সৌৰভ, বতাহৰ সুঘ্ৰাণ, পখীৰ কুজন, চন্দ্ৰৰ জ্যোৎস্না আদি সীতাৰ অবিহনে ৰামৰ অসহ্য হৈছিল। গিৰিশৃঙ্গত মেঘাগমৰ দৃশ্য দেখি ৰামৰ ব্যাকুলতাই পাৰ ভাঙিছিল। বিপ্ৰলম্ভ শৃঙ্গাৰৰ আতিশয্যত দুয়োখন গ্ৰন্থৰে বৰ্ণনা সমানে অন্তৰস্পৰ্শী হৈ পৰিছে। যুদ্ধৰ সময়ত সুগ্ৰীব আৰু বালিৰ ভয়ঙ্কৰ মূৰ্ত্তি, সুগ্ৰীৱৰ প্ৰতিশোধ পৰায়ণতা, মেঘনাদৰ মদমত্ততা,, বালিৰ পত্নীৰ বিলাপ, যুদ্ধৰ বিভীষিকা আদি অনুভৱসিদ্ধ বিষয়সমূহ দুয়ো গ্ৰন্থই একেদৰে উপস্থাপন কৰিছে।

ৰঘুবংশৰ যোড়শ সৰ্গত থকাৰ দৰে কুশৰ ৰাজধানী পৰিবৰ্ত্তন আৰু অযোধ্যাৰ ৰাজলক্ষ্মীৰ স্বপ্নাগমৰ কাহিনী ৰামায়ণত নাই। কিন্তু কালিদাসে পৰিত্যক্ত নগৰীৰ যি বৰ্ণনা দিছে সি ৰামায়ণৰ অযোধ্যাকাণ্ডৰ অযোধ্যা বৰ্ণনাৰ লগত সম্পূৰ্ণৰূপে মিলে। ৰামৰ বন গমনৰ পিছত ভৰত অযোধ্যালৈ ঘূৰি আহি যি প্ৰাণস্পন্দনহীন নগৰীত প্ৰৱেশ কৰিলেহি সি যেন পূৰ্বৰ অযোধ্যা নহয়, কোনো ৰজাৰ পৰিত্যক্ত ৰাজধানীহে, য'ত হাট বজাৰত মানুহৰ সমাগম নাই, নিশা দীপমালাৰ অলংকৰণ নাই, খিড়িকিৰ মুখত ৰমণীৰ জুমাজুমি নাই, বাৰান্দাবোৰত ব্যস্তখোজৰ নূপুৰ ধ্বনি নাই, সৰযুৰ ঘাটত গাভৰুৰ অস্ফুট হাঁহিৰ শব্দ নাই, সাধুসকলৰ মন্ত্ৰধ্বনিও নাই। সন্ধ্যাবোৰ নিমাও মাও মাজৰাতি যেন, উদ্যানবোৰ অনাদৃত বনানি যেন, অট্টালিকাবোৰ দৈত্য যেন হৈ প্ৰকাশি উঠিছে। একে বৰ্ণনা ৰঘুবংশতো পোৱা যায় (১৬.৬-২২)। এনে সাদৃশ্যৰপৰা বাল্মীকিৰ ওচৰত কালিদাসৰ ঋণৰ পৰিমাণ সম্পৰ্কে অনুমান কৰিব পাৰি। কিন্তু এটা কথা নিশ্চিত যে এনে বৰ্ণনা কালিদাসে অন্ধভাৱে অনুকৰণ কৰা নাছিল। বৰং বাল্মীকিৰ ধাৰণা সমূহক অধিক উপাদেয় কৰিহে ৰঘুবংশত আগবঢ়াইছিল।

এই সকলোবোৰ কাব্যিক উপাদানৰ উপৰিও কালিদাসে ৰামায়ণৰ পৰা

শব্দ আৰু প্ৰকাশ ভঙ্গীও চয়ন কৰিছে। একে প্ৰসঙ্গতে একে অৰ্থত ব্যৱহাৰ কৰা কেতবোৰ অপ্ৰচলিত বা অল্পপ্ৰচলিত প্ৰকাশভঙ্গীয়ে এই বিষয়ত প্ৰত্যয় জন্মায়। উদাহৰণ স্বৰূপে,

কাকপক্ষধৰ- ৰামায়ণ, আদি ১৯.৯ আৰু ৰঘুবংশ ১১.১,৩১
ভবিতাত্মন্- ৰামায়ণ আদি ২৩.৬ আৰু ৰঘুবংশ ১.৭৪
লোককান্ত - ৰামায়ণ অযোধ্যা ১.৩৩ আৰু ৰঘুবংশ ১৮.৪৯
বস্বৌকসাৰ - ৰামায়ণ অযোধ্যা ৯৪.২৬ আৰু ৰঘুবংশ ১৬.১০
বংশকৰ্ত্তা - ৰামায়ণ অযোধ্যা ১১০.২২ আৰু ৰঘুবংশ ২.৬৪
পুৰুহূতধ্বজ - ৰামায়ণ কিষ্কিন্ধা ১৬.৩৭ আৰু ৰঘুবংশ ৪.৩
যুগান্ত - ৰামায়ণ কিষ্কিন্ধা ১৬.৩৮ আৰু ৰঘুবংশ ১৩.৬

মনকৰিবলগীয়া যে এনেবোৰ সাদৃশ্য একে প্ৰসংগতেই পোৱা যায়।

ৰঘুবংশত আছে, লোকাপবাদৰ ভয়ত ৰামে সীতাক বনবাস দিলে। লক্ষ্মণে ৰামৰ আদেশ মতে যেতিয়া বাল্মীকিৰ আশ্ৰমৰ প্ৰান্তত সীতাক এৰি থৈ ঘূৰি আহিব খুজিলে তেতিয়া সীতাই সাধাৰণ প্ৰজা স্বৰূপে লক্ষ্মণৰ হাতত ৰজা ৰামলৈ এটি বাৰ্ত্তা পথিয়াইছে। সীতাই কৈছে, 'মই কোৱা বুলি তুমি সেইজন ৰজাক কবাঁগে যে নিজৰ চকুৰ আগতে অগ্নিত শুদ্ধ বুলি প্ৰমাণ কৰি লোৱা মোক লোক নিন্দা শুনি যে তুমি আজি পৰিত্যাগ কৰিলা, সেয়া তোমাৰ জগদ্বিখ্যাত কুলৰ বাবে উপযুক্ত হৈছেনে বা তোমাৰ কুল পৰম্পৰা ৰক্ষা হৈছেনে?–

বাচ্যস্ত্বয়া মদ্বচনাত্ স ৰাজা বহ্নৌ বিশুদ্ধামপি যৎসমক্ষম্
মাং লোকবাদশ্ৰৱণাদহাসীঃ শ্ৰুতস্য কিং তৎসদৃশং কুলস্য।।

ৰঘুবংশ ১৪ ৬১

উক্ত শ্লোকত সীতাই উদ্দেশ্য প্ৰণোদিত ভাৱে দুটি শব্দ ব্যৱহাৰ কৰিছে, সেই দুটা হল– 'বাচ্য' আৰু 'স ৰাজা'। সীতাৰ ক্ষোভ অভিমান, খং সকলোখিনি ব্যঞ্জিত কৰিব পৰাকৈ এই তীব্ৰ বিদ্ৰূপাত্মক শব্দ দুটা কালিদাসে ৰামায়ণৰ পৰাই ধাৰলৈ আনিছে। মূলতো সীতাৰ অভিমান- ব্যঞ্জিত বক্তব্য এনেদৰে আছে–

বক্তব্যশ্চাপি নৃপতিৰ্ধৰ্মেষু সুসমাহিতঃ।

জানাসি চ যথা শুদ্ধা সীতা তত্ত্বেন ৰাঘৱ।।
ভক্ত্যা চ পৰয়া যুক্তা হিতা চ তৱ নিত্যশঃ।।
অহং ত্যক্ত্বা চ তে বীৰ অযশোভীৰুণা জনে।
যচ্চ তে বচনীয়ং স্যাদপবাদঃ সমুস্থিতঃ।।(ৰামায়ণ উত্তৰ ৪৮.১১-১৩)

কেৱল কবিসুলভ অনুভূতিৰ দ্বাৰা প্ৰণোদিত হৈয়ে বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰা নাছিল, বৰং জগতৰ আগত একে আদৰ্শ পুৰুষৰ দৃষ্টান্ত দাঙি ধৰিবৰ বাবেহে তেওঁ ৰামায়ণ লিখাৰ পৰিকল্পনা কৰিছিল। গতিকে তেনে এটি কাহিনী বিচাৰি নাৰদক সুধিছিল--

কোহন্বস্মিন্ সাম্প্ৰতং লোকে গুণবান্ কশ্চ বীৰ্যবান্ ।
ধৰ্মজ্ঞশ্চ কৃতজ্ঞশ্চ সত্যবাক্যো দৃঢ়ব্ৰতঃ ।।২।।
চাৰিত্ৰেণ চ কো যুক্তঃ সৰ্ব ভূতেষু কো হিতঃ ।
বিদ্বান্ কঃ কঃ সমৰ্থশ্চ কশ্চৈকপ্ৰিয়দৰ্শনঃ ।।৩।।
আত্মবান কো জিতক্ৰোধো দ্যুতিমান্ কোহনসূয়কঃ।
কস্য বিভ্যতি দেবাশ্চ জাতৰোষস্য সংযুগে।।৪।।
এতদিচ্ছাম্যহং শ্ৰোতুং পৰং কৌতূহলং হি মে।
মহৰ্ষে ত্বং সমৰ্থোহসি জ্ঞাতুমেবং বিধং নৰম্ ।।৫।।

অৰ্থাৎ 'মুনিবৰ, বৰ্ত্তমান সময়ত পৃথিবীত এনে কোন ব্যক্তি আছে, যি সকলো গুণেৰে বিভূষিত আৰু অপৰিমিত পৰাক্ৰমৰ আশ্ৰয়, প্ৰকৃত ৰহস্য যি জানে, সামান্য উপকাৰ বা সেৱাও যাৰ চিৰকাল মনত থাকে, যি কেতিয়াও মিছা কথা নকয়, যাৰ সংকল্প সদায় কঠোৰ। এই সংসাৰত কোন ব্যক্তিয়ে সদায় সদাচাৰ পালন কৰে, কোন সৎ চৰিত্ৰযুক্ত আৰু সকলো প্ৰাণীৰে হিতকাৰী, সকলো শাস্ত্ৰতেযি বিদ্বান, সকলো কাৰ্য্যতে যি সমৰ্থবান আৰু কোন অসাধাৰণ ভাৱে দেখিবলৈ ধুনীয়া, কোন সকলোতকৈ আত্মবিদ, কোন ক্ৰোধক জয় কৰোতা, উজ্জ্বলকান্তিময় আৰু কোন পুৰুষে আনৰ দোষ অন্বেষণ নকৰে, যুদ্ধক্ষেত্ৰত ক্ৰোধান্বিত অৱস্থাত যাক দেখিলে দেৱতাসকলো ভীতিগ্ৰস্ত হয়, হে মহৰ্ষি! আপুনি তেনে পুৰুষৰ বিষয়ে জানিবলৈ সমৰ্থ। তেনেজন পুৰুষৰ কথা শুনিবলৈ মোৰ পৰম কৌতূহল হৈছে— বাল্মীকিয়ে মুনিশ্ৰেষ্ঠ নাৰদক এনেদৰে সুধিলে।' ৰঘুবংশতো কালিদাসে কেতবোৰ সৎলোকৰ আদৰ্শহে

দাঙি ধৰিছে। পৰিপূৰ্ণ পৃথিৱীত নিজৰ প্ৰাপ্যখিনি সৎভাৱে ভোগ কৰি যাব লাগে আৰু সমাজৰ বাবেও দৃষ্টান্ত এৰি যাব পাৰিব লাগে-- এয়ে ৰঘুবংশৰ আদৰ্শ। সেয়েহে ৰঘুবংশৰ আৰম্ভণিতে সৰ্বগুণযুক্ত ৰঘুবংশীয় ৰজাসকলৰ মহত্ত্বৰাশি বৰ্ণাই লৈছে। ৰঘুবংশত কেৱল ত্যাগ , প্ৰেম, ভোগ আদিৰ আদৰ্শ নহয়, বৰং এই সকলোবোৰ গুণৰ সংমিশ্ৰণ ঘটাই, সুৎভাৱে জীৱন যাপন কৰি কৰ্ত্তব্যত একনিষ্ঠ থাকি নিজৰ আৰু সমাজৰ উপকাৰ সাধিবলৈহে ৰঘুবংশই প্ৰেৰণা যোগায়। যদি ৰামায়ণৰ বাৰ্ত্তা- ৰামাদিৱৎ প্ৰবৰ্ত্তিতব্যং ন ৰাৱণাদিৱৎ, তেনেহলে বোধকৰো ক'ব পাৰি ৰঘুবংশৰ আদৰ্শ হৈছে—ৰামাদিৱৎ প্ৰবৰ্ত্তিতব্যং ন অগ্নিবৰ্ণাদিৱৎ, অৰ্থাৎ ৰাম আদিৰ দৰে আচৰণ কৰিবা অগ্নিবৰ্ণ আদিৰ দৰে নহয়।

মাত্ৰ কেইটিমান উদাহৰণেৰে ওপৰত আগবঢ়োৱা সংক্ষেপ আলোচনাৰ পৰা বুজা যায় যে কালিদাসে ৰামায়ণখন কেৱল পঢ়াই নহয়, তাক গভীৰভাৱে হৃদয়ঙ্গম কৰিছিল, বাল্মীকিৰ দৃষ্টিভঙ্গীক গুৰুত্ব সহকাৰে উপলব্ধি কৰিছিল আৰু আদিকাব্যৰ উদ্দেশ্য আৰু আদৰ্শক আন্তৰিকতাৰে গ্ৰহণ কৰিছিল। ৰঘুবংশত ৰামায়ণৰ যি স্বচ্ছ প্ৰতিফলন ঘটিছে তাৰ দ্বাৰা এই কথা স্পষ্টভাৱে প্ৰমাণিত হৈছে। তদুপৰি মহাকবিজনে আদিকবিৰ ওচৰত নতি স্বীকাৰ কৰি গ্ৰন্থৰ প্ৰাৰম্ভতে কৈছে— "ক'ত সেই সূৰ্য্যপ্ৰভৱবংশ আৰু ক'ত মোৰ দৰে অল্পবুদ্ধিৰ লোক, মোহত পৰি মই যেন ভুৰেৰে দুস্তৰ সাগৰহে পাৰ হব খুজিছো। ওখ মানুহে ঢুকি পোৱা ফল ছিঙিবলৈ বাওনাই হাত মেলি যেনেকৈ উপহাসৰ পাত্ৰ হয়, কবিযশপ্ৰাৰ্থী মূৰ্খ মোৰো তেনে অৱস্থাই হ'বগৈ। অথবা বজ্ৰসূচীৰে ইতিমধ্যে বিন্ধা উলিয়াই থোৱা মণিবোৰৰ ছিদ্ৰপথেৰে সূতাদাল যিদৰে সহজে প্ৰৱেশ কৰে, তেনেদৰে বাল্মীকি আদি পূৰ্বসূৰীসকলৰ দ্বাৰা এই বংশৰ দ্বাৰ (ৰামায়ণ কাব্যৰ দ্বাৰা) মুকলি কৰি থোৱা বাবেহে এই বংশত মোৰো প্ৰৱেশ সম্ভৱপৰ হ'ব" (ৰঘুবংশ ১.২-৪)।

ৰঘুবংশৰ চৰিত্ৰসমূহ

কালিদাসৰ হাততেই ভাৰতীয় লৌকিক সাহিত্যৰ চৰিত্ৰই পূৰ্ণ প্ৰকাশ লাভ কৰিছে বুলি ক'ব পাৰি। ৰামায়ণৰ চৰিত্ৰ সমূহ বাস্তৱবাদতকৈ আদৰ্শবাদৰ ভেটিত প্ৰতিষ্ঠিত। মহাভাৰতৰ চৰিত্ৰসমূহ কাব্যিক প্ৰলেপ বিহীন আৰু নগ্নসত্যৰ আধাৰত নিৰ্মিত। কালিদাসৰ চৰিত্ৰসমূহত কিন্তু বাস্তৱ আৰু আদৰ্শৰ সসমন্বয় ঘটাৰ উপৰিও সেইবোৰক কাব্যিক আভৰণেৰে শুৱনি কৰি তোলা হৈছে। কালিদাসৰ সকলোবোৰ ৰচনাৰ ভিতৰত ৰঘুবংশতে সৰ্বাধিক চৰিত্ৰ চিত্ৰিত হৈছে আৰু মানৱচৰিত্ৰ বিভিন্ন ভূমিকাত ৰূপায়িত হৈছে। কালিদাসৰ চৰিত্ৰ চিত্ৰণৰ সাধাৰণ বৈশিষ্ট্য হৈছে যে তেওঁ দিব্য, অদিব্য আৰু দিব্যাদিব্য সকলো শ্ৰেণীৰ চৰিত্ৰকে একেখন কাব্যৰ পৰিধিলৈ সামৰি আনে আৰু সকলোকে মানবীয় দোষগুনেৰে সজাই তোলে।

ৰঘুবংশত উনত্ৰিছজন ৰজাৰ চৰিত্ৰ অংকন কৰা হৈছে। সসাগৰা পৃথিবীৰ অধীশ্বৰ সেই ৰজা সকল আজন্মশুদ্ধ আছিল। ফললাভ নোহোৱালৈকে কৰ্মৰত এই ৰজাসকলৰ ৰথৰ বাবে স্বৰ্গৰ দ্বাৰ সদামুক্ত আছিল। তেওঁলোকে বিধিমতে যাগ যজ্ঞাদি অনুষ্ঠিত কৰিছিল। অপৰাধ অনুপাতে দোষীক দণ্ড দিছিল, দানৰ বাবেহে অৰ্থসংগ্ৰহ কৰিছিল, সত্যৰ অপলাপ হোৱাৰ ভয়ত মিতভাষণ অভ্যাস কৰিছিল, যশস্যাৰ বাবে দিগ্বিজয় যাত্ৰা কৰিছিল আৰু সন্ততিৰ বাবে বিবাহ কৰাইছিল। ৰঘুবংশীয় ৰজাসকল শৈশৱত বিদ্যাভ্যাস, যৌৱনত বিষয়ভোগ আৰু বাৰ্দ্ধক্যত সন্যাসব্ৰত অৱলম্বন কৰি শেষত যোগবলত দেহত্যাগ কৰিছিল। ৰঘুবংশীয় ৰজাসকলৰ জীৱনচৰ্যা এনেদৰে পৰিকল্পিত আছিল।

ৰঘুবংশৰ প্ৰথম প্ৰধান চৰিত্ৰটি হ'ল ৰজা দিলীপ। বিৱস্বতৰ পুত্ৰ বৈৱস্বত মনুৰ বংশত ৰাজেন্দ্ৰ দিলীপৰ জন্ম হয়। সূৰ্য্যবংশীয় ৰজাসকলৰ ওপৰোক্ত সকলোবোৰ গুন দিলীপৰ গাত আছিল। ক্ষত্ৰিয়োচিত অৱয়ৱৰ দিলীপৰ

বক্ষস্থল বহল ,দুই কান্ধ বৃষৱ স্কন্ধৰ দৰে, শৰীৰ শালগছৰ দৰে ঋজু, আটিল আৰু সুদীৰ্ঘ আৰু বাহুযুগল দীৰ্ঘ আৰু শক্তিশালী আছিল, যেন এই দেহ ক্ষত্ৰিয়ধৰ্মৰ আশ্ৰয়স্থলহে আছিল।

ব্যূঢ়োৰস্কো বৃষস্কন্ধঃ শালপ্ৰাংশুৰ্মহাভুজঃ।
আত্মকৰ্মক্ষমং দেহং ক্ষাত্ৰো ধৰ্ম ইবাশ্ৰিতঃ।।১.১৩।।

শক্তিত, তেজত আৰু উচ্চতাত তেওঁৰ অধিষ্ঠান মেৰু পৰ্বতৰ দৰে সকলোৰে শীৰ্ষত আছিল। আকৃতি অনুকূলে তেওঁৰ প্ৰজ্ঞা বেদাদি শাস্ত্ৰজ্ঞানেৰে পুৰঠ আছিল। তেজ, প্ৰতাপ আদিৰ দ্বাৰা তেওঁ ভয়ানক আৰু দয়া, দাক্ষিণ্য আদিৰ দ্বাৰা মনোৰম আছিল। সূৰ্য্যই যিদৰে সহস্ৰগুণ বৰ্ষণ কৰিবৰ বাবে সমুদ্ৰৰ পৰা পানী আহৰণ কৰে, তেনেদৰে সুদক্ষ শাসক দিলীপে প্ৰজাসকলৰ কল্যাণ সাধনৰ বাবেহে কৰ সংগ্ৰহ কৰিছিল, নিজৰ ভোগ বিলাসৰ বাবে নহয়। চতুৰ ৰাজনীতিজ্ঞ দিলীপে মন্ত্ৰগুপ্তি ৰক্ষা কৰিব জানিছিল। নিজৰ হৰ্ষ- শোক আদিকো সংযতভাৱে শাসন কৰিব পাৰিছিল। তেওঁৰ দ্বাৰা প্ৰযুক্ত সাম -দান দণ্ড- ভেদ এই চতুৰ্বিধ উপায়ৰ ফলৰ দ্বাৰাহে তেওঁৰ কাৰ্য্যাৱলী মানুহে জানিব পাৰিছিল। অৰ্থাৎ কাৰ্য্য সম্পন্ন হোৱাৰ আগেয়ে তেওঁৰ কাৰ্য্যপন্থা সম্পৰ্কে আনলোকে নাজানিছিল। ৰজা দিলীপ নিৰ্ভীক হৈয়ো আত্মৰক্ষাত সচেতন আছিল, নিৰোগী হোৱা স্বত্তেও ধৰ্মচৰ্চা কৰিছিল, লোভহীন হৈয়ো অৰ্থ সংগ্ৰহ কৰিছিল, আৰু অনাসক্ত হৈ বিষয় ভোগ কৰিছিল। জ্ঞানী হৈয়ো তেওঁ মৌন, শক্তিমান হৈয়ো ক্ষমাশীল, ত্যাগী হৈয়ো নিৰহংকাৰী আছিল। বুদ্ধিত তেওঁ বৃদ্ধ আছিল। প্ৰজানুৰঞ্জক ৰজা দিলীপে প্ৰজাসকলৰ ভৰণ- পোষণ, শিক্ষা- দীক্ষা ৰক্ষণাবেক্ষণ আদিৰ সকলো দায়িত্ব পিতাকৰ দৰে নিজে গ্ৰহণ কৰিছিল। সামাজিক শৃংখলাৰ বাবে তেওঁ অপৰাধীক দণ্ড দিছিল। প্ৰকৃততে তেওঁৰ ৰাজ্যত অপৰাধ নঘটিছিল। বিষয়ভোগত অনাসক্ত তেওঁ সন্তানৰ বাবে পাণিগ্ৰহণ কৰিছিল। দেৱগণৰ আশীৰ লাভৰ বাবে তেওঁ যজ্ঞ সম্পাদন কৰিছিল আৰু তাৰ বাবে প্ৰজাৰ উৎপাদনৰ ষষ্ঠাংশৰূপে কৰ সংগ্ৰহ কৰিছিল। প্ৰসন্ন দেৱৰাজ ইন্দ্ৰই দিলীপৰ অকৃত্ৰিম ভক্তিৰ প্ৰতিদান ৰূপে তেওঁৰ ৰাজ্যত শস্যবৃদ্ধিৰ বাবে বৰষুণ দিয়াইছিল। শত্ৰু হলেও সৎলোকক তেওঁ সন্মান কৰিছিল কিন্তু প্ৰিয়পাত্ৰ হলেও দোষীজনক তেওঁ পৰিত্যাগ কৰিছিল। তেওঁ

সুবিশাল সাম্রাজ্যক এখন নগৰীৰ দৰে একগোট কৰি শাসন কৰিছিল। মগধ ৰাজকন্যা সুদক্ষিণা ৰজা দিলীপৰ উপযুক্ত পত্নী আছিল। ভূপতি দিলীপে সুদক্ষিণা আৰু ধৰিত্ৰী দুয়োকে সমান মনোযোগেৰে পালন কৰিছিল। সুদক্ষিণাৰ প্ৰতি অনুৰাগবশতঃ তেওঁ সুৰভিৰ অভিশাপ বহন কৰিবলগীয়া হৈছিল। দিলীপৰ একমাত্ৰ দুখ আছিল যে তেওঁ নিঃসন্তান। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ পিতৃপুৰুষ সকলক তৰ্পন দিওঁতা উত্তৰাধিকাৰীৰ অভাৱত মৃতক পিতৃপুৰুষসকলৰ আত্মাই শান্তি নাপাব বুলি ভাবিয়েই তেওঁ অতৃপ্ত আৰু অনুতপ্ত আছিল। ৰজা দিলীপ কুলগুৰু বশিষ্ঠৰ একান্ত অনুগত আছিল। তেওঁ যে কৰ্ত্তব্যপৰায়ণ, দায়িত্বশীল, সত্যনিষ্ঠ আৰু নিষ্ঠাবান আছিল সেইকথা নন্দিনীৰ প্ৰতি কৰা আচৰণৰ পৰা গম পাব পাৰি। নন্দিনীৰ ৰক্ষাৰ বাবে তেওঁ নিজৰ অমূল্য দেহ আগবঢ়াই দিবলৈও কুণ্ঠিত হোৱা নাছিল। এইখিনিতে তেওঁৰ আশ্ৰিতবাৎসল্যৰ উমান পাব পাৰি। কালিদাসে কৈছে দিলীপক বিধাতাই যেন প্ৰকৃতাৰ্থত পঞ্চমহাভূতেৰে স্ৰজিলে, কিয়নো তেওঁৰ সকলো গুণ আৰু কৰ্ম কেৱল পৰৰ সুখ শান্তিৰ বাবেই উৎসৰ্গিত হৈছে—

তং বেধা বিদধে নূনং মহাভূতসমাধিনা।
তথাহি সৰ্বে তস্যাসন্ পৰাৰ্থৈকফলা গুণাঃ।।১.২৯।।

পিতৃস্বৰূপে দিলীপ আছিল বাৎসল্য প্ৰেমৰ আকৰ। ৰঘুৰ প্ৰতি তেওঁৰ অপত্য স্নেহ আৰু দায়িত্বৰ সমতা ৰক্ষা কৰিব পাৰিছিল।

ৰঘুবংশত উল্লেখ কৰা দ্বিতীয়জন ৰজা হ'ল ৰঘু। পুত্ৰই অস্ত্ৰবিদ্যা আৰু শাস্ত্ৰবিদ্যা উভয়বিধকে লংঘন কৰিব বুলি ভৱিষ্যদ্দৰ্শন কৰি ৰজা দিলীপ আৰু সুদক্ষিণাই সন্তানৰ নাম ৰাখিলে ৰঘু[১]। ৰঘু উজ্জ্বল কান্তিমান আৰু সুদৰ্শন আছিল। তীক্ষ্ণধী সম্পন্ন ৰঘুৱে সদ্‌গুৰুৰ পৰা উপযুক্ত শিক্ষা লাভ কৰিলে। তৰুণ ৰঘুৰ বাহুযুগল দণ্ডৰ দৰে দীৰ্ঘ, বক্ষস্থল কপাটৰ দৰে বিস্তীৰ্ণ, গ্ৰীবাস্থল সুপৰিণত। এনে দীৰ্ঘদেহী বলবান ৰঘু কিন্তু বিনয়ৰ প্ৰতিমূৰ্ত্তি আছিল। যুদ্ধত তেওঁ অপ্ৰতিদ্বন্দ্বী বীৰ আছিল। দিলীপৰ যজ্ঞাশ্ব হৰণ কৰি নিয়ো ইন্দ্ৰই ৰঘুৰ

১। গমনাৰ্থক লঘি ধাতুৰ পৰা ৰঘু শব্দ নিষ্পন্ন হৈছে। ৰঘিলঘিগত্যৰ্থাঃ ইতি। লংঘিবংহ্যোৰ্নলোপশ্চ ইত্যুপ্ৰত্যয়ে বালমূললঘ্বলমংগুলীনাং বা লো ৰত্বমাপদ্যতে ইতি বৈকল্পিকে ৰেফাদেশে ৰঘুৰিতি ৰূপং সিদ্ধম্ ইতি সঞ্জীৱনী ব্যাখ্যা।

বীৰত্বত প্ৰসন্ন হৈ দিলীপৰ যজ্ঞৰ পূৰ্ণফল দান কৰিলে। দিগ্বিজয়ী বীৰ ৰঘুৱে চতুৰ্দিক জয় কৰি বিশাল সাম্ৰাজ্যৰ একচ্ছত্ৰী মুকুট ধাৰণ কৰিছিল। কিন্তু দিগ্বিজয়ৰ দ্বাৰা সংগৃহীত সমস্ত ধন বিশ্বজিত যজ্ঞত দান কৰি নিজে ৰিক্তহস্ত হ'ল। ৰঘুৰ দাক্ষিণ্য অসাধাৰণ। দান কৰি নিঃস্ব হোৱা ৰঘুৰ ওচৰৰ পৰা বৰতন্তু ঋষিৰ শিষ্য কৌৎস বিমুখ হৈ যাবলগীয়া হোৱা নাই। এনেদৰে শক্তিত অনম্য আৰু ত্যাগত অনন্য ৰঘু ৰঘুবংশৰ অন্যতম অগ্ৰণী পুৰুষ। ৰঘুৰ বলবীৰ্য্য ৰূপ-লাবন্য, গুণ- গৰিমাৰ দ্বাৰা সূৰ্য্যবংশীয় আনসকল ৰজাও জ্যোতিষ্মান হৈ পৰিছিল। সেয়েহে কালিদাসেও ৰঘুৰ নামেৰে বংশটোৰ নামকৰণ কৰাৰ সাৰ্থকতা বিচাৰি পালে।

মহাকাব্যখনত বৰ্ণিত তৃতীয়জন নৃপতি হল অজ। ৰাজমহিষীয়ে ব্ৰহ্মমুহূৰ্ত্ততে তেওঁক জন্ম দিছিল বাবে ব্ৰহ্মাৰ নামানুকৰণ কৰি ৰঘুৱে তেওঁৰ নাম অজ ৰাখিলে। দীৰ্ঘদেহী, মহাভূজ, মহাতেজস্বী, বৃষস্কন্ধ তৰুণ অজ পিতৃ ৰঘুৰ যেন দ্বিতীয় ৰূপ, যেন এটা চাকিৰ পৰা জ্বলোৱা আন এটা চাকিহে—

ৰূপং তদোজস্বি তদেব বীৰ্যং তদেব নৈসৰ্গিকমুন্নতত্বম্।
ন কাৰণাৎ স্বাদ্ বিভিদে কুমাৰঃ প্ৰবৰ্তিতোদীপ ইব প্ৰদীপাৎ।। ৫.৩৭

বিদৰ্ভৰাজ ভোজৰ ভগ্নী ইন্দুমতীৰ সয়ম্বৰ সভাত প্ৰবেশ কৰা অজক দেখি সভাসদসকলৰ সন্দেহ হ'ল যেন পত্নী ৰতিৰ মিনতিত তুষ্ট হৈ মহাদেৱে অনঙ্গ মদনক শৰীৰ ঘূৰাইহে দিলে আৰু নতুন শৰীৰেৰে কামদেৱে সভাস্থলীত উপস্থিত হৈছেহি (৬.২)। মগধ ,অঙ্গ, অৱন্তি, অনূপ, শূৰসেন, মালৱ, কলিংগ আদি দেশৰ উচ্চকুলোদ্ভৱ, গুণবান আৰুপৰাক্ৰমী ৰজাসকলক হেৰুৱাই ইন্দুমতীয়ে কাকুৎস্থ অজক বৰমাল্য দিয়াৰ কথাই তদানীন্তন জম্বুদ্বীপত অজৰ প্ৰতিষ্ঠা সম্পৰ্কে প্ৰত্যয় জন্মায়। অপৰাজেয় বিক্ৰমী অজই অকলে পানিপ্ৰাৰ্থী ৰজাসকলৰ আক্ৰমন প্ৰতিহত কৰে । মাতঙ্গ মুনিয়েও অজৰ সামৰ্থ্যৰ ওপৰত বিশ্বাস কৰিয়েই গজৰূপী গন্ধৰ্বকুমাৰৰ শাপমুক্তিৰ উপায় অজৰ হাতত অৰ্পণ কৰিছিল। গন্ধৰ্বকুমাৰেও অজৰ প্ৰতি কৃতজ্ঞতাত সম্মোহন নামৰ গান্ধৰ্ব অস্ত্ৰ অজক দান কৰিছিল। পিতৃপুৰুষৰ সিংহাসন অধিকাৰ কৰি অজই শত্ৰুসকলৰ সকলো উদ্যোগ গুৰিতে নিৰ্বীৰ্য্য কৰিছিল। অজ নিষ্ঠাবান প্ৰেমিক আছিল। যুদ্ধত বজ্ৰতকৈয়ো কঠোৰ অজই ইন্দুমতীৰ মৃত্যুত যি করুণ বিলাপ কৰিছে,

তাৰ পৰা তেওঁৰ প্ৰেমৰ গভীৰতা অনুমান কৰিব পাৰি। এই দুটি বিপৰীত ধৰ্মই অজৰ চৰিত্ৰ অধিক মনোজ্ঞ কৰি তুলিছে।

অজ- ইন্দুমতীৰ এজন মাত্ৰ পুত্ৰ সন্তান আছিল। নৱজাতকৰ যশ কীৰ্ত্তি দশোদিশে বিয়পি পৰিব বুলি, দশানন ৰাৱনৰ ঘাতক ৰামৰ জনক হ'ব বুলি দশশত ৰশ্মিযুক্ত সূৰ্য্যৰ সমান তেজস্বী হ'ব বুলি আৰু দশ ইন্দ্ৰিয়ৰূপ ৰথৰ সাৰথি হ'ব বুলি আশা কৰি পিতৃয়ে তেওঁৰ নাম ৰাখিলে দশৰথ—

দশৰশ্মিশতোপমদ্যুতিং ঃশসা দিক্ষু দশস্বপি শ্ৰুতম্।
দশপূৰ্ব্বৰথং যমাখ্যয়া দশকণ্ঠাৰিগুৰুং বিদুৰ্বুধাঃ।। ৮.২৯।।

যুৱাৱস্থাত পৌৰুষদীপ্ত চেহেৰাৰ দশৰথ আছিল সংযমী আৰু মহাৰথ [২]। দশৰথ কুবেৰৰ দৰে সমদৃষ্টিসম্পন্ন, বৰুণৰ দৰে দানী, যমৰ দৰে শাসনকাৰী, আৰু সূৰ্য্যৰ সমান তেজস্বী আছিল। তেওঁৰ অপ্ৰতিহত পৰাক্ৰমৰ বলত শত শত ৰজাৰ মুকুটত থকা ৰত্নই দশৰথৰ ভৰিৰ নখত ৰক্তিম আভা দিছিল। ৰণাঙ্গনত অসুৰ নিধন কৰাত তেওঁ ইন্দ্ৰক সহায়তা কৰি স্বৰ্গতো খ্যাতি আৰ্জিছিল। দশৰথে নিৰন্তৰ আধ্যাত্মিক উৎকৰ্ষত মনোনিবেশ কৰিছিল। কোশল, কেকয় আৰু মগধৰ তিনিগৰাকী ৰাজকুমাৰীয়ে দশৰথৰ অন্তেষপুৰ শুৱনি কৰিছিল। মৃগয়া নিপুন দশৰথে অকলে সিংহযুথ ছেদেলি ভেদেলি কৰি বধ কৰিছিল।. কিন্তু যেতিয়া লক্ষ্য কৰি লোৱা শৰপহটোক হৰিণীজনীয়ে আগুচি ধৰিছিলহি তেতিয়া দশৰথে ততালিকে হাতৰ শৰ সম্বৰণ কৰিছিল। সিংহবিক্ৰমী দশৰথ কৰুণাৰ সাগৰ আছিল। বন্যহাতী অবধ্য বুলি জানিও হস্তীবৃংহনৰ শব্দ শুনি শব্দভেদী বাণ মৰালৈ চাই দশৰথৰ মৃগয়াসক্তিৰ কথা অনুমান কৰিব পাৰি। এই আসক্তিৰ ফলস্বৰূপেই তেওঁ অন্ধমুনিৰ পুত্ৰক অজানিতে বধ কৰি মুনিৰ শাপৰ ভাগী হ'ল আৰু নিজেও পুত্ৰশোকত মৃত্যু বৰণ কৰিবলগীয়া হ'ল।

ৰঘুবংশৰ আটাইতকৈ মনোগ্ৰাহী পুৰুষ চৰিত্ৰটি হৈছে ৰাম। কাব্যৰ চিৰন্তন উদ্দেশ্য চতুৰ্বৰ্গ সাধনৰ সমন্বয় এই চৰিত্ৰটিত ঘটিছে দিলীপ ধৰ্মৰ, ৰঘু অৰ্থৰ ,অজ কামৰ আৰু দশৰথ মোক্ষৰ সাধক., কিন্তু ৰাম অকলে ধৰ্ম -অৰ্থ

২। একো দশ সহস্ৰাণি যোধয়েদ যস্তু ধন্বিনাম্। শস্ত্ৰশাস্ত্ৰপ্ৰবীণশ্চ স মহাৰথঃ উচ্যতে- দহ হাজাৰ ধনুৰ্ধাৰী সেনাৰ লগত যি অকলে যুদ্ধ কৰিব পাৰে, সৰ্বশাস্ত্ৰতে যি নিপুণ তেওঁকেই মহাৰথ বুলি কোৱা হয়।

কাম -মোক্ষ এই চতুৰ্বৰ্গ সাধনৰ নিদৰ্শন।

পুত্ৰৰ অভিৰাম ৰূপ দেখি পিতৃ দশৰথে জগতৰ প্ৰথম মঙ্গলময় শব্দেৰে তেওঁৰ নাম ৰাখিলে ৰাম। দীপ্যমান তেজত ৰামৰ যোগ্যতাৰ উমান পাই বিশ্বামিত্ৰই ব্ৰহ্মচাৰীব্ৰত সমাপন নৌহওঁতেই যজ্ঞবিঘ্ন দূৰ কৰিবৰ বাবে ভাতৃ লক্ষ্মণেৰে সৈতে ৰামক লৈ গ'ল, কাৰণ তেজস্বী সকলৰ বয়স কিমান তাক বিচাৰ কৰাৰ প্ৰয়োজন নাই-- 'তেজসাংহি ন বয়ঃ সমীক্ষতে'। হৰধনু ভঙ্গ কৰি আনকি তেওঁ পৰশুৰামকো আশ্চৰ্য্য মনালে।

কালিদাসে ৰামৰ চৰিত্ৰটি বাল্মীকিৰ পৰাই আনিছে যদিও ৰঘুবংশত এই চৰিত্ৰটিয়ে আদৰ্শৰ পৰাকাষ্ঠাত স্থান পাইছে। ৰামায়ণত ৰামে নিজৰ অভিষেকৰ খবৰ শুনি আনন্দত উত্ৰাৱল হৈছে (অযোধ্যা ৪.৪৪), বনলৈ যাব লগীয়া হোৱাত চকুপানী টুকিছে (অযোধ্যা ২০.২৭) কৈকেয়ীৰ কাৰ্য্যপন্থাক বেয়াকৈ সমালোচনা কৰিছে (অযোধ্যা .৫৩), তেওঁৰ অনুপস্থিতিত কৈকেয়ীয়ে কৌশল্যাক অত্যাচাৰ কৰিব পাৰে, আনকি বিহ দি হত্যা কৰিব পাৰে বুলিও সন্দেহ কৰিছে (অযোধ্যা, ৫৩,১৫-১৮),সীতা হৰণৰ খবৰ শুনি কৈকেয়ীয়ে-বৰ আনন্দ পাব বুলি মন্তব্য কৰিছে। সীতা বিসৰ্জনৰ অত্যধিক ব্যাকুলতাত তেওঁ দীৰ্ঘদিনলৈ ৰাজকাৰ্যত যোগদান নকৰি ন্যায়মাৰ্গৰ পৰা পিছলি পৰিছে। পুৰাণ বিলাকতো ৰামচন্দ্ৰই মৰ্যাদাপুৰুষোত্তমৰ আদৰ্শৰ পৰা বিচলিত হৈছে। কিন্তু বাল্মীকিৰ আদৰ্শপুৰুষ ,নাৰদৰ মহৎচৰিত্ৰ প্ৰকৃততে কালিদাসৰ হাততহে জীৱন্ত হৈ উঠিছে। ইয়াত ৰামচন্দ্ৰ আদৰ্শৰ উচ্চ শিখৰৰ পৰা এবাৰো খহি পৰা নাই। পিতৃৰ হাতৰ পৰা ৰাজ্য লবলৈ তেওঁ দুখ পাইছে, কিন্তু পিতৃৰ সত্য ৰক্ষাৰ বাবে বনলৈ যাবলৈ পাই আনন্দ পাইছে--

পিত্ৰা দত্তাং ৰুদন্ ৰামঃ প্ৰাঙ্মহীং প্ৰত্যপদ্যত।
পশ্চাদ্ বনায় গচ্ছেতি তদাজ্ঞাং মুদিতোহগ্ৰহীৎ।। ১২.৭।।

লংকা যুদ্ধত তেওঁ ৰণকুশলী, কূটনীতিজ্ঞ, অসীম বীৰ্য্যশালী যোদ্ধাৰূপে কৰ্ত্তব্যপালন কৰিছে। তিনিওগৰাকী মাতৃৰ প্ৰতি তেওঁৰ সমান ভক্তি, সমান স্নেহ। মায়াময়ী শূৰ্পনখাৰ কামাতুৰ আচৰণে তেওঁক বিচলিত কৰিব পৰা নাই। কিন্তু সীতাৰ বিৰহত তেওঁৰ কাতৰতাই পঞ্চবটীৰ তৃণ- তৰু পশু- পক্ষীকো স্তব্ধ কৰি পেলাইছে। ত্ৰয়োদশসৰ্গত লংকাৰ পৰা অযোধ্যালৈ বিমানেৰে অহাৰ

পথত সীতা বিচ্ছেদৰ কালছোৱাৰ স্মৃতিচাৰণৰ পৰা প্ৰেমিক ৰামৰ নিষ্ঠা, সততা আৰু প্ৰেমৰ গভীৰতা উপলব্ধি কৰিব পাৰি। ৰজাৰূপে ৰাম বজ্ৰকঠোৰ। তেওঁৰ একমাত্ৰ ব্ৰত হ'ল প্ৰজানুৰঞ্জন। প্ৰজাৰ সন্তুষ্টিৰ কাৰণে তেওঁ নিজৰ সুখ সম্ভোগ পৰিত্যাগ কৰিবলৈও কুণ্ঠাবোধ কৰা নাই। আমাৰ বোধেৰে সীতা পৰিত্যাগো প্ৰকাৰান্তৰে সীতাৰ লগত থকা তেওঁৰ একান্ত আত্মীয়তাৰে পৰিচায়ক। কিয়নো, মানুহে নিজৰ সুখ আনন্দ সকলোৰে লগত ভগাব পাৰে, কিন্তু জীৱনৰ চৰম দুখ একান্ত আপোন জনৰ লগতহে ভাগ কৰিব পাৰি। এই অৰ্থত সীতা প্ৰকৃততে তেওঁৰ অৰ্দ্ধাঙ্গিনী। লক্ষ্মণৰ মুখত সীতাৰ করুণ বিলাপৰ কথা শুনি তেওঁ পুহমাহৰ তুষাৰবৰ্ষী চন্দ্ৰৰ দৰে অশ্ৰু পেলাইছিল কিন্তু তৎ মুহূৰ্ত্ততেই নিজক সংযত কৰি ৰাজকাৰ্য্যত ধৰিছিল। আন কোনো লোকে ৰামৰ ধীৰ, প্ৰশান্ত মূৰ্ত্তিৰ আঁৰত থকা বিষাদ সাগৰৰ প্ৰবল তৰঙ্গৰ উমান নাপাইছিল (১৪/৮৩-৮৫)। শেষত সীতাৰ স্বৰ্ণমূৰ্ত্তিকেই সহধৰ্মচাৰিণীৰূপে গ্ৰহণ কৰিছিল। ৰঘুবংশত ৰামচন্দ্ৰৰ চৰিত্ৰত কালিদাসে সুন্দৰতা, সততা আৰু মহত্ত্বৰ সমাবেশ ঘটাইছে। এনে লাগে যেন কালিদাসে সাতখন কাব্যত অনেক মানৱ চৰিত্ৰৰ ওপৰত কৰা বিশ্লেষণাত্মক গবেষণাৰ ফলস্বৰূপেহে ৰঘুবংশত ৰামৰ চৰিত্ৰটিৰ জন্ম হ'ল।

ৰঘুবংশত ভৰত, লক্ষ্মণ আৰু শত্ৰুঘ্নই অগ্ৰজানুগত ভাতৃৰূপে ভূমুকি মাৰিছে। তিনিও ৰাজকুমাৰ পৌৰুষ তেজেৰে দীপ্যমান, অথচ বিনয়ী, নম্ৰ আৰু অনুগত। লক্ষ্মণে ৰামৰ পদচাৰণকো অনুসৰণ কৰিছিল। লক্ষ্মণৰ চৰিত্ৰটিৰ সমৰ্থনত ৰামৰ চৰিত্ৰটি অধিক ভাস্বৰ হৈ উঠিছে। বিশ্বামিত্ৰৰ যজ্ঞবিঘ্নি বিনাশত আৰু লংকাযুদ্ধত লক্ষ্মণৰ অৱদান কম নহয়। লক্ষ্মণৰ চৰিত্ৰটি এনেদৰে প্ৰস্তুত কৰাত বাল্মীকি বা কালিদাসৰ যিয়ে উদ্দেশ্য নাথাকক আধুনিক দৃষ্টিভঙ্গীৰে চালে কিন্তু লক্ষ্মণৰ ৰুচি অভিৰুচি সম্পৰ্কে সততে প্ৰশ্ন জাগে। আমাৰ বোধেৰে ৰামৰ স্নেহশীল ভাতৃ, আৰু পৰামৰ্শদাতা সচিবৰূপে সীতা-বিসৰ্জনৰ সময়ত তেওঁ এক গঠনমূলক ভূমিকা পালন কৰিব পাৰিলে হেতেন। এই ক্ষেত্ৰত লক্ষ্মণে সুবিধা পায়ো যে যথোচিত ভূমিকা পালন কৰা নাই সি তেওঁৰ স্ৰষ্টা বাল্মীকিৰে অমনোযোগিতা বুলি কব পাৰি। তদুপৰি মূলৰ ৰামৰ চৰিত্ৰক যথেষ্ট পৰিশীলিত ৰূপত উপস্থাপন ক ৰা কালিদাসেও লক্ষ্মণক

কিছু আওকান কৰা যেন লাগে। লক্ষ্মণৰ দৰে ভৰতো অগ্ৰজানুগত ভাতৃ কিন্তু মাতুলগৃহৰ পৰা আহি ৰামৰ বনবাস আৰু নিজৰ অভিষেকৰ আয়োজনৰ কথা জানি নিজে ৰামক কাকুতি মিনতি কৰি ঘূৰাই আনিবলৈ গৈছে। ৰামক ওভোটাই অনাত সমৰ্থ নহ'ল যদিও তেওঁ ঘটনাস্ৰোতত নিজক এৰি দিয়া নাই বৰং নিজৰ অভিমত অনুযায়ী নন্দীগ্ৰামতে ৰাহুৰ পাতি নিজৰ প্ৰতিজ্ঞাও ৰক্ষা কৰিছে আৰু ৰাজকৰ্ত্তব্যও পালন কৰিছে। এনেদৰে যেন তেওঁ মাতৃৰ পাপৰ প্ৰায়শ্চিত্তহে কৰিছে— 'মাতুঃ পাপস্য ভৰতঃ প্ৰায়শ্চিত্তমিৱাকৰোৎ'। এনেদৰে ভৰতৰ চৰিত্ৰটিয়ে কম পৰিসৰতে নিজৰ ব্যক্তিত্ব প্ৰতিষ্ঠা কৰিব পাৰিছে। কাব্যখনিত শত্ৰুঘ্নৰ চৰিত্ৰটিয়েও বিকাশ লাভ কৰিবলৈ সুবিধা পোৱা নাই। তেওঁ সংযমৰ মূৰ্ত্তি, সুদৰ্শন, বাহুবলী, কৰ্ত্তব্যপৰায়ণ আৰু ৰামৰ বিশ্বাসৰ পাত্ৰ। দুৰ্দ্ধৰ্ষ লৱনাসুৰ বধৰ বাবে ৰামে শত্ৰুঘ্নকেই নিয়োগ কৰিছে। এই যুদ্ধযাত্ৰাত শত্ৰুঘ্ন বাল্মীকিৰ আশ্ৰমত এৰাতি জিৰণি লৈছে আৰু সেই ৰাতিয়েই সীতাৰ দুই পুত্ৰৰ জন্ম হোৱাৰ খবৰ পাইছে। এই সংবাদত তেওঁ আনন্দিত হৈছে— সন্তানশ্ৰৱনাদ ভ্ৰাতুঃ সৌমিত্ৰিঃ সৌমনস্যৱান— কিন্তু আচৰিত কথা, এই শুভবাৰ্তা তেওঁ ৰামকেহে নালাগে ৰাজমহলত কাকোৱেই নিদিলেহি। অথচ এই বিষয়ত শত্ৰুঘ্নৰ যথেষ্ঠ দায়িত্ব আছিল। এই কথাই শত্ৰুঘ্নৰ ব্যক্তিত্বত ঘাঁ পেলাইছে বুলি কব পাৰি। অৱশ্যে এই ক্ষেত্ৰত বাল্মীকিৰ ভূমিকাও স্মৰণীয়।

ৰামায়ণৰ বিভিন্ন আলোচনা প্ৰসঙ্গত ইয়াৰ প্ৰতিটি চৰিত্ৰকে আদৰ্শ চৰিত্ৰ বুলি দাবী কৰি অহা দেখা যায় যদিও, ইয়াৰ সকলোবোৰ চৰিত্ৰ স্বয়ং সম্পূৰ্ণ আৰু দোষমুক্ত বুলি বোধকৰো ক'ব নোৱাৰি। বৰ্ত্তমানৰ এই আলোচনাৰ পৰিসৰত ৰামায়ণৰ চৰিত্ৰ সমালোচনা সামৰি ল'ব নোৱাৰি। কিন্তু ৰঘুবংশত উক্ত চৰিত্ৰসমূহৰ গতি বিধি লক্ষ্য কৰিলে সততে এটা বিষয় মনলৈ আহে যে কালিদাসে যি উৎসাহত ৰঘুবংশ মহাকাব্যখন আৰম্ভ কৰিছিল তাক অব্যাহত ৰাখি, বাল্মীকিৰ এই চৰিত্ৰ সমূহ কিছু পৰিশীলিতৰূপত ভাঙি ধৰিব পাৰিলেহেতেন। কালিদাসে বাল্মীকিৰ প্ৰতি আনুগত্য অটুও ৰাখিবলৈকে তেনে কৰাৰ পৰা বিৰত থাকিল বুলিও ভাবিব নোৱাৰি, কাৰণ ৰঘুবংশত ৰামৰ দৰে কেতবোৰ চৰিত্ৰত কিছু সংশোধন ঘটোৱা হৈছে কিন্তু লক্ষ্মণ, শত্ৰুঘ্ন আদি চৰিত্ৰৰ ক্ষেত্ৰে মুঠেই মনোনিৱেশ কৰা হোৱা নাই বুলিয়ে কব পাৰি।

ৰঘুবংশত ৰামৰ পৰৱৰ্ত্তী ৰজা সকলৰ ভিতৰত কুশ আৰু অতিথিৰ বিস্তৃত বিবৰণ পোৱা যায়। ৰামৰ পুত্ৰ কুশ সুদক্ষ শাসক। কুশাৱতীত নতুন ৰাজধানী পাতিলেও অযোধ্যাৰ প্ৰতিও তেওঁৰ অসীম আকৰ্ষণ। বংশ পৰম্পৰা আৰু ঐতিহ্যৰ প্ৰতি তেওঁ শ্ৰদ্ধাশীল। ধৰ্মপ্ৰাণ কুশ কিন্তু আমোদপ্ৰিয়। যুৱতীৰ সঙ্গসুখ আৰু জলকেলিত আপোন পাহৰা হৈ তেওঁ কুলৰক্ষক কবচো হেৰুৱাই পেলাইছিল। ইয়াৰ দ্বাৰা কালিদাসে যেন সূৰ্য্যবংশৰ অমঙ্গলৰহে ব্যঞ্জনা কৰিছে।

কুশ আৰু নাগকন্যা কুমুদ্বতীৰ পুত্ৰ অতিথি। তেওঁ কুলবিদ্যাত পাৰদৰ্শী, চৰিত্ৰবান, তীক্ষ্ণধী। সামৰিক শক্তিত অদ্বিতীয় আৰু নিৰলস ৰাজসেৱক— 'দদৰ্শ সংশয়চ্ছেদ্যান্ ব্যৱহাৰানতন্দ্ৰিতঃ'। তেওঁ বৰ্ণাশ্ৰম ধৰ্মৰ ৰক্ষক, দানী আৰু শৰণাগত বৎসল। প্ৰজাসাধাৰণ আৰু শত্ৰুগণৰ মানত তেওঁ ইন্দ্ৰাদি লোকচতুষ্টয়ৰ পঞ্চমজন, পঞ্চমহাভূতৰ ষষ্ঠ আৰু কুলপৰ্বত সমূহৰ অষ্টমজন (১৭.৭৫-৭৮)। অতিথিৰ চৰিত্ৰৰ বৰ্ণাঢ্য বৰ্ণনা পঢ়ি এনে লাগে যেন সূৰ্য্যবংশীয় ৰজাসকলৰ সমস্ত গুণাৱলী যেন শেষবাৰৰ বাবে অতিথিৰ চৰিত্ৰতে পৰ্যবসিত হৈছে।

অগ্নিবৰ্ণ এই বংশৰ শেষ ৰজা। নিষধৰপৰা সুদৰ্শনলৈকে একৈচজন ৰজাৰ নাম পৰিচয় মাত্ৰ আগবঢ়াই কালিদাসে অগ্নিবৰ্ণৰ কাহিনী লিপিবদ্ধ কৰিছে। ৰূপে গুণে সূৰ্য্যবংশৰ উপযুক্ত বংশধৰ। পিতৃৰ পিছত ৰাজ্যভাৰ লৈ পোনতে তেওঁ একান্তমনে ৰাজকাৰ্য্যত লাগিছিল। কিন্তু পিতৃপুৰুষৰদ্বাৰা সুঅধিকৃত, সুপ্ৰতিষ্ঠিত ৰাজ্য অগ্নিবৰ্ণই নিশ্চিন্তমনে অমাত্যবৰ্গৰ হাতত এৰি দিব পাৰিছিল। গতিকে বিলাসব্যসনকে তেওঁ তেওঁৰ জীৱনচৰ্যা বুলি সাৱটি ললে। আমোদপ্ৰিয় অগ্নিবৰ্ণ আন আন শাস্ত্ৰৰ লগতে কামশাস্ত্ৰতো নিপুণ আছিল। অত্যধিক স্ত্ৰী-সম্ভোগ, সুৰাসক্তি আদিৰ বাবে তেওঁ শেষত ৰাজৰোগৰ দ্বাৰা আক্ৰান্ত হ'ল। আনকি সিংহাসনৰ বাবে তেওঁ উত্তৰাধিকাৰীও দি যাব নোৱাৰিলে। অমাত্য বৰ্গই তেওঁৰ মৃত্যুৰ বাতৰি গোপনে ৰাখি সন্তান সম্ভৱা ৰাণীক অভিষেক কৰোৱাই শাসনকাৰ্য্য চলাবলগীয়া হ'ল।

ৰঘুবংশত কালিদাসে দিলীপৰ দৰে ধৰ্মনিষ্ঠ আৰু ৰঘুৰ দৰে পৰাক্ৰমী ৰজাৰ জীৱনাদৰ্শও ডাঙি ধৰিছে আৰু তাৰ বিপৰীতে অগ্নিবৰ্ণৰ দৰে উচ্ছৃঙ্খল

ৰজাৰ জীবনৰ পৰিণতিকো মুকলি ভাৱে সমালোচনা কৰিছে। এই কাব্যত বৰ্ণিত কোনোজন ৰজাই কালিদাসৰ সমসাময়িক বা পৃষ্ঠপোষক নহয়। গতিকে ভাৰতীয় জন মানসত অংকিত ৰজাৰ ব্যক্তিত্বৰ বিভিন্ন চিত্ৰ কালিদাসে অকপট চিত্তে ইয়াত ব্যক্ত কৰিব পাৰিছে।

কালিদাসৰ কাব্যকৃতিত সামগ্ৰিকভাৱে নাৰীচৰিত্ৰই প্ৰাধান্য লাভ কৰিছে। কালিদাসৰ কাব্যৰ ৰূপৱতী, গুণৱতী, বুদ্ধিমতী আৰু মহিয়সী নাৰীসকল যিমান আবেদনময়ী, পুৰুষসকল সিমান নহয়। তেওঁৰ কাব্যৰ প্ৰতিগৰাকী নাৰী ব্যক্তিগত সত্ত্বাৰে পৰিচিত হৈয়ো বিশ্বজনীন আদৰ্শৰ প্ৰতিনিধিৰূপে স্বীকৃতি লাভ কৰিছে। তেওঁলোক যশস্বী পতিসকলৰ অনুৰক্তা পত্নী আৰু কীৰ্ত্তিমান পুত্ৰসকলৰ স্নেহময়ী মাতৃ। ধৰ্মনিষ্ঠা, ত্যাগ, জ্ঞান, কৰ্ত্তব্যপৰায়ণতা আৰু মনৰ দৃঢ়তা সকলোবোৰ নাৰীচৰিত্ৰৰে সাধাৰণ গুণ। কালিদাসে বিক্ৰমোৰ্বশীয়, মালবিকাগ্নিমিত্ৰ, অভিজ্ঞানশাকুন্তল, মেঘদূত, কুমাৰসম্ভৱত নায়িকাৰ চৰিত্ৰ ৰচনাত যথেষ্ট মনোনিৱেশ কৰিছে। সেইকেইখন গ্ৰন্থৰ তুলনাত ৰঘুবংশৰ স্ত্ৰীচৰিত্ৰ নিৰ্মাণত কালিদাসৰ আন্তৰিকতাৰ অভাৱ দেখা যায়। ইয়াত ক্ষমতাশালী ঊনত্ৰিছজন ৰজাৰ বৰ্ণনা প্ৰসঙ্গতে তেওঁলোকৰ পত্নীসকলৰ কেতিয়াবা কিঞ্চিদ্ বিস্তৃত পৰিচয় দিছে, কেতিয়াবা নামোল্লেখ কৰিছে আৰু কেতিয়াবা তাকো কৰা নাই। এই কৌলিন স্ত্ৰী সকলক কোনো প্ৰকাৰে আত্মপ্ৰকাশ কৰিবলৈ সুযোগ দিয়া নাই। কিন্তু শকুন্তলাক, মালবিকাক, উৰ্বশীক বা পাৰ্বতীক, পত্নী, সখী, দুহিতৃ, মাতৃ আদি বিভিন্ন কোনৰ পৰা কালিদাসে পোহৰ পেলাই দেখুৱাইছে। প্ৰায় দুকুৰি চৰিত্ৰৰ সমাবেশ ঘটা ৰঘুবংশৰ দৰে এখন মহাকাব্যত মাথোন তিনিটি নাৰী চৰিত্ৰ স্পষ্টভাৱে পাঠকৰ দৃষ্টিত ধৰা পৰে। আৰু তেওঁলোকে কেৱল নৃপতিসকলৰ সহধৰ্মচাৰিনীৰূপেই আচৰণ কৰিছে।

ৰঘুবংশত উল্লিখিত প্ৰথম গৰাকী নাৰী ৰজা দিলীপৰ পত্নী সুদক্ষিণাৰ প্ৰথম পৰিচয় দি কালিদাসে কৈছে।

তস্য দাক্ষিণ্যৰূঢ়েণ নাম্না মগধবংশজা।

পত্নী সুদক্ষিণেত্যাসদধ্বৰস্যেৱ দক্ষিণা।। ১.৩১।।

(তেওঁৰ (দিলীপৰ) পত্নী আছিল মগধ বংশৰ কন্যা সুদক্ষিণা, যি যজ্ঞৰ

দক্ষিণাৰ দৰে পৱিত্ৰ, আৰু যাৰ নামটি দাক্ষিণ্য গুণৰ পৰাই উৎপত্তি হৈছে। সুদক্ষিণা গুণবান ৰজা দিলীপৰ উপযুক্ত পত্নী। আকাশমাৰ্গত চন্দ্ৰ আৰু চিত্ৰানক্ষত্ৰৰ মিলন যিদৰে অপূৰ্ব শোভাকাৰী হয়, দিলীপ আৰু সুদক্ষিণাৰ মিলনো তেনেই শোভাকাৰী। তেওঁৰ ৰূপ- লাৱণ্যত কোশলৰাজ দিলীপ এনেদৰে অনুৰক্ত যে তেওঁ সুদক্ষিণাৰ স্মৃতিত বিভোৰ হৈ থাকি দেৱধেনু সুৰভিৰ প্ৰতি যথোচিত ভক্তি প্ৰদৰ্শন কৰিবলৈ পাহৰি গৈছিল আৰু সেইবাবে ৰাজ দম্পতীয়ে সন্তানহীনতাৰ অভিশাপ পাব লগা হৈছিল। সুদক্ষিণা প্ৰকৃতাৰ্থত দিলীপৰ সহধৰ্মিনী। নন্দিনীসেৱাৰূপ ব্ৰতত নিয়োজিত দিলীপৰ লগতে সুদক্ষিণায়ো ব্ৰতচাৰিণীৰ বেশ ধাৰণ কৰিছে। ভক্তিমতী মহিষীয়ে পুৱাতে গন্ধমাল্যৰে অৰ্চনা কৰি নন্দিনীক বনলৈ যাবলৈ সাজু কৰি দিয়ে। গধুলিবেলা আশ্ৰমলৈ ঘূৰি অহা দিলীপক নিৰ্ণিনেষ নয়নেৰে দৰ্শন কৰি তেওঁ তৃপ্তি লাভ কৰে। পতিৰ লগতে তেওঁ তপস্বিনীৰ দৰে ফলমূলাদি আহাৰ কৰি জীৱিকা নিৰ্বাহ কৰে। নন্দিনীৰ আশীৰ্বাদত আসন্নপ্ৰসৱা সুদক্ষিণাৰ বৰ্ণনা তৃতীয় সৰ্গত পোৱা যায়। আপন্নসত্ত্বা পাণ্ডুবৰ্ণা সুদক্ষিণাক দিলীপে ৰত্নগৰ্ভা বসুন্ধৰাৰ দৰে, অগ্নিগৰ্ভা শমীলতাৰ দৰে আৰু অন্তঃসলিলা সৰস্বতীৰ দৰে জ্ঞান কৰিছে—

নিধানগৰ্ভামিৱ সাগৰাম্বৰাং শমীমিৱাভ্যন্তৰলীন পাৱকম্।
নদীমিৱান্তঃ সলিলাং সৰস্বতীং নৃপঃ সসত্ত্বাং মহিষীমমন্যত্।।

এনে অৱস্থাত ৰাণীক তেওঁৰ কোনো দোহদাভিলাষৰ কথা সুধিলে তেওঁ স্ত্ৰী সুলভ লজ্জাৰে তলমূৰ কৰে। লজ্জাৱতী মহিষী সম্ভ্ৰমশীলাও। ৰজা ওচৰলৈ আহিলে তেওঁ কষ্ট কৰি হলেও ঠিয় হৈ তেওঁক শ্ৰদ্ধা জনায়। কিন্তু যথাবিধি ৰজাক অভ্যৰ্থনা জনাব নোৱাৰাৰ বাবে দুখ প্ৰকাশ কৰে। অৱশেষত কান্তিমান ৰাজকুমাৰ ৰঘুক জন্ম দি সুদক্ষিণা ইন্দ্ৰপত্নী শচীৰ সমান সৌভাগ্যশালিনী হ'ল। সুদক্ষিণা আৰু দিলীপৰ পৰস্পৰাশ্ৰিত প্ৰেমৰ কিছু অংশ পুত্ৰৰ দ্বাৰা অধিকৃত হলেও কিন্তু সেই প্ৰেম বৃদ্ধিহে পালে। সুগৃহিনী, লজ্জাৱতী, মৰ্য্যাদাসম্পন্না, পতি -অনুৰক্তা মগধতনয়া সুদক্ষিণাই ৰঘুৰ দৰে কীৰ্ত্তিমান পুত্ৰক জন্ম দি ভাগ্যশালিনী হল যদিও তেওঁৰ মমতাময়ী জননীৰ ৰূপটো কালিদাসে পাঠকৰ পৰা উহ্য ৰাখিলে।

ৰঘুবংশৰ ষষ্ঠসৰ্গত আন এটি স্ত্ৰী চৰিত্ৰ আপেক্ষিভাৱে স্পষ্টৰূপত

চিত্রিত হৈছে। সেইটি হৈছে ইন্দুমতীৰ চৰিত্র। কাব্যখনত ইন্দুমতীয়ে স্বয়ংবৰা কন্যাৰূপে ভূমুকি মাৰিছে। ইন্দুমতীৰ অনিন্দ্যসুন্দৰ ৰূপ লাৱণ্য দেখি স্বয়ম্বৰ সভাত সমবেত নৃপতিসকল চঞ্চল হৈ উঠিল। ধাত্রী সুনন্দাই এজন এজনকৈ ৰজাসকলৰ গুণগৰিমাৰ দীৰ্ঘ বিৱৰণ দি যাওঁতে ইন্দুমতীয়ে ধীৰ ভাবে সকলো শুনিলে। সভাৰ প্ৰতিজন অভ্যাগতকে যথোচিত সম্ভাষণ জনালে। আৰু শেষত সূৰ্য্যবংশী ৰাজকুমাৰ অজক বৰমাল্য অৰ্পন কৰিলে। সয়ম্বৰ সভাৰ ইন্দুমতীক'সঞ্চাৰিণী দীপশিখা' ৰ লগত তুলনা কৰি কালিদাসে কৈছে--

সঞ্চাৰিণী দীপশিখৱে ৰাত্ৰৌ
যং যং ব্যতীয়ায় পতিংৱৰা সা।
নৰেন্দ্ৰমাৰ্গাট্ট ইৱ প্ৰপেদে
বিবৰ্ণভাৱং স স ভূমিপালঃ।। ৬.৬৭।।

ৰাতিৰ ৰাজপথত জোৰ একুৰা আগুৱাই নিলে পিছত থাকি যোৱা অট্টালিকা বোৰৰ (আন্ধাৰত বুৰ গৈ) যি অৱস্থা হয়, সেই সয়ম্বৰা ইন্দুমতীয়ে যি সকল ৰজাক পাৰ হৈ গল সেইসকল ৰজাৰ মুখবোৰো (অন্ধকাৰত ডুব যোৱা অট্টালিকাৰ দৰে) বিবৰ্ণ হৈ পৰিল। সভাত প্ৰত্যাখ্যাত ৰজাসকলৰ আক্ৰমন প্ৰতিৰোধ কৰাৰ পিছতো লজ্জাৱনতা ইন্দুমতীয়ে অজক অভিনন্দন জনাব নোৱাৰিলে। কাব্যখনৰ অষ্টম সৰ্গত প্ৰমোদ উদ্যানত ইন্দুমতীৰ মৃত্যু হোৱাৰ পিছত অজৰ বিলাপৰ যোগেদি ইন্দুমতীৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহ জানিব পৰা যায়। অজৰ বাবে তেওঁ দ্বিতীয় জীৱন স্বৰূপ আছিল। সেয়েহে ইন্দুমতীৰ মৃত্যুত অজই বিলাপ কৰি কৈছে 'তুমি মোৰ গৃহিনী, পৰামৰ্শদাত্ৰী সচিব, একান্তঅৱস্থাৰ সখী, ললিতকলাৰ প্ৰিয়শিষ্যা, নিকৰুণ বিধিয়ে তোমাক কাঢ়ি নি মোৰ কিনো হৰণ নকৰিলে কোৱাচোন—

গৃহিনী সখীঃ সচিব মিথঃ প্ৰিয়শিষ্যা ললিতে কলাবিধৌ।
কৰুণাবিমুখেন মৃত্যুনা হৰতা ত্বাং বদ কিং ন মে হৃতম্ ।। ৮.৬৭।।

ৰঘুবংশৰ স্ত্ৰীসকলৰ ভিতৰত সীতাক কালিদাসে অধিক মনোযোগেৰে প্ৰস্তুত কৰিছে। একাদশ সৰ্গৰ পৰা পঞ্চদশ সৰ্গলৈকে পাচোঁটা সৰ্গত সীতাই বিভিন্নৰূপত ধৰা দিছে। গাম্ভীৰ্য্যপূৰ্ণ কান্তি আৰু মৰ্যাদাপূৰ্ণ লাৱন্যৰে সৈতে

ৰামক অনুসৰণ কৰি বনলৈ যোৱা সীতাক এনে লাগিছিল যেন সেয়া কৈকেয়ীৰ বাধা নমনা, ৰামৰ গুণগ্ৰাহিনী অযোধ্যাৰ ৰাজলক্ষ্মীহে—

বভৌ তমনুগচ্ছন্তী বিদেহাধিপতেঃ সুতা।
প্ৰতিষিদ্ধাপি কৈকেয্যা লক্ষ্মীৰিব গুণোন্মুখী।। ১২.২৬।।

ৰামৰ প্ৰতি প্ৰেম আৰু ভক্তিত তেওঁ অটল। ৰাজকন্যা ৰাজবধু সীতা ৰাজকীয় সুখ ভোগৰ প্ৰতি নিৰাসক্তা। সীতাৰ অন্তৰ মাতৃৰ মমতাৰে আৰ্দ্ৰ। ত্ৰয়োদশ সৰ্গত ৰামে পূৰ্বস্মৃতিচাৰণ কৰি কৈছে কিদৰে সীতাই পঞ্চৱতীৰ তৰু- লতা আৰু পশু- পক্ষীক সন্তানৱৎ স্নেহ কৰিছিল। নিজৰে প্ৰজাসকলৰ দ্বাৰা তিৰস্কৃতা আৰু নি জপতিৰ দ্বাৰা পৰিত্যক্তা সীতাই নানা কষ্টৰ মাজতো সন্তানৰ বাবেই জীয়াই থাকিল। চতুৰ্দশ সৰ্গত বাল্মীকিৰ আশ্ৰম প্ৰান্তত লক্ষ্মণে সীতাক ৰামৰ নিদাৰুণ সিদ্ধান্তৰ কথা জনোৱাৰ লগে লগে সীতা মূৰ্চ্ছিতা হৈ ঢলি পৰিল, যেন ধুমুহাই মোহাৰি পেলোৱা লতা এজুপিহে। কিন্তু তেনে অৱস্থাতো তেওঁ বিবেক বুদ্ধি নেহেৰুৱালে। ক্ষন্তেকতে জ্ঞান পাই অপৰাধী ভাৱেৰে সমুখত ৰৈ থকা লক্ষ্মণক কৈছে, 'তোমাৰ প্ৰতি মোৰ খং নাই, কাৰণ তুমি অগ্ৰজৰ অধীন। কিন্তু মই কোৱা বুলি ৰজাক কবাগৈ যে নিজ চকুৰ আগত অগ্নিপৰীক্ষা কৰিও লোক নিন্দা শুনি যে নিৰপৰাধী মোক তেওঁ পৰিত্যাগ কৰিলে সি তেওঁৰ বিদ্যা বা কুলগৌৰৱৰ যোগ্য হৈছেনে (১৪.৬১)?' এনে যুক্তি বাদিনী সীতা পুনৰ ভাগ্যবাদিনী হৈ পৰি কৈছে 'অৱশ্যে ৰামতো শুভবুদ্ধিসম্পন্নই গতিকে এয়া নিশ্চয় মোৰ জন্মান্তৰৰ পাপকৰ্মৰ ফল মই ভোগ কৰিব লাগিব' (১৪.৬২)। ক্ষন্তেকৰ বাবে তেওঁ ভাগি পৰি কৈছে, 'এদিন ৰাজলক্ষ্মীক এৰি মোক লগত লৈ তেওঁ বনলৈ গৈছিল, আজি পুনৰ ৰাজ্যশ্ৰীৰ আশ্ৰয় লোৱাত তেওঁৰে প্ৰচণ্ড ৰোষত পৰি আজি মই ৰাজভৱন এৰিব লগা হল' (১৪.৬৩)। এনে অৱস্থাতো তেওঁ মানসিক ভাৰসাম্য বজায় ৰাখি নিজৰ কৰ্ত্তব্যৰ কথা সুঁৱৰিছে, 'মোৰ গৰ্ভত থকা তোমাৰ সন্তানৰ ৰক্ষা কৰা মোৰ কৰ্ত্তব্য। নহলে এনে এটা নিষ্ফল জীৱনৰ বাবে মই মোহ নকৰিলোহেতেন' (১৪.৬৫) এনে শক্তিশালী ব্যক্তিত্বসম্পন্না সীতাই আৰু দৃঢ়তাৰে কৈছে, 'যি সীতাক আজি ৰামে পৰিত্যাগ কৰিলে সেইজনী ময়েই সন্তান জন্ম দিয়াৰ পিছত উৰ্দ্ধমুখী হৈ সূৰ্য্যত স্থিৰ দৃষ্টি ৰাখি এনে তপস্যা কৰিম যাতে

জন্মান্তৰতো তোমাকে আকৌ স্বামীৰূপে পাওঁ, কিন্তু সেইবাৰ বিচ্ছেদ যেন আৰু নঘটে (১৪.৬৬)। পুনৰ ৰাজসভাত ৰামৰ মুখামুখী হৈ যেতিয়া নিজৰ সতীত্বৰ প্ৰমাণ কৰিবলগীয়া হ'ল তেতিয়া সীতাৰ আত্মসম্মানবোধ যেন জাগুৰ খাই উঠিল। পাতাল প্ৰৱেশে সীতাৰ সতীত্ব পুনৰ্বাৰ প্ৰমাণ কৰি গ'ল। কালিদাসৰ প্ৰখৰ প্ৰতিভাৰ প্ৰভাৱত সীতাৰ দৰে এটা অন্তৰ্মুখী চৰিত্ৰই স্বকীয় মৰ্যাদা অক্ষুণ্ণ ৰাখি এনে সংযত ভাৱে মুখৰ হৈ পৰিছে যে সীতাৰ মুখত দিয়া কেইটামান মাত্ৰ শ্লোকতে সীতাৰ প্ৰতিচ্ছবি স্বচ্ছ দাপোনত জিলিকাৰ দৰে জিলিকি উঠিছে।

কালিদাসৰ কাব্যত তপস্বীসকলে এক বিশেষ ভূমিকা পালন কৰা দেখা যায়। শকুন্তলা নাটকৰ আদিছোৱা মহামুনি কণ্ব আৰু শেষছোৱা দেৱমুনি মাৰিচে পৰিচালনা কৰিছে। ৰঘুবংশৰ প্ৰথম সৰ্গতে সূৰ্য্যবংশৰ ধাৰ ৰক্ষা কৰিছে বশিষ্ঠই। তেওঁ নিঃসন্তান দিলীপক সন্তান লাভৰ উপায় নিৰ্দেশ কৰাৰ ভূমিকা নোলোৱা হলে উনত্ৰিছটি ৰাজচৰিত্ৰৰে সমৃদ্ধ ৰঘুবংশ মহাকাব্যই সম্ভৱ নহ'লহেতেন। ৰাজধানী অযোধ্যাৰ সীমামূৰীয়াত ঋষি বশিষ্ঠৰ আশ্ৰম। কুলপতিৰ ৩ এই আশ্ৰমত দহহেজাৰ ছাত্ৰক বিভিন্ন বিষয়ত শিক্ষাদানৰ ব্যৱস্থা আছে। তেওঁৰ পত্নী অৰুন্ধতী আৰু অনেক তপস্বীয়ে আশ্ৰমৰ কাম কাজ পৰিচালনাত তেওঁক সহায় কৰে। ঋষিপত্নীসকলে আশ্ৰমৰ পশুপক্ষীক সন্তানবৎ প্ৰতিপালন কৰে। ঋষিকন্যা সকলে আশ্ৰমৰ তৰুলতাৰ যত্ন লয়। এই আশ্ৰমৰ বাতাবৰণ হোমধূমেৰে সুবাসিত। ইয়াত তপস্বীসকলে ৰজাৰ আৰু ৰাইজৰ মঙ্গলৰ বাবে দেৱতাৰ সন্তুষ্টিসাধক যাগ যজ্ঞাদি কৰে। তেওঁলোকৰ তপস্যাৰ দ্বাৰা আৰ্জিত আধ্যাত্মিক বলৰে একষষ্ঠাংশে ৰাজহৰূপে ৰজাৰ প্ৰাপ্য। বশিষ্ঠ নিত্য আৰু অনিত্য শক্তিৰ আধাৰ। তেওঁ অথৰ্ববেদৰ অধিকাৰী, প্ৰজ্ঞাবান আৰু সত্যপ্ৰিয়ভাষী। সূৰ্য্যবংশীয় ৰজাসকলৰ তেওঁ পূজাস্পদ আৰু তেওঁলোকৰ আপদ নিবাৰণকৰ্ত্তা। তেওঁলোকৰ সকলো সিদ্ধি মন্ত্ৰৰ বলেৰে বলীয়ান বশিষ্ঠৰ আয়ত্তাধীন। ৰজা দিলীপ আৰু সুদক্ষিণাই অতি ভক্তিভাৱে বশিষ্ঠৰ পাদস্পৰ্শ কৰি তেওঁলোকৰ অসন্তুষ্টিৰ কথা কৈ তাৰ প্ৰতিকাৰ বিচাৰিলে। তত্ত্বদৰ্শী মুনিয়ে তপোবলেৰে দিলীপৰ সন্তানহীনতাৰ কাৰণ আৰু

৩। মুণিনাং দশসাহস্ৰং যোঽন্নদানাদি পোষণাদ্ অধ্যাপয়েদ্ বিপ্ৰৰ্ষিঃ স কুলপতি স্মৃতঃ।।

তাৰ প্ৰ.তিকাৰৰ বিধান দিলে, যাৰ ফলত দিলীপে ইন্দ্ৰবিক্ৰমী পুত্ৰ ৰঘুক লাভ কৰিলে। বশিষ্ঠৰ মন্ত্ৰপূত জলপ্ৰক্ষেপৰ দ্বাৰা ৰঘুৱে দিগ্বিজয়ত অপ্ৰতিহত গতি লাভ কৰিলে। ক্ষাত্ৰবীৰ্য্যৰ লগত ব্ৰহ্মতেজৰ মিলন বতাহৰ লগত অগ্নিৰ সংযোগৰ দৰে, 'পৱনাগ্নিসমাগমো হ্যয়ং সহিতং ব্ৰহ্ম যদস্ত্ৰতেজসা' (৮.৪)। সেয়েহে গুৰু বশিষ্ঠৰ দ্বাৰা সংস্কাৰ সাধন কৰা অজ শত্ৰুৰ বিৰুদ্ধে মহাতেজস্বী অগ্নিৰ দৰে দুৰ্দ্ধৰ্ষ হৈ উঠিছি।। বশিষ্ঠ সম্পদে- আপদে শিষ্যসকলৰ সহায়। ইন্দুমতীৰ মৃত্যুৰ পিছত ত্ৰিকালদৰ্শী বশিষ্ঠৰ সান্ত্বনাবাণীয়ে অজৰ বিৰহ বেদনাৰ উপশম ঘটাইছে। তপস্বী হ'লেও এওঁ সাংসাৰিক জ্ঞানেৰে পুষ্ট। মুঠতে সূৰ্য্যবংশীয় ৰজাসকলৰ মানসিক, আধ্যাত্মিক আনকি সামৰিক শক্তিৰো উদ্যোক্তা হ'ল গুৰু বশিষ্ঠ। সেয়েহে প্ৰথম সৰ্গতে দিলীপে কৈছে 'আমাৰ দৈবিক আৰু অদৈবিক বিঘিনিৰ নিবাৰণ কৰ্ত্তা আপুনি থাকোতে ৰাজ্যৰ সপ্ত অংগই মংগলে থকাটো স্বাভাৱিক কথা। মোৰ বাণৰ গতি প্ৰত্যক্ষ লক্ষ্যৰ ফালেহে ধাৱিত হয়, কিন্তু মন্ত্ৰকৃৎ আপোনাৰ মন্ত্ৰৰ বলত দূৰৰ শত্ৰুও প্ৰতিহত হয়। আপোনাৰ ব্ৰহ্মতেজৰ গুণতে মোৰ ৰাজ্য শস্যবিঘ্নৰহিত হৈছে আৰু প্ৰজাসকল শতায়ু হৈছে। আপোনাৰ দৰে গুৰুৱে যাৰ মংগল চিন্তা কৰে সেই মোৰ সম্পদ নিৰৱচ্ছিন্ন আৰু নিৰাপদ নোহোৱাৰ কাৰণ নাই' (১.৬০-৬৪)। ওপৰত আলোচনা কৰা চৰিত্ৰসমূহৰ বাহিৰেও ৰঘুবংশত আৰু ভালেমান সৰু ডাঙৰ চৰিত্ৰ আছে। কালিদাসে সেই সকলোবোৰ চৰিত্ৰকে স্বকীয় বৈশিষ্ট্যৰে সজাই তুলিছে।

জড় পদাৰ্থত চেতনবৃত্তান্ত প্ৰদান কৰি সেইবোৰক মানবীয় ভাব অনুভূতিৰে ভৰা হৃদয় একোখন দি সেইবোৰক মানুহৰ শাৰীলৈ তুলি অনাটো কালিদাসৰ চৰিত্ৰ চিত্ৰনৰ এক অনন্য দিশ। ঠিক তেনেদৰে অতিমানবীয় চৰিত্ৰসমূহকো কালিদাসে স্বৰ্গীয় স্তৰৰ পৰা জাগতিক সুখ দুখৰ মাজলৈ নমাই অনাটোও কালিদাসৰ বৈশিষ্ট্য। ইতৰ প্ৰাণী সমূহেও তেওঁৰ কাব্যত একোটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। মেঘদূতত মেঘ হৈছে এক উদাত্ত সত্ত্বা, এক বুদ্ধিদীপ্ত কৌলীন সতীৰ্থ যি শস্যোৎপাদক অমৃতবাৰিৰে পৃথিৱীৰ মানুহক মৰম যাঁচে, চঞ্চলা বিজুলীক যি কান্তাৰূপে আকোৱালি থাকে। কুমাৰসম্ভৱত হিমালয় মেনাৰ স্নেহশীল স্বামী, উমাৰ দায়িত্বশীল পিতৃ আৰু দেৱৰ্ষি নাৰদৰ

বিশ্বাসী মিত্র, সপ্ত ঋষিৰ আশ্ৰয়দাতা আৰু এজন সংসাৰযোগী। এই গ্ৰন্থতে মহাযোগী মহাদেৱ স্বামীৰূপে , জামাতৃৰূপে, প্ৰেমিকৰূপে পৃথিৱীলৈ নামি আহিছে। বিক্ৰমোৰ্বশীয়মত দেৱাঙ্গনা উৰ্বশী পুৰুৰবাৰ গৃহিনীৰূপে অৱতীৰ্ণ হৈছে।অভিজ্ঞান শকুন্তলমত অপ্সৰা মেনকাই কন্যা শকুন্তলাৰ চিন্তত উৎকণ্ঠিত হৈছে। দেৱমুনি মাৰিচে দুষ্যন্ত- শকুন্তলাৰ মিলনত এক বিশিষ্ট ভূমিকা লৈছে। তেনেদৰে এইখন নাটকতে শকুন্তলাৰ বিদায় বেলাত আশ্ৰমৰ বৃক্ষৰাজিয়ে মঙ্গল আশীষ দিছে, হৰিণবোৰে ঘাঁহ খাবলৈ এৰিছে, আনকি হৰিণ পোৱালী টোৱে শকুন্তলাৰ আচলত কামুৰি ধৰি তাৰ বিদায়ী ধাত্ৰীৰ বাট আগচি ধৰিছে। ৰঘুবংশতো কালিদাসে এই একেই কৌশল প্ৰয়োগ কৰি এক সুবিশাল মানুহৰ সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছে। সুৰধেনু নন্দিনীৰ দয়াত দিলীপৰ সন্ততি লাভ হৈছে। মহাদেৱৰ ভৃত্য কুম্ভোদৰে মায়াসিংহৰূপে দিলীপৰ সততা প্ৰমাণ কৰিছে। দেৱৰাজ ইন্দ্ৰই ৰঘুৰ বীৰত্বৰ ওচৰত হাৰ মানি তেওঁক প্ৰশংসা কৰিছে। সুৰসুন্দৰী হৰিণী আৰু নাগকন্যা কুমুদ্বতী আহি যথাক্ৰমে অজ আৰু কুশৰ গৃহিনী হৈছেহি। তদুপৰি এই কাব্যত স্বয়ং বিষ্ণু মৰ্ত্ত্যলোকৰ প্ৰশান্তিৰ বাবে ৰামৰূপে অৱতীৰ্ণ হৈছেহি। কিন্তু এই চৰিত্ৰসমূহে কাব্যখনৰ কোনো ঠাইতে অতিদৈৱিক আচৰণ কৰা নাই। মানুহৰ মাজত থাকি মানুহৰ দৰে তেওঁলোকে কাৰ্য্যনিৰ্বাহ কৰিছে। ৰঘুবংশৰ দ্বিতীয় সৰ্গত মায়াসিংহই দিলীপৰ নিজৰ পৰিচয় দি কৈছে, 'সমুখত যে সৌ দেৱদাৰু গছজোপা দেখিছা তাক গৌৰীয়ে সন্তানৱৎ স্নেহ কৰে। এদিন এটা বনৰীয়া হাতিয়ে গা খজুৱাওঁতে তাৰ চাল ক্ষত বিক্ষত হোৱাত পাৰ্বতীয়ে বৰ দুখ পাইছিল। সেইদিনাৰে পৰা এই দেৱদাৰু গছজোপাক সুৰক্ষা দিবৰ বাবে গৌৰিনাথ মহাদেৱে মোকইয়াত নিযুক্ত কৰিছে' (২.৩৫-৩৮) । কালিদাসৰ এই কল্পিত বৃত্তান্তত স্বৰ্গ- মৰ্ত্ত্যৰ অপূৰ্ব সমন্বয় সাধিত হৈছে। তেনে আন এটি মনোৰম ঘটনা ঘটিছে চতুৰ্দশসৰ্গত। সন্ধ্যাপৰত বাল্মীকিৰ আশ্ৰমপ্ৰান্তত লক্ষ্মণে এৰি অহাৰ পিছত সীতা কান্দোনত ভাগি পৰিল। বনস্থলীৰ সমূহ পশু-পক্ষী, গছ-লতিকা তেওঁৰ বেদনাৰ সমব্যথী হৈ পৰিল, ময়ুৰবোৰে নাচিবলৈ এৰিলে, গছৰ ফুল সৰি পৰিল, হৰিণবোৰে পাগুলি থকা ঘাঁহ মুখৰ পৰা উলিয়াই পেলালে (১৪.৬৯)। ব্যাধৰ শৰত নিহত হোৱা ক্ৰৌঞ্চ হালিৰ মাইকী চৰাইজনীৰ কান্দোনত হৃদয় বিগলিত হোৱা ঋষি

বাল্মীকিয়ে আপন্নসত্ত্বা সীতাক সান্ত্বনাৰ উপায় দিলে এনেদৰে, 'তোমাৰ শক্তি অনুসাৰে পানী দি আশ্ৰমৰ বৃক্ষবাটিকা সমূহক ডাঙৰ কৰি তোলা, তাতে তুমি সন্তানক স্তন্যদানৰ আনন্দ অনুভৱ কৰিবা' (১৪.৭৮)। সেই সীতায়ে পঞ্চৱতীৰ পশুপক্ষীৰ লগত আত্মীয়তা গঢ়ি তুলিছিল। জটায়ুৱে বন্ধুবধূ সীতাক ৰক্ষা কৰিবলৈ গৈ প্ৰাণত্যাগ কৰিছিল। এইবোৰ বৃত্তান্তৰ ৰসোপকৰ্ষক বৰ্ণনা আগবঢ়াই কালিদাসে ৰঘুবংশত ইতৰ প্ৰাণীকো মানুহৰ স্তৰলৈ লৈ আহিছে আৰু তাৰদ্বাৰা প্ৰকাৰান্তৰে মানুহৰ চৰিত্ৰকে অধিক প্ৰাণস্পৰ্শীৰূপে চিত্ৰিত কৰিবলৈ চেষ্টা কৰিছে।

প্ৰকৃততে কালিদাস এক মানৱপ্ৰেমী কবি। তেওঁৰ ধাৰণাত মানুহ স্ৰষ্টাৰ শ্ৰেষ্ঠ সৃষ্টি। স্বৰ্গৰ দেৱতা, অপ্সৰায়ো মানুহৰ সান্নিধ্য লভি নিজে ধন্য হয়। তেওঁৰ কাব্যত লৌকিক- অলৌকিক, জীৱ- জড় সকলোবোৰ চৰিত্ৰ মানুহৰ গুণেৰে বিভূষিত। কালিদাসে চৰিত্ৰসমূহ নৈতিক বলেৰে বলীয়ান কৰি গঢ়ে, যাতে সেইবোৰক আদৰ্শৰূপে দেখুৱাব পৰা যায়। সাধাৰণ ক্ষেত্ৰত লক্ষ্য কৰা যায়,চৰিত্ৰসমূহ প্ৰকৃততে যেনে, তেনে ধৰণেই চিত্ৰিত কৰাতকৈ কালিদাসে যেনে হোৱা উচিত বুলি নিজে ভাৱে তেনেকৈহে চৰিত্ৰবোৰ চিত্ৰিত কৰে। কিন্তু শূদ্ৰকৰ দৰে লিখকে বাস্তৱক্ষেত্ৰত চৰিত্ৰবোৰে যেনে আচৰণ কৰে ঠিক তেনেদৰেই তেওঁলোকক কাব্যত উপস্থাপন কৰে। পূৰ্ণতা, অনুভূতিশীলতা আৰু নৈতিকতা ৰঘুবংশৰ চৰিত্ৰসমূহৰ প্ৰধান গুণ। কালিদাসৰ বহুমুখী দৃষ্টি আৰু মননশীল প্ৰতিভাই এই কাব্যৰ চৰিত্ৰসমূহক বৈচিত্ৰ্য প্ৰদান কৰিছে।

ৰঘুৰপি কাব্যম্

প্ৰবাদ আছে, এবাৰ পাঠশালাৰ পাঠ্যক্ৰমত কালিদাসৰ ৰঘুবংশ মহাকাব্য পাঠ্যৰূপে অন্তৰ্ভূক্ত কৰা হ'ল। ব্যাকৰণ, ন্যায়, মীমাংসা, আদি নানা শাস্ত্ৰৰ কঠিন সূত্ৰৰ অৰ্থবোধন আৰু ব্যাখ্যানত পাৰ্গত ছাত্ৰসকলে এই কথাত আপত্তি কৰি অধ্যাপকক ক'লে- ৰঘুৰপি কাব্যম্? তদপি চ পাঠ্যম্? তস্যাপি টীকা,সাপি পাঠ্যা? (অৰ্থাৎ ৰঘুবংশও কাব্যনে, সেইখন কাব্যও নো পাঠ্যনে? তাৰ আকৌ টীকাও পাঠ্য হব পাৰেনে?) আপাততঃ সৰল যেন লগা ৰঘুবংশৰ অন্তৰ্নিহিত জটিলতা ছাত্ৰসকলে বুজা নাছিল। সেয়েহে অধ্যাপকে কাকুৰ সহায়ত একে কেইটা শব্দেৰেই ছাত্ৰসকলক জব্দ কৰি ক'লে- ৰঘুৰপি কাব্যম্, তদপি চ পাঠ্যম্ তস্যাপি টীকা, সাপি পাঠ্যা (অৰ্থাৎ ৰঘুবংশ কাব্যও পাঠ্য আৰু আনকি তাৰ টীকাও পঢ়িবলগীয়া বিষয়।) ৰঘুবংশ মহাকাব্যৰ সৰল, প্ৰাঞ্জল ভাষা আৰু সাৱলীল বৰ্ণনাভঙ্গীৰ বাবে কাব্যখন সামগ্ৰিক ভাৱে আন সংস্কৃত কাব্যৰ তুলনাত সহজ। বেদশাস্ত্ৰানুধ্যায়ী ছাত্ৰসকলৰ বাবে তেনে সৰল কাব্য এখনৰ উপযোগিতা স্বীকাৰ কৰি প্ৰকাৰান্তৰে কাব্যখনৰ মহত্ত্বকে ইয়াত প্ৰতিপাদন কৰা হৈছে। ৰঘুবংশৰ সৰল কথাবস্তু আৰু মনোৰম বাগ্‌ভঙ্গীৰ অন্তৰালত যি জটিল আৰু মহান তত্ত্বাৰ্থ লুকাই ৰখা হৈছে তাক উদঘাটন কৰিবলৈ যুগে যুগে অনেক টীকাকাৰ সমালোচকে বুদ্ধিৰ অনুশীলন কৰিবলগীয়া হৈছে। সেয়েহে 'ৰঘুৰপি কাব্যম্' বোলা কথাষাৰক আমাৰ বোধেৰে আন এক অৰ্থতো ব্যাখ্যা কৰিব পাৰি। এই কাব্যত কালিদাসে ইতিহাস কোৱাৰ ছলেৰে বেদ- বেদান্ত, সাংখ্য-মীমাংসাদি দৰ্শন, ৰাজনীতি, সমাজনীতি, যুদ্ধবিদ্যা জ্যোতিৰ্বিদ্যা, কামশাস্ত্ৰ, অৰ্থশাস্ত্ৰ আদিৰ শাস্ত্ৰীয় বিষয়বস্তু এনে পৰ্য্যাপ্ত পৰিমাণে প্ৰয়োগ কৰিছে যে ইয়াক কাব্য বোলাতকৈ শাস্ত্ৰবোলাই যুগুত বুলি ভাবি ক'ব পাৰি 'ৰঘুবংশও কাব্যনে, ই শাস্ত্ৰ হোৱাৰহে যোগ্য'। ৰঘুবংশৰ এনে জটিলতাৰ বাবেই ইয়াৰ তেত্ৰিচটা ব্যাখ্যা বা টীকা প্ৰণয়ন কৰাৰ কথা জনা যায়। এই টীকাকাৰ সকলৰ ভিতৰত মল্লিনাথ সূৰীৰ সঞ্জীৱনী টীকা বিশেষ

জনপ্ৰিয়। সঞ্জীৱনী টীকাৰ আৰম্ভণীতে মল্লিনাথে কৈছে যে 'দুৰ্ব্যাখ্যাৰ দ্বাৰা বিষাক্ত হোৱা কালিদাসৰ কাব্য ভাৰতী তেওঁৰ সঞ্জীৱনীৰ দ্বাৰা পুনৰুজ্জীৱিত হ'ব।

ভাৰতী কালিদাসস্য দুৰ্ব্যাখ্যাবিষমূৰ্চ্ছিতা।
এষা সঞ্জীৱনী টীকা তামদ্যোজ্জীৱয়িষ্যতি।।৮।।

সেয়েহে আৰম্ভণীতে আত্মপৰিচয় প্ৰসঙ্গত মল্লিনাথে ৰঘুবংশ ব্যাখ্যা কৰাৰ বাবে নিজৰ যোগ্যতা প্ৰতিপন্ন কৰি লৈছে।

শাস্ত্ৰীয় বিষয়বস্তুৰে ভাৰাক্ৰান্ত হোৱা স্বত্বেও ৰঘুবংশই যুগে যুগে সহৃদয় কাব্যৰসিকৰ হৃদয় জয় কৰি আহিছে। সেয়েহে কোৱা হয়, ' ক ইহ ৰঘুকাৰে ন ৰমতে'-- 'ৰঘুবংশৰ প্ৰণেতাজনকনো কোনে ভাল নাপায়'। কালিদাসৰ আন কেইবাখনো গ্ৰন্থ থকা স্বত্বেও এনে মন্তব্যত বিশেষভাবে ৰঘুবংশৰ নাম লোৱাটোও তাৎপৰ্য্যপূৰ্ণ। ৰঘুবংশ কেৱল বিদগ্ধ পাঠকৰে নহয় ই সকলো শ্ৰেণীৰ পাঠকৰে বোধগম্য হোৱাৰ উপৰিও সকলো কাব্যিক গুণেৰে পুষ্ট আৰু উত্তম সাহিত্যৰ আদৰ্শেৰে মহীয়ান। ৰঘুবংশ মহাকাব্যত কালিদাসে কেৱল সাহিত্যিক ৰূপেই নহয়, এজন গবেষক, ঐতিহাসিক আৰু সমাজ সংস্কাৰকৰূপেও যোগ্যতা দেখুৱাব পাৰিছে।

কেৱল কাব্যতত্ত্বৰ অনুশাসনত সীমাবদ্ধ থাকিয়েই কোনো কাব্যই প্ৰকৃতাৰ্থত সফল কাব্যৰূপে স্বীকৃতি লাভ কৰিব নোবাৰে। সাৰ্থক কাব্য হ'বলৈ হ'লে তাত সকলোবোৰ কাব্যিক উপাদানৰ সমন্বয় ঘটিব লাগিব। কাব্যত কবিৰদ্বাৰা উপস্থাপিত বিভিন্ন উপাদান বিভিন্নশ্ৰেণীৰ বিভিন্ন ৰুচিৰ পাঠকৰ বাবে সাধাৰণভাৱে গ্ৰহণযোগ্য হ'ব লাগিব। তদুপৰি তেনে কাব্যৰ পৰা সমাজে এক মহৎ আদৰ্শ পাব লাগিব।

প্ৰতিভাৱান কবিয়ে স্বতঃপ্ৰণোদিত ভাৱেই কবিতা লিখিবলৈ লয় যদিও, কাব্য ৰচনাৰ অন্তৰালত কবিৰো কিছুমান উদ্দেশ্য থাকে। সেই সম্পৰ্কে মন্তব্য দি মম্মটাচাৰ্য্যই কৈছে যে— কাব্যৰ পৰা (কবিৰ) যশস্যা আৰু অৰ্থ লাভ হয়, অপায় অমঙ্গলৰ পৰা নিস্তাৰ লাভ হয়, (পাঠকৰ) আচাৰ ব্যৱহাৰৰ জ্ঞান লাভ হয়,অতি সহজে পৰমানন্দৰ আস্বাদ লাভ হয় আৰু প্ৰেমিকাৰ পৰা পোৱাৰ দৰে মধুৰ উপদেশ লাভ কৰা যায়—

কাব্যং যশসে অর্থকৃতে ব্যবহাৰবিদে শিৱেতৰক্ষতয়ে
সদ্যঃ পৰনির্বৃত্তয়ে কান্তাসম্মিততয়োপদেশযুজে।।

কালিদাসেও কাব্যৰ পৰা পাব পৰা এই সকলো ফল আশা কৰিয়ে ৰঘুবংশ কাব্য ৰচনা কৰিছিল যেন লাগে। কাৰণ যশস্যা যে তেওঁৰ কাম্য আছিল, সেইকথা তেওঁ নিজে স্বীকাৰ কৰি ৰঘুবংশৰ আৰম্ভণীতে কৈছে- 'মন্দঃ কৱিযশঃপ্রার্থী গমিষ্যামি উপহাস্যতাম(১.২)। গ্রন্থৰ পৰা যে লেখকৰ অর্থ আয় হয় সেইকথা সর্বজনস্বীকৃত। তাতে আন শাস্ত্রীয় গ্রন্থতকৈ কাব্যগ্রন্থৰ ব্যৱসায়িক চাহিদাও বেছি আৰু ৰঘুবংশৰ দৰে জনপ্রিয় ৰচনাৰ ব্যৱসায়িক মূল্য প্রশ্নাতীত। ৰঘুবংশত অনেক গুণীলোকৰ জীৱন চৰিত বর্ণোৱা হৈছে। তাৰ দ্বাৰা জীৱন যাত্ৰাৰ বিভিন্ন দিশ, সামাজিক আৰু ব্যক্তিগত আচাৰ আচৰণৰ সম্ভেদ দিয়া হৈছে। যদিও ময়ূৰ[১] আদিৰ দৰে কালিদাসে কোনো অমঙ্গল নিবাৰণার্থে কাব্য চর্চ্চা কৰা নাছিল, তথাপি এই কথা স্বীকার্য্য যে যি কোনো সদালাপ, সদালোচনাৰ পৰা শাৰীৰিক আৰু মানসিক উৎকর্ষ সাধিত হয়।আৰু ৰঘুবংশৰ দৰে এখন সুখপাঠ্য সদ্‌কাব্যই যে এই উদ্দেশ্য সাধন কৰিব পাৰিব তাত কোনো সন্দেহ নাই। প্রেয়সীৰ দৰে ললিত মধুৰ ভাষাৰে ৰঘুবংশই যে কেৱল সৎ পৰামর্শকে ডাঙি ধৰিছে, তাত কাৰো দ্বিমত থাকিব নোৱাৰে। গতিকে এই মহাকাব্যখনে কাব্যকাৰৰ আৰু পাঠকৰ সকলো প্রয়োজন পূৰণ কৰিব পাৰিছে।

কেৱল শাস্ত্রীয় দৃষ্টিৰেই নহয় সহৃদয় পাঠকৰ দৃষ্টিৰেও ৰঘুবংশ এখন অতি মনোৰম গ্রন্থ। যি কোনো পাঠকে কিতাপ এখন হাতত লৈ পোন প্রথমে মুখামুখি হয় শব্দ আৰু অর্থৰ। শব্দার্থৰ দুৱাৰদলি পাৰ হৈহে ৰস, গুণ, ৰীতি অলংকাৰ আদিৰ সৌন্দর্য্য বিচাৰ কৰিবলৈ সুবিধা পায়। কিন্তু কালিদাসৰ গ্রন্থৰ দুৱাৰদলিতে মাধুর্য্যৰ সঁফুৰা মেল খাই আছে। ইয়াত শব্দ আৰু অর্থৰ কাৰুকার্য্যতে পাঠক অভিভূতহৈ পৰে, কিয়নো কালিদাসৰ ৰচনাৰ এয়ে বিশেষত্ব যে তেওঁ অভিপ্রেত অর্থ স্পষ্টকৈ কৈ দিয়াতকৈ ইঙ্গিতেৰে তাক অভিব্যঞ্জিত কৰিবলৈহে চেষ্টা কৰে। কালিদাসৰ কাব্যৰ তেনে অনেক শ্লোকৰ

১। ময়ূৰ নামে এজন কবিয়ে কুষ্ঠৰোগত আক্রান্ত হৈ সূর্য্যশতক নামে এখন সূর্য্যস্তুতি মূলক কাব্য লিখি ৰোগৰ পৰা নিস্তাৰ পাইছিল এই কথা কাব্যপ্রকাশ নামৰ আলংকাৰ গ্রন্থত উল্লেখ আছে।

মাজৰ পৰা কুমাৰসম্ভৱৰ এটি প্ৰখ্যাত শ্লোক উদাহৰণৰূপে আগবঢ়াব পাৰি। সুৰমুনি নাৰদে আহি যেতিয়া হিমালয়ৰ আগত তেওঁৰ কন্যা পাৰ্বতীৰ বিয়াৰ প্ৰস্তাৱ দিলে তেতিয়া পাৰ্বতীৰ কেনে প্ৰতিক্ৰিয়া হৈছিল তাকে বুজাবলৈ কোৱা হৈছে—

এবং বাদিনি দেৱৰ্ষৌ পিতুৰগ্ৰেহধোমুখী।
লীলাকমলপত্ৰাণি গণয়ামাস পাৰ্বতি।।

—দেৱৰ্ষিয়ে এনেদৰে ক'লত পিতাকৰ আগত তলমূৰকৈ থিয় হৈ থকা পাৰ্বতীয়ে হাতত থকা লীলাকমলৰ পাহিবোৰ গণনা কৰিবলৈ ধৰিলে।—এই শ্লোকটিত কোনো অলংকাৰ নাই। পাৰ্বতীয়ে পদুমৰ পাহি গণি থকাটো এই শ্লোকৰ বাচ্য অৰ্থ। কিন্তু তাত লুকাই থকা সুন্দৰ অভিব্যঞ্জনাটি হৈছে যে তেওঁৰ বিবাহ সম্বন্ধে পিতাকৰ লগত হোৱা দেৱৰ্ষিৰ কথাবতৰা শুনি পাৰ্বতীৰ লাজ লাগিছে। তাকে ঢাকিবলৈ তেওঁ আন কামত মিছাতে ব্যস্ত হৈ দেখুৱাইছে। তাতে আকৌ বিয়াৰ প্ৰস্তৱো ৰখা হৈছে পাৰ্বতীৰ ইপ্সিত বৰ মহাদেৱৰ লগত। সকলোখিনি কথাৰ সমন্বয়ত পাৰ্বতীৰ প্ৰণয়ৰ পূৰ্বৰাগৰ লজ্জাৰূপ ব্যঙ্গ্যাৰ্থটি সূচিত হৈছে। অৰ্থৰ সুন্দৰ কলাত্মক উপস্থাপনৰ বাবে এই শ্লোকটিক যুগে যুগে আলংকাৰিকসকলে শ্ৰেষ্ঠ কবিতাৰ শাৰীত স্থান দি আহিছে। ৰঘুবংশ তুলনামূলকভাৱে স্পষ্ট আৰু প্ৰাঞ্জল ভাষাত ৰচিত হ'লেও ইয়াৰ বিভিন্ন স্থানত শব্দৰ অভিব্যঞ্জনাই গভীৰৰ পৰা গভীৰতৰ অৰ্থ দ্যোতনা কৰিছে। উদাহৰণ স্বৰূপে প্ৰথম সৰ্গৰ চতুৰ্থ শ্লোকত কবিয়ে কৈছে যে বাল্মীকি আদি পূৰ্বসূৰী কবিসকলৰ দ্বাৰা ৰচিত ৰামায়ণ সূৰ্য্যবংশৰ দ্বাৰস্বৰূপ হোৱাৰ পিছত (অৰ্থাৎ সূৰ্য্যবংশৰ বিষয়ে জানিবলৈ ৰামায়ণ দ্বাৰ স্বৰূপ হোৱাৰ পিছত) ৰঘুবংশৰ ইতিহাস লিখিবলৈ ওলোৱা মোৰ অৱস্থাও বজ্ৰসূচীৰে ইতিমধ্যে বিন্ধা উলিয়াই থোৱা মণিবোৰ গাঁথি ৰখা সূতাদালৰ দৰেহে হ'বগৈ। শব্দকেইটাত কালিদাসৰ বিনয় প্ৰকাশ হৈছে যদিও যশঃ প্ৰাৰ্থী কবিজনে তেওঁৰ নতুন সৃষ্টিৰ বাবে প্ৰশংসা সম্পূৰ্ণৰূপে দাবী কৰিব নোৱাৰাৰ দুখো ইয়াত ব্যঞ্জিত হৈছে।

শব্দ আৰু অৰ্থৰ যাদুকৰ কালিদাসৰ কাব্যত অলংকাৰৰ বৈভৱ তুলনীয়। মহাকবিৰ কল্পনাচাতুৰ্য্যই হ'ল তেওঁ কাব্যত ব্যৱহাৰ কৰা বিভিন্ন অলংকাৰৰ জনক। তেওঁ বক্তব্য বিষয়ক প্ৰাঞ্জল কৰি দেখুৱাবৰ বাবে বস্তুজগত আৰু

নিসৰ্গ জগতৰ পৰা বিবিধ চিত্ৰ বুটলি আনি সিহঁতৰ মানসিক সমন্বয় সাধনৰ চেষ্টা কৰে। আৰু তেনেদৰে সমন্বিত ভাবকে তেওঁ উপযুক্ত শব্দেৰে উপস্থাপন কৰে। মহাকবিৰ দৃষ্টি অতি তীক্ষ্ণ, স্বচ্ছ আৰু সৰ্বতোগামী হোৱা বাবে তেওঁৰ অলংকাৰৰ প্ৰয়োগো স্বাভাৱিক আৰু অনায়াস সাধ্য। কালিদাসৰ কাব্যত অলংকাৰ বৈভৱৰ সন্দৰ্ভত ড° কীথে মন্তব্য কৰিছে যে— প্ৰকৃতি আৰু জীৱন সম্পৰ্কে কালিদাসৰ জ্ঞানৰ বিস্তৃতি আৰু অনুসন্ধিৎসাৰ গভীৰতাই ইয়াত(এই অলংকাৰ বোৰত) সৰ্বোত্তম ভাৱে প্ৰকাশ পাইছে[২]। ৰঘুবংশত শব্দালংকাৰ আৰু অৰ্থালংকাৰ উভয়বিধৰে পয়োভৰ মন কৰিবলগীয়া। তেওঁৰ ব্যঞ্জনাসমৃদ্ধ ৰচনাত শব্দালংকাৰ সমূহতো অৰ্থৰ তৰলতা দেখা নাযায়। বৰং এইবিধ অলংকাৰতো অৰ্থৰ গুৰুত্ব বজাই ৰাখিহে শব্দৰ চমৎকাৰিতা সাধন কৰা হৈছে। শব্দালংকাৰৰ ভিতৰত অনুপ্ৰাসৰ ঝংকাৰে কালিদাসৰ কাব্যত শ্ৰুতিমাধুৰ্য্য প্ৰদান কৰিছে। অনুপ্ৰাসৰ উদাহৰণ—

বৈবস্বতো মনুৰ্ণাম মাননীয়ো মনীষিণাম ।(১.১১)
জীৱন্ পুনঃ শশ্বদুপপ্লৱেভ্যঃ প্ৰজাঃ প্ৰজানাথ পিতেৱ পাসি।।২.৪৮)।।
ভুজে ভুজঙ্গেন্দ্ৰসমানসাৰে ভূয়ঃ স ভূমেৰ্ধুৰমাসসঞ্জ ।।(২.৭৪)।।

যমকৰ দৰে জটিল শব্দালংকাৰৰ প্ৰয়োগতো কালিদাস সমানে পাৰ্গত আছিল। আলংকাৰিক আনন্দবৰ্দ্ধনে কাব্যত বিশেষকৈ শৃংগাৰ আৰু কৰুণৰ প্ৰসঙ্গত এইবিধ অলংকাৰ প্ৰায়োগ কৰিবলৈ নিষেধ কৰিছে। কাৰণ যমকৰ দৰে অলংকাৰ ৰচিবলৈ কবিৰ প্ৰজ্ঞা, চাতুৰ্য্য আৰু শব্দকোষত দখল অসাধাৰণ হ'ব লাগিব লগতে এনে ৰচনাৰ স্বাদ ল'ব পৰাকৈ পাঠকৰো বুদ্ধি প্ৰখৰ হ'ব লাগিব। কিন্তু কালিদাসে অনায়াসে যমকৰ ব্যৱহাৰ কৰিছে। ৰঘুবংশত অনেকবাৰ এইবিধ অলংকাৰৰ প্ৰয়োগ ঘটিছে। উদাহৰণ স্বৰূপে—

তমাৰ্যগৃহ্যং নিগৃহীতধেনুৰ্মনুষ্যবাচা মনুবংশকেতুম।
বিস্মায়য়ন্ বিস্মিতমাত্মবৃত্তৌ সিংহোৰুসত্ত্বং নিজগাদ সিংহঃ।। ২.৩৩।।

এই কাব্যৰ নৱম সৰ্গত যমক অলংকাৰৰ যথেষ্ট পৰিমানে ব্যৱহাৰ কৰা

২। The width of Kalidasa's knowledge and depth of his observation of nature and life are here shown to the highest advantage .
-*Keith, the Sanskrit drama, p.*

হৈছে। অৰ্থৰ চাৰুতা আৰু গভীৰতা ৰক্ষা কৰি কৰা শব্দবিন্যাসে এই শ্লোকবোৰ অতি মনোগ্ৰাহী কৰি তুলিছে। যেনে--

অথ যথাসুখমাৰ্তৱমুৎসৱং সমনুভূয় ৱিলাসৱতীসখঃ।
নৰপতিশ্চকমে মৃগয়াৰতিং স মধুমন্মধুমন্মথসন্নিভঃ।। ৯.৪৮।।

(মধুৰিপুৰ (মধুদানৱৰ শত্ৰু বিষ্ণুৰ) দৰে পৰাক্ৰমী। মধুমাসৰ (বসন্তকালৰ) দৰে মনোৰম আৰু মন্মথৰ দৰে সুশ্ৰী নৰপতিয়ে এইদৰে যথাসুখে বসন্তোৎসৱ উপভোগ কৰি মৃগয়া বিহাৰৰ অভিলাষ কৰিলে।)

উপচিৰ্তাৱয়বা শুচিভিঃ কণৈৰলিকদম্বকযোগমুপেয়ুষী
সদৃশকান্তিৰলক্ষ্যত মঞ্জৰী তিলকজাকলজালকমৌক্তিকৈঃ ।।৯.৪৪।।

(শ্বেতপৰাগেৰে ভৰপুৰ তিলক মঞ্জুৰীত ঘন হৈ ভ্ৰমৰপংক্তি পৰিছেহি এনেহে লাগে যেন কোনো ৰমনীৰ মুক্তাজালেৰে শোভা কৰা অলকৰাশিহে।)

এনেদৰে নৱমসৰ্গত অবিৰাম ভাৱে যমক আৰু অনুপ্ৰাসৰ প্ৰয়োগ ঘটিছে। এইবোৰ ৰচনাত একেটা বৰ্ণৰ বা সদৃশ বৰ্ণৰ বা কেতিয়াবা একেটা পদৰ পুণৰাবৃত্তি ঘটাৰ ফলত শ্লোকবোৰলৈ এক প্ৰকাৰ লালিত্যৰ ভাব আহিছে। এই লালিত্য বিশেষভাৱে সজাই লোৱা পদবোৰে বহন কৰে বাবে তাক পদলালিত্য বোলা হয়। ই শ্ৰব্য কাব্যৰ অন্যতম গুণ। ৰঘুবংশৰ পাতে পাতে সিঁচৰিত হৈ থকা অনুপ্ৰাস, যমক আদি অলংকাৰবোৰে কাব্যখনত এক বিশেষ সাঙ্গীতিক মাধুৰ্য্য প্ৰদান কৰিছে।

এইখিনিতে স্মৰণ কৰিব লাগিব যে আলংকাৰিক আচাৰ্য্য আনন্দবৰ্ধনে শৃংগাৰ ৰসৰ ক্ষেত্ৰত যমকাদি শব্দালংকাৰৰ প্ৰয়োগ নিষেধ কৰিছে। তেওঁৰ মতে--

ধ্বন্যাত্মভূতে শৃংগাৰে যমকাদিনিবন্ধনম্
শক্তাৱপি প্ৰমাদিত্বং বিপ্ৰলম্ভে বিশেষতঃ ।।ধ্বন্যালোক,২.৪৫।।

ইয়াত আনন্দবৰ্ধনে শৃংগাৰ আৰু বিশেষকৈ বিপ্ৰলম্ভ শৃংগাৰত যে যমকাদি অলংকাৰ প্ৰয়োগ কৰিবলৈ বাধা দিছে তাৰ উদ্দেশ্য হ'ল যাতে এই মধুৰ গুণসম্পন্ন ৰসবিলাকৰ ৰসাস্বাদনত বাধা নজন্মে। কিন্তু কালিদাসে নৱমসৰ্গত দশৰথৰ মৃগয়াৰ উৎসাহত যিদৰে যমক ব্যৱহাৰ কৰিছে সেইদৰে অজ -ইন্দুমতী বা ৰাম -সীতাৰ শৃংগাৰ বৰ্ণনাতো সমান পাৰদৰ্শিতাৰে অনুপ্ৰাস

যমকাদি শব্দালংকাৰ প্ৰয়োগ কৰি দেখুৱাইছে আৰু প্ৰতিটি প্ৰয়োগেই সাৰ্থক হৈছে। কালিদাসৰ ক্ষেত্ৰত অলংকাৰ সমূহ ইমান স্বতঃস্ফূৰ্ত্তভাৱে প্ৰকাশ পায় যে সেইবোৰে ৰসাস্বাদনত পাঠকক সহায়হে কৰে। ৰসৰ উপলব্ধি আৰু প্ৰকাশত কৱিৰ তন্ময়তা থাকিলে কৱিৰ অপৃথক যত্নৰ দ্বাৰাই অলংকাৰ সৃষ্টি হ'ব পাৰে । তেনে ধৰণে প্ৰকাশ পোৱা অলংকাৰে কিন্তু ৰসৰ অভিব্যঞ্জনাত সহায়হে কৰে বুলি আনন্দবৰ্ধনে স্বীকাৰ কৰি কৈছে—

ৰসক্ষিপ্ততয়া যস্য বন্ধঃ শক্যক্রিয়া ভবেৎ

অপৃথগ্-যত্ননিৰ্বৰ্ত্যঃ সোহলংকাৰো ধ্বনৌ মতঃ ।।২/১৬।।

শ্লেষৰ দ্বাৰা কৱিৰ কৱি- চাতুৰ্যৰ লগতে বুদ্ধি আৰু পাণ্ডিত্যও প্ৰকাশ পায়।কালিদাসৰ পৰবৰ্ত্তী বাণ, সুবন্ধু, শ্ৰীহৰ্ষ আদি কৱিয়ে শ্লেষৰ প্ৰতিযোগিতাত এনেদৰে নামি পৰিছিল যে কেতিয়াবা শ্লেষৰ স্বভাৱ সৌন্দৰ্য্য নষ্ট হৈছিল। নাটক বোৰত নাটকীয় উদ্দেশ্য সাধনৰ বাবে কেতিয়াবা শ্লেষৰ প্ৰয়োগ কৰিছে যদিও কালিদাসৰ কাব্যত শ্লেষৰ প্ৰয়োগ কম। বাণ ,শ্ৰীহৰ্ষৰ কাব্যত শ্লেষে বাক্য গাঁঠনি জটিল কৰি পেলাইছে, কিন্তু কালিদাসৰ শ্লেষে অৰ্থৰ গুৰুত্ব বঢ়াইছে। ৰঘুবংশৰ পৰা শ্লেষৰ উদাহৰণ যেনে,-

শ্ৰুতস্য যাযাদয়মন্তমৰ্ভকস্তথা পৰেষাং যুধি চেতি পাৰ্থিবঃ।

অবেক্ষ্য ধাতোমৰ্গনাৰ্থমৰ্থবিচ্চকাৰ নাম্না ৰঘুমাত্মসম্ভৱম্ ।।৩.২১।।

এই শ্লোকত ৰঘুৰ নামকৰণৰ সন্দৰ্ভত কৱিয়ে কৈছে যে যিহেতু দিলীপে তেওঁৰ পুত্ৰ শাস্ত্ৰৰ অন্তলৈকে আৰু শত্ৰুৰ অন্তিমজনলৈকে দুৰ্লংঘ্য গতিৰে আগবাঢ়িব বুলি নিশ্চিত আছিল, সেয়েহে অৰ্থবিদ্ দিলিপে পুত্ৰৰ নাম ৰঘু ৰাখিছিল।

কালিদাসৰ ব্যঞ্জনাসমৃদ্ধ ৰচনাত অৰ্থালংকাৰৰ বিবিধ প্ৰয়োগ ঘটিছে। তথাপি কোৱা হয় 'উপমা কালিদাসস্য' —কালিদাসৰ কাব্যত উপমাই বৈশিষ্ট্য। ৰূপক, দীপক, ব্যতিৰেক, অপ্ৰস্তুত প্ৰশংসা আদি অলংকাৰেৰে ভৰি থকা স্থলত কেৱল উপমাৰ নাম লোৱাৰ তাৎপৰ্য্য এয়ে যে ইয়াৰ দ্বাৰা সকলো অৰ্থালংকাৰতে উপমাৰ সম্ভাৱ মানি লোৱা হৈছে। অলংকাৰ আলোচনা প্ৰসঙ্গত প্ৰায় সকলো আলংকাৰিকে উপমাক অৰ্থালংকাৰ সমূহৰ জনক বুলি মন্তব্য কৰিছে। তেওঁলোকৰ মতে উপমাৰ বিস্তৃতি ঘটিয়েই আন সকলোবোৰ

অৰ্থালংকাৰৰ জন্ম হৈছে। সেয়েহে দণ্ডীয়ে অৰ্থালংকাৰ সমূহক উপমাপ্ৰপঞ্চ নামেৰে আলোচনা কৰিছে। বিস্তাৰ অৰ্থক পচি ধাতুৰ পৰা প্ৰপঞ্চ শব্দটো গঠিত হৈছে। উপমাপ্ৰপঞ্চ মানে উপমাৰ বিস্তৃতি। কাব্যমীমাংসাত ৰাজশেখৰে উপমাক কবি বংশৰ মাতৃ বুলি গণ্য কৰিছে[৩]। চিত্ৰমীমাংসাত আকৌ অপ্পয়দীক্ষিতে উপমাক এগৰাকী অভিনেত্ৰী বুলি কৈছে যি কাব্যৰূপ ৰঙ্গমঞ্চত বিভিন্ন ৰূপে নৃত্য কৰি পাঠকৰ মন জয় কৰে।[৪]

কালিদাসৰ কাব্যত উপমাপ্ৰপঞ্চৰ অন্তৰ্গত ৰূপক, দীপক, নিদৰ্শনা আদিক একাষৰীয়া কৰি থৈ কেৱল স্পষ্টৰূপে শুদ্ধ উপমাৰ প্ৰয়োগ ঘটা (পূৰ্ণ আৰু লুপ্ত ভেদ ধৰি) মুঠ ১২৫০ টা শ্লোক বাচি উলিওৱা হৈছে। তাৰ ভিতৰত সৰ্বাধিক ৫৫০ টা উপমাৰ প্ৰয়োগ ৰঘুবংশতে পোৱা যায়। ৰঘুবংশ উপমাৰে আৰম্ভ হৈ উপমাৰে শেষ হৈছে। কালিদাসৰ সহস্ৰাধিক উপমাৰ ভিতৰত শ্ৰেষ্ঠ বুলি প্ৰসিদ্ধ উপমাটিও ৰঘুবংশতে আছে।

ৰঘুবংশৰ ষষ্ঠসৰ্গত ইন্দুমতীৰ সয়ম্বৰৰ বৰ্ণনা প্ৰসঙ্গত কোৱা হৈছে যে শাৰী শাৰী কৈ বহি থকা বৰমাল্যপ্ৰাৰ্থী ৰাজকুমাৰ সকলৰ আগেদি ইন্দুমতী যেতিয়া ধাত্ৰী সুনন্দাৰ সৈতে আগবাঢ়ি গৈছিল। তেতিয়া ইন্দুমতীক ৰাজমাৰ্গেদি আগবাঢ়ি যোৱা জোৰ একুৰাৰ দৰে আৰু ৰজাসকলক আন্ধাৰ ৰাতি ৰাজপথৰ দাঁতিত অৱস্থিত ৰাজ অট্টালিকাৰ দৰে লাগিছিল। জোৰৰূপী ইন্দুমতী যিজন ৰজাৰ আগতে উপস্থিত হয়গৈ তেৰেই সুনন্দাৰ প্ৰশংসাত আৰু বৰমাল্য লাভৰ আশাত জোৰৰ পোহৰত উদ্ভাসি উঠা অট্টালিকাৰ দৰে উজ্জ্বল হৈ পৰে আৰু জোৰ ৰূপী ইন্দুমতী আঁতৰি গলেই অট্টালিকা আন্ধাৰত ডুব যোৱাৰ দৰে ৰজাসকলো নিৰাশাত বিবৰ্ণ হৈ পৰে। কালিদাসৰ ভাষাত –

সঞ্চাৰিণী দীপশিখেৱ ৰাত্ৰৌ
যং যং ব্যতীয়ায় পতিংৱৰা সা
নৰেন্দ্ৰমাৰ্গাট্ট ইৱ প্ৰপেদে
বিৱৰ্ণভাৱং স স ভূমিপালঃ।।৬.৬৭।।

৩। অলংকাৰশিৰোৰত্নং সৰ্বস্বং কাব্যসম্পদাম্।
উপমা কবিৱংশস্য মাতৈৱেতি মতিৰ্মম।।

৪। উপমৈকা শৈলূষী সংপ্ৰাপ্তা চিত্ৰভূমিকা ভেদান্।
ৰঞ্জয়তি কাব্যৰঙ্গে নৃত্যন্তী তদ্বিদাং চেতঃ।।

উপমাৰ পিছতে প্ৰাচীন নবীন সকলো কবিৰে প্ৰিয় অলংকাৰ হ'ল ৰূপক। কম প্ৰচেষ্টাতে পাব পৰা এইবিধ অলংকাৰ ৰঘুবংশৰ পাতে পাতে পোৱা যায়। তাৰে এটা মাত্ৰ তুলি দিয়া হ'ল,

ব্যূঢ়োৰস্কো বৃষস্কন্ধঃ শালপ্ৰাংশুৰ্মহাভুজঃ।
আত্মকৰ্মক্ষমং দেহং ক্ষাত্ৰো ধৰ্ম ইৱাশ্ৰিতঃ।।১.১৩।।

সমভাবাপন্ন দুটা বাক্যত এটা সাধাৰণধৰ্ম ভিন ভিন শব্দৰ দ্বাৰা উপস্থাপিত হোৱাৰ বাবে ভিন ভিন যেন প্ৰতীত হ'লে প্ৰতিবস্তূপমা অলংকাৰ হয়, যেনে–,

পৰেণ ভগ্নেহপি বলে মহৌজা যযাৱজঃ প্ৰত্যৰিসৈন্যমেৱ।
ধূমো নিবৰ্ত্যেত সমীৰণেন যতস্তু কক্ষস্তত এব বহ্নিঃ।।৭.৫৫।।

ইয়াত যদিও পৃথক পৃথককৈ প্ৰকাশ কৰা হৈছে। তথাপি দুয়োটা বাক্যত আগবাঢ়ি যোৱা ভাবটোত সাদৃশ্য উপস্থাপিত হৈছে।

যি অলংকাৰত উপমান আৰু উপমেয় ভিন ভিন বাক্যাৰ্থ হয়, উপমান উপমেয় আৰু সিহঁতৰ সাধাৰণ ধৰ্মৰ বিম্ব প্ৰতিবিম্ব ভাব থাকে অথচ তুলনাবাচক শব্দ নাথাকে সেয়ে দৃষ্টান্ত অলংকাৰ যেনে-

কামং নৃপাঃ সন্তু সহস্ৰশোহন্যে
ৰাজন্বতীমাহুৰনেন ভূমিম্।
নক্ষত্ৰতাৰাগ্ৰহসংকুলাপি
জ্যোতিষ্মতী চন্দ্ৰমসৈৱ ৰাত্ৰিঃ।।৬.২২।।

(সহস্ৰজন আন ৰজা থাকিলেও এওঁৰ (অজৰ) দ্বাৰাহে পৃথিবী সুশাসিত বোলা হয়. গ্ৰহ-তৰা নক্ষত্ৰৰে পৰিপূৰ্ণ হ'লেও চন্দ্ৰৰ দ্বাৰাহে নিশাটো পোহৰ হয়।) সৎ ৰজাৰে ৰাজ্য ধন্য হোৱা আৰু মনোমোহা জ্যোতিৰে ভাস্বৰ হোৱা একে কথা নহয়। কিন্তু দুয়ো বিধতে অসাধাৰণ ভাৱে শ্ৰেষ্ঠ হোৱাৰ ধাৰণাটো লুকাই থকাৰ বাবে ইয়াত দৃষ্টান্ত অলংকাৰ হৈছে। ৰঘুবংশত দৃষ্টান্ত আৰু প্ৰতিবস্তূপমা অনেকবাৰ প্ৰয়োগ হৈছে।

উপমেয়ত উপমানৰ উৎকট সংশয়ৰ নাম উৎপ্ৰেক্ষা, যেনে–

জ্ঞানে মৌনং ক্ষমা শক্তৌ ত্যাগে শ্লাঘাবিপৰ্যয়ঃ।
গুণা গুণানুবন্ধিত্বাৎ তস্য সপ্ৰসৱা ইৱ।।১.২২।।

দিলীপৰ স্বভাৱত জ্ঞান থকা সত্ত্বেও মৌনতা, শক্তি থকা সত্ত্বেও ক্ষমা, ত্যাগ থকা সত্ত্বেও দৰ্পহীনতা-- এই সকলো পৰস্পৰবিৰোধী গুণ সহোদৰৰ দৰে একেলগে আছিল। ইয়াত প্ৰকৃততে এটা গুণ আন এটা গুণৰ সহোদৰ হ'ব নোৱাৰে। কিন্তু এটা গুণে আন এটা গুণক এনেদৰে অনুসৰণ কৰিছে যে সিহঁত সহোদৰ বুলিহে উৎকট সংশয় হয়। উৎপ্ৰেক্ষাৰ আন এটি মনোৰম দৃষ্টান্ত দ্বিতীয় সৰ্গত পোৱা যায়। ৰজা দিলীপে নন্দিনীৰ পৰা পুত্ৰলা ভৰ বৰ পালে আৰু নিজবংশৰ নাম সেই পুত্ৰৰ নাম অনুসৰি হ'ব বুলি গম পালে, আনন্দেৰে তেওঁৰ হিয়া উপচি পৰিল। তেওঁ উজ্জ্বল ভৱিষ্যতৰ ভাৱনাত এনেকৈ মগ্ন হৈ পৰিল যে পথক্লান্তি অনুভৱ নকৰাকৈয়ে বশিষ্ঠৰ আশ্ৰমৰ পৰা ৰাজধানী পালেগৈ। কালিদাসে কৈছে---

শ্ৰোত্ৰাভিৰামধ্বনিনা ৰথেন স ধৰ্মপত্নীসহিতঃ সহিষ্ণুঃ
যযাবনুদ্‌ঘাতসুখেন মাৰ্গং স্বেনৈৱ পূৰ্ণেন মনোৰথেন।।২.৭২।।

(ধৰ্মপত্নীৰে সৈতে সহিষ্ণু ৰজাই শ্ৰুতিমধুৰ ধ্বনিযুক্ত আৰু জোকাৰনি নোহোৱা আৰামদায়ক ৰথেৰে পথ অতিক্ৰম কৰিলে, (তেওঁৰ এনে লাগিল) যেন নিজৰ কৃতকাৰ্য্যতাৰ পূৰ্ণ মনোৰথত উঠিহে যেন ৰাজধানীলৈ আহিল।) এইবিধ অলংকাৰত কৱিৰ শব্দপ্ৰয়োগৰ নৈপুণ্য আৰু ভাৱৰ সম্প্ৰসাৰণ বৰ স্পষ্টকৈ ধৰা পৰে। কালিদাসে সৰ্বাধিক উৎপ্ৰেক্ষা প্ৰয়োগ কৰিছে মেঘদূতত। নাটক সমূহত অতি কমকৈ আৰু মহাকাব্য কেইখনত মাজে মাজে উৎপ্ৰেক্ষা পোৱা যায়।

যেতিয়া কোনো বস্তুত আনবস্তুৰ সম্ভৱ বা অসম্ভৱ ধৰ্মৰ সম্বন্ধ কথনৰ ফলত বিম্ব প্ৰতিবিম্ব ভাৱে বুজোৱা সাদৃশ্যটি একেটি বাক্যতে থাকে, তেতিয়া তাত নিদৰ্শনা অলংকাৰ হয়। যেনে,

ক সূৰ্যপ্ৰভৱো বংশঃ ক্বচাল্পবিষয়া মতিঃ
তিতীৰ্ষুৰ্দুস্তৰং মোহাদুড়ুপেনাস্মি সাগৰম্ ।।১.২।।

'মোৰ বুদ্ধিৰে সূৰ্য্যবংশৰ বৰ্ণনা কৰাটো ভুৰেৰে সাগৰ পাৰ হোৱাৰ নিচিনা'-- শেষত এই তাৎপৰ্যাৰ্থ দুইটিত বিষয়ৰ সাদৃশ্য বোধ হয়। দেখাত দুটা বাক্য হলেও প্ৰকৃততে দুয়োটা মিলাইহে পৰিসমাপ্ত অৰ্থ পোৱা যায়।

উপমানতকৈ উপমেয়ৰ আধিক্য বা ন্যূনতা বৰ্ণনাত ব্যতিৰেক অলংকাৰ

হয় যেনে,

দিশি মন্দায়তে তেজো দক্ষিণস্যাং ৰৱেৰপি

তস্যামেৱ ৰঘোঃ পাণ্ড্যাঃ প্ৰতাপং ন ৱিষেহিৰে।।৪.৪৯।।

ইয়াত সূৰ্য্যৰ প্ৰতাপ কমি যোৱা দক্ষিণদিশত ৰঘুৰ প্ৰতাপ সহ্য কৰিব নোৱাৰা হোৱাটোত উপমান সূৰ্য্যৰ তেজতকৈ উপমেয় ৰঘুৰ তেজৰ আধিক্য প্ৰদৰ্শনৰ দ্বাৰা ব্যতিৰেক অলংকাৰ হৈছে।

হেতু নোহোৱাকৈ কাৰ্য্যোৎপত্তি হ'লে বিভাৱনা অলংকাৰ হয়

সৰলাসক্তমাতঙ্গগ্ৰেৱেষস্ফুৰিতত্বিষঃ।

আসন্নোষধয়ো নেতুৰ্ণক্তমস্নেহদীপিকাঃ।৪.৭৫।।

উক্ত শ্লোকত তেল নোহোৱা কৈ প্ৰদীপ জ্বলা কথাত বিভাৱনা পোৱা যায়।

য'ত বিশেষ পদাৰ্থৰ দ্বাৰা সামান্য বা সামান্য পদাৰ্থৰ দ্বাৰা বিশেষক সমৰ্থন কৰা হয় সেয়ে অৰ্থান্তৰন্যাস অলংকাৰ-

সৰ্বত্ৰ নো ৱাৰ্তমৱেহি ৰাজন্

নাথে কুতস্তস্যশুৰং প্ৰজানাম্।

সূৰ্যে তপত্যাৱৰণায় দৃষ্টেঃ

কল্পেত লোকস্য কথং তমিস্ৰা।। ৫.১৩।।

ইয়াত দ্বিতীয়াৰ্থ (সামান্য) কাব্যাৰ্থৰ দ্বাৰা প্ৰথমাৰ্দ্ধ কাব্যৰ (বিশেষ) সমৰ্থনত অৰ্থান্তৰন্যাস হৈছে।

যেতিয়া কোনো বিষয়ত তাৰ বিৰুদ্ধ- স্বভাৱ শব্দৰদ্বাৰা আপাততঃ উপস্থাপিত হৈ বাক্যাৰ্থ জ্ঞানৰ পাছত সেই বিৰোধপৰিহাৰ কৰা হয়, তেতিয়া তাক বিৰোধাভাস বোলা হয়।কালিদাসে প্ৰধানকৈ স্তুতি, প্ৰশস্তি বা গুণকীৰ্ত্তনৰ সময়ত এই অলংকাৰ বহলভাৱে প্ৰয়োগ কৰিছে। প্ৰথম সৰ্গত দিলীপৰ গুণবৰ্ণনাত (১.২২,২৩ ইত্যাদিত) আৰু দশম সৰ্গৰ বিষ্ণুৰ স্তুতিত (১০,১৮,২৪,২৮ ইত্যাদিত)এইবিধ অলংকাৰ একেলেথাৰিয়ে ব্যৱহাৰ হৈছে।

য'ত এটা কাৰ্য্য কৰোতে অনাসায়ে আন এটা দুঃসাধ্য কাৰ্য্য সম্পন্ন হোৱা বুলি প্ৰকাশ কৰা হয় আৰু য'ত এটা আধেয় একে সময়তে নানা আধাৰত থকাৰ কথা কোৱা হয় তাত বিশেষ অলংকাৰ হয়, যেনে—

গৃহিনী সচিবঃ সখী মিথঃ প্ৰিয়শিষ্যা ললিতে কলাবিধৌ
কৰুণাবিমুখেন মৃত্যুনা হৰতা ত্বাং বদ কিং ন মে হৃতম।।৮.৬৭।।

ইয়াত ইন্দুমতীৰ বিনাশৰূপ কাৰ্য্যত মৃত্যুৰ গৃহিনী সচিব, সখী, শিষ্যা আদিৰ হৰণ কাৰ্য্যও অনায়াসে সিদ্ধ হোৱা বুলি প্ৰকাশ কৰা হৈছে বাবে বিশেষ অলংকাৰ হৈছে।

অলংকাৰৰ প্ৰাচুৰ্য ৰঘুবংশৰ এক বৈশিষ্ট্য বুলি কব পাৰি। তেনে স্থূলত এই মহাকাব্যৰ পৰা সকলোবোৰ অলংকাৰ বিশ্লেষণ কৰি দেখুওৱাটো এক বিস্তৃত কাম হব। ওপৰত সাদৃশ্য, বিৰোধ, শৃংখলা, ন্যায়, আৰু গূঢ়াৰ্থৰ ওপৰত নিৰ্ভৰ কৰি প্ৰস্তুত কৰা অৰ্থালংকাৰৰ থুলৰ পৰা একোটাকৈ উদাহৰণ ডাঙি ধৰা হ'ল।

মহাকৱিৰ অনলংকৃত বৰ্ণনাও অলংকৃত ৰচনাৰ দৰেই মনোগ্ৰাহী। কৱিৰ সুক্ষ্ম বিশ্লেষণাত্মক অন্তৰ্দৃষ্টি আৰু স্বচ্ছ উপস্থাপন ৰীতিয়ে তেওঁৰ স্বভাব বৰ্ণনা প্ৰাণবন্ত কৰি তুলিছে। তেনেধৰণৰ স্বভাব বৰ্ণনাক আলংকাৰিকৰ ভাষাত স্বভাবোক্তি বোলা হয়। বাল্মীকিৰ আশ্ৰমৰ প্ৰান্তত পৰিত্যক্তা সীতাৰ কৰুণ কান্দোনত সমগ্ৰ বনস্থলী মৰ্মাহত হ'ল—

নৃত্যং ময়ূৰাঃ কুসুমানি বৃক্ষাঃ
দৰ্ভান্ উপত্তান্ বিজহুৰ্হৰিণ্যঃ।
তস্যাঃ প্ৰপন্নে সমদুঃখভাৱম্
অত্যন্তমাসীদ্ ৰুদিতং বনে অপি।। ১৪.৬৯।।

উক্ত শ্লোকত দেখাত কেৱল বৰ্ণনাহে পোৱা যায়। কিন্তু সেই বৰ্ণনাই এনে এক দুৰূহ অৰ্থ কঢ়িয়াই আনিছে আৰু সেই অৰ্থ এনে মৰ্মস্পৰ্শী হৈছে যে সি সমগ্ৰ পৰিস্থিতিটোকে কাৰুণ্যৰে ভৰাই তুলিছে। কালিদাসৰ বৰ্ণনা এনে স্পষ্ট যে বৰ্ণনীয় বিষয়বস্তু জীৱন্ত হৈ পাঠকৰ চকুত ধৰা দিয়েহি। কুমাৰসম্ভৱৰ তৃতীয় সৰ্গৰ মাত্ৰ সাতটা শ্লোকতে কালিদাসে ধ্যানস্থ মহাদেৱৰ এনে সবিশেষ বৰ্ণনা দিছে যে সেই বৰ্ণনা পঢ়ি উঠাৰ পিছত ধ্যানস্থ যোগী এজনৰ স্পষ্ট ছবি দৃষ্টিপথত ভাঁহি উঠে। ৰঘুবংশৰ প্ৰথম সৰ্গতে বৃষস্কন্ধ, শালপ্ৰাংশু মহাভুজ দিলীপৰ বৰ্ণনাত ক্ষত্ৰিয় ৰজা এজনৰ প্ৰতিকৃতি মূৰ্ত হৈ উঠে। শব্দেৰে যে কালিদাসে কেৱল স্থূল বৰ্ণনাহে ডাঙি ধৰিব পাৰে তেনে নহয় বৰং ভাব

আবেগ অনুভূতিৰে আবেদনশীল একোখনি পূৰ্ণচিত্ৰও তেওঁৰ ৰচনাত ভাঁহি উঠে। সপ্তম সৰ্গত বিদৰ্ভৰ ৰাজ- অঙ্গনৰ পৰা ইন্দুমতীক বিবাহ কৰাই অযোধ্যালৈ ঘূৰি অহাৰ পথত সয়ম্বৰ সভাত বিমুখহোৱা ইন্দুমতীৰ পাণিপ্ৰাৰ্থী ৰজাসকলে অজক আক্ৰমণ কৰিলে। তয়াময়া ৰণৰ অন্তত অজই হেলাৰঙে সকলোকে সম্মোহনী বাণেৰে মূৰ্চ্ছিত কৰি পেলাই কিদৰে আহি ইন্দুমতীৰ আগত থিয় দিছিলহি তাক কালিদাসে বৰ্ণনাহে যে—"অজই তেওঁৰ ভীতা প্ৰেয়সীৰ আগত আহি থিয় দিলেহি, তেওঁ বাওঁহাতেৰে ধনুৰ আগটোত ভৰ দি থিয় হল, লাহেকৈ শিৰস্ত্ৰাণ খুলিলে, ৰতাহত তেওঁৰ চুলি সামান্য নাচি উঠিল, তেওঁৰ কপালত পৰিশ্ৰমৰ ঘৰ্মবিন্দু জিলিকি উঠিল, কিঞ্চিত হাঁহি তেওঁ প্ৰেয়সীক কলে— 'বিদৰ্ভৰাজনন্দিনি, এবাৰ শত্ৰুৰ ফালে চোৱাচোন, এতিয়া এটি শিশুৱেও সিহঁতৰ হাতৰ অস্ত্ৰ কাঢ়ি নিব পাৰিব। এইকল বীৰত্ব লৈয়ে সিহঁতে মোৰ হাতৰ পৰা তোমাক কাঢ়ি নিবলৈ আহিছিল।" প্ৰেয়সীৰ আগত এক বীৰ প্ৰেমিকৰ সগৰ্ব প্ৰতিচ্ছবি ইয়াত স্পষ্টভাৱে জিলিকি উঠিছে।

এনেবোৰ বৰ্ণনাত কবিৰ সূক্ষ্ম পৰ্যবেক্ষণ ক্ষমতা আৰু তীক্ষ্ম অন্তৰ্দৃষ্টি ধৰা পৰে। কালিদাসৰ বৰ্ণনাৰ যোগেদি পাঠকে বৰ্ণনীয় বিষয়ৰ অন্তৰ্বৰ্ত্তী ভাব অনুভূতিকো উপলব্ধি কৰিব পাৰে। শিশু ৰঘুৱে পৰিচাৰিকাৰ আঙুলিত ধৰি থুপুক থাপাক খোজেৰে দিলীপৰ ফালে আহিছে, ধাইমাকে 'প্ৰণাম কৰা' বুলি কওঁতে মূৰ নত কৰিছে। দিলীপে শিশুটিক বুকুত সাৱতি ধৰিছে। পুত্ৰস্পৰ্শসুখত অনায়াসে তেওঁৰ চকুদুটা জাপ খাই গৈছে। দীৰ্ঘসময় এনেদৰে দিলীপে কটাইছে। বাৎসল্য প্ৰেমত আপ্লুত দিলীপৰ হৃদয়খনো কালিদাসৰ শব্দকেইটাত প্ৰতিফলিত হৈছে। এইখিনিতে শকুন্তলা নাটকৰ চতুৰ্থ অংকৰ কণ্বমুনিৰ কথা মনত পেলাব পাৰি। এই অংকেত শকুন্তলা আশ্ৰমৰ পৰা পতিগৃহলৈ যাবলৈ ওলোৱাৰ সময়ত পিতৃ কণ্বই প্ৰথমবাৰৰ বাবে মঞ্চলৈ আহিয়ে পোনতে কৈছে, 'শকুন্তলা আজি গুচি যাবগৈ। এই কথাতে মোৰ হৃদয় উৎকণ্ঠাৰে ভৰি পৰিছে। মাত থোকা থোকি হৈছে। লোৰকৈ বাধা দি ৰখা চকুলোৱে দৃষ্টিক ধূৱলি কুঁৱলি কৰিছে। চিন্তাই দৃষ্টিক দুৰ্বল কৰি পেলাইছে। হায় মোৰ দৰে বনবাসীৰেই যেতিয়া স্নেহবশতঃ এনে বিকলতা হৈছে তেনে স্থলত গৃহস্থী সকল যে তনয়াৰ প্ৰথম বিচ্ছেদৰ দ্বাৰা কিমান তীব্ৰভাৱে পীড়িত হব সেই কথা ভাবিবই নোৱাৰি। ৪.৬। ইয়াত কেৱল বীতৰাগ মুণি কণ্বৰে নহয়, কন্যাদায়গ্ৰস্ত সকলো পিতৃৰে শোকেৰে জৰ্জৰিত অন্তৰবোৰ উন্মাসি উঠিছে।

কালিদাসৰ প্ৰতিটি অলংকাৰৰ অন্তৰালত একোটি ৰূপকল্প বা চিত্ৰকল্প পোৱা যায়। প্ৰসূতি শৰ্য্যাত ক্ষীণকায় কৌশল্যা, যেন শৰতৰ ক্ষীন গঙ্গা। কাষত পদ্ম- পলাশ লোচন সদ্যজাত শিশু ৰাম, যেন পাৰৰ বালিত গঙ্গালৈ উৎসৰ্গা কৰা এপাহ্ পদুম ফুল-

শৰ্য্যাগতেন ৰামেন মাতা শাতোদৰী বভৌ

সৈকতাম্ভোজবলিনা জাহ্নবীৱ শৰৎকৃশা।।১০.৬৯।।

এনে চিত্ৰকল্প ৰঘুবংশৰ পৰা শতাধিক সংখ্যক বাচি উলিয়াব পাৰি।

কালিদাসে নিজৰ ৰচনাৰ প্ৰতিপদ উপাদান নতুনভাৱে সজালেও সংস্কৃত সাহিত্যৰ পৰম্পৰাগত ধাৰণাসমূহকো তেওঁ শ্ৰদ্ধাৰে কাব্যত স্থান দিছে। বাস্তৱ জগতৰ বাবে অবিশ্বাস্য, কবিৰ কল্পনা প্ৰসূত কেতবোৰ ধাৰণা প্ৰাচীন কালৰে পৰা ভাৰতীয় সাহিত্যত চলি আহিছে। এনে সূক্ষ্ম কল্পনা সমূহক কৱিসময় বা কবিপ্ৰসিদ্ধি বুলি কোৱা হয়। ৰাজশেখৰৰ কাব্যমীমাংসা (১৪শ অধ্যায়), বিশ্বনাথ কবিৰাজৰ সাহিত্যদৰ্পন (৭ম পৰিচ্ছেদ) আদি গ্ৰন্থত কবি প্ৰসিদ্ধিৰ বিষয়ে বিশদ আলোচনা পোৱা যায়। তেনে ধাৰণামতে পাপ আৰু আকাশৰ ৰং কলা, যশস্যা, কীৰ্ত্তি, হাঁহি বগা, খং আৰু অনুৰাগ ৰঙা, নদী সাগৰ সকলো জলাশয়তে পদুম, নীলা পদুম, ভেট আদি থাকে। সকলো পানীতে ৰাজহংস আদি চৰাই উমলি ফুৰে, চকোৱা চৰায়ে জোনৰ পোহৰ পি খায়, বাৰিষা হাঁহবিলাক মানস সৰোবৰলৈ গুছি যায় (সাহিত্য দৰ্পন ৭.২৩) ইত্যাদি। ভাৰতীয় কৱিসকলৰ উমৈহতীয়া সম্পদ কৱিপ্ৰসিদ্ধিবোৰক কালিদাসে আদৰেৰে কাব্যত স্থান দিছে। ৰঘুবংশৰ দ্বিতীয় সৰ্গত সিংহৰূপী কুম্ভোদৰৰ দন্তচ্ছটাৰ শুভ্ৰতাৰে গিৰিগুহাৰ ঘন অন্ধকাৰ খণ্ড বিখণ্ড কৰি পেলালে (২.৪৬)। বশিষ্ঠৰ আজ্ঞানুসাৰে তৃষ্ণাৰ্ত্ত দিলীপে নন্দিনীৰ দুগ্ধ পান কৰিলে, যেন তেওঁ নিজৰ শুভ্ৰ যশৰাশিকেই পান কৰিবলৈ ধৰিলে (২.৬৯)। সপ্তম সৰ্গত শত্ৰু ৰজাসকলক পৰাস্ত কৰি অজই বিজয় শংখ বজালে, শুভ্ৰ শংখ তেওঁৰ অধৰলগ্ন গৈ থকাত এনে লাগিল যেন নিজৰেই মূৰ্ত্ত যশৰাশিহে তেওঁ পান কৰিছে (৭.৬৩)। যশ, হাঁহি আদি বিমূৰ্ত্ত অনুভৱযোগ্য বিষয়ক ৰং ৰূপেৰে সজায় কালিদাসে মূৰ্ত্তিমান কৰি তোলে তেওঁৰ শব্দচ্ছটোৰ স্পন্দনেৰে।

ৰঘুবংশ এখন পদ্যকাব্য। ইয়াত সৰ্বমুঠ একহাজাৰ পাঁচশ আঠবষ্টীটা শ্লোক আছে। ইয়াৰ উনৈশটা সৰ্গত কালিদাসে উনৈশ প্ৰকাৰ ছন্দৰ ব্যৱহাৰ কৰিছে। কালিদাসে অনুষ্টুভ ছন্দেৰে ৰঘুবংশ আৰম্ভ কৰিছে আৰু ১ ম, ৪ৰ্থ, ১০ ম, ১২শ, ১৫শ, ১৭শ, সৰ্গৰ বৰ্ণনাত্মক কথাবস্তু এই ছন্দতে বিন্যস্ত কৰিছে। ইন্দ্ৰবজ্ৰা আৰু

উপেন্দ্ৰবজ্ৰা এনেয়ো কালিদাসৰ প্ৰিয় ছন্দ। এই দুই ছন্দ আৰু ইহঁতৰ সংসৃষ্টিত প্ৰস্তুত হোৱা উপজাতিছন্দত ২য়, ৫ম, ৬ষ্ঠ, ৭ম, ১৩শ ১৪শ ১৬শ, ১৮শ এই আঠোটি সৰ্গ ৰচিত হৈছে। তৃতীয় সৰ্গ বংশস্থবিল ছন্দত ৰচিত হৈছে। প্ৰতিসৰ্গৰ শেষৰ ফালে ছন্দৰ সলনি হৈছে। অষ্টম সৰ্গত বৈতালীয় ছন্দ প্ৰয়োগ কৰিছে। নৱম সৰ্গত দ্ৰুতবিলম্বিত, পুষ্পিতাগ্ৰা, প্ৰহৰ্ষিনী, মঞ্জুভাষিনী, মত্তময়ূৰ, বসন্ততিলকা, বৈতালীয়, শালিনী, স্বাগতা আৰু ঔপচ্ছন্দসিক ছন্দৰ প্ৰয়োগ ঘটিছে। একাদশ আৰু ঊনবিংশ সৰ্গ ৰথোদ্ধতা ছন্দত ৰচিছে। সৰ্গৰ শেষত ছন্দপৰিবৰ্ত্তনৰ বাবে কালিদাসে প্ৰায়ে তোটক, মন্দাক্ৰান্তা আৰু মহামালিকা ব্যৱহাৰ কৰিছে। ভাৱৰ লগত সামঞ্জস্য ৰাখি ছন্দৰ ব্যৱহাৰ হোৱা বাবে কবিৰ অভিপ্ৰেতাৰ্থ অতি সহজে পাঠকে বুজিব পাৰিছে। ৰঘুবংশৰ কোনো ঠাইতে অস্থানপদতা বা শ্ৰুতিকাঠিন্য পোৱা নাযায়।

প্ৰাচীন ভাৰতীয় সাহিত্যৰ অন্যতম উদ্দেশ্য হৈছে ৰস সৃষ্টি। কাব্যৰ পৰা পোৱা অনাবিল আনন্দৰ উপলব্ধিয়েই হৈছে ৰস। উপনিষদত পাৰাপাৰ নোহোৱা ব্ৰহ্মানন্দকে ৰস বুলি কোৱা হৈছে— ৰসো বৈ সঃ (তৈত্তিৰীয়োপনিষদ ৩.৬) পৰবৰ্ত্তীকালৰ আলংকাৰিক সকলে এই কাব্য- নন্দক ব্ৰহ্মানন্দ বা ভূমানন্দৰ সমপৰ্যায়ৰ উপলবিধ বুলি অভিহিত কৰিছে আৰু এই অপৰিসীম কাব্যানন্দকে ৰস শব্দেৰে অভিহিত কৰিছে। কাব্যৰ পৰা পাঠকে এনে আনন্দ পাবলৈ হ'লে কাব্যত ৰসৰ সুস্থ পৰিবেশন হ'ব লাগিব। কাব্যকাৰে বিভাৱ, অনুভৱ, ব্যভিচাৰীভাৱ, আদিৰ যথাযথ উপস্থাপনৰ দ্বাৰা ৰসাস্বাদৰ কাৰণীভূত বিকাৰ, অৱস্থা বা ভাৱক জাগ্ৰত কৰি তোলে। পাঠকৰ চিত্তত সুপ্ত অৱস্থাত থকা ৰতি, হাস, ক্ৰোধ, শোক আদি ভাৱ বিলাক উদ্বুদ্ধ হৈ পাঠকৰ অনুভূতিগোচৰ হ'লেহে আৰু পাঠকৰ দ্বাৰা আস্বাদিত হ'লেহে তাক কাব্যৰস বোলে। কাব্যৰসত তৃপ্তি লাভ কৰিবলৈ পাঠকৰ এনে সূক্ষ্ম উপলব্ধি থকাৰ উপৰিও কৱিৰ ৰস পৰিবেশনত দক্ষতা থাকিব লাগিব। দেখা যায় প্ৰাচীন ভাৰতীয় কবিসকল ৰসৰ সঞ্চাৰ আৰু পৰিবেশনৰ ক্ষেত্ৰত সততে তৎপৰ আছিল। কালিদাস এজন ৰসজ্ঞ কবি। ৰসসৰ্জ্জনত তেওঁৰ নৈপুণ্য অনন্য। তেওঁৰ ৰসসমৃদ্ধ কাব্যসমূহৰ ভিতৰত ৰঘুবংশ অন্যতম। এই কাব্যত শাস্ত্ৰসম্মত নৱিধ ৰসৰ সফল ৰূপায়ণৰ বাবে আৰু শৃংগাৰ , হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ বীভৎস, অদ্ভুত আৰু ভয়ানক এই আঠাই কেইটা ৰসৰ পৰিপুষ্টিৰ বাবে তেওঁ সমান মনোযোগেৰে বিভাৱ, অনুভাৱ ব্যভিচাৰীভাৱ আদি উপাদান বোৰৰ যোগান ধৰিছে।

কালিদাসৰ কাব্যত নৱৰসৰ প্ৰকাশ ,বিকাশ আৰু পৰিণতি স্পষ্টৰূপে চিত্ৰিত হৈছে যদিও কালিদাস মূলতঃ শৃংগাৰ ৰসৰ কবি। তেওঁৰ নাটক তিনিখন, খণ্ডকাব্যদুখন আৰু ৰঘুবংশৰ বাহিৰে আনখন মহাকাব্যৰ প্ৰধান উপজীব্য হল শৃংগাৰ। কালিদাসে মেঘদূতত শৃংগাৰৰ দুটা ৰূপ ডাঙি ধৰিছে। বিপ্ৰলম্ভৰ আতিশয্যৰ বাবে কেতিয়াবা তাত করুণ ৰসৰ স্বাদ অনুভূত হৈছে। কুমাৰসম্ভৱত শৃংগাৰৰ পৰিপুষ্টিৰ বাবে ৰৌদ্ৰ, ভয়ানক, বীৰ আদিৰ প্ৰয়োগ ঘটিছে। শকুন্তলাত প্ৰধানকৈ দুইবিধ শৃংগাৰ ৰূপায়িত হৈছে, তাৰ লগত সখ্য, বাৎসল্য আদি ভাৱ আৰু অদ্ভুত, বীৰ আদি ৰসে ভুমুকি মাৰিছে। ঋতুসংহাৰ শৃংগাৰ ৰসেৰেই আৰম্ভ হৈছে আৰু বিভিন্ন ঋতুৰ বৰ্ণনাত বীৰ আৰু শান্তৰসে প্ৰাধান্য লাভ কৰিছে। তেওঁৰ আন দুখন কাব্য বিক্ৰমোৰ্বশীয় আৰু মালবিকাগ্নিমিত্ৰত শৃংগাৰ ৰসেই ব্যাপ্ত হৈ আছে। ৰঘুবংশৰ অঙ্গীৰস বীৰৰস যদিও ইয়াতো শৃংগাৰৰ সুন্দৰ ৰূপায়ণ ঘটিছে। ৰঘুবংশৰ সপ্তম সৰ্গত অজৰ, ষোড়শ সৰ্গত কুশৰ, ঊনবিংশসৰ্গত অগ্নিবৰ্ণৰ সম্ভোগ শৃংগাৰ স্পষ্টভাৱে চিত্ৰিত হৈছে। ত্ৰয়োদশসৰ্গত ৰামৰ বিপ্ৰলম্ভ শৃংগাৰ হৃদয়স্পৰ্শী ভাৱে চিত্ৰিত হৈছে। অজ আৰু ইন্দুমতীৰ প্ৰণয়ৰ প্ৰকাশ, বিকাশ আৰু পৰিণতি কালিদাসে বিস্তৃত ভাৱে দেখুৱাইছে। বিবাহ অনুষ্ঠানৰ উৎসৱমুখৰ পৰিৱেশত অজ আৰু ইন্দুমতীৰ দেখা দেখি হৈছে। পৰস্পৰৰ পাণিস্পৰ্শৰ সময়ত অজৰ মণিবন্ধ ৰোমাঞ্চিত হোৱা, ইন্দুমতীৰ হাতৰ আঙুলি ঘামি উঠা, দৃষ্টি বিনিময় পৰ্বত সতৃষ্ণ দৃষ্টিত লজ্জাৰ চমক আদিৰ বৰ্ণনাত বিভাৱ, অনুভাৱ,ব্যভিচাৰীভাৱ আদিৰ সম্যক উপস্থাপন হৈছে। সেয়েহে অজ ইন্দুমতীৰ সম্ভোগ শৃংগাৰৰ পোনপটীয়া বৰ্ণনা নথকা স্বত্বেও ইন্দুমতীৰ মৃত্যুত প্ৰিয়াবল্লভ অজৰ করুণ বিননিৰ যোগেদি পাঠকে করুণৰসৰ লগতে সম্ভোগশৃংগাৰৰ স্বাদো উপভোগ কৰিব পাৰে। ত্ৰয়োদশ সৰ্গত ৰামৰ প্ৰেমৰ স্বৰূপ ইয়াতকৈ সুকীয়া। তেওঁ সংযমী প্ৰেমিক.। ৰাম-সীতাৰো সম্ভোগশৃংগাৰ কালিদাসে বৰ্ণনা কৰা নাই। কিন্তু ত্ৰয়োদশ সৰ্গত ৰামৰ স্মৃতিচাৰণ প্ৰসঙ্গত ৰামৰ বিপ্ৰলম্ভ শৃংগাৰৰ যি বৰ্ণনা আগবঢ়োৱা হৈছে তাৰদ্বাৰা সম্ভোগৰে ব্যঞ্জনা হৈছে। উদাহৰণ স্বৰূপে আকাশী পথৰ পৰা মাল্যবান পৰ্বতৰ শিখৰ দেখি ৰামে কলে, 'এই ঠাইতেই মেঘৰ গৰ্জন শুনি ভয় খাই তুমি মোক আলিঙ্গন কৰিছিলা। তুমি নথকাত যেতিয়া এই পাহাৰত মেঘগৰ্জন শুনিছিলো তেতিয়া তোমাৰ সেই আলিংগনৰ কথা মনত পৰি মোৰ হৃদয় বিদীৰ্ণ হৈছিল (১৩.২৮)। পম্পা সৰোবৰৰ তীৰৰ পয়োধৰ সদৃশ মনোহৰ পুষ্পস্তবকৰ ভৰত আনত তন্বী অশোকলতাক তুমি বুলি ভাবি আলিং

গন কৰিবলৈ যাওঁতে লক্ষ্মণে মোক বাধা দিছিল' (১৩.৩২)। ৰাম-সীতাৰ বিচ্ছেদকালীন প্ৰেমৰ বৰ্ণনায়ে তেওঁলোকৰ মিলনকালীন শৃংগাৰৰ অপূৰ্ব দ্যোতনা কৰিছে। তদুপৰি কথাই কথাই ৰামৰ কৰভোৰু, মানিনী, বন্ধুৰগাত্ৰী, নিতম্বিনী, বিম্বাধৰা আদি সম্বোধনে পৰোক্ষ ভাৱে শৃংগাৰৰ স্পৰ্শানুভূতিকে আনি দিছে। ষোড়শসৰ্গত কুশৰ জলবিহাৰত সুন্দৰী পুৰকামিনীসকলৰ লগত কুশৰ জলক্ৰীড়া বৰ্ণনাত বিভাৱাদি উপকৰণেৰে সম্ভোগ শৃংগাৰৰ সফল নিষ্পত্তি হোৱা দেখা যায়। অন্তিমসৰ্গত অগ্নিবৰ্ণ সম্ভোগশৃংগাৰৰ মূৰ্ত্তৰূপ বুলি ক'লেও ভুল কোৱা নহয়। কামশাস্ত্ৰত বৰ্ণিত বহুবিধ কামকলাৰ ব্যৱহাৰিক প্ৰয়োগ এই সৰ্গত দেখুওৱা হৈছে। কিন্তু শ্ৰদ্ধাবিহীন সম্ভোগ বাসনাৰ পৰিণতি যে কিমান ভয়াবহ তাক অগ্নিবৰ্ণ ৰাজৰোগত আক্ৰান্ত হোৱা আৰু সূৰ্য্যবংশৰ পতন হোৱা কথাৰ দ্বাৰা কালিদাসে স্পষ্টকৈ বুজাই দিছে।

বীৰৰস ৰঘুবংশ মহাকাব্যৰ প্ৰধান ৰস। ক্ষত্ৰধৰ্মৰ আশ্ৰয়স্থল ৰঘুকুলৰ বীৰসকলক কালিদাসে অতি সহজতে বীৰৰস উপচিতিৰ উপাদানৰূপে ব্যৱহাৰ কৰিবলৈ সুবিধা পাইছে। ৰঘুবংশত কেইবাখনো যুদ্ধৰ বৰ্ণনা আছে। তৃতীয়সৰ্গত ৰঘুৰ লগত ইন্দ্ৰৰ যুদ্ধ, চতুৰ্থসৰ্গত ৰঘুৰ দিগ্বিজয় যাত্ৰা , পঞ্চমসৰ্গত দুৰন্ত বন্যগজৰ আক্ৰমণ আৰু অজৰদ্বাৰা তাৰ প্ৰতিৰোধ সপ্তমসৰ্গত অজ আৰু প্ৰতিদ্বন্দ্বী ৰজাসকলৰ যুদ্ধ, একাদশ- দ্বাদশ সৰ্গত ৰামলক্ষ্মণ আৰু ৰাক্ষসকুলৰ দীৰ্ঘদিনীয়া যুদ্ধ বৰ্ণিত হৈছে। তদুপৰি দ্বিতীয়সৰ্গত মায়াসিংহৰ লগত দিলীপৰ বাকযুদ্ধও বেছ উত্তেজনাপূৰ্ণ। নৱম সৰ্গত দশৰথৰ মৃগয়াবিহাৰত বীৰ ৰসৰ স্থায়িভাৱ বা উৎস উৎসাহ অভিব্যঞ্জিত হৈছে।

কাব্যখনৰ কোনো কোনো অংশ কৰুণৰসে আচ্ছন্ন কৰি ৰাখিছে। অজৰ কোলাত ইন্দুমতীৰ অকালমৃত্যু আৰু অজৰ বিলাপ অত্যন্ত হৃদয়বিদাৰক হৈছে। অন্ধমুনিৰ পুত্ৰবধ, জৰাগ্ৰস্ত মুনি আৰু মুনিপত্নীৰ কৰুণ বিলাপ আৰু তাৰ প্ৰতিক্ৰিয়াৰূপে পুত্ৰবিচ্ছেদত দশৰথৰ বেদনা আৰু প্ৰাণত্যাগৰ কাহিনী সমানেই মৰ্মস্পৰ্শী। পৰিত্যক্তা সীতাৰ বিলাপত যি কাৰুণ্য ফুটি উঠিছে সি ভৱভূতিৰ ভাষাত শিলকো কন্দুৱাব— কিমন্যথা ৰোদিতি গ্ৰাৱাঃ। যুদ্ধৰ তাণ্ডৱলীলা শাম কটাৰ পিছত ৰণভূমিৰ বৰ্ণনাত কেৱল বীভৎস ৰসৰে আস্বাদ পোৱা যায়। শৃংগাৰ ৰসৰ কবি কালিদাসৰ হাতত বীভৎস ৰস কেনে স্বচ্ছভাৱে

ৰূপায়িত হৈছে তাৰ উদাহৰণ স্বৰূপে সপ্তমসৰ্গৰ কেইটিমান শ্লোক আগবঢ়ালেই হ'ব। অজ আৰু ৰাজন্যবৰ্গৰ যুদ্ধৰ ফলত যুদ্ধক্ষেত্ৰ পাণভূমি যেন হ'ল- শৰৰ ধাৰাল ফালে কটা নৰমুণ্ড তাৰ ফল, শিৰৰ পৰা খুলি পৰা মুকুটবোৰ তাৰ পানপাত্ৰ, আৰু ৰক্তস্ৰোত তাৰ প্ৰবাহ। তাত কোনো মৃতদেহৰ এফালৰ পৰা শেন- শগুনে চিঙিবলৈ আৰম্ভ কৰিলে। গলিত মাংসৰ লোভত শিয়ালী এজনীয়ে কটা হাত এখন টানি নিছে কিন্তু হাতত লাগি থকা কেয়ূৰৰ ধাৰে তাৰ হাঁতোৰা কটাত সি তাতে হাতখন এৰি পলালে। শত্ৰুৰ খড়্গাঘাটত ছিন্নমস্তক এজন সৈন্য পোনে পোনেই স্বৰ্গ পালেগৈ আৰু স্বৰ্গৰ পৰা (ভূতলৰ) যুদ্ধক্ষেত্ৰত নিজৰেই কবন্ধই নাচি থকা দেখিবলৈ পালে(৭.৪৯-৫১)। এইখিনিতে আঠৈটা শ্লোকত একেলেঠাৰীয়ে বীভৎস ৰসৰ সঞ্চাৰ কৰা হৈছে। যুদ্ধক্ষেত্ৰৰ দীঘলীয়া বৰ্ণনাৰ মাজে মাজে কম সময়ৰ বাবে বীভৎস ৰসৰ ৰূপায়ণৰ দ্বাৰা কৱিয়ে কাব্যৰসৰ ভিন্নতা আনিছে।

কালিদাসৰ ৰচনা সমূহৰ ভিতৰত নাটক কেইখনতে হাস্যৰসৰ স্বাদ কিছু পৰিমানে পোৱা যায়। নাটক কেইখনত বিভিন্ন স্তৰৰ চৰিত্ৰৰ সমাবেশ ঘটা বাবে আৰু বিশেষকৈ বিদূষক আদি খুহুটীয়া চৰিত্ৰ থকা বাবে সেইবোৰক হাস্যৰসৰ আহিলাৰূপে ব্যৱহাৰ কৰিবলৈ সুবিধা হৈছে। কিন্তু গুৰুগম্ভীৰ চৰিত্ৰৰে পূৰ্ণ ৰঘুবংশৰ দৰে এখন মহাকাব্যত হাস্যৰসৰ অৱকাশ কম। তথাপি কালিদাসে সুবিধা বুজি অতি সংযত ভাৱে কোনো কোনো ঠাইত হাঁহিৰ খোৰাক যোগাইছে। যেনে, ষষ্ঠসৰ্গত কৈছে,-সয়ম্বৰ সভাত ইন্দুমতীয়ে এজন এজনকৈ কেইৰাজনো ৰজা পাৰ হৈ গৈ ইক্ষ্বাকুবংশীয় অজৰ আগত বহুপৰ থিয় হৈ থাকিল। সুনন্দাই ইন্দুমতীৰ মনৰ ভাৱ বুজি পায়ো মিছা গাম্ভীৰ্য্যৰে তেওঁক আন এজন ৰজাৰ ওচৰলৈ আগবাঢ়িবলৈ কলে। ইন্দুমতীয়ে উত্তৰ নিদি সুনন্দাক চকু পকাই ধৰিলে-- আৰ্যে, ব্ৰজামোহন্যত্র ইত্যথৈনাং বধুৰসূয়াকুটিলং দদৰ্শ (৭.৮২ গঘ)।

ষোড়শ সৰ্গৰ আৰম্ভণীতে কুশৰ শয়নকক্ষত কালিদাসে এক ৰোমাঞ্চকৰ পৰিবেশৰ সৃষ্টি কৰিছে। এই বৰ্ণনামতে কুশৰ নতুন ৰাজধানী কুশাৱতীৰ সকলো লোক শুই পৰিছে, চাকিৰ পোহৰ স্তিমিত, কুশৰ ৰুদ্ধদ্বাৰ কক্ষত প্ৰোষিতভৰ্তৃকাৰ বেশধাৰী এগৰাকী স্ত্ৰী আহি জয় শব্দেৰে তেওঁক অভিনন্দন

জনালেহি। বিস্ময়ত হতবাক হৈ কুশে শৰীৰৰ উৰ্দ্ধাংশ শয্যাৰ পৰা ইষৎ উন্নত কৰি ৰমণীৰ পৰিচয় সুধিলে 'তুমি ৰুদ্ধদ্বাৰ কক্ষত প্ৰৱেশ কৰিছা, তোমাক কোনো যোগশক্তি থকা যেনো নালাগে, হিমসিক্ত মৃনালিনীৰ দৰে তোমাৰ শৰীৰ বিষন্ন, কোন তুমি, কাৰ পৰিগৃহীতা, মোৰ ওচৰলৈ অহাৰ কাৰণ কি, জিতেন্দ্ৰীয় ৰঘুবংশীয় পুৰুষসকল সদায় পৰস্ত্ৰীত বিমুখ— এই কথা জানি তোমাৰ কৰলগীয়া থিনি কৰ পাৰা'—

কা ত্বং শুভে। কস্য পৰিগ্ৰহো বা
কিং ব্ৰা মদভ্যাগমকৰনং তে।
আচক্ষ্ব মত্বা বশিনাং ৰঘুনাং
মনঃ পৰস্ত্ৰীৱিমুখপ্ৰবৃত্তি।। (১৬.৮)।।

এই সৰ্গৰ প্ৰথম তেইচটা শ্লোকত এনেদৰে অদ্ভুতৰস পৰিবেশন কৰা হৈছে। আকৌ দ্বিতীয় অংকত নন্দিনীক সিংহই আক্ৰমণ কৰা দেখি দিলীপে সিংহক প্ৰহাৰ কৰিবলৈ উদ্যত হৈ পিঠিত থকা তুনত হাত দিলে যদিও তেওঁৰ বাহু স্তম্ভিত হ'ল আৰু ৰজা চিত্ৰাৰ্পিতৰ দৰে থিয় হৈ থাকিল। বীৰ্য্যশালী ৰজাই নিজৰ এনে অৱস্থা দেখি অতি বিস্মিত হ'ল। তেনে অৱস্থাত তেওঁক আৰু বিস্মিত কৰি সিংহই মানুহৰ মাতেৰে কথা কবলৈ ধৰিলে- বিস্মায়য়ন বিস্মিতমাত্মবৃত্তৌ সিংহোৰুসত্বং নিজগাদ সিংহঃ (২.৩৩ গদ)। ইয়াত দিলীপে যিদৰে অদ্ভুত কাণ্ড দেখি বিস্মিত হৈছে, পাঠকো তেনেদৰে অদ্ভুত ৰসত নিমজ্জিত হৈছে।

বামনাচাৰ্য্যই তেওঁৰ অলংকাৰগ্ৰন্থ কাব্যালংকাৰসূত্ৰবৃত্তিত কৈছে যে কাব্যৰ আত্মা হৈছে ৰীতি— ৰীতিৰাত্মা কাব্যস্য। পদবিন্যাসৰ বিশেষধৰণৰ সন্নিবেশ বা ৰচনাই হল ৰীতি— বিশিষ্টপদৰচনা ৰীতি। এই বিশিষ্ট বস্তুটি হৈছে গুণ— বিশেষো গুণাত্মা (অলংকাৰসূত্ৰবৃত্তি ১,২,৬-৮)। ৰসৰ পৰিপোষকৰূপে কাম কৰিব পৰাকৈ বৰ্ণৰ সমাবেশ ঘটাই পদ নিৰ্মান কৰাটোৱেই গুণৰ কৌশল। শৃংগাৰ, কৰুণ আদি ৰসৰ অনুকূলে বিশেষভাৱে ঘটোৱা মধুৰ গুণ যুক্ত পদৰ সমাবেশক বৈদভী ৰীতি বোলে। বীৰ, বীভৎস, ৰৌদ্ৰ আদি ৰসৰ ব্যঞ্জনাৰ বাবে ওজঃ গুণযুক্ত পদৰ সমাবেশত গৌড়ী ৰীতি আৰু যি কোনো ৰস, ভাৱ বা অৰ্থক স্পষ্টভাৱে বুজাব পৰা পদৰ সমাবেশত পাঞ্চালী ৰীতি পোৱা যায়।

সাধাৰণ ভাৱে কালিদাসৰ ৰচনাশৈলী বৈদৰ্ভী ৰীতিৰ অন্তৰ্গত। এই ৰীতিৰ বৈশিষ্ট্য হৈছে দীৰ্ঘসমাসৰ অনুপস্থিতি, সুকুমাৰ অনুভূতিৰ দ্যোতক হিচাপে কোমল ধ্বনিযুক্ত বৰ্ণৰ প্ৰয়োগ। কালিদাসৰ কাব্য সাধাৰণতে শৃংগাৰ আৰু কাৰুণ্যৰ অধিষ্ঠান হোৱা বাবে দীৰ্ঘসমাস, যুক্তাক্ষৰ, মূৰ্দ্ধন্যবৰ্ণ আদি ইয়াত বৰ্জন কৰা হয়। ৰঘুবংশৰ প্ৰধানৰস বীৰৰস যদিও কালিদাসে ইয়াত এইৰসৰ অনুকূলে ওজঃগুণ সমৃদ্ধ গৌড়ীৰীতি প্ৰয়োগ কৰা নাই। বেণীসংহাৰত ভট্টনাৰায়ণে বা মুদ্ৰাৰাক্ষসত বিশাখদত্তই বীৰৰসৰ অভিব্যঞ্জনাৰ বাবে দীৰ্ঘসমাসবদ্ধ পদ, মূৰ্দ্ধণ্য বৰ্ণ, যুক্তাক্ষৰ, ৰেফযুক্ত যুক্তাক্ষৰৰ প্ৰভৃত প্ৰয়োগেৰে গৌড়ী ৰীতিৰ আশ্ৰয় লৈছে। ৰঘুবংশত কিন্তু উৎসাহ বা জুগুপ্সাৰ ভাব বহন কৰিব লগীয়া ৰচনাখিনিতো কেতিয়াবাহে গৌড়ীৰীতিৰ প্ৰয়োগ লক্ষ্য কৰা যায়। তাৰ ভিতৰত বীভৎসৰসৰ দ্যোতনাৰ বাবেহে কবিয়ে ওজঃ গুণৰ আশ্ৰয় লৈছে (উদাহৰণ স্বৰূপে তুলনীয় ৰঘু ৭.৪৯-৫০)। শৃংগাৰ কৰুণ আদিৰ বাহিৰেও ৰঘুবংশৰ যুদ্ধৰ বৰ্ণনাসমূহতো প্ৰধানকৈ কালিদাসৰ স্বভাবকোমল ভাষাই ঠাই পাইছে (তুলনীয় চতুৰ্থ সৰ্গ)। কিন্তু ইয়াত পদবন্ধনৰ চমৎকাৰিতা, তথ্যৰ গুৰুত্ব আৰু বৰ্ণনাৰ সঙ্গতাই বিজয়ীপক্ষৰ উৎসাহ আৰু পৰাজিত পক্ষৰ গ্লানি সুন্দৰকৈ ধ্বনিত কৰিব পাৰিছে। সেয়েহে কঠোৰভাৱে শাস্ত্ৰীয় নীতি অনুসৰণ নকৰাকৈয়ে কালিদাসে ৰঘুবংশত অভিপ্ৰেত ৰসৰ সঞ্চাৰত সফলতা লাভ কৰিছে।

প্ৰাচীন ভাৰতীয় সাহিত্যৰ ই এক বৈশিষ্ট্য যে এই সাহিত্যৰ এক বৃহদংশ সংলাপৰ জৰিয়তে আগবঢ়োৱা হৈছে। উপনিষদৰ দাৰ্শনিক বাদানুবাদ সমূহ গুৰুশিষ্যৰ কথোপকথনৰ যোগেদি উপস্থাপিত হৈছে। মহাভাৰতৰ কথাভাগৰ প্ৰথম প্ৰবক্তা ব্যাস আৰু পিছত বিশ্ৰুত কথাভাগ সৌতি আৰু শৌনকাদি ঋষিগণৰ সংলাপৰ যোগেদি আগবঢ়োৱা। গীতাৰ পশ্চাদভূমি আৰু পৰিবেশ ধৃতৰাষ্ট্ৰ আৰু সঞ্জয়ৰ সংলাপেৰে আগবঢ়াই নিয়া হৈছে আৰু মূল কথাবস্তু কৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনেৰে উপস্থাপিত হৈছে। পুৰাণ সাহিত্যও ৰজা, ঋষি দেৱ, দেৱী আদিৰ আলাপ আলোচনাৰ ৰূপত সৃষ্টি হৈছে। ৰঘুবংশ মহাকাব্য বৰ্ণনাত্মক ৰচনা হলেও ইয়াৰো অধিকাংশ সংলাপৰ

যোগেদি আগবঢ়োৱা হৈছে। তেনে সংলাপ কেতিয়াবা চমু আৰু কেতিয়াবা অতি দীঘলীয়া হৈছে। প্ৰথম সৰ্গত বশিষ্ঠ আৰু দিলীপৰ বাগালাপ, দ্বিতীয়সৰ্গত মায়াসিংহ আৰু দিলীপৰ বাদানুবাদ, তৃতীয়সৰ্গত ইন্দ্ৰৰ সৈতে অস্ত্ৰযুদ্ধ হোৱাৰ আগতে আৰম্ভ হোৱা ৰঘুৰ বাক্‌যুদ্ধ, পঞ্চমসৰ্গত ৰঘু আৰু কৌৎসৰ কথাবতৰা, ৰাম আৰু পৰশুৰামৰ বাগালাপ, অষ্টমসৰ্গত অজৰ বিলাপ ইত্যাদিত বিভিন্ন প্ৰকাৰৰ সংলাপ ব্যৱহাৰ কৰা হৈছে।[৭] অষ্টমসৰ্গত ইন্দুমতীৰ উপস্থিতি মানি লৈ অজৰ বিলাপ ৰচনা কৰা বাবে সি স্বগতোক্তিতকৈ বেছি প্ৰকাশ উক্তি স্বৰূপ হৈছে। সম্পূৰ্ণ ত্ৰয়োদশসৰ্গ সীতাৰ আগত কৰা ৰামৰ উক্তি। চতুৰ্দশ সৰ্গৰ গুপ্তচৰ আৰু ৰামৰ কথোপকথন, ভাতৃসকলৰে সৈতে ৰামৰ আলোচনা আৰু লক্ষ্মন ৰ প্ৰতি ৰামৰ আদেশ এই সকলোবোৰ সংলাপৰ যোগেদি জনোৱা হৈছে। পুনৰ লক্ষ্মণৰ দ্বাৰা সীতাৰ ওচৰত ৰামৰ আদেশ নিবেদনো লক্ষ্মণৰ প্ৰত্যক্ষ উক্তিত দিয়া হৈছে। তাৰ উত্তৰত সীতাই ৰামলৈ বুলি লক্ষ্মণৰ আগত যি কথা কৈছে সি অতি তীক্ষ্ম বাক্যবাণ, যি কেৱল লক্ষ্মণ বা ৰামৰেই নহয়, পাঠকৰো হৃদয় ভেদ কৰি গৈছে।

এতিয়া কথা হ'ল প্ৰাচীন পণ্ডিত সকলে কাব্যিক, দাৰ্শনিক, শাস্ত্ৰীয় আদি সকলো ধৰণৰ ৰচনাৰ বিষয়বস্তু সংলাপৰ যোগেদি উপস্থাপন কৰিবলৈ কিয় ভাল পাইছিল আৰু তেনে কৰাত সুবিধা কি? সাধাৰণ বৰ্ণনাত্মক ৰচনাত কাব্যৰ চৰিত্ৰ আৰু পাঠকৰ মাজত গ্ৰন্থকাৰজন সূত্ৰধাৰৰূপে থিয় দিবলগীয়া হয়। ফলত গ্ৰন্থকাৰ আৰু পাঠকৰ মাজত নিবিড় সম্বন্ধ ঘটে ঠিকেই কিন্তু কাব্যৰ চৰিত্ৰ আৰু পাঠক দূৰে দূৰে থাকি যায়। পাঠকৰ লগত কাব্যৰ চৰিত্ৰসমূহৰ আন্তৰিকতা স্থাপন কৰাত সংলাপধৰ্মী বৰ্ণনাই সহায় কৰে। ইয়াৰদ্বাৰা সহৃদয়ৰ সাধাৰণীকৰণ প্ৰক্ৰিয়া সুচল হয় আৰু সহজে কাব্যৰ পাত্ৰপাত্ৰী তথা বৰ্ণনীয় কথাবস্তুৰ লগত হৃদয়সংবাদ ঘটে। তদুপৰি এনে সংলাপধৰ্মী বৰ্ণনাত কাব্যৰ পাত্ৰপাত্ৰীৰ ব্যক্তিত্ব স্পষ্টৰূপে ডাঙি ধৰিবলৈ কাব্যকাৰে সুবিধা পায়। উদাহৰণ স্বৰূপে ৰঘুবংশৰ চতুৰ্দশ সৰ্গত পৰিত্যক্তা আপন্নসত্ত্বা সীতাই লক্ষ্মণৰ আগত যি উক্তি কৰিছে তাৰ তাৎপৰ্য্য বিচাৰ কৰি চাব পাৰি। বাল্মীকিৰ আশ্ৰমৰ প্ৰান্তত লক্ষ্মণে যেতিয়া সীতাক তেওঁৰ অপবাদৰ কথা আৰু ৰামৰ সিদ্ধান্তৰ কথা জানিবলৈ দিলে তেতিয়া পোনতে সীতা বিস্ময়ত হতবাক

৭। ৬.১৬১

হ'ল, নিজৰ ভাগ্যক নিন্দা কৰিবলৈ ধৰিলে, কিন্তু ক্ষন্তেক পিছতে যেন সীতাৰ ভিতৰত থকা সুপ্ত জ্বালামুখী জাগি উঠিল। শেষত সীতাই কলে-- 'মোৰ কথামতে তুমি সেই ৰজাক কবাগৈ, নিজ চকুৰে অগ্নিপৰীক্ষাত বিশুদ্ধ প্ৰমাণিত হোৱা দেখিও লোকনিন্দা শুনি যে মোক ত্যাগ কৰিলে, ই কি তেওঁৰ বিদ্যা অথবা কুলগৌৰৱৰ উপযুক্ত হৈছেনে? (১৬.৬১) আৰু কি কম, মোৰ গৰ্ভত তোমাৰেই সন্তান, তাক ৰক্ষা কৰা মোৰ কৰ্ত্তব্য, এই কণ বাধা নাথাকিলে তোমাৰ সৈতে চিৰবিচ্ছেদ হোৱাৰ পিছত এই নিষ্ফল দুৰ্ভগীয়া জীৱনটোলৈ আৰু মোহ নকৰিলো হেতেন (১৬.৬৫)। কিন্তু মই কোৱা বুলি ৰামক কবাগৈ- যিজনী সীতাক আজি তুমি এনেকৈ পৰিত্যাগ কৰিলা, সেইজনী ময়েই সন্তান প্ৰসৱৰ পিছত সূৰ্য্যত দৃষ্টি নিবদ্ধ ৰাখি এনে তপস্যা কৰিম যাতে পৰজন্মতো তোমাকেই স্বামীৰূপে পাওঁ, কিন্তু আৰু বিচ্ছেদ যেন নহয়:-

সাহং তপঃ সূৰ্য্যনিৱিষ্টদৃষ্টি-
ৰূৰ্দ্ধং প্ৰসূতেশ্চৰিতুং যতিষ্যে
ভূয়ো যথা যে জননান্তৰেঽপি
ত্বমেৱ ভৰ্ত্তা ন চ বিপ্ৰয়োগঃ (১৬.৬৬)।।

সীতাৰ এই সংলাপত কেৱল দুখেই নহয়, প্ৰতিবাদ, অভিযোগ, অভিমান, খং ক্ষোভ আদিৰ সামূহিক উদ্‌গীৰণ ঘটিছে। এই সংলাপ কেনে ব্যক্তিত্বব্যঞ্জক হৈছে সেয়া সহজেই অনুমান কৰিব পাৰি। এনেদৰে সংলাপৰ যোগেদি চৰিত্ৰসমূহ অধিক প্ৰাণৱন্ত হৈ উঠে। আৰু বৰ্ণনাও সাৰ্থকভাৱে নিবেদন কৰিব পৰা যায়। ৰঘুবংশৰ কথাবস্তুৰ সৰহ অংশ সংলাপৰ যোগেদি উপস্থাপিত হোৱা বাবে সি বেছি আবেদনশীল হৈছে। প্ৰকাৰান্তৰে ৰঘুবংশত কাব্যধৰ্মী আৰু নাট্যধৰ্মী দুয়োবিধ উপাদানৰ সমন্বয় সাধিত হৈছে। ফলত এই কাব্য শ্ৰব্যগুণাত্মক হোৱাৰ লগতে দৃশ্যগুণযুক্তও হৈছে বুলি কব পাৰি।

কালিদাসৰ কাব্যৰ গৌৰৱ আৰু সৌন্দৰ্য্যত মুগ্ধ হোৱা প্ৰাচ্য আৰু পাশ্চাত্য উভয় দেশৰে সমালোচক সকলে তেওঁৰ কাব্যৰ ভূয়সী প্ৰশংসা কৰিছে আৰু পৰৱৰ্তী কবিসকলে মহাকবিৰ প্ৰখৰ প্ৰতিভাৰ প্ৰতি প্ৰণিপাত জনাইছে। তেনে এক কবি শ্ৰীকৃষ্ণই তেওঁৰ ভাৰতচৰিত গ্ৰন্থৰ পাতনিতে কালিদাসৰ ৰচনাৰ প্ৰশস্তি আগবঢ়াইছে এনেদৰে--

অস্পৃষ্টদোষা নলিনীৱ দৃষ্টৱা
হাৰাবলীৱ গ্ৰথিতা গুণৌঘৈঃ।
প্ৰিয়াঙ্কপালীৱ বিমৰ্দহৃদ্যা
ন কালিদাসাদপৰস্য বাণী।।

কালিদাসৰ এই গুণানুৰাগীসকলে কালিদাসৰ কাব্য 'অস্পৃষ্টদোষা' বুলি ক'লেও তেওঁৰ ৰচনাসমূহত থকা দুই এটা কাব্যদোষ সমালোচনাৰ সমল হৈ পৰিছে। আলংকাৰিক সকলেও কাব্যদোষ আলোচনাৰ প্ৰসঙ্গত ব্যাস, বাল্মীকি, কালিদাস আদিৰ পৰা উদাহৰণ দিয়া দেখি আনন্দ- বৰ্ধনাচাৰ্য্যই কৈছে যে মহাকবিসকলৰ কাব্য দোষবোৰ দেখুৱাবলৈ যোৱা উচিত নহয়, কাৰণ তেনে কৰাৰ পৰা নিজৰ দোষ খোচৰা স্বভাৱ আৰু সংকীৰ্ণ মনৰহে পৰিচয় দিয়া হয়-- "তত্তু সূক্তিসহস্ৰদ্যোতিতাত্মনাং মহাত্মনাং দোষোদ্- ঘোষণমাত্মন এব দূষণং ভৱতি।" আনন্দবৰ্ধনে নিজেও কোনো মহাকবিৰ ৰচনাৰ পৰা কাব্যদোষৰ উদাহৰণ ডাঙি ধৰা নাই। প্ৰকৃততে কালিদাসৰ কাব্যৰ জনপ্ৰিয়তাৰ বাবেই আলংকাৰিকসকলে তেওঁৰ কাব্যৰ পৰা উদাহৰণ দিবলৈ ভাল পাইছিল, যাতে শিক্ষাৰ্থীসকলে পৰিচিত পংক্তিৰ পৰা নিৰ্দিষ্ট কাব্যদোষৰ স্বৰূপ সহজতে বুজিব পাৰে।

ৰচনাৰ মাধুৰ্য্যই কালিদাসৰ কাব্যত যিদৰে সৌষ্ঠৱ বঢ়াইছে সেইদৰে স্থানভেদে ৰসৰ অপকৰ্ষ সাধনো কৰিছে। কালিদাসৰ ভাষা বীৰ, ৰৌদ্ৰ আদি ৰসৰ দ্যোতনাৰ বাবে দুৰ্বল। উদাহৰণ স্বৰূপে ৰঘুবংশৰ সপ্তমসৰ্গত ইন্দুমতীৰ পানিপ্ৰাৰ্থী ৰজাসকলৰ প্ৰতিহিংসা, প্ৰতিশোধ আদি ফুটাই তুলিব পৰাকৈ কালিদাসৰ ভাষাত ওজস্বিতা নাই। অৱশ্যে বেণীসংহাৰ বা মুদ্ৰাৰাক্ষসৰ দৰে বীৰৰসাত্মক কাব্যৰ লগত তুলনা কৰিলেহে এই অভাৱ অনুভৱ কৰা যায়। আন এচাম সমালোচকৰ মতে কালিদাসে শ্লীলতাৰ সীমা নাজানে। কালিদাস প্ৰধানকৈ শৃংগাৰ ৰসৰ কবি। কিন্তু শৃংগাৰৰ আতিশয্যত কেতিয়াবা কালিদাসৰ কাব্যত অশ্লীলতাৰ ছাঁ পৰে। তেনে দোষযুক্ত ৰচনাৰ উদাহৰণ সাধাৰণতে মেঘদূত, কুমাৰসম্ভৱ, মালৱিকাগ্নিমিত্ৰৰ পৰা দিয়া হয় যদিও ৰঘুবংশৰ পৰাও তেনে দোষযুক্ত ৰচনা আগবঢ়াব পাৰি যেনে, চতুৰ্থসৰ্গত ৰঘুৰ দাক্ষিণাত্য বিজয়ৰ প্ৰসংগত কোৱা হৈছে--

অসহ্যবিক্রমঃ সহ্যং দূৰাম্মুক্তমুদন্বতা।

নিতম্বমিৱ মেদিন্যাঃ স্রস্তাংশুকমলংঘয়ত।। ৪.৫২।।

'সানুদেশত চন্দনবনেৰে ভৰি থকা মলয় আৰু দৰ্দুৰ পৰ্বত দক্ষিণ দিগবধূৰ চন্দন- চৰ্চিত দুটি স্তনৰদৰে প্ৰতীয়মান হ'ল। এই দুই পৰ্বতত অসহ্যবিক্ৰম ৰঘুৱে যথেচ্ছা ভাৱে বিচৰণ কৰিলে আৰু তাৰ পিছত সমুদ্ৰ দূৰলৈ আঁতৰি যোৱাত (অৰ্থাৎ সাগৰৰ পৰা তেওঁ আতৰি অহাত) মেদিনীৰ স্খলিত- বসন- নিতম্বৰ দৰে দেখা পোৱা সহ্যপৰ্বত তেওঁ লংঘন কৰিলে।' কোনো কোনো ৰক্ষণশীল আলংকাৰিকে এনে আসংগ উপভোগৰ বৰ্ণনাত্মক ৰচনাখিনিক সুসংস্কৃত ৰুচিৰ পৰিচায়ক নহয় বুলি কৈ তেনে ৰচনাক গৰিহনা দিয়ে।অৱশ্যে স্থানভেদে সম্ভোগ শৃংগাৰৰ আধিক্য কেৱল কালিদাসৰে নহয অতি শুদ্ধাচাৰী কৱি ভৱভূতি আৰু বীতৰাগ বৌদ্ধ ভিক্ষু অশ্বঘোষৰ ৰচনাতো বৰ্ত্তমান। এইক্ষেত্ৰত এটা কথা প্ৰশংসনীয় যে কালিদাসে দৃশ্যকাব্যৰ প্ৰত্যক্ষ প্ৰভাৱৰ কথা মনত ৰাখি একেলগে বহুদৰ্শকে উপভোগ কৰিব পৰা নাটক কেইখনত এনে শালীনতাৰ সীমা চেৰাই যোৱা নাই। বৰং অকলে নিৰলে বহি পঢ়িব পৰা শ্ৰব্যকাব্যতহে এই সীমা লংঘন কৰিছে আৰু বোধকৰো তাতেই তেওঁৰ শালীনতাবোধৰ প্ৰশংসা কৰিব পাৰি।

দেৱভাষাৰ বিশুদ্ধতা ৰক্ষা কৰাৰ ক্ষেত্ৰত সংস্কৃত কৱি সাহিত্যিক আৰু আলংকাৰিক সকল সদায় তৎপৰ।আলংকাৰিকসকলৰ মতে এপাত্ৰ গাখীৰত এটোপা বিষ যেনে, এখন কাব্যত এটা ব্যাকৰণিক দোষ তেনে। ব্যাকৰণিক অশুদ্ধি, অৰ্থৰ অস্পষ্টতা আদিৰ ক্ষেত্ৰত কালিদাস যথেষ্ট সাৱধান।কুমাৰসম্ভৱত কালিদাসে নিজেই কৈছে যে প্ৰকৃততে সুসংস্কৃত মনীষী সকলক তেওঁলোকৰ বিশুদ্ধ আৰু শুৱলা ভাষাৰ পৰাই চিনিব পাৰি--" সংস্কাৰৱত্যেৱ গিৰা মনীষী তয়া স পূতশ্চ বিভূষিতশ্চ "(১.২৮)। কিন্তু বৈয়াকৰণিক সকলে কালিদাসৰ ৰচনাত অতি কম পৰিমাণৰ হ'লেও কেতবোৰ ব্যাকৰণিক বিসঙ্গতি আঙুলিয়াই দেখুৱাইছে। সেইবোৰ প্ৰধানকৈ ধাতু আৰু প্ৰত্যয়ৰ প্ৰায়োগিক বিসঙ্গতি বুলি কোৱা হৈছে। উদাহৰণস্বৰূপে কালিদাসৰ অস্ ধাতুৰ ব্যৱহাৰলৈ চকু দিব পাৰি।অতীত কালৰ অৰ্থত (য'ত সাধাৰণতে ভূ ধাতু ব্যৱহাৰ হয়)অস্ ধাতুৰ প্ৰয়োগ ৰঘুবংশতো বহুবাৰ ঘটিছে যেনে-- তেনাস লোকঃ পিতৃমান বিনেত্ৰা

(১৪,২৩), তং তস্থিবাংসং নগৰোপকণ্ঠে(৫.৬১) প্ৰথমমাস (৯.৬১) বিধিবদাস (১৬.৮৬)। আকৌ ইৰাস, ব্যাপাৰয়ামাস, গণয়ামাস (কুমাৰ) ইত্যাদি ।এইখিনিতে এটা কথা ক'ব পাৰি যে পাণিনিয়ে (খৃ. পূ. ৪ৰ্থ শতাব্দী) ভাষাটো প্ৰণালীবদ্ধভাৱে সজাইহে পেলাইছিল, তাৰ বৃদ্ধি বা প্ৰবাহ বন্ধ কৰিব খোজা নাছিল। পাণিনিয়ে অষ্টাধ্যায়ী প্ৰণয়ন কৰোতে তেওঁৰ কাললৈকে প্ৰচলিত ভাষাৰ গঠন প্ৰণালী আৰু ব্যৱহাৰ পদ্ধতি নিৰ্দ্ধাৰিণ কৰিছিল। পাণিনীয়ে বিধি- বিধানৰ উপৰিও আন বহু ধৰণৰ প্ৰয়োগে পৰৱৰ্তী কালত ভাষাটোত স্থান পাইছে। অষ্টাধ্যায়ীৰ যশস্বী বাৰ্ত্তিককাৰ কাত্যায়নে (খৃ. পূ.৩ য় শতাব্দী) ভাষাটোত সোমোৱা নতুন আৰু পৰিবৰ্ত্তিত ব্যৱহাৰ বোৰ লক্ষ্য কৰি সেইবোৰক ব্যাকৰণিক স্বীকৃতি দিলে আৰু নতুন প্ৰয়োগ প্ৰবৰ্ত্তন কৰিলে। সেইদৰে পতঞ্জলীয়েও (খৃ. পূ.১ম শতাব্দী) মহাভাষ্যত নতুন প্ৰয়োগ আৰু ব্যাখ্যা সংযোজন কৰিছে। গতিকে পাণিনিতকৈ কেইবা শতিকাৰ পিছত কাব্য চৰ্চ্চা কৰা কালিদাসৰ কাব্যত অপাণিনীয় প্ৰয়োগ সোমোৱাটো স্বাভাৱিক কথা। প্ৰসিদ্ধ টীকাকাৰ মল্লিনাথেও ৰঘুবংশৰ ঊনবিংশতিতম সৰ্গৰ পঞ্চম শ্লোকৰ "কাময়ামান" এই শব্দৰ ব্যাখ্যা প্ৰসঙ্গত হোৱা বিতৰ্কৰ ক্ষেত্ৰত কালিদাসকে সমৰ্থন কৰিছে।

তদুপৰি বিশ্বনাথ কবিৰাজে বিধেয়াবিমৰ্শ বা অবিমৃষ্টবিধেয়াংশৰ উদাহৰণৰূপে 'আসমুদ্ৰক্ষিতীশানাম্' পদটি, অশ্লীলত্বৰ উদাহৰণ ৰূপে "পাণি পল্লৱপেলবঃ" আদি ৰঘুবংশৰ পৰা আনিছে। এনেদৰে গৰ্ভিতত্তা, অস্থানপদতা আদিৰ কথাও উল্লেখ কৰিব পাৰি। আকৌ আন কোনো সমালোচকৰ মতে ৰঘুবংশৰ ৰজাসকলৰ নামকৰণৰ ক্ষেত্ৰত ব্যাকৰণগত ব্যুৎপত্তি দৰ্শোৱাৰ আৱশ্যকতা নাছিল, বিশেষকৈ দশৰথৰ নামৰ বৈয়াকৰণিক বিশ্লেষণ অতি কষ্টকল্পনা হৈছে বুলি কব পাৰি। তেনেদৰে অতিথিৰ বৰ্ণনাত অতিশয়োক্তিৰ মাত্ৰাধিক প্ৰয়োগ ঘটিছে। আনকি ৰসজ্ঞ কবিৰ ৰচনাত ৰস দোষ ধৰা পৰিছে ৭ ম সৰ্গৰ ৬৩ সংখ্যক শ্লোকত, য'ত বীৰৰসাত্মক বৰ্ণনাৰ মাজত শৃংগাৰ ৰসৰ ঘন ছাঁ পৰা দেখা গৈছে।

ৰঘুবংশত থকা এনে সকসুৰা কাব্যদোষ সমূহ স্বীকাৰ কৰি লোৱা হৈছে যদিও কাব্যখনৰ সামগ্ৰিক সৌন্দৰ্য্যৰ তুলনাত এনে ত্ৰুটীসমূহ নগণ্য বুলি কব

পাৰি। আনন্দবৰ্ধনৰ মতে কালিদাসৰ কাব্য সুষমাত এনে ত্ৰুটী চন্দ্ৰপৃষ্ঠৰ কলংকৰ দৰে। লালিত্যপূৰ্ণ ভাষা, লয়ান্বিত পদ চয়ন, ৰস- ভাৱ- ৰসাভাস- ভাৱাভাস আদিৰ সুসঞ্চাৰ কালিদাসৰ ৰচনাৰ স্বভাৱ বৈশিষ্ট্য। তদুপৰি শৃংখলাবদ্ধ ৰূপত কাহিনীগ্ৰথন, নাটকীয় ভঙ্গীত ৰূপক কথন, গুণ -ৰীতি -অলংকাৰৰ যথোচিত উপস্থাপন, পৈণতৰূপত চৰিত্ৰ চিত্ৰন আৰু বৈদগ্ধ্যপূৰ্ণ তথ্য পৰিবেশন ৰঘুবংশৰ বিশেষ বৈশিষ্ট্য। এইখন কাব্যত সিদ্ধহস্ত কৱিজনাৰ পৰিপক্ক প্ৰতিভাৰ প্ৰকাশ ঘটিছে আৰু ভাৱ, ভাষা, আদৰ্শ, মনীষাৰ এনে সমন্বয় সাধিত হৈছে যে কেইবা শতাব্দী জুৰি ৰসজ্ঞ পাঠকে একমুখে স্বীকাৰ কৰি আহিছে-- ক ইহ ৰঘুকাৰে ন ৰমতে।

ৰঘুবংশত প্ৰকৃতি

প্ৰকৃততে প্ৰকৃতিয়েই মানুহক সাহিত্য ৰচিবলৈ প্ৰথম অনুপ্ৰেৰণা দিছিল বুলি কʼব পাৰি। বৈদিক কবি সকলে স্বাভাৱিক ঔৎসুক্য, আশ্চৰ্য্য আৰু ভীতিৰে প্ৰকৃতিৰ ৰহস্য- ৰূপ নিৰীক্ষণ কৰিছিল। আকাশৰ পৰা সূৰ্য্য চন্দ্ৰবোৰ কিয় খহি নপৰে, দিনত জোন আৰু তৰাবোৰ কʼলৈ যায়গৈ (ঋগ্বেদ ১.২৪.১০)? নদীৰ পানীবোৰ সদায় সাগৰতে পৰেগৈ, কিন্তু কেতিয়াও সাগৰখন পানীৰে উপচি নপৰে। এনে অশেষ প্ৰশ্নৰ সমাধান বিচাৰি বিচাৰি মনীষীসকলে এটা ধাৰণা কৰি লৈছিল যে এক দীৰ্ঘবাহু দেৱতাই (অতিশক্তিয়ে) থিয় হৈ থাকি হাতৰ নিৰ্দেশত গোটেই দৃশ্যমান জগতখন পৰিচালনা কৰে (২.৩২.২)। আনকি পানী আৰু বতাহো তেওঁৰ শাসনৰ অধীন। সেই শক্তিটিয়ে হʼল সৱিতা, যাৰ প্ৰসাৰিত বাহুৰূপ ৰশ্মিৰ স্পৰ্শত পুৱা সমস্ত জগতখন সাৰ পাই উঠে আৰু সন্ধ্যা পৰত সকলোৱে নিজ নিজ কামৰ পৰা আজৰি লয়। যাৰ পৰিচালনাত প্ৰাণীজগতৰ আহাৰ বিহাৰ নিয়ন্ত্ৰিত হৈ আছে আৰু ঋতু সমূহো প্ৰকৃতিলৈ আহি আছে। ঠিক তেনেদৰে সেই চিন্তাশীল ব্যক্তিসকলে পুৱাৰ আকাশত উষাক এগৰাকী মোহময়ী স্ত্ৰীৰূপে দেখিছিল। তেওঁ কোমল হাঁহি আৰু উজ্জ্বল বৰ্ণেৰে পৃথিৱীৰ মানুহক মুগ্ধ কৰিছিল।

এষা শুভ্ৰা ন তন্বো বিদনোৰ্দ্ধেৱ স্নাতী দৃশয়ে নো অস্থাত্।

অপ দ্বেষো বাধমানা তমাংস্যুষা দিৱো দুহিতা জ্যোতিষাগাত্।।

"ৰূপ গৰ্বিতা লাৱণ্যময়ী নাৰীৰ দৰে, স্নানৰতা কোনো যুৱতীৰ দৰে স্নিগ্ধা উষা। এয়া উষা ঠিয় হৈ আছে, যাতে আমি তেওঁৰ দৰ্শন পাওঁ। অন্ধকাৰ আৰু শত্ৰুক দূৰ কৰিব পৰা স্বৰ্গদেৱতাৰ মনোহৰ জ্যোতিৰূপা কন্যা উষা এয়া আহি পাইছেহি (৫.৮০.৫)।" এই সূক্তত প্ৰভাতী ৰশ্মিত জিলিকি উঠা প্ৰকৃতিৰ বিভিন্ন ৰূপ কবিজনে দাঙি ধৰিছে। ঋকবেদৰ একাধিক সূক্তত পুৱতি নিশা আৰু উষাৰ কাব্যিক বৰ্ণনা পোৱা যায়[১]।" ঋকবেদৰ প্ৰথম মণ্ডলৰ ৩২ সংখ্যক

১। দ্ৰষ্টব্য- ৭.৭১,৭.৭৭ ইত্যাদি।

সূক্তত ইন্দ্ৰ আৰু বৃত্ৰৰ কাহিনীত গাজনি ঢেৰেকনিৰে নামি অহা ধাৰাষাৰ বৰষুণৰ আৰু পানীৰে উপচি পৰা নদীবোৰ তুমুল বেগেৰে সাগৰলৈ বৈ যোৱাৰ বাস্তৱ বৰ্ণনা পোৱা যায়। তৃতীয় মণ্ডলৰ ৩৩ সংখ্যক সূক্ত বিপাশা আৰু শতদ্ৰু নদীৰ বৰ্ণনাৰে আৰম্ভ কৰা হৈছে এনেদৰে--

প্ৰ পৰ্বতানামুশতী উপস্থাদশ্বেইব বিষিতে হাসমানে।

গাবেব শুভ্ৰে মাতৰা ৰিহাণে বিপাট্ছুতুদ্ৰী পয়সা জবেতে।।

নদী দুখনৰ লগত কথাপতাৰ কৌশলেৰে কবি বিশ্বামিত্ৰই দুইখন নদীৰে আচৰণ উৎসৰ পৰা সংগম পৰ্য্যন্ত বৰ্ণনা দিছে। প্ৰথম মণ্ডলৰ অশ্বিনসূক্তত ৰজা তুগ্ৰ আৰু ৰাজকুমাৰ ভুজ্যুৰ দ্বাৰা উপকূল অঞ্চলৰ শত্ৰুজয়ৰ কাহিনীৰ বৰ্ণনা প্ৰসঙ্গত কবিয়ে ফেনিল, উত্তাল সাগৰৰ মনোগ্ৰাহী বৰ্ণনা দিছে। ঋকসংহিতাৰ বাহিৰে আন আন সংহিতা গ্ৰন্থয়ো প্ৰকৃতিৰ বৰ্ণনা আগবঢ়াইছে। উদাহৰণ স্বৰূপে অৰ্থববেদত পোৱা বৰ্ষাগীতি সমূহৰ কথা উল্লেখ কৰিব পাৰি। কিন্তু ঋক্সংহিতাই বিস্তৃত ভাৱে নৈসৰ্গিক শোভা চিত্ৰিত কৰিছে। কবিসকলে প্ৰকৃতিত নিজ চকুৰে যি দেখিছিল তাকেহে লিখিছিল সেয়েহে ঋষি সকলক মন্ত্ৰ দ্ৰষ্টা বোলা হয়-- ঋষয়ো মন্ত্ৰদ্ৰষ্টাৰঃ।

বৈদিক সাহিত্যৰ পিছতে লৌকিক সংস্কৃত ভাষাৰ দুখন বৃহৎ মহাকাব্যত প্ৰকৃতিৰ চিত্ৰন বিশদ ভাৱে কৰা হৈছে। ৰামায়ণ আৰু মহাভাৰতৰ ৰচক ক্ৰমে বাল্মীকি আৰু ব্যাস দুয়োজনেই আছিল ঋষি। তেওঁলোকে বৃক্ষ লতা, পশু-পক্ষী, নৈ- জানেৰে সমৃদ্ধ আৰণ্যক পৰিবেশত আশ্ৰম পাতি বাস কৰিছিল। আৰু প্ৰকৃতিৰ ৰূপ বৈচিত্ৰ্য অধ্যয়ণ কৰি সেইবোৰৰ প্ৰশংসা কৰিবলৈ সুবিধা পাইছিল। বৈদিক সাহিত্যৰ পৰম্পৰা অব্যাহত ৰাখি এই দুজন সাহিত্যিকে প্ৰকৃতিক স্বকীয় ৰং- ৰূপেৰে সজাইছিল। সেয়ে দুয়োখন মহাকাব্যতে বিশদ ভাৱে প্ৰকৃতিৰ উল্লেখ পোৱা যায়। দুয়োখন মহাকাব্যৰ ভিতৰত ৰামায়ণে কালিদাসৰ প্ৰকৃতি চিত্ৰণত যথেষ্ট প্ৰভাৱ পেলাইছে। ৰামায়ণত পোৱা বহু বৰ্ণনা যেনে-- বসন্তকালৰ পম্পাসৰোবৰ(কিষ্কিন্ধ্যা ১.৬), দণ্ডক বনৰ পুষ্পিত লতাৰে আবৃত গিৰিশৃঙ্গবোৰ (কিষ্কিন্ধ্যা ১.৯), শীতৰ হিমে ঢকা জলাশয়বোৰ (অৰণ্য ১৬.১০.১২), উদং বালিচৰেৰে ক্ষীণকায় নদীবোৰ

কালিদাসৰ ঋতুসংহাৰ আৰু ৰঘুবংশতো পোৱা যায়। ৰামায়ণত ৰজা দশৰথে বৰ্ষাকালৰ মনোৰম বৰ্ণনা আগবঢ়াইছে। সৰযূনদীত বৰষুণ পৰাৰ দৃশ্য, হৰিণ, ময়ুৰ, ভেকুলী বিলাকৰ আচৰণ আৰু শেতা, বগা আৰু ৰঙচুৱা পানীৰে ওফন্দি উঠা নদীৰ বৰ্ণনা অযোধ্যা কাণ্ডত বিস্তৃত ভাবে পোৱা যায়। ৰামায়ণৰ কিষ্কিন্ধ্যা কাণ্ডত পুনৰ বৰ্ষাগমনৰ বৰ্ণনা পোৱা যায়। বালিবধৰ পিছত বৰ্ষাগমৰ বাবে ৰামে কিছুদিন অভিযান বন্ধ ৰাখি মাল্যবান পৰ্বতত আশ্ৰয় লৈছে। বাৰিষাৰ মেঘে ঢকা আকাশ,আকাশ খণ্ড- বিখণ্ড কৰিব খোজা গাজনি আৰু বিজুলী মূষলধাৰে পৰা বৰষুণ, মাটিৰ সেমেকা গোন্ধ আদিয়ে প্ৰিয়া- বিচ্ছিন্ন ৰামৰ মন বিষন্ন কৰি তুলিছে। একে ধৰণৰ বৰ্ণনা ৰঘুবংশৰ ত্ৰয়োদশ সৰ্গতো কালিদাসে সন্নিবিষ্ট কৰিছে। ৰামায়ণৰ শৰৎ বৰ্ণনাও বৰ মনোৰম। ঋষ্যমূক পৰ্বতত ৰামে প্ৰথম শৰতৰ আগমন লক্ষ্য কৰিছে। শৰতৰ নিৰ্মল পৰিস্কাৰ জোনাক ৰাতিটো শুভ্ৰবেশী নায়িকা হৈ ৰামৰ চকুত ধৰা দিছে।

শৰতৰ শোভাৰে জাতিষ্কাৰ পৰিবেশত ৰজাসকলো দিগ্বিজয়ৰ বাবে ওলাইছে। ৰঘুবংশতো কালিদাসে ৰঘুৰ দিগ্বিজয়ৰ বাবে শৰৎ কাল নিৰ্বাচন কৰিছে। এনেদৰে আদিকৱিৰ ধাৰণা আৰু অভিজ্ঞতাৰ দ্বাৰা মহাকৱিজন যে বাৰে বাৰে অনুপ্ৰাণিত হৈছিল তাক ৰঘুবংশত প্ৰতিফলিত হোৱা প্ৰকৃতিৰ ছবিখনৰ পৰাও স্পষ্টকৈ অনুমান কৰিব পাৰি। অৱশ্যে কালিদাসে সূক্ষ্মদৃষ্টিৰে পৰীক্ষা কৰি নিজৰ ভঙ্গীত সেইবোৰ উপস্থাপন কৰিছে।

কালিদাসে তেওঁৰ ৰচনাত প্ৰকৃতিক বিভিন্ন কৌশলেৰে ব্যৱহাৰ কৰিছে। তালৈ চাই তেওঁ কাব্যত প্ৰকৃতিৰ প্ৰায়োগিক উপযোগিতা সম্পৰ্কে পৰীক্ষা কৰিহে চাইছিল যেন লাগে। তেওঁ কাব্যত ঋতু, পাহাৰ, পৰ্বত, নদী, জান, সাগৰ, গছ, লতা, কলি, ফুল, উদ্যান, অৰণ্য, আশ্ৰম, উষা, সন্ধ্যা, ৰাতি, চন্দ্ৰ, সূৰ্য্য, তৰা, মেঘ, পৃথিৱী, আকাশ, পশু, পক্ষী, এই সকলো বোৰৰে পোনপটীয়া স্পষ্ট ,আৰু সৰল বৰ্ণনা দিছে। কেতিয়াবা প্ৰকৃতিৰ এই উপাদান বোৰক চেতনবৃত্তান্ত প্ৰয়োগ কৰি মানুহৰ ভূমিকাত নিয়োগ কৰাইছে। কেতিয়াবা ভাৱ- অনুভূতিৰ উদ্দীপকৰূপে প্ৰকৃতিক ব্যৱহাৰ কৰিছে। কেতিয়াবা পৰিবেশ ৰচনাত প্ৰকৃতিৰ সহায় লৈছে আৰু প্ৰায়ে কাব্যিক অলংকাৰ প্ৰস্তুত কৰিবলৈ প্ৰকৃতিৰ পৰা সমল সংগ্ৰহ কৰিছে। ৰঘুবংশ এখন দীঘলীয়া কাব্য হোৱা বাবে

ইয়াত মহাকবিয়ে এই সকলোবোৰ কৌশলৰ প্ৰয়োগ কৰিবলৈ সুবিধা পাইছে।

ৰঘুবংশৰ প্ৰথম সৰ্গতে ৰাজধানী অযোধ্যাৰ পৰা বশিষ্ঠৰ আশ্ৰমলৈকে গোটেই পথছোৱাৰ প্ৰাকৃতিক বৰ্ণনা পোৱা যায়। নগৰৰ প্ৰান্তদেশৰ অৰণ্যানিৰ মধ্যবৰ্ত্তী পথেৰে ৰজা দিলীপে পত্নী সুদক্ষিণাৰে সৈতে আগবাঢ়িছিল। সুউচ্চ, ঋজু শালতৰুৱে পথছোৱাত ছায়া দিছিল। তেওঁলোকে শালতৰুৰ পত্ৰভঙ্গৰ সুবাসসনা আৰু পুষ্পপৰাগ মিশ্ৰিত সুখস্পৰ্শী বতাহৰ বা পাইছিল। ৰাজদম্পতীৰ ৰথৰ চক্ৰৰ ধ্বনিক মেঘধ্বনি বুলি ভ্ৰম কৰি ময়ূৰবিলাকে কেকাধ্বনি কৰিছিল। শালতৰুৰ ছায়াত পথৰ ওপৰত মৃগযূথে জিৰণি লৈছিল। ৰথৰ আগমন দেখি মৃগযুটিয়ে বাটৰ কাষত থিয় হৈ নিৰ্ভয় চিত্তে ৰথচাৰীলৈ চাই ৰল। সেইসময়ত আকাশেদি উৰি যোৱা সাৰসপংক্তি স্তম্ভহীন তোৰণমালাৰ দৰে দেখাইছিল। ৰাজদম্পতীয়ে মুৰ তুলি আকাশতে ভাসমান সেই শুভ্ৰ তোৰণমালাৰ সৌন্দৰ্য্য উপভোগ কৰিছিল। পদ্মপূৰ্ণ জলাশয়বোৰৰ পাৰে পাৰে তৰঙ্গ সংসৰ্গত শীতল হোৱা বায়ুৰ সুঘ্ৰান চৌদিশে বিয়পি পৰিছিল। পথৰ দুয়োকাষে গজি উঠা নানা অচিনাবনৰ নাম জানিবলৈ উৎসুক হৈ ৰজাই ৰথ ৰখাইছিল আৰু সেই পথেদি ঘোষগ্ৰামৰ পৰা অহা বৃদ্ধ গুৱালৰ পৰা সেই অচিনাবনৰ নাম সুধিছিল। নানা প্ৰকাৰৰ গছলতাৰে পূৰ্ণ আৰু শীতল, নিৰ্ভয় আৰু শান্ত পশুকুলৰ বিচৰণভূমি নগৰ প্ৰান্তৰ সেই অৰণ্যানি পাৰ হৈ ৰাজদম্পতীয়ে বশিষ্ঠৰ আশ্ৰমত উপস্থিত হৈছিলগৈ। ইতিমধ্যে দিনান্তৰ সূচনা লৈ আশ্ৰমবাসী কুটীৰলৈ ঘুৰিছিল। প্ৰকৃতিৰ ৰমণীয় পৰিবেশৰ মাজত কুলপতি বশিষ্ঠৰ আশ্ৰম। আশ্ৰমৰ বাসিন্দা তপস্বী, ঋষি, ঋষিপত্নী, মৃগকুল, পক্ষীকুল আৰু আশ্ৰমপালিত পশুবোৰ-- এই সকলোৱেই আশ্ৰমৰ প্ৰাঙ্গনত গোট খাইছিলহি। আশ্ৰমৰ শান্ত সমাহিত পৰিবেশত মানুহ আৰু প্ৰকৃতিৰ মাজৰ স্নেহৰ আদান প্ৰদান দিলীপ আৰু সুদক্ষিণাই দেখিবলৈ পালে। ঋষিপত্নী সকলৰ হাতৰ পৰা নিবাৰ ধান খাবলৈ তেওঁলোকৰ সন্তানসদৃশ মৃগকুলে আশ্ৰমৰ কুটীৰবোৰৰ দুৱাৰমুখত ভীৰ কৰিছেহি। ঋষিকন্যাসকলে গছৰ গুৰিত খান্দি দিয়া আলবালবোৰ পানীৰে পূৰ্ণ কৰি থিতাতে আঁতৰি আহিছে, যাতে পক্ষীবোৰে নিৰ্ভয়ে তাত পানী খাব পাৰে। পৰ্ণশালাৰ পিৰালীত বহি বুঢ়া হৰিণবোৰে তাত কৌঞ্চকে বান্ধি থোৱা নিবাৰধানৰ থোকবোৰ পাগুলিবলৈ

ধৰিছে। সমিধ, কুশ আৰু ফলাহৰণ কৰি বনান্তৰ পৰা মুনিকুমাৰসকল আশ্ৰমলৈ ঘূৰি আহিছে। ৰাজদম্পতীয়ে দেখিলে প্ৰকৃতি আৰু মানুহৰ কেনে নিবিড় সম্বন্ধ, উভযৰে উভয়ৰ ওপৰত কেনে নিৰ্ভৰশীলতা। ৰঘুবংশৰ প্ৰথমসৰ্গতে অযোধ্যাৰ অধীশ্বৰ দিলীপৰ কথা ক'বলৈ গৈ কালিদাসে পোনতে প্ৰকৃতিৰ পটভূমিহে প্ৰস্তুত কৰি লৈছে, ৰাজ ঐশ্বৰ্য্যৰ নহয়। কাব্যখনৰ প্ৰতিটি সৰ্গতে প্ৰকৃতিয়ে এনেদৰে আপোন ৰূপ প্ৰকাশ কৰি গৈছে। আৰু মানুহক প্ৰকৃতিৰ ওচৰ চপাই নি কালিদাসে প্ৰকাৰান্তৰে মানুহৰে চৰিত্ৰৰ কোমল, সেউজ, সজীৱ, দিশটিৰ উন্মোচনৰ চেষ্টা কৰিছে।

দ্বিতীয় সৰ্গত নন্দিনীৰ সেৱাত ৰত ব্ৰতচাৰী দিলীপে অৰণ্যৰাজিৰ নৈসৰ্গিক শোভা উপভোগ কৰিছিল, ৰ'দত ক্লান্ত হোৱা দিলীপক পাহাৰী নিজৰাৰ হিমকনাসিক্ত বতাহে শীতলতা দিছিল। তেওঁ বনভূমিৰ জোপোহা বোৰত বৰা গাহৰিৰ দলবোৰ আৰু তৃণভূমিৰ মাজত ময়ূৰ বোৰৰ গতিবিধি লক্ষ্য কৰিছিল। চতুৰ্থ সৰ্গত শৰৎ ঋতুৰ এক বিশদ চিত্ৰণ আগবঢ়োৱা হৈছে। শ্বেতপদ্ম, কাশফুল, হংসমালা, সপ্তপৰ্ণা আদিৰে জাতিষ্কাৰ হৈ শুভ্ৰবেশী নায়িকাৰ দৰে শৰৎ আহি উপস্থিত হ'ল, আকাশত কুম্ভযোনি অগস্ত্য নক্ষত্ৰৰ উদয় হল আৰু শুভ্ৰকান্তি চন্দ্ৰ নিৰ্মল হল। শৰৎ ঋতুৱে যেন নদীবোৰ সুনাব্য কৰি আৰু বাট পথবোৰৰ বোকা শুকুৱাই ৰঘুৰ দিগ্বিজয়ৰ বাবে উপযুক্ত পৰিবেশ সৃষ্টি কৰি দিলে। আকাশত ইন্দ্ৰই বৰ্ষাকালীন ধনু ত্যাগ কৰাৰ সময়তে ৰঘুৱে তেওঁৰ বিজয়ধনু তুলি ললে। ৰঘুৰ দিগ্বিজয়ৰ পথত পৰা স্থান সমূহৰ বিস্তৃত প্ৰাকৃতিক বৰ্ণনা কালিদাসে আগবঢ়াইছে। সমুদ্ৰতীৰৰ তামোল গছ, বিন্ধ্যাটবীৰ চন্দন গছ, কাবেৰী নদীৰ জলধাৰা, তাম্ৰপৰ্ণীনদী আৰু মহাসমুদ্ৰৰ সংগমস্থল দক্ষিণৰ দিগ্বিজয় যাত্ৰাত বৰ্ণিত হৈছে। সহ্য পৰ্বত মুৰলানদী, খেজুৰ গছেৰে ভৰা শুকান অঞ্চল আঙুৰ বাগান আদিৰ বৰ্ণনাৰ মাজত পশ্চিম উপকূলৰ আৰু পশ্চিম দেশীয় তীব্ৰবেগী অশ্বাৰোহী সৈন্যৰ সৈতে হোৱা ৰণ পশ্চিম দিগ্বিজয়ত বৰ্ণিত হৈছে। নমেৰু গছৰ তলত কস্তুৰী মৃগৰ নাভিগন্ধ, দেবদাৰু গছৰ অৰণ্য, হিমালয়ৰ গিৰিগুহা লৌহিত্য নদৰ পাৰৰ প্ৰাগজ্যোতিষপুৰত বনৰীয়া হাতীৰ জাকে কপাই তোলা কৃষ্ণ অগৰু গছৰ শাৰী আদিৰ বৰ্ণনাৰে উত্তৰ পূৰ দিশৰ [illegible]ৰ বৰ্ণনা দিয়া হৈছে।

তদুপৰি ইন্দুমতীৰ সয়ম্বৰৰ সভাত ৰজা সকলৰ পৰিচয় প্ৰসঙ্গত সুনন্দাই মগধ, অঙ্গ, অৱন্তি অনূপ, শূৰসেন, কলিঙ্গ, পাণ্ড্য আদি দেশৰ প্ৰাকৃতিক বৈশিষ্ট্যসমূহ বৰ্ণাই গৈছে আৰু কোন দেশত বিবাহ হ'লে তেওঁ কি কি উপভোগ কৰিব পাৰিব ,কি শস্যৰ আহাৰ কৰিব লাগিব তাকো কৈ গৈছে। ৰজা সকলৰ ঐশ্বৰ্য্য বিভূতিৰ বৰ্ণনাতকৈ ৰাজ্যবোৰৰ প্ৰাকৃতিক পৰিবেশৰ বিৱৰণেহে ইয়াত প্ৰাধান্য পাইছে। নৱমসৰ্গত বসন্তৰ সমাগমৰ অপূৰ্ব প্ৰতিচ্ছৱি অঁকা হৈছে। ত্ৰয়োদশ সৰ্গত পুনৰ সমুদ্ৰৰ পৰা হিমালয় পৰ্য্যন্ত ভূ-ভাগৰ বিশদ বৰ্ণনা আগবঢ়োৱা হৈছে। আকাশী পথৰ পৰা সমুদ্ৰৰ সৌন্দৰ্য্য দেখুৱাই সীতাক কৈছে-- "শৰৎকালৰ হাতীপটিৰ দ্বাৰা দ্বিধাবিভক্ত ৰমনীয় তৰা খচিত সুনিৰ্মল আকাশৰ দৰে আমাৰ সেতুৰ দ্বাৰা দ্বিধা বিভক্ত মলয় পৰ্বত পৰ্য্যন্ত বিস্তৃত ফেনিল জলৰাশি চোৱা" (১৩.২)। সমুদ্ৰৰ জলৰাশি, তাৰ ৰং, তাত আশ্ৰয় লোৱা মাছ -মগৰ, শংখ- সুক্তি আদিৰ বৰ্ণনা, তমাল আৰু তালবনেৰে নীলবৰ্ণহোৱা তটভূমিৰ দৃশ্য ইয়াত বিশদভাবে পোৱা যায়। ৰঘুবংশত পোৱা জনস্থান, পঞ্চৱতী, চিত্ৰকূট, সৰযুনদী আৰু গঙ্গা- যমুনাৰ সংগমৰ বৰ্ণনা ভাৰতীয় সাহিত্যৰ এক অনন্য সম্পদ বুলিব পাৰি। গঙ্গা প্ৰবাহ যমুনা তৰঙ্গৰ সৈতে লগ লাগি ক'ৰবাত উজ্জ্বল ইন্দ্ৰনীল মণিত গঁথা মুক্তামালাৰ দৰে, ক'ৰবাত মাজে মাজে নীলপদ্ম গাঁথি দিয়া শ্বেত পদ্মমালাৰ দৰে দেখাইছিল। আন কোনো ঠাইত অন্ধকাৰ খণ্ড খণ্ড কৰা ছায়া মিশ্ৰিত চন্দ্ৰৰ কিৰণৰ দৰে দেখাইছিল আৰু ক'ৰবাত ফাকে ফাকে নীলা আকাশ দেখা পোৱা শৰতৰ শুভ্ৰমেঘৰ দৰে আৰু ক'ৰবাত বা ক'লা ক'লা সাপে মেৰিয়াই থকা শিৱৰ ভস্ম সনা দেহৰ দৰে দেখাইছিল। গঙ্গাৰ শুভ্ৰ জলৰাশি যমুনাৰ কাজল স্ৰোতধাৰাৰ লগত মিহলি হোৱাৰ সময়ৰ এনে অপূৰ্ব ৰূপৰ বৰ্ণনা আন কোনো কবিৰ ৰচনাত পোৱা নাযায়। মানস সৰোবৰৰ পৰা উদ্ভৱ হোৱা সৰযুনদীৰ চিত্তাকৰ্ষক বৰ্ণনাও এই সৰ্গতে আগবঢ়োৱা হৈছে। পুনৰ ষোড়শ সৰ্গত কুশৰ জলবিহাৰ প্ৰসঙ্গত গ্ৰীষ্ম কালৰ দীৰ্ঘবৰ্ণনা পোৱা যায়।

নদী আৰু সাগৰৰ বৰ্ণনাত কালিদাসৰ বিলাস·মনকৰিবলগীয়া। তেওঁ মহানদী, গঙ্গা, যমুনা, নৰ্মদা, গোদাবৰীৰ বাহিৰেও মন্দাকিনী, সৰযু,সৰ স্বতী, সোণভদ্ৰা, তমসা, উধ্যা, ভিদ্যা মুৰুলা, মালিনী, বেত্ৰৱতী, নিৰ্বিন্ধ্যা, সিন্ধু,

সিপ্ৰা, গন্ধৱতী, গম্ভীৰা আৰু চৰ্মণ্বতী আদি সৰু নৈ আৰু জুৰিৰ বৰ্ণনাটো মনোনিবেশ কৰিছে। ৰঘুবংশত গংগা, যমুনা, সৰযু , মন্দাকিনীৰ প্ৰাধান্য মনকৰিবলগীয়া। তেনেদৰে পাহাৰ পৰ্বতৰ বৰ্ণনাতো কালিদাসৰ বৰ চখ। হিমালয়, চিত্ৰকূট, বিন্ধ্যা, ত্ৰিকূট, মলয়, দৰ্দুৰ, প্ৰস্ৰৱণ, ৰামগিৰি, কৈলাশ, আম্ৰকূট আৰু হেমকূট পৰ্বতৰ আকৃতি, বিস্তৃতি, গিৰি গুহা, কন্দৰ, শৃঙ্গ, নদ-নদী, বন- বননি একোৱেই বাদ পৰা নাই। তাৰ ভিতৰত হিমালয়ৰ প্ৰতি কালিদাসৰ আকৰ্ষণ অধিক। তেওঁ বিভিন্ন চিত্ৰবৰ্ণনাৰে হিমালয়ৰ বিভিন্ন শাখা- প্ৰশাখাৰ মৰ্য্যাদা, গাম্ভীৰ্য্য আৰু শোভা আগবঢ়াইছে। ৰঘুৰ দিগ্বিজয়ৰ বৰ্ণনাৰ বাদেও কুমাৰসম্ভৱ মহাকাব্য দেৱতাত্মা হিমালয়ৰ বৰ্ণনাৰে আৰম্ভ হৈছে। কালিদাসৰ ৰচনাত শাল, তাল, তমাল, চন্দন, খেজুৰ, পলস, পুন্নাগ, আম, খদিৰ, শমী, পিয়াল, আদি কৰি শতাধিক গছ লতাৰ নামোল্লেখ আৰু বিবৰণ পোৱা যায়। তেনেদৰে স্থলচৰ, জলচৰ আৰু নভচৰ অনেক প্ৰাণীৰ চমু পৰিচয়াত্মক উল্লেখ কবিজনৰ কাব্যত পোৱা যায়।

এনে সকল বিস্তৃত বৰ্ণনাৰ উপৰিও কালিদাসে প্ৰকৃতিক কবি কৌশলৰ বিভিন্ন আহিলাৰূপেও ব্যৱহাৰ কৰিছে। মানুহৰ লগত প্ৰকৃতিৰ নিবিড় সম্পৰ্ক স্থাপন কৰি মহাকবিজনাই প্ৰকৃততে মানুহৰে চৰিত্ৰৰ উৎকৰ্ষ সাধন কৰিছে। প্ৰথম সৰ্গতে বশিষ্ঠৰ আশ্ৰমত সেই সৌহাৰ্দ্যৰ আভাস পোৱা যায়। সন্ধ্যাপৰত তপোবনত উপস্থিত হোৱা দিলীপে দেখিবলৈ পালে ঋষিপত্নীসকলৰ হাতৰ পৰা নীবাৰ ধান খাবৰ বাবে তেওঁলোকৰ পুত্ৰসম মৃগকুল আহি কুটীৰৰ মুখত ভীৰ কৰিছেহি। বনৰ মাজত নন্দিনীক ৰক্ষা কৰিবলৈ দিলীপে নিজৰ প্ৰাণ আগবঢ়াই দিছে। বনবাসৰ কালত সীতাই পঞ্চবটীৰ পশু- পক্ষীসমূহক সন্তানবৎ প্ৰতিপালন কৰিছে। পৰিত্যক্তা সীতাৰ কান্দোনত বনভূমিও সমব্যথী হৈ পৰিল, ময়ুৰ বোৰে নাচিবলৈ এৰিলে, হৰিণবোৰে মুখৰ পৰা কুশবন পেলাই দিলে, গছৰ পৰা ফুল সৰি পৰিল (১৪.৬৯)। সেই সীতাকেই শোক পাহৰাই ৰাখিবৰ বাবে বাল্মীকিয়ে উপদেশ দিলে যে 'তোমাৰ শক্তি অনুসাৰে কলহত পানী আনি আশ্ৰমৰ গছ পুলি বোৰ ডাঙৰ কৰি তোলা। তাতে তুমি সন্তান জন্মৰ আগেই শিশুক স্তন্যদানৰ আনন্দ অনুভৱ কৰিবা'–

পয়োঘটৈৰাশ্ৰম বালবৃক্ষান্ সংবৰ্দ্ধয়ন্তী স্ববলানুৰূপৈঃ

অসং শয়ং প্রাক্ তনয়োপপত্তেঃ স্তনন্ধয় প্রীতিমবাস্যসি ত্বম।।১৪.৭৮।। মানুহ আৰু প্রকৃতিৰ আত্মীয়তা কালিদাসৰ প্রতিখন কাব্যৰ পাতে পাতে পোৱা যায়। শকুন্তলাৰ লগত আশ্রমৰ গছলতাৰ কেনে নিবিড় সম্পর্ক শকুন্তলা তাক নাটক খনৰ বিভিন্ন ঠাইত কোৱা হৈছে। তদুপৰি চতুর্থ অংকত শকুন্তলাৰ পতিগৃহলৈ বিদায় ল'বৰ সময়ত কন্বমুনিয়ে আশ্রমৰ গছলতিকাৰ পৰাও আশীৰ্বাদ বিচাৰি কৈছে--

পাতুং ন প্রথমং ব্যবস্যতি জলং যুষ্মাস্বপীতেষু যা
নাদত্তে প্রিয়মণ্ডনাপি ভরতাং স্নেহেন যা পল্লবম।
আদ্যে বঃ কুসুমপ্রসৃতিসময়ে যস্যা ভবত্যুৎসবঃ
সেয়ং যাতি শকুন্তলা পতিগৃহং সর্বৈরনুজ্ঞায়তাম।।৪ ৯।

'হেৰা তপোবনৰ তৰু সকল, তোমালোকে পানীখোৱাৰ আগতে যি পানী এটোপাকে মুখত নিদিয়ে, অলংকাৰ ভাল পায় যদিও তোমালোকৰ মৰমত যি গছপাত এটাও ছিঙি মূৰত নিপিন্ধে, তোমালোকৰ প্রথম ফুল ফুলাৰ সময়ত যাৰ এক মহান উৎসৱ হয়, সেই শকুন্তলা আজি পতিগৃহলৈ যাবলৈ ওলাইছে। তোমালোক সকলোৱে এই যাত্রাত অনুমোদন কৰি শুভেচ্ছা জনোৱাহক।'

কালিদাসে প্রকৃতিত মানুহৰ আচৰণ আৰোপ কৰি প্রকৃতিত চেতন বৃত্তান্ত প্রয়োগ কৰিছে। মানুহৰ দৰে প্রকৃতিৰ বিভিন্ন উপাদানে কান্দিছে, হাঁহিছে, ভয়ত আতুৰ হৈছে আৰু শৃংগাৰ লীলাও কৰিছে। উদাহৰণ স্বৰূপে কেইটামান প্রসঙ্গ ৰঘুবংশৰ পৰাই তুলি ধৰা হল। ৰঘুবংশৰ বসন্ত বৰ্ণনাত কৰিয়ে কৈছে-- বসন্তৰ চন্দ্রোদয়ত পাণ্ডুৰ মুখশ্ৰীৰে নিশাবধূ প্রিয়সমাগম সুখত বঞ্চিতা নায়িকাৰ দৰে ক্ষীণকায় হৈ ৰ'ল (৯.৩৮)। সমুদ্র বৰ্ণনাত সমুদ্ৰৰ অনন্যসাধাৰণ প্রিয়াসম্ভোগৰ কথা কৈছে-- তৰঙ্গৰূপ অধৰ প্রদানত দক্ষ এই সমুদ্ৰই স্বভাৱ প্রগল্‌ভা তটিনীবোৰৰ অধৰসুধা পান কৰে (১৩.৯)। ৰাৱণে সীতাক হৰণ কৰি যি পথেদি লৈ গৈছিল সেই পথ জনস্থানৰ লতাবাজিয়ে পল্লবযুক্ত শাখা সঞ্চালনেৰে বাদক দেখুৱাই দিছিল (১৩.২৪)। আকৌ সুৰনদীৰ তৰঙ্গস্পর্শত শীতল আকাশবায়ুৱে মধ্যাহ্নপৰত সীতাৰ মুখত বিৰিঙি উঠা ঘামৰ কণিকাবোৰ মচি দিছিল(১৩.২০)। মলয় সমীৰত ডালপাত নচুৱাই সহকাৰ লতাবোৰে যেন নৃত্যাভিনয় অভ্যাসহে কৰিছিল(৯.২৯)।

কাব্যৰ অলংকাৰ প্ৰস্তুত কৰিবলৈ কালিদাসে প্ৰকৃতিৰ বিভিন্ন সামগ্ৰীত সাদৃশ্য বিচাৰি ফুৰে। শকুন্তলাৰ দেহশ্ৰীৰ উপমা বিচাৰি কৰিয়ে প্ৰকৃতিৰ কাষ চাপিছে—

অধৰঃ কিসলয়ৰাগঃ কোমলবিটপানুকাৰিণৌ বাহূ।
কুসুমমিৱ লোভনীয়ং যৌৱনমঙ্গেষু সন্নদ্ধম্।।

(তেওঁৰ ওঁঠ কুহিপাতৰ দৰে, বাহুদুটি কোমল গছ শাখাৰ দৰে, তেওঁৰ গোটেই শৰীৰতে ফুলৰ দৰে লোভনীয় যৌৱন যেন সানি থোৱা আছে।)

ৰঘুবংশৰ আধাতকৈও বেছি শ্লোকত অৰ্থালংকাৰৰ প্ৰয়োগ ঘটিছে আৰু তাৰ বেছিভাগৰে আধাৰ হ'ল বিভিন্ন প্ৰাকৃতিক উপাদান। ৰঘুবংশৰ পৰা এনে উপমাৰ উদাহৰণ দি শেষ কৰিব নোৱাৰি তথাপি দুটিমান তেনে উপমালৈ আঙুলিয়াই দিয়া হল।

প্ৰজানামেৱ ভূত্যৰ্থং স তাভ্যো বলিমগ্ৰহীৎ
সহস্ৰগুণমুৎস্ৰষ্টুমাদত্তে হি ৰসং ৰবিঃ।।১.১৮।।

"(প্ৰজাৰ হিতৰ বাবেই (জনকল্যানৰ বাবে) দিলীপে তেওঁলোকৰ পৰা কৰ সংগ্ৰহ কৰে। যেনেকৈ সহস্ৰগুণ (বৰষুণ) দিবৰ বাবেই সূৰ্য্যই পৃথিৱীৰ পৰা বাষ্প ৰূপে জল সংগ্ৰহ কৰে।)" আকৌ দিলীপ আৰু সুদক্ষিণাৰ যুগ্মমূৰ্ত্তিৰ বাবে উপমান আনি কৈছে—

কাপ্যভিখ্যা তয়োৰাসীদ্ ব্ৰজতোঃ শুদ্ধৱেশয়োঃ।
হিমনিৰ্মুক্তয়োৰ্যোগে চিত্ৰাচন্দ্ৰমসোৰিৱ।।১.৪৬।।

শীতৰ শেষত (হিমমুক্ত আকাশত) চিত্ৰানক্ষত্ৰ আৰু চন্দ্ৰৰ মিলনত যি অপূৰ্ব শোভা হয়, শুদ্ধবেশে (বশিষ্ঠৰ আশ্ৰমলৈ) যাত্ৰাকৰা তেওঁলোক দুজনৰ সংযোগতো তেনে শোভাই হৈছিল। পুনৰ বনৰ পৰা উভটি অহা নন্দিনীক আশ্ৰমৰ দুৱাৰ মুখৰ পৰা সুদক্ষিণাই আগবঢ়াই আনিছিলগৈ। তেনে সময়ত নন্দিনীৰ আগে আগে সুদক্ষিণা আৰু পিছে পিছে দিলীপক দেখিবলৈ এনে লাগিছিল--

পুৰস্কৃতা ৱৰ্ত্মনি পাৰ্থিৱেন প্ৰত্যুদগতা পাৰ্থিৱধৰ্মপত্ন্যা।
তদন্তৰে সা বিৰৰাজ ধেনুৰ্দিনক্ষপামধ্যগতেৱ সন্ধ্যা।।২.২০।।

"(পথত ৰজাই নন্দিনীকআগত লৈ আহিছিল আৰু ৰজাৰ ধৰ্মপত্নীয়ে তেওঁক

প্ৰত্যুদ্গমণ কৰি আগে আগে গৈছিল, দুয়োজনৰ মাজত সেই ধেনু দিন আৰু ৰাতিৰ মাজত থকা সন্ধ্যাৰ দৰে শোভা পাইছিল।)" কোনো কোনো ঠাইত একে লেঠাৰীয়ে এনে উপমাৰে সজোৱা এলানি শ্লোক চকুত পৰে। অজ-ইন্দুমতীৰ বিবাহ অনুষ্ঠানৰ বিষয়ে কবলৈ গৈ কালিদাসে কৈছে— ক্ষৌমবস্ত্র পৰিহিত অজক অন্তঃপুৰৰক্ষী সকলে বধূৰ ওচৰলৈ লৈ গল, ঠিক নবোদিত চন্দ্ৰৰ কিৰণৰাশিয়ে যেনেদৰে ফেনিল সমুদ্ৰক বেলাভূমিৰ ওচৰলৈ লৈ যায়। নববধূৰ হাতত ধৰা ৰাজকুমাৰক এনে লাগিছিল যেন অশোকলতাৰ কুমলীয়া ডালবোৰে ওচৰতে থকা আমগছৰ ডালকেহে মেৰিয়াই ধৰিলে। জ্বলন্ত অগ্নি প্ৰদক্ষিণৰ সময়ত বিবাহৰ লগ্নগ্ৰন্থিৰে সংযুক্ত সেই দম্পতীক মেৰুক প্ৰদক্ষিণ কৰা দিন আৰু ৰাতিৰ দৰে লাগিছিল। বিধাতা প্ৰতিম গুৰুৰ নির্দেশ মতে লজ্জাৱতী নিতম্বিনী ন - কইনাই মত্ত চকোৰ চৰাইৰ দৰে চকু তুলি হোমৰ জুইত আখৈ দিলে। হিংস্ৰপ্ৰাণীক লুকাই ৰাখি ওপৰত নির্মল জলৰাশিৰে শোভা কৰা সৰোবৰৰ দৰে বাহিৰত শান্ত আৰু আনন্দৰ ভাব দেখুৱাই সয়ম্বৰৰ অভ্যাগত ৰজাসকলে মনৰ সকলো ক্ষোভ গোপনে ৰাখিলে(৭.১৯-৩০)। এনে সাদৃশ্যমূলক অলংকাৰ ৰঘুবংশৰ পৰা যে কিমান বুটলি আনিব পাৰি তাক ওপৰে ওপৰে অনুমান কৰিব পৰা নাযায়। কাব্যৰ বর্ণনীয় বিষয় যিয়ে নহওক কালিদাসে তাৰ মাজলৈ প্ৰকৃতিক টানি আনিবই, এয়ে তেওঁৰ বিশেষত্ব। প্ৰকৃতিৰ পৰশ অধিককৈ পৰা বাবেই কালিদাসৰ কাব্য একেসময়তে সূর্য্যৰ দৰে ভাস্বৰ, চন্দ্ৰৰ দৰে নির্মল, পর্বতৰ দৰে উচ্চ, নদীৰ দৰে প্ৰাণবন্ত, সাগৰৰ দৰে বিশাল, ফুলৰ দৰে স্নিগ্ধ আৰু গছবিৰিখৰ দৰে সদাশ্যামল।

ৰঘুবংশত প্ৰেম

কালিদাস প্ৰেমৰ কবিৰূপে প্ৰসিদ্ধ। তেওঁৰ প্ৰতিখন কাব্যতে প্ৰেমগাঁথা প্ৰণীত হৈছে। প্ৰেমেই তেওঁৰ জীৱনদৰ্শনৰ আধাৰ আছিল। মহাকবিয়ে তেওঁৰ সাহিত্যত এখন বিশাল প্ৰেমৰ সাগৰ ৰচি থৈ গল আৰু পুৰুষ নাৰী, যোগী তপস্বী, পশু- পক্ষী, গছ লতা সকলো সেই প্ৰেম সাগৰত অৱগাহন কৰি পৰিতৃপ্ত হল। কালিদাসৰ বাবে প্ৰেম শব্দৰ অৰ্থ অতি ব্যাপক। তেওঁ ৰস, ৰসাভাস, ভাৱ, ভাৱাভাস, সখ্য, বাৎসল্য আদি সকলোবোৰক একাকাৰ কৰি প্ৰেমৰ মহিমা বঢ়াইছে। এই ৰস, ৰসাভাস, ভাৱ, ভাৱাভাস আদি সকলোবোৰ মানুহৰ মনত লুকাই থকা 'ৰতি' নামৰ স্থায়ীভাৱটিৰ পৰা উদ্ভৱ হোৱা এৰেটি অনুভূতি। মনৰ অনুকূল বিষয়ৰ প্ৰতি মনৰ একান্ত প্ৰৱণতাই হল ৰতি[১]। এনে প্ৰবল অনুভূতি প্ৰৱণতাৰ বিষয়বস্তু পুৰুষ বা নাৰী হ'লে তাক শৃংগাৰ ৰস বোলা হয়। এনে ৰতি দেৱ বিষযক, ৰাজবিষয়ক, দেশবিষয়ক হলে তাক ভাৱ বোলা হয়। কাৰণ দেৱাদি বিষয়ক ৰতিয়ে অনুকূল বিভাৱাদিৰ অভাৱত পৰিপুষ্টি লাভ কৰিব নোৱাৰে বাবে সি ভাৱৰূপতে থাকি যায়। স্থায়ীভাৱে বিভাৱ, অনুভাৱ, ব্যভিচাৰীভাৱ আদিৰ সহায়ত পৰিপুষ্টি লাভ কৰিলে ৰস হয়[২], কিন্তু পৰিপুষ্ট নোহোৱা কেৱল আৱিৰ্ভাৱ হোৱা স্থায়ীভাৱ একেৰূপতে থাকি গ'লে তাক ভাৱ বোলা হয়। এই ৰস আৰু ভাৱৰ সামগ্ৰিক প্ৰকাশ নঘটি যদি আংশিক প্ৰকাশ ঘটে অৰ্থাৎ নিৰ্দিষ্ট ৰস আৰু ভাৱৰ বাবে আৱশ্যকীয় বিভাৱ, অনুভাৱ, ব্যভিচাৰীভাৱ আদি সম্পূৰ্ণৰূপে বিদ্যমান নহয়, তেনেহলে ৰসে বা ভাৱে পৰিপূৰ্ণতা লাভ কৰিব নোৱাৰে। তাত কেৱল ৰস বা ভাৱৰ আভাসহে থাকে, তেতিয়া তাক ক্ৰমে ৰসাভাস আৰু ভাৱাভাস বুলি কোৱা হয়[৩]। সেইদৰে ইতৰ

১। ৰতিৰ্মনোঽনুকূলেঽৰ্থে মনসঃ প্ৰৱণায়িতম্ সাহিত্য দৰ্পণ,.১৭৬.

২। বিভাৱানুভাৱ ব্যভিচাৰী সংযোগাদ্ ৰসনিষ্পত্তি নাট্যশাস্ত্ৰ।

৩। এই বিষয়ৰ বিশদ আলোচনাৰ বাবে সাহিত্যদৰ্পণ, ৩ য় পৰিচ্ছেদ দ্ৰষ্টব্য

প্ৰাণীৰ শৃংগাৰ, নায়ক নায়িকাৰ অসম্পূৰ্ণ নতুবা একপক্ষীয় শৃংগাৰ হ'লে সি শৃংগাৰ ৰসাভাস হ'ব। ৰতি সখীনিষ্ঠ হ'লে তাক সখ্য বোলা হয়। তেনেদৰে ৰতি অপত্য বিষয়ক হ'লে তাক বাৎসল্য বোলা হয়।আলংকাৰিক ভোজৰাজৰ মতে এই ৰতি হ'ল আত্মৰতি। আত্মৰতি বা অহংকাৰ বোলা স্থায়ীভাবটিয়েই হ'ল সকলো ৰসৰে (অৰ্থাৎ আন আলংকাৰিকসকলে স্বীকাৰ কৰা শৃংগাৰ, হাস্য, করুণ, ৰৌদ্ৰ, বীৰ আদি ৰসৰ) মূল। ভোজৰাজে তেওঁৰ সৰস্বতীকণ্ঠাভৰণ নামৰ অলংকাৰ গ্ৰন্থত কৈছে—"যি অৰ্থ থকাৰ ফলত কাব্য কমনীয় হৈ উঠে, সেই অৰ্থকে ৰস বোলে। সেই ৰসকে অভিমান, অহংকাৰ আৰু শৃংগাৰ নামেৰে অভিহিত কৰা হয়।

ৰসোহভিমানোহহংকাৰঃ শৃংগাৰ ইতি গীয়তে।
যোহৰ্থঃ তস্যান্বয়াৎ কাব্যং কমনীয়ত্বমশ্নুতে।।৫.১।।

এই সূত্ৰত শৃংগাৰবোলা শব্দটোৱে স্ত্ৰী- পুৰুষৰ মাজৰ প্ৰেমক বুজোৱা নাই। এই শৃংগাৰ হ'ল অহংকাৰ বা আত্মৰতি। ই মানুহৰ হৃদয়ত সুপ্তহৈ থকা আদিম অহংকাৰাত্মক অভিমান। ভোজৰাজৰ মতে- তচ্চাত্মনোহহংকাৰগুণ বিশেষং ব্ৰূমঃ। স শৃংগাৰঃ সোহভিমানঃ স ৰসঃ। তত এতে ৰত্যাদয়ো জায়ন্তে (শৃংগাৰ প্ৰকাশ ১১ শ প্ৰকাশ)। মানুহে নিজকে নিজে ভাল পায় কাৰণেহে নিজৰ প্ৰেমিকাক ভালপায়, নিজৰ দেশক ভাল পায়, পিতৃ মাতৃক ভালপায় বা কোনো দেৱতাক ভাল পায়। কাৰণ তেনেবোৰক ভালপোৱাৰ পৰা তেওঁৰ নিজৰেই তৃপ্তি সাধন হয়। নিজৰ সন্তানৰ বিপদ বিঘিনি হ'লে পিতৃ মাতৃয়ে নিজে অতি দুখ পায়। নিজক তেনে দুখৰ পৰা বচাই ৰাখিবলৈকে সন্তানৰ হিত চিন্তি কাম কৰে। (সাধাৰণ ভাৱে চাবলৈ গ'লেও দেখা যায় যে সকলো পিতৃ মাতৃয়ে সন্তানক কয়, তোৰ এনে বিপদ হ'লে মই বৰ দুখ পাম, গতিকে তই এনে কাম নকৰিবি। তাৰ সলনি তোৰ এনে হ'লে তই বৰ দুখ পাবি ইত্যাদি বুলি নকয়।) তাৰমানে নিজৰ সুখ বা তৃপ্তি অটুট ৰাখিবৰ বাবেহে মানুহে সন্তান, বন্ধু, প্ৰেমিকা আদিৰ প্ৰতি মৰম, ভালপোৱা বা স্নেহ পোষণ কৰে। এই সত্য উপলব্ধিটিক বৃহদাৰণ্যক উপনিষদ কৈছে— ' আত্মনস্তু কামায় সৰ্বং প্ৰিয়ং ভৱতি।" এই আত্মৰতি বোলা ভাৱটি সকলো ভাৱৰে মূলগত বা উৰ্দ্ধত থাকে

বাবে তাক শৃংগাৰ বুলি কোৱা হয়। ওপৰত দেখুওৱাৰ দৰে সখ্য, বাৎসল্য, প্ৰেম আদিৰ লগতে বীৰ, হাস্য, ৰৌদ্ৰ আদি ৰসৰো মূলতে আছে আত্মৰতি। এই কথা বুজাবলৈ গৈ ভোজৰাজে এনেদৰে কৈছে– সৰ্বেষামপি হি ৰত্যাদিপ্ৰকৰ্ষাণাং ৰতিপ্ৰিয়ো ৰণপ্ৰিয়ঃ পৰিহাসপ্ৰিয়ঃ অমৰ্ষপ্ৰিয় ইতি প্ৰেম্ণোৰ পৰ্যৱসানং ভৱতি (সৰস্বতীকণ্ঠাভৰণ ৫ ম পৰিচ্ছেদ)। অৰ্থাৎ বীৰপুৰুষ এজনে যুদ্ধ কৰে কাৰণ তেওঁ ৰণপ্ৰিয় (তাৰপৰা নিজে তৃপ্তি পায়)। প্ৰেমিকে প্ৰেমিকাক ভালপায় কাৰণ তেওঁ ৰতিপ্ৰিয়, বহুৱা লোকে আনক ইহুৱাই ভালপায়, কাৰণ তেওঁ পৰিহাসপ্ৰিয়, খঙাল যুৱকজনে খংকৰে কাৰণ তেওঁ অমৰ্ষপ্ৰিয়(খং কৰি নিজে তৃপ্তি লাভ কৰে, আনে যে বেয়া পাইছে সেই কথা নাভাবে)। এইদৰে ৰতি, শোক, হাস আদি সকলোবোৰ স্থায়ীভাৱ সৰ্বশেষত ভালপোৱা বা প্ৰেমতে পৰ্যৱসিত হয়গৈ। তেনেদৰে ভোজৰাজৰ মতে শাস্ত্ৰস্বীকৃত সকলো ৰসৰে মূল হেতু হৈছে আত্মৰতি। ভোজৰাজৰ দৰে কৰ্ণপূৰে তেওঁৰ অলংকাৰকৌস্তুভ গ্ৰন্থতো ইয়াকে প্ৰতিপন্ন কৰিব খুজিছে যে সকলো ৰস প্ৰেমৰসৰ অন্তৰ্গত 'প্ৰেমৰস এৱ সৰ্বে ৰসা অন্তৰ্ভৱন্তি ইত্যত্ৰ মহীয়ানেব প্ৰপঞ্চঃ' (৫.৭৫)। এনেদৰে ভোজৰ দৰে কৰি কৰ্ণপূৰেও সকলো ৰসৰে শৃংগাৰমূলকতা, ৰতিমূলকতা বা প্ৰেমমূলকতা স্বীকাৰ কৰিছে। তেনেদৰে অভিনৱগুপ্তই ৰসৰ শান্তমূলকতা, ৰাঘৱাচাৰ্য্যই ৰসৰ করুণমূলকতা আদি মতবাদ প্ৰতিষ্ঠা কৰিবলৈ যুক্তি আগবঢ়াইছে কিন্তু এই আলোচনাৰ পৰিসৰৰ ভিতৰত নপৰে বাবে সেই বিষয়বোৰ ইয়াত আলোচনা কৰা নহ'ল। কিন্তু ভোজৰাজ আৰু কৰ্ণপূৰক পাতনিতে পৰিচয় কৰাই দিয়া হ'ল এই কাৰণেই যে তেওঁলোকে প্ৰেমকে সকলো ৰসৰে মূল বুলি ভাবে আৰু আনহাতেদি ৰসসৃষ্টিয়েই হৈছে সংস্কৃত কাব্যৰ প্ৰধান লক্ষ্য। কালিদাসো ৰসজ্ঞ কৰি আৰু তেওঁৰ কাব্যতো সকলোতে প্ৰেমৰে পৰিস্ফুৰণ ঘটিছে– এনে লাগে, যেন কালিদাসে সকলো ৰস, ভাব আদিক প্ৰেমৰে বিবৰ্ত্তিত প্ৰকাশ বুলি ক'ব খোজে। এনেদৰে ৰতি বোলা স্থায়ী ভাবটিৰ ধাৰণা সম্পৰ্কে কালিদাস আৰু ভোজৰাজৰ মত সাদৃশ্য আছিল যেন বোধ হয়।

কালিদাসেও বোধকৰো ৰতিক কেৱল শৃংগাৰৰ (স্ত্ৰী পুৰুষৰ প্ৰেমৰ) উৎস বুলিয়েই ভৱা নাছিল। বিশেষকৈ ৰঘুবংশ পঢ়াৰ পিছত এনে অনুমান হয়

যেন সাধাৰণভাৱে বুজাৰ দৰে কালিদাসৰ দৃষ্টিত প্ৰেম কেৱল ইন্দ্ৰিয়াসক্তি নহয়। সেয়েহে কালিদাসৰ প্ৰতিখন গ্ৰন্থতে নায়ক নায়িকাৰ বিচ্ছেদকালীন প্ৰেম অধিক মনোৰমকৈ চিত্ৰিত হৈছে। আনকি ইয়াত মৃত্যুৱেও প্ৰেমৰ উদ্দাম স্ৰোতক বাধা দিব পৰা নাই– অজ- ইন্দুমতী তাৰ প্ৰমাণ। তাৰ বিপৰীতে কালিদাসে ঘোষণা কৰিছে যে কায়িক মোহ প্ৰেম নহয়, সি স্বাৰ্থপৰতাৰ নামান্তৰ আৰু তাৰ পৰিণতি অনিবাৰ্য পতন- অগ্নিবৰ্ণ তাৰ প্ৰমাণ। কালিদাসৰ প্ৰেমৰ ৰুচিয়েই সুকীয়া। তেওঁৰ মতে মিলনৰ আনন্দতকৈ মিলনৰ বাবে আগ্ৰহ আৰু অপেক্ষা অধিক মধুৰ। (সেইবাবেই মেঘদূত আৰু শকুন্তলা অধিক উপাদেয় কাব্য)। তপস্যাৰ দ্বাৰাহে প্ৰেমৰ পৰিশুদ্ধি আৰু উত্তৰণ ঘটে। তাকে প্ৰমাণ কৰিবলৈ কালিদাসৰ নায়ক- নায়িকা সকলে বিচ্ছেদৰ অগ্নিসাঁকো অতিক্ৰম কৰি প্ৰেমৰ সংস্কৃতৰূপ দেখুৱাবলগীয়া হৈছে।

ভৰত মুনিকে ধৰি সকলোবোৰ আলংকাৰিকে স্ত্ৰী আৰু পুৰুষৰ মাজত থকা প্ৰেমক শৃংগাৰ বুলিছে আৰু ইয়াক নৱ ৰসৰ ভিতৰত এবিধ বুলি আখ্যা দিছে। শৃংগ শব্দৰ অৰ্থ হল কামনাৰ উদ্ৰেক হোৱা। শৃংগ উদ্ভৱৰ কাৰণ স্বৰূপ উত্তম অৱলম্বন বিশিষ্ট ৰসেই শৃংগাৰ ৰস।

শৃঙ্গং চ মন্মথোদ্ভেদ স্তস্যাগমনহেতুকঃ।
পুৰুষ প্ৰমদাভূমিঃ শৃঙ্গাৰ ইতি গীয়তে।। (শৃংগাৰ প্ৰকাশ, ২ য় খণ্ড)

নায়ক- নায়িকাই পৰস্পৰক আলম্বন কৰি যি ৰতি নামৰ ভাবটি চন্দ্ৰ, চন্দন, ভ্ৰমৰগুঞ্জন আদিৰ দ্বাৰা উদ্দীপিত হৈ কটাক্ষ দৃষ্টি, লাজত ৰঙা পৰা, হাঁহি আদি অনুভাৱৰ দ্বাৰা সামাজিকৰ প্ৰতীতিযোগ্য হয় আৰু আলস্য, ৰোমাদ্গম আদিৰ দ্বাৰা সঞ্চাৰিত হৈ আস্বাদিত হয় তাকে শৃংগাৰ ৰস বোলে। এই ৰস দুই প্ৰকাৰৰ সম্ভোগ আৰু বিপ্ৰলম্ভ। পৰস্পৰৰ প্ৰতি অনুৰক্ত নায়ক-নায়িকাই মিলিত অৱস্থাত যি আলাপ, দৰ্শন, স্পৰ্শ, আদিৰ দ্বাৰা শৃংগাৰ প্ৰদৰ্শন কৰিলে তাক সম্ভোগ শৃংগাৰ বোলা হয়। যি ক্ষেত্ৰত নায়ক-নায়িকাৰ ৰতি অতিশয় প্ৰবল কিন্তু অভীষ্ট ব্যক্তিৰ সঙ্গলাভ হোৱা নাই তেনে ক্ষেত্ৰত বিপ্ৰলম্ভ শৃংগাৰ হয়। ৰঘুবংশৰ প্ৰথম, তৃতীয়, ষষ্ঠ, ত্ৰয়োদশ, ষোড়শ উনবিংশ আদি সৰ্গত সম্ভোগ আৰু সপ্তম, ত্ৰয়োদশ আদিত বিপ্ৰলম্ভৰ উপচিতি সাৰ্থক ভাৱে ঘটিছে।

কালিদাসে তেওঁৰ কাব্যকৃতিত দিব্য, অদিব্য আৰু দিব্যাদিব্য আদি বিভিন্ন শ্ৰেণীৰ আৰু বিভিন্ন বয়সৰ নায়ক নায়িকাৰ মাজত মিলন, বিচ্ছেদ আৰু পুনৰ্মিলন বচিছে। ফলত তেওঁৰ ৰচনাত প্ৰেমৰ বিচিত্ৰ ৰূপ দেখিবলৈ পোৱা যায়। মেঘদূতত নায়ক -নায়িকা পৰস্পৰাশ্ৰিত প্ৰেমত ব্যাকুল আৰু অন্ধ। বিক্ৰমোৰ্বশীয়তপ্ৰেমৰ বাবে স্থানভ্ৰষ্টা অথচ অনাসক্তা দিব্য নায়িকাৰ আকৰ্ষণত মৰ্ত্ত্যৰ নায়ক আতুৰ। মালবিকাগ্নিমিত্ৰত বহুপত্নীক অগ্নিমিত্ৰৰ ষোড়শী যুৱতী নায়িকাৰ প্ৰতি থকা প্ৰেমৰ স্বৰূপ আৰু বিচিত্ৰ। কুমাৰসম্ভৱত দিব্য নায়ক- নায়িকাৰ গুৰু গম্ভীৰ প্ৰেম চিত্ৰিত হৈছে। অভিজ্ঞানশাকুন্তলত তৰল পাৰ্থিব প্ৰেমৰ উত্তৰণ ঘটিছে অপাৰ্থিব প্ৰেমলৈ। আৰু ৰঘুবংশত প্ৰেমৰ এই বিবিধৰূপৰ সমন্বয় সাধিত হৈছে।

ৰঘুবংশ হৈছে ৰাজচৰিত্ৰাৱলী, আন আন কাব্যৰ দৰে ইয়াত এক অখণ্ড কাহিনী পাবলৈ নাই। এখন কাব্যৰ ভিতৰতে একাধিক নায়ক- নায়িকাৰ কাহিনী কৱলগীয়া হোৱা বাবে কোনোটো কাহিনীকে বীজৰ পৰা পৰিণতি লৈকে পূৰ্ণাঙ্গ ৰূপত দেখুৱাব পৰা হোৱা নাই কিন্তু একাধিক কাহিনীত প্ৰেমৰ বৈচিত্ৰ্য চিত্ৰন কৰিবলৈ সুবিধা পাইছে। কেৱল ৰামসীতাৰ প্ৰেম কথাক ইয়াত কিছু বিস্তৃত ৰূপত পৰিবেশন কৰা হৈছে। তদুপৰি ৰঘুবংশৰ প্ৰধান ৰস বীৰ, শৃঙ্গাৰ নহয়। টুকুৰা টুকুৰ কাহিনীৰ মাজতে প্ৰেমৰ কবি কালিদাসে দুয়োবিধ শৃংগাৰ ৰসৰ সফল ৰূপায়ণ কৰি গৈছে। কিন্তু দুষ্যন্ত- শকুন্তলা, পুৰুৰৱা- উৰ্বশী, অগ্নিমিত্ৰ -মালবিকা আৰু বহু বহুপত্নীৰ দৰে উদ্ভ্ৰান্ত প্ৰেমক এই কাব্যত প্ৰশ্ৰয় দিয়া হোৱা নাই। ইয়াত অবিবাহিত তৰুণ- তৰুণীৰ চপল প্ৰেমৰ চিত্ৰন কৰা হোৱা নাই, বৰং পৰিণত বয়সৰ বিবাহিত দম্পতীৰ সংযত প্ৰেমৰ চিত্ৰনৰ দ্বাৰা প্ৰেমৰ সত্যাৰ্থ নিৰূপণ কৰিবলৈ চেষ্টা কৰা হৈছে।

ৰঘুবংশৰ প্ৰথম শ্লোকতে শব্দ আৰু অৰ্থৰ দৰে সদা সংযুক্ত জগতৰ জনক- জননী পাৰ্বতী- পৰমেশ্বৰৰ স্তুতিৰে কালিদাসে স্বামী- স্ত্ৰীৰ নিবিড় অন্তৰংগতা প্ৰতিপন্ন কৰিছে। ৰঘুবংশৰ ৰজাসকলৰ বাবে কাম হল শৃংখলাবদ্ধ জীৱনৰ চতুৰ্পুৰুষাৰ্থৰ এটা স্তৰ। তেওঁলোকে যৌৱনকালত অনাসক্ত হৈ বিষয়ভোগ কৰে। সন্তান প্ৰাপ্তিৰ বাবে বিবাহ কৰায়, কাম চৰিতাৰ্থৰ বাবে নহয়। সন্তান কামনা কৰে বংশৰক্ষাৰ বাবে, ৰাজ্যৰক্ষাৰ বাবে আৰু পিতৃঋণ পৰিশোধ

কৰিবৰ বাবে। তেওঁলোকৰ সকলোবোৰে এবাৰেই পাণিগ্ৰহণ কৰিছে। আৰু একপত্নীত হৃদয়-সমৰ্পন কৰিছে। দশৰথে সন্তান প্ৰাপ্তিৰ বাবে তৃতীয় বিবাহ কৰাব লগীয়া হৈছে। ৰঘুবংশীয় ৰজাসকল পৰস্ত্ৰী বিমুখ "আচক্ষ মত্বা বশিনাং ৰঘুনাং মনঃ পৰস্ত্ৰী বিমুখ প্ৰবৃত্তিঃ" (১৬.৮)। কিন্তু সেইবুলি এই কাব্যৰ চৰিত্ৰসমূহ যে কেৱল যান্ত্ৰিক কৰ্ত্তব্যানুৰাগীহে তেনে নহয়। ইয়াৰ স্ত্ৰী- পুৰুষ প্ৰতিটি চৰিত্ৰৰে একোখন প্ৰেমাৰ্দ্ৰ হৃদয়ৰ পৰিচয় কালিদাসে দিছে।

প্ৰথম দুটা সৰ্গত ব্ৰতচাৰী দিলীপৰ সংযত অথচ গভীৰ প্ৰেমৰ ইঙ্গিত পোৱা যায়। দিলীপ আৰু সুদক্ষিণাৰ সম্বন্ধ শ্ৰুতি আৰু স্মৃতিৰ দৰে নিবিড়— 'শ্ৰুতেৰিবাৰ্থ স্মৃতিৰন্বগচ্ছৎ' নন্দিনীক লৈ বনৰ পৰা উভটি অহা দিলীপক সুদক্ষিণাই নিৰ্নিমেষ নয়নেৰে যেন পানহে কৰে—

বশিষ্ঠধেনোৰনুযায়িনং তম্
আবৰ্তমানং বনিতা বনান্তৎ।
পপৌ নিমেষালসপক্ষ্মপংক্তি
ৰুপোষিতাভ্যামিব লোচনাভ্যাম্।।২.১৯।।

'বনৰ পৰা ঘূৰি অহা বশিষ্ঠ ধেনুৰ অনুগামী সেই ৰজাক বনান্তৰ পৰা তেওঁৰ পত্নীয়ে উপবাসী নয়নেৰে যেন পাণহে কৰিলে। ৰজাৰ দৰ্শণৰ বাবে ব্যাকুল সেই দুই নয়ন যেন পলক পেলাবলৈয়ো অলস।' মিতভাষী মহাকৱিয়ে শ্লোকটিৰ শেষৰ দুটি চৰণতে ব্ৰতচাৰিণী সুদক্ষিণাৰ প্ৰেমাতুৰ হৃদয়ৰ উমান দিছে। দুয়োৰে প্ৰেমৰ কিছু অংশ ৰঘুৱে অধিকাৰ কৰিলেও তেওঁলোকৰ পৰস্পৰাশ্ৰিত প্ৰেম বৃদ্ধিহে পালে। ষষ্ঠসৰ্গত ইন্দুমতীৰ সয়ম্বৰ সভাত কামুক ৰজাসকলৰ বিকৃত প্ৰেমৰুচি দেখিবলৈ পোৱা যায়। কালিদাসে মুকলিকৈ কৈছে— ইন্দুমতীৰ প্ৰতি মনোগত অভিলাষ লৈ ৰজাসকলে প্ৰেম নিবেদনৰ অগ্ৰদূতীৰূপে বিভিন্ন প্ৰণয়চেষ্টা প্ৰকাশ কৰিলে—

তাং প্ৰত্যভিব্যক্ত মনোৰথানাং
মহীপতীনাং প্ৰণয়াগ্ৰদূত্যঃ।
প্ৰবালশোভা ইব পাদপাণাং
শৃঙ্গাৰ চেষ্টা বিবিধা বভূবুঃ।।৬.১২।।

অজ- ইন্দুমতীৰ সংযোগ যেন মণিকাঞ্চনৰহে সংযোগ 'বৃণীধ্ব ৰত্নং

সমাগচ্ছতু কাঞ্চনেন'। অজইন্দুমতীৰ এনে সুন্দৰ জোৰা, যে তাক দেখি পুৰবাসী সকলে মন্তব্য কৰিছে যদি প্ৰজাপতিয়ে কমনীয় কান্তিৰ এই তৰুণ তৰুণী যুগলৰ মিলণ নকৰিলেহেতেন তেনেহলে দুইজনকে ইমান সুন্দৰ কৰি গঢ়াৰ প্ৰয়াসেই ব্যৰ্থ হ'লহেতেন। এই দুই প্ৰেমিক প্ৰেমিকা যেন এজন আনজনৰ পৰিপূৰকহে আছিল। ইন্দুমতীৰ মৃত্যুত অজৰ মৰ্মস্পৰ্শী বিলাপৰ মাজেদি প্ৰেমিক অজৰ পৰিচয় পোৱা যায়। ইন্দুমতীয়ে তেওঁৰ হৃদয় জুৰি আছিল। ইন্দুমতীক হেৰুৱাই যেন অজ নিঃস্ব হৈ পৰিল। ইন্দুমতী কেৱল তেওঁৰ প্ৰেমিকাই নহয়,গৃহিনী সচিব, সখী আৰু শিষ্যা স্বৰূপা। ইন্দুমতীৰ অবিহনে তেওঁৰ জীৱণ ধাৰণৰ স্পৃহাও নোহোৱা হল। কেৱল শিশু দশৰথৰ পালন পোষণৰ বাবে অজই জীৱণ ধাৰণ কৰি থাকিল। কিন্তু শেষত স্বৰ্গত ইন্দুমতীৰ সান্নিধ্য আশা কৰি উপবাসেৰে তনুত্যাগ কৰিলে। অজৰ চৰিত্ৰত পাৰ্থিব প্ৰেমিকৰ ছবিখন উদ্ভাসি উঠা দেখা যায়।

ৰামৰ চৰিত্ৰত কালিদাসে প্ৰেম আৰু কৰ্তব্যৰ সংঘাত ফুটাই তুলিছে জনকৰ ৰাজসভাত বীৰত্ব প্ৰদৰ্শনেৰে জয় কৰি অনা সীতা তেওঁৰ কাৰণে দিগ্বিজয়ত লাভ কৰা সসাগৰা পৃথিবীৰ সমান। দুয়ো অভিন্নহৃদয় যুৱাৱস্থাতো ৰামৰ প্ৰেমত তৰলতা নাই। কিন্তু সেইবুলি প্ৰেমৰ প্ৰতিদ্বন্দ্বীক তেওঁ সহ্য কৰিব পৰা নাই। প্ৰেমৰ পৰা ওপজা মান, অভিমান, ইৰ্ষা আদিকো কালিদাসে মনোগ্ৰাহীকৈ প্ৰকাশ কৰিছে। মধ্যাহ্নৰ উত্তাপত সীতাৰ মুখত বিন্দু বিন্দু ঘাম ওলাইছে। শীতল বায়ুৱে তাক মচি দিছে। বায়ুৱে সীতাৰ অংগস্পৰ্শ কৰাটো ৰামে সহ্য কৰিব পৰা নাই। ৰামৰ ইৰ্ষাজাত অভিমান প্ৰকাশ পাইছে (১৩.১৫)। ত্ৰয়োদশ সৰ্গত সীতাৰ আগত ৰামে যি স্মৃতিচাৰণ কৰিছে তাত তেওঁলোকৰ নিবিড় মহূৰ্ত্তবোৰ হৃদয়গ্ৰাহী ৰূপত বৰ্ণিত হৈছে। সীতাৰ অনুপস্থিতিত বৰ্ষাৰ বাৰিধাৰা, ময়ুৰৰ কেকাৰব, অৰ্দ্ধবিকশিত কদম্বপুষ্প ৰামৰ বাবে অসহ্যকৰ হৈছিল। সীতাক মাল্যবাণ শিখৰ দেখুৱাই ৰামে কৈছে—'মনত আছেনে ইয়াতেই মেঘৰ গাজনি শুনি ভয়খাই তুমি মোক আলিঙ্গন কৰিছিলা। তুমি নথকাত যেতিয়া এই পাহাৰত মেঘৰ গাজনি শুনিছিলো তেতিয়া সেই আলিঙ্গনৰ স্মৃতিয়ে মোৰ হৃদয় বিদীৰ্ণ কৰিছিল'। আকৌ কৈছে-- 'মনত পৰেনে মৃগয়াৰ পৰা ঘূৰি আহি এই ঠাইত এই [illegible] ক্লান্তি

দূৰ কৰিবৰ বাবে নিৰ্জন লতাকুঞ্জত তোমাৰ কোলাত মূৰ থৈ মই শুইছিলো' (১৩.৩৫)। পম্পা সৰোবৰ দেখুৱাই ৰামে সীতাক কৈছে– 'তোমাৰ পৰা আঁতৰি থকাৰ সময়ত ইয়াতে মই চক্ৰবাক মিথুনে ইটোৱে সিটোক পদ্মকেশৰ উপহাৰ দিয়া সতৃষ্ণ নয়নে চাইছিলো (১৩.৩১)। ইয়াতেই পয়োধৰ সদৃশ মনোহৰ স্তবকৰ ভৰত দোঁ খাই পৰা তন্বী লতাক তুমি বুলি ভাবি আলিঙ্গন কৰিবলৈ যাওঁতে লক্ষ্মণে মোক বাৰণ কৰিছিল' (১৩-৩২)। ৰাম সীতাৰ বিচ্ছেদ কালৰ এনে টুকুৰা টুকুৰ ছবিত তেওঁলোকৰ মধুৰ দাম্পত্য প্ৰীতিৰ প্ৰতিফলন ঘটিছে। ই সম্ভোগ শৃঙ্গাৰৰ পৰিশীলিত উপস্থাপন মাথো।

বিপ্ৰলম্ভ নোহোৱাকৈ সম্ভোগ শৃংগাৰৰ পৰিপুষ্টি সাধন নহয়, কাপোৰ আদি ৰঙচুৱা কৰি ল'লৈহে তাৰ সৌন্দৰ্য্য বাঢ়ে– এই কথা আলঙ্কাৰিক বিশ্বনাথ কবিৰাজেও কৈছে আৰু পূৰ্বতন আলংকাৰিকৰ উক্তি উদ্ধৃতি দিছে-- 'যদুক্তম্

ন বিনা বিপ্ৰলম্ভেন সম্ভোগঃ পুষ্টিমশ্নুতে।

কষায়িতে হি বস্ত্ৰাদৌ ভূয়ান্ ৰাগো বিবৰ্ধতে।। (৩য় পৰিচ্ছেদ, ২১৩ শ্লোকৰ পৰবৰ্ত্তী কাৰিকা)।।

কালিদাসেও সম্ভোগ শৃঙ্গাৰৰ সফল ৰূপায়ণৰ বাবে বিপ্ৰলম্ভৰ আশ্ৰয় লৈছে। ৰঘুবংশৰ সকলোবোৰ নায়ক- নায়িকাতকৈ ৰাম সীতাৰ সম্ভোগ শৃঙ্গাৰ অধিক হৃদয়গ্ৰাহী ৰূপত চিত্ৰিত কৰাৰ সুবিধা হৈছে এই কাৰণেই যে কাহিনীৰ সোঁতে ৰাম সীতাৰ প্ৰেমক বিচ্ছেদৰ বহ্নিত পৰিশুদ্ধ কৰাৰ সুবিধা দিছে।

গৰ্ভৱতী সীতাক পৰিত্যাগ কৰাৰ পিছতো ৰামে দ্বিতীয়বাৰ বিবাহ নকৰাই স্বৰ্ণ সীতাক অৰ্দ্ধাঙ্গিনী বুলি মানি লোৱাৰ বাবেই ৰামৰ প্ৰেমৰ মূল্য বাঢ়িছে। কালিদাসে সম্ভোগৰ চূড়ান্ত পৰ্য্যায়তে নায়ক- নায়িকাৰ বিচ্ছেদ ঘটায়। বিক্ৰমোৰ্বশীয়মত এনে বিচ্ছেদ ঘটিছে গন্ধমাদন পৰ্বতত, সম্ভোগ শৃঙ্গাৰৰ বাবে অতিশয় অনুকূল পৰিবেশত, যাতে বিচ্ছেদ অতি দুৰ্বিসহ হয়। মেঘদূতত বৰ্ষাকালতহে প্ৰেমিক প্ৰেমিকাক দূৰৱৰ্ত্তী কৰি ৰখা হৈছে। সম্ভোগৰ বাবে বৰ্ষা বিশেষভাৱে উদ্দীপক হোৱা বাবেই এই কাব্যত ই বিপ্ৰলম্ভৰ বাবে অধিক সফল উদ্দীপক হৈ পৰিছে। দুষ্যন্তই আপন্নসত্ত্বা প্ৰেয়সীক প্ৰত্যাখ্যান কৰি

প্ৰিয়া বিচ্ছেদৰ বিৰহ সহিবলগীয়া হৈছে বসন্তকালত, যেতিয়া প্ৰকৃতি জগতৰ সকলো প্ৰাণীৰে আসঙ্গ লিপ্সা প্ৰবল হৈ পৰে । প্ৰকৃততে পোৱাৰ আনন্দতকৈ নোপোৱাৰ বেদনাৰ মাধুৰ্য্য প্ৰকট কৰি দেখুৱাটো কালিদাসৰ একপ্ৰকাৰ বৈশিষ্ট্যই বুলিব পাৰি। কেৱল সম্ভোগ শৃংগাৰৰ পৰিপুষ্টিৰ বাবেই যে কালিদাসে বিপ্ৰলম্ভৰ ৰচনা কৰে তেনে নহয়। নায়ক- নায়িকাৰ বিচ্ছেদ ঘটোৱাৰ অন্তৰালত কালিদাসৰ আন এক উদ্দেশ্যও নিহিত হৈ থাকে যেন লাগে। প্ৰেমিক -প্ৰেমিকাক দীৰ্ঘকালৰ বিচ্ছেদৰ যোগেদি তেওঁলোকৰ কায়িক প্ৰেমৰ মোহভঙ্গ কৰি প্ৰেমৰ পৰিশুদ্ধি ঘটোৱা হয়। দেখা যায় দুষ্যন্ত-শকুন্তলা, পুৰুৰৱা- উৰ্বশী, যক্ষ -যক্ষপত্নী আদিৰ কায়িক প্ৰণয়ে যেতিয়া শালীনতাৰ সীমা পাৰ হৈ গৈছে তেতিয়াই কালিদাসে তেওঁলোকৰ বিচ্ছেদ ঘটাই প্ৰায়শ্চিত্তৰ পথ মুকলি কৰি দিছে।উদাহৰণ স্বৰূপে শকুন্তলাৰ কথাকে লোৱা যাওক, ক্ষন্তেকীয়া আবেগৰ বশৱৰ্ত্তী হৈ শকুন্তলাই অভিভাৱকৰ অজ্ঞাতে যি কাম কৰি পেলালে সি প্ৰশংসনীয় নহয়। ঘৰলৈ অহা অতিথি দুৰ্বসাক আওকান কৰি কৰ্ত্তব্যৰ প্ৰতি যি অৱহেলা দেখুৱালে সিও আদৰণীয় হ'ব নোৱাৰে। দুষ্যন্তৰ দৰে সাময়িক উত্তেজনাও সমাজৰ বাবে হিতকৰ বুলি কব নোৱাৰি। প্ৰণয়ৰ খাতিৰতে এনেবোৰ অনৈতিক কাম কৰাৰ বাবে দুয়োকে শাস্তি দিয়া হ'ল, দীৰ্ঘকালৰ বিচ্ছেদৰ দ্বাৰা। বিচ্ছেদৰ দ্বাৰা দুয়োৰে প্ৰায়শ্চিত্তৰ পথ মুকলি কৰি দিয়া হ'ল। প্ৰিয়জনৰ বাবে দীৰ্ঘকালৰ প্ৰতীক্ষা আৰু বিৰহ ব্যাকুলতাই দুয়োৰে ক্ষন্তেকীয়া মোহক স্বৰ্গীয় প্ৰেমলৈ উত্তৰণ ঘটাইছে। কায়িক প্ৰেমৰ মোহভঙ্গ কৰি প্ৰেমৰ গভীৰ আন্তৰিকতা উপলব্ধি কৰাইছে। তেনে প্ৰেমকহে কালিদাসে স্বীকৃতি দিছে। সদায় দেখা যায় কাব্যৰ অন্তত নায়ক- নায়িকাৰ বাবে সৰ্বাঙ্গসুন্দৰ মিলন ৰচনা কৰাৰ আগে আগে দুয়োকে বিচ্ছেদৰ বহ্নিত পৰিশুদ্ধ কৰি লোৱা হয়। বিচ্ছেদকালীন তপস্যাৰ সফল সমাপ্তি ঘটিলেহে দুয়োৰে মিলন ঘটোৱা হয়। মেঘদূতত যক্ষৰ নৱপৰিণীতা পত্নীৰ প্ৰতি থকা কায়িক প্ৰেমৰ বিশুদ্ধিকৰণ হৈছে ৰামগিৰি আশ্ৰমৰ নিৰ্বাসন কালৰ দীৰ্ঘ তপস্যাৰ দ্বাৰা। জাগতিক পৰিসৰ অতিক্ৰম কৰা যক্ষৰ প্ৰেমৰ আকাশচুম্বী উচ্চতাই ভাৱৰ দেশ অলকাপুৰীত থকা প্ৰেয়সীৰ প্ৰকৃত সন্ধান পাইছে। কুমাৰসম্ভৱত দৈহিক সৌন্দৰ্য্যৰে ইপ্সিত পতি মহাদেৱক লাভ কৰিব

নোৱাৰা পাৰ্বতীয়ে কঠোৰ তপস্যাৰ দ্বাৰা দেহজ প্ৰেমক স্বৰ্গীয় স্তৰলৈ উত্তৰণ ঘটাইহে মহাদেৱৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হৈছে। শকুন্তলা নাটকৰ প্ৰথম তিনিটা অংকত নায়ক নায়িকাৰ যি প্ৰেম দেখুৱাইছে, সি পাৰ্থিব। সাতবছৰ কালৰ তপস্যাৰ বহ্নিয়ে সেই প্ৰেমৰ অশুদ্ধতা দূৰ কৰিছে। পুণৰ্মিলনৰ বাবে দুয়োৰে অন্তৰত এতিয়া সঞ্চিত হৈছে স্বৰ্গীয় প্ৰণয় য'ত জাগতিক পঙ্কিলতা নাই। গতিকে তেওঁলোকৰ পুণৰ্মিলনৰ বাবে কালিদাসে বাচি লৈছে দেৱলোকত অৱস্থিত মাৰীচৰ আশ্ৰম- পৃথিৱীৰ পৰা বহু ওপৰত। তাৰ দ্বাৰা হয়তো কালিদাসে বুজাব খুজিছে যে ক্ষন্তেকীয়া তৰল প্ৰেমৰ দ্বাৰা প্ৰেমিক -প্ৰেমিকা ধন্য হব পাৰে কিন্তু স্বামী স্ত্ৰীৰ বন্ধনৰ বাবে তেনে প্ৰেম যথেষ্ট হ'ব নোৱাৰে তাৰ বাবে প্ৰেমৰ স্বৰূপ হব লাগিব গভীৰ আৰু নিঃস্বাৰ্থ

প্ৰেমৰ এই ধাৰণা ৰঘুবংশৰ পাতত বৰ স্পষ্টকৈ ফুটি উঠিছে ইয়াঃ দিলীপ- সুদক্ষিণা,অজ- ইন্দুমতী, ৰাম- সীতা আদিৰ মাজত কামৰ মোহৰ স্থান নাই। তেওঁলোকে অনাসক্ত হৈ বিষয় ভোগ কৰে আৰু সন্তানৰ বাবে পাণিগ্ৰহণ কৰে, তথাপি তেওঁলোকৰ পৰস্পৰাশ্ৰিত প্ৰেম অবিভক্ত হৈ বৰ্দ্ধিত হয়-

ৰথাঙ্গনাম্নোৰিৱ ভাৱবন্ধনং বভূৱ যৎ প্ৰেম পৰস্পৰাশ্ৰয়ম্।
বিভক্তমপ্যেকসুতেন তত্তয়োঃ পৰস্পৰাস্যোপৰি পৰ্যচীয়ত (৩ ২৪)

কালিদাসে শ্ৰদ্ধাবিযুক্ত প্ৰেমক স্বীকৃতি নিদিয়ে আৰু সততাৰ ভেটিত প্ৰতিষ্ঠিত প্ৰেমৰ পৰাজয় স্বীকাৰ নকৰে। ই কালিদাসৰে নহয় ভাৰতীয় প্ৰেমৰ আদৰ্শৰে এক বৈশিষ্ট্য। হাজাৰ বাধা নেওঁচি মালৱিকা অগ্নিমিত্ৰ ,দুষ্মন্ত শকুন্তলা আদিৰ যি মিলন ঘটিছে তাৰ দ্বাৰা সত্যাশ্ৰিত প্ৰেমৰ জয়কেই ঘোষণা কৰা হৈছে। পাশ্চাত্যৰ বা মধ্যপ্ৰাচ্যৰ প্ৰেমৰ কাহিনীত এনে ধাৰণা পোৱা নাযায়। তাত ৰোমিও- জুলিয়েট আৰু লাইলা- মজনুৰ প্ৰেমৰ কাহিনী অমৰ হলেও সফল নহয়।

তাৰ বিপৰীতে কালিদাসে প্ৰেমবিহীন সম্ভোগ কামনাক গৰিহনা দিছে। অগ্নিবৰ্ণ তাৰ উদাহৰণ। ৰঘুবংশীয় ৰজাসকলৰ সকলোবোৰ গুণেৰে অন্বিত হ'লেও অসংযত ইন্দ্ৰিয়াশক্তিৰ পৰিণাম স্বৰূপে অগ্নিবৰ্ণই দুৰাৰোগ্য ৰাজৰোগৰ বলি হল। কালিদাসে স্পষ্টভাৱেই কৈছে- ' অয়মস্তু ৰতিৰাগ

সম্ভারোদকক্ষশাপ[illegible] চন্দ্রমক্ষিণেৎ' (১৯.৪৮)।।

কেবল মানুহৰ ক্ষেত্রতে নহয়, ইতৰ প্রাণীৰ সম্ভোগকো কবিয়ে শ্রদ্ধাৰে স্বীকৃতি [illegible]। আলংকাৰিক সকলে ইতৰ প্রাণীবে শৃঙ্গাৰক ৰস বুলি স্বীকৃতি [illegible] ৰসাভাস বুলি কোৱা হৈছে। অৱশ্যে আস্বাদনৰ ধৰ্ম আৰু [illegible] ভাব, ৰসাভাস [illegible] সকলোৱে ৰসত্ব লাভ কৰে-

"ৰসভাৱৌ তদাভাসৌ ভাৱস্য প্রশমোদয়ৌ।
সন্ধিঃ শবলতা চেতি সর্বেঽপি ৰসনাদ্রসাঃ।।২.৬০)।
ৰসনধৰ্মযোগিত্বাদ্ভাৱাদিষ্বপি ৰসত্বমুপচাৰাদিত্যভিপ্রায়ঃ।।"

ইয়াৰ অৰ্থ এয়ে যে আস্বাদনৰ ধৰ্ম, আস্বাদন- যোগ্যতা থকা বাবে ভাব, ৰসাভাস, ভাবাভাস, ভাবোদয়, ভাবোপশম, ভাবসন্ধি, ভাবশবলতা আদিতো ৰসত্বৰ আৰোপ হয়, আৰু তেতিয়া এই সকলোবোৰ ভাবেই ৰসত্ব লাভ কৰে (বিস্তৃত আলোচনাৰ বাবে সাহিত্যদৰ্পন তৃতীয় পৰিচ্ছেদ দ্রষ্টব্য)।

কালিদাসে আলংকাৰিক সকলে দিয়া এই স্বাধীনতাৰ সুযোগ লৈছে আৰু ইতৰ প্রাণীৰ শৃঙ্গাৰ বৰ্ণনাৰে প্রেমৰ ৰাজ্যৰ বিস্তৃতি ঘটাইছে। ইয়াৰ উদাহৰণ কালিদাসৰ প্রতিখন কাব্যতে সিঁচৰিত হৈ আছে যদিও কুমাৰসম্ভৱৰ তৃতীয় সৰ্গত অকালবসন্তৰ প্রভাৱত বন্যপ্রাণীৰ আসঙ্গলিপ্সাৰ ছবি কালিদাসে বৰ হৃদয়গ্রাহীকৈ তুলি ধৰিছে। অসুৰ নিধনাৰ্থে দেৱকুলক মহাদেৱৰ বীৰ্য্যসম্ভূত প্রভূত পৰাক্রমী এজন সেনাপতিৰ প্রয়োজন হ'ল। দেৱৰাজে কামদেৱৰ ওপৰত কাৰ্য্য সম্পাদনৰ ভাৰ দিলে। দেৱকাৰ্য্য সিদ্ধিৰ বাবে কামদেৱে পত্নী ৰতি আৰু মিত্র বসন্তক লগত লৈ হিমালয়ত তপস্যাৰত মহাদেৱৰ আশ্রমত উপস্থিত হ'লগৈ। কামদেৱে মহাযোগী মহাদেৱৰ ধ্যানভঙ্গ কৰি হিমালয়ৰ কন্যা উমাৰ প্রতি তেওঁক অনুৰক্ত কৰি তেওঁলোকৰ মিলন ঘটাই দেৱকুলৰ বাবে এক পৰাক্রমী সেনাপতি লাভ কৰিবৰ বাবে পৰিকল্পনা কৰিলে। সেইমতে মিত্র বসন্তই শৃঙ্গাৰৰ উদ্দীপক ৰূপে ধ্যানযোগীৰ আশ্রমৰ চৌদিশত বসন্তক লীন পৰিবেশ সৃষ্টি কৰিলে। আশ্রমৰ প্রকৃতিত অকাল বসন্তৰ প্রাদুৰ্ভাৱ হোৱাৰ লগে লগে তাৰ প্রভাৱ প্রাণী জগতৰ ওপৰত পৰিল আৰু বনৰ গছ- লতা, পশু- পক্ষীয়ে ঋতুৰ অনুকূলে আচৰণ কৰিবলৈ ধৰিলে ভোমোৰাই তাৰ নিজৰ প্রি[illegible] অনুসৰণ কৰি একেটা পুষ্প পাত্রতে মধু পান

কৰিলে। কৃষ্ণসাৰ হৰিণটোৱে হৰিনীজনীক শিঙেৰে খজুৱাই দিলে আৰু স্পৰ্শসুখত হৰিনীজনীয়ে চকু দুটা মুদি দিলে। মাইকী হাতীজনীয়ে আনন্দেৰে পদ্মগন্ধী পানী মুখত লৈ হাতীটোৰ গাত চতিয়াই দিলে। মতা চকোৱা চৰাইটোৱে নিজে আধাখোৱা মৃণালৰ টুকুৰাটোৰে তাৰ পত্নীক সম্ভাষণ জনালে। মূলৰ শ্লোক কেইটা বৰ সুন্দৰ—

মধু দ্বিৰেফঃ কুসুমৈকপাত্ৰে পপৌ প্ৰিয়াং স্বামনুবৰ্ত্তমানং।
শৃংগেন চ স্পৰ্শনিমীলিতাক্ষীং মৃগীমকণ্ডুয়ত কৃষ্ণসাৰঃ।।
দদৌ ৰসাৎ পংকজৰেণুগন্ধি গজায় গণ্ডুষজলং কৰেণুঃ।
অৰ্দ্ধোপভুক্তেন বিসেন জায়াং সম্ভাবয়ামাস ৰথাংগ নামা।।৩.৩৬-৩৭।।

কেৱল প্ৰাণী জগততে নহয় উদ্ভিদ জগততো বসন্তৰ প্ৰভাৱত সম্ভোগলীলা প্ৰকট হৈ পৰিল। পৰ্যাপ্ত ফুলৰ স্তৱকৰূপ পয়োধৰ যুক্ত, নতুনকৈ ওলোৱা কুঁহিপাতৰূপ মনোহৰ অধৰযুক্ত লতাবধূবিলাকে তললৈ নামি অহা তৰুশাখা বিলাকৰ ভূজবন্ধনত আবদ্ধ হল---তুলনীয়,

পৰ্য্যাপ্ত পুষ্পস্তৱকস্তনাভ্যঃ স্ফুৰৎপ্ৰৱালোষ্ঠমনোহৰাভ্যঃ।
লতাবধূভ্যস্তৰবোহপ্য বাপুৰ্বিনম্ৰশাখাভুজবন্ধনানি।।৩.৩৯।।

হিমালয়বাসী অতিমানব কিন্নৰসকলে গীত গাই থকাৰ মাজতে তেওঁলোকৰ মদিৰাস্বাদনৰ ফলত ঘুৰ্ণিত নয়নৰ প্ৰিয়াৰ মুখত চুম্বন যাঁচিলে। প্ৰিয়াৰ মুখৰ পত্ৰলেখা সেই সময়ত ঘৰ্ম বিন্দুৰ দ্বাৰা সামান্য মচা গৈছিল—

গীতান্তৰেষু শ্ৰমবাৰিলেশৈঃ কিঞ্চিৎসমুচ্ছ্বাসিতপত্ৰলেখম্।
পুষ্পাসবাঘূৰ্ণিত নেত্ৰশোভি প্ৰিয়ামুখং কিম্পুৰুষশ্চুচুম্বে।। ৩.৩৮।।

কেৱল সেয়ে নহয় জিতেন্দ্ৰীয় মহাযোগী মহাদেৱৰো সামান্য ধৈৰ্য্যচ্যুতি ঘটিল-- চন্দ্ৰোদয়ৰ সময়ৰ সমুদ্ৰৰ দৰে তেওঁ অশান্ত হৈ উঠিল আৰু বিম্বফল সদৃশ অধৰযুক্ত উমাৰ মুখত তেওঁৰ ত্ৰিনয়ন স্থাপন কৰিলে—

হৰস্তু কিঞ্চিৎপৰিলুপ্তধৈৰ্য্য
শ্চন্দ্ৰোদয়াৰম্ভ ইবাম্বুৰাশিঃ।
উমামুখে বিম্বফলাধৰোষ্ঠে
ব্যাপাৰয়ামাস বিলোচনানি।।৩.৬৭।।

আকৌ অষ্টমসৰ্গত হৰ- পাৰ্বতীৰ প্ৰেমনিবেদন আৰু সম্ভোগলীলা

বৰ্ণনাত কালিদাসে জিতেন্দ্ৰীয় বিতৰাগ তপস্বী মহাদেৱকো জাগতিক প্ৰেমেৰে পৰিতৃপ্ত কৰিছে। মুঠতে মহাকবিয়ে স্বৰ্গীয় প্ৰেমৰ দিব্য অনুভূতিৰ পৰা কাকো বঞ্চিত কৰিব খোজা নাই।

কালিদাসৰ ৰচনাত প্ৰেম কেৱল স্ত্ৰী- পুৰুষৰ মাজতেই আবদ্ধ হৈ থকা নাই। প্ৰেমে বিভিন্ন ৰূপ সলাই পিতা -পুত্ৰ, পিতা- দুহিতা, বন্ধু -বান্ধৱৰ মাজতো বিৰাজ কৰিছে। শকুন্তলা নাটকত শকুন্তলা আৰু কণ্ব মুনি, সানুমতী আৰু শকুন্তলা, গৌতমী আৰু আশ্ৰম পালিকা সকলৰ মাজত থকা বাৎসল্যপ্ৰেম অতি মনোগ্ৰাহীকৈ চিত্ৰিত হৈছে। ভৰতমুনিয়ে বৎসলক ৰস নামেৰে উল্লেখ কৰিছে যদিও বাৎসল্য ৰস হয়নে নহয় সেই লৈ কাব্যতত্ত্ববিদসকলৰ মাজত যথেষ্ট মতভেদ আছে। দৰ্পনকাৰ বিশ্বনাথ কবিৰাজে এই ৰসৰ বিভাৱ, অনুভাৱ ব্যভিচাৰী ভাৱ আৰু স্বৰূপ আদি নিৰ্ণয় কৰি দিছে আৰু ৰঘুবংশৰ পৰা তলত দিয়া শ্লোকটি উদাহৰণস্বৰূপে দাঙি ধৰিছে—

যদাহ ধাত্ৰ্যা প্ৰথমোদিতং বচঃ যযৌ তদীয়ামৱলম্ব্য চাঙ্গুলীম।
অভূচ্চ নম্ৰ প্ৰণিপাত শিক্ষয়া পিতুৰ্মুদং তেন ততান সোঽৰ্ভকঃ।।
তমংকমাৰোপ্য শৰীৰযোগজৈঃ সুখৈৰ্নিষিঞ্চন্তমিৱামৃতং ত্বচি।
উপান্তসংমীলিতলোচনো নৃপশ্চিৰাৎ সুতস্পৰ্শৰসজ্ঞতাং যযৌ।।
।।৩.২৫-২৬।।

'সেই শিশুৱে (ৰঘুৱে) ধাইমাকে প্ৰথম শিকোৱা কথাবোৰ ক'ব পৰা হ'ল, তেওঁৰ আঙুলিত ধৰি খোজ কাঢ়িব পৰা হ'ল, প্ৰণাম কৰা বুলিলে মূৰ দোঁৱাব পৰা হ'ল, এইবোৰ কৰি তেওঁ পিতাকৰ আনন্দবৰ্দ্ধন কৰিলে। শিশুটিৰ অঙ্গ স্পৰ্শৰ সুখত যেন দিলীপৰ গাত অমৃতহে বৰষিলে। তাক কোলাত লৈ নিমীলিত নয়নে থাকি বহুসময়ে শিশুটিৰ স্পৰ্শসুখ অনুভৱ কৰিলে'। কালিদাসৰ খণ্ডকাব্যদুখনৰ বাদে প্ৰায় গোটেই কেইখন কাব্যতে বাৎসল্যৰসৰ পৰশ পৰিছে। তাৰে ভিতৰত শকুন্তলা নাটকৰ চতুৰ্থ অংকত নিঃসন্তান আৰু বীতৰাগ উদাসীন কণ্বমুনিৰ হৃদয়তো পালিতা কন্যা শকুন্তলাৰ বিদায়কালত যি শোকাবেগৰ ঢৌ উথলি উঠিছে তাৰ মাজেদি বাৎসল্য ৰসৰ এক চৰম প্ৰকাশ ঘটিছে(দ্ৰষ্টব্য ৰঘুৰপি কাব্যম প্ৰবন্ধৰ অন্তৰ্গত ৰসৰ আলোচনা)।

ৰঘুবংশত দিলীপ- ৰঘু, অজ -দশৰথ, দশৰথ-ৰাম, সীতা- লৱকুশ

আদিৰ আচাৰ ব্যৱহাৰত অপত্যস্নেহ অতি প্ৰাণস্পৰ্শী হৈছে। শকুন্তলা নাটকত শকুন্তলা -অনসূয়া আৰু প্ৰিয়াম্বদা, ৰঘুবংশত সুগ্ৰীৱ আৰু ৰাম আদিৰ সখ্যপ্ৰেম মনোৰম ভাবে পৰিবেশিত হৈছে; কেবল সেয়ে নহয়, কালিদাসে মানুহ আৰু প্ৰকৃতিজগত আৰু মানুহ আৰু দেৱতাৰ মাজৰ সম্বন্ধ প্ৰেমৰ সাঁকোৰে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে। মেঘদূতত মেঘৰ প্ৰতি যক্ষই মিত্ৰসুলভ আচৰণ কৰিছে, কুশবনৰ আগেৰে মুখত ঘা লগোৱা দীৰ্ঘপাংগ নামৰ মাউৰা হৰিণপোৱালীটিক শকুন্তলাই মুখত ইংগুদি গুটিৰ তেল ঘঁহি পৰিচৰ্য্যা কৰিছে। গৰ্ভিনী হৰিণীজনীৰ পোৱালী জন্মাৰ খবৰটোৰ বাবে দুষ্যন্তৰ ৰাজকাৰেঙত উৎকণ্ঠাৰে বাট চাই থাকিব বুলি কৈছে (৪ৰ্থ অংক)। পাৰ্বতীয়ে দেৱদাৰু গছজোপাক পুত্ৰবৎ পালন কৰিছে (ৰঘুবংশ ২য় সৰ্গ)। ৰঘুবংশত সীতাই পঞ্চবতীৰ পশুপক্ষীবোৰক সন্তানবৎ স্নেহ কৰিছে।আশ্ৰমৰ গছপুলিক পানী দি সন্তানক স্তন্যদানৰ আনন্দেৰে নিজৰ দুখ পাহৰিবলৈ বাল্মীকিয়ে সীতাক উপদেশ দিছে—

পয়োঘটৈৰাশ্ৰমবালবৃক্ষান্
সংবৰ্ধয়ন্তী স্ববলানুৰূপৈঃ।
অসংশয়ং প্ৰাক তনয়োপপত্তেঃ
স্তনন্ধয়প্ৰীতিম বাস্যসি ত্বম।। ১৪.৭৮।।

(তোমাৰ শক্তি অনুসাৰে পানীৰ কলচীৰে আশ্ৰমৰ গছপুলিবোৰ ডাঙৰ কৰি তোলা, তাতেই সন্তান জন্মৰ আগতেই তুমি নিশ্চয় সন্তানক স্তন্যদানৰ আনন্দ অনুভৱ কৰিবা।)

এনেদৰে কালিদাসে তেওঁৰ কাব্যত এখন বিশাল প্ৰেমৰ ৰাজ্য প্ৰতিষ্ঠা কৰি থৈ গৈছে আৰু তাত সজীৱ -নিৰ্জীৱ, জীৱ- জড় সকলোলৈকে নাগৰিকত্ব প্ৰদান কৰা হৈছে আৰু তাৰ বাবে প্ৰকৃতিৰাজ্যৰ এক দ্বিতীয় চেতন ৰূপ মানি লোৱা হৈছে। নিৰ্জীৱ পদাৰ্থকো প্ৰেমানুভূতিৰে সিক্ত কৰি সেইবোৰৰ মানৱীকৰণ (personification) কৰা হৈছে আৰু তাৰ দ্বাৰা প্ৰকৃতত্বে কালিদাসে প্ৰেমৰ প্ৰসাৰিত দিগবলয়ৰ অনুসন্ধানত নামি পৰিছে।

ৰঘুবংশত অতিপ্ৰাকৃত উপাদান

ৰঘুবংশ এখন ধ্ৰুপদী গ্ৰন্থ। বিশ্বৰ সকলো ধ্ৰুপদী সাহিত্যৰে কেতবোৰ সাধাৰণ লক্ষণ থকা দেখা যায়। তাৰ ভিতৰত অন্যতম হৈছে অতিপ্ৰাকৃত উপাদানৰ উপস্থিতি। ভাৰতৰ ব্যাস, বাল্মীকি, কালিদাস, ভাৰবি আদিৰ দৰে পশ্চিমৰ হোমাৰ, শেক্সপিয়েৰ, ডাণ্টে আদিৰ ৰচনাতো অতিলৌকিক বস্তুৱে প্ৰাধান্য লাভ কৰিছে।এৰিষ্টটলে পয়েটিক্স্ নামৰ গ্ৰন্থত অতিলৌকিক বস্তুৰ উপস্থিতি মহাকাব্যৰ এক লক্ষণ বুলি উল্লেখ কৰিছে। এই কবিসকলে কেতিয়াবা বিষয় বস্তুৰ বৈচিত্ৰ্য চিত্ৰণৰ বাবে, কেতিয়াবা চৰিত্ৰৰ উৎকৰ্ষ সাধনৰ বাবে, কেতিয়াবা কাব্যৰ যোগেদি পাঠকক এটা আশ্চৰ্য্য দিবৰ বাবে আদি বিভিন্ন কাৰণত অতিলৌকিক উপাদানৰ আশ্ৰয় লয়। কিন্তু, প্ৰকৃততে লৌকিক অলৌকিকৰ বিভিন্ন স্তৰত স্বাধীন ভাবে কবি কল্পনাক উৰিবলৈ দিলে কবিৰ কাব্যৰচনা সহজসাধ্য হয় বাবেই কবি সকলে কাব্যত অতিপ্ৰাকৃত উপাদান সংযোগ কৰি অসাধ্য সাধন হোৱা দেখুৱাই কাব্য ৰহস্যৰ সৃষ্টি কৰে। তদুপৰি কাব্য পঠনৰ সময়ত গতানুগতিক জগতৰ পৰা আঁতৰি থাকি এখন মায়াময় জগতত ঘূৰি ফুৰিবলৈ কল্পনা বিলাসী পাঠকেও ভাল পায়। কবি আৰু পাঠকৰ এনে দুৰ্বলতাৰ বাবেই বিশ্বৰ ধ্ৰুপদী সাহিত্যত অতিপ্ৰাকৃত উপাদানৰ উপস্থিতি এক বিশেষ লক্ষণৰূপে স্বীকৃত হৈছে। ৰঘুবংশও এই শ্ৰেণীৰে কাব্য। গতিকে ইয়াতো বিস্তৰ পৰিমাণে অতিলৌকিক উপাদানৰ সংযোজন ঘটা দেখিবলৈ পোৱা যায়। কাব্যখনৰ প্ৰায় প্ৰতিটি ঘটনাই অতিলৌকিক কাৰণৰ দ্বাৰা পৰিচালিত হৈছে।

ৰঘুবংশত প্ৰতিসৰ্গতে অতিবাস্তৱিক উপাদানে এনেদৰে আধিপত্য বাখি আছে যে ই কাব্যখনৰ অন্যতম আলোচ্য দিশ বুলি গণ্য কৰিব পাৰি। ৰঘুবংশৰ উৎস হল সূৰ্য্য।আৰম্ভণিতে কালিদাসে কৈছে 'ক সূৰ্য্যপ্ৰভৱো বংশ'। বৈৱস্বত মনুৰ সন্ততি সকল মৰ্ত্ত্য ৰাজ্যৰ শাসক হলেও স্বৰ্গ মৰ্ত্ত্য উভয়তে তেওঁলোকৰ অবাধ গতি।এই বংশৰ প্ৰতিজন ৰজা দেৱৰাজ ইন্দ্ৰৰ শাসনকাৰ্য্যৰ

অন্যতম সহায়ক। ইন্দ্ৰৰ সেৱা কৰি স্বৰ্গৰ পৰা উলতি অহাৰ পথত দিলীপে স্বৰ্গৰ কামধেনু সুৰভিক আৰাধনা কৰিবলৈ পাহৰি যোৱাৰ দোষতেই দিলীপ নিঃসন্তান হ'ল। দিব্য দৃষ্টিৰে বশিষ্ঠই এই তথ্য জানিব পাৰিলে। দ্বিতীয় সৰ্গত দিলীপ বনত প্ৰৱেশ কৰোতেই দাবানল সমূহ নিৰ্বাপিত হ'ল। নন্দিনীয়ে দিলীপৰ আন্তৰিকতাৰ প্ৰমাণ লবলৈ মায়াসিংহৰ সৃষ্টি কৰিলে। তৃতীয় সৰ্গত দিলীপৰ যজ্ঞাশ্ব হৰণ কৰি ইন্দ্ৰই ৰঘুৰ লগত সংগ্ৰামত লিপ্ত হ'ল। চতুৰ্থ সৰ্গত ৰঘুৰ প্ৰতাপত আকৃষ্টা হৈ লক্ষ্মীয়ে ৰাজছত্ৰ ধাৰণ কৰিলে আৰু সৰস্বতী বৈতালিক সকলৰ কণ্ঠত আবিৰ্ভূতা হ'ল। ৰবতন্তু মুনিৰ শিষ্য কৌৎসৰ দক্ষিণাৰ বাবে ৰঘুৰ ৰাজ কোষত সুবৰ্ণবৃষ্টি হল। অজৰ দ্বাৰা বাণবিদ্ধ গজৰাজ দিব্য গন্ধৰ্বলৈ ৰূপান্তৰিত হৈ শাপমুক্তিৰ প্ৰতিদানৰূপে অজক সম্মোহন অস্ত্ৰ দান কৰিলে। অষ্টম সৰ্গত নাৰদৰ বীণাশীৰ্ষৰ স্খলিত দিব্যমালাৰ স্পৰ্শত ইন্দুমতীয়ে দেহত্যাগ কৰি অপ্সৰাৰূপ ললে। দশম সৰ্গত ৰাৱণৰ অত্যাচাৰত অতীষ্ঠ হোৱা দেৱতা সকল নাৰায়ণৰ দ্বাৰা আশ্বস্ত হল। একে সৰ্গতে দশৰথৰ যজ্ঞকুণ্ডৰ পৰা দিব্যপুৰুষ আবিৰ্ভূত হৈ পুত্ৰপ্ৰাপ্তিৰ সাধন ৰূপে পৰমান্ন দান কৰিলে। একাদশ সৰ্গত ৰামৰ দ্বাৰা অহল্যাৰ শাপমোচন হ'ল। ত্ৰয়োদশ সৰ্গত অত্ৰিমুনিৰ আশ্ৰমত ফুল নোহোৱাকৈয়ে ফলৰ উৎপত্তি হল। মুনিপত্নী অনসূয়াই স্নানৰ বাবে গঙ্গাধাৰ আশ্ৰমলৈ প্ৰবাহিত কৰিলে। পঞ্চদশ সৰ্গত কালপুৰুষে মুনিবেশেৰে আহি ৰামক স্বৰ্গাৰোহণৰ কথা সোঁৱৰাই দিলে। জলকেলিৰ সময়ত হেৰোৱা ৰাজকবচ লৈ ষষ্ঠদশ সৰ্গত নাগৰাজ কুমুদ নাগকন্যা কুমুদ্বতীৰ সৈতে কুশৰ ওচৰত উপস্থিত হল। কুমুদ্বতীৰ লগত কুশৰ বিবাহ হল। এই সকলোবোৰ দিব্য ঘটনাৰ লগত জড়িত হৈ অভিশাপ আৰু বৰদানে কাব্যখনৰ কাহিনীৰ গতিপথ নিৰ্ণয় কৰিছে বুলি ক'লেও ভুল কোৱা নহয়।

অবিনীত আচৰণৰ বাবে অভিশাপ ৰূপে শাস্তি আৰু প্ৰশংসনীয় কামৰ বাবে বৰৰূপে পুৰস্কাৰ দিয়াৰ অনেক কাহিনী ৰঘুবংশৰ মূল বিষয়বস্তুৰ লগত গ্ৰথিত হৈছে। কালিদাসৰ সকলো কাব্যতে এনে শাস্তি আৰু পুৰস্কাৰ প্ৰদানৰ দ্বাৰা সৎ আৰু অসৎ কাৰ্য্যৰ পৰিণতি দেখুওৱা হৈছে। কৰ্তব্যভ্ৰষ্ট যক্ষই কুবেৰৰ অভিশাপৰূপে এবছৰকাল নৱবধূৰ পৰা আঁতৰি থাকিবলগীয়া হৈছে। পতিচিন্তত

অতিথিসংকাৰ অবহেলা কৰাৰ বাবে শকুন্তলা অভিশপ্ত হৈছে। পত্নীচিত্তাত কামধেনুক কৰা অবহেলাৰ বাবে দিলীপ অভিশপ্ত হৈছে। অন্ধমুণিৰ পুত্ৰবধৰ বাবে দশৰথ অভিশপ্ত হৈছে আৰু পৰোক্ষভাৱে সিয়ে পুত্ৰলাভৰ বৰ স্বৰূপে কাম কৰিছে। তৃণবিন্দুঋষিৰ তপোভংগ কৰিবলৈ চেষ্টা কৰাৰ বাবে অপ্সৰা হৰিণীয়ে অভিশাপ পাই ইন্দুমতীৰূপে মৰ্ত্ত্যজীৱন যাপন কৰিবলগীয়া হৈছে। অসংযত আচৰণৰ বাবে গন্ধৰ্বকুমাৰ প্ৰিয়ংবদে মতংগ মুনিৰ দ্বাৰা অভিশপ্ত হৈ গজদেহ লাভ কৰিছে। আকৌ শাপমুক্ত প্ৰিয়ংবদে বৰৰূপে অজক সম্মোহন অস্ত্ৰ প্ৰদান কৰিছে, যাৰ ফলত অজ ইন্দুমতীৰ বিবাহ সম্ভৱ হৈছে আৰু ৰঘুকুলৰ ধাৰাবাহিকতা ৰক্ষা পৰিছে। ঠিক তেনেদৰে ৰঘুবংশৰ নৃপতিসকলক অলৌকিক মন্ত্ৰশক্তিয়ে ৰক্ষা কৰি থকাৰ কথা কোৱা হৈছে। অগস্ত্যমুনিৰ ৰক্ষা কৱচে ৰামচন্দ্ৰক নানা বিপদ আপদৰ পৰা ৰক্ষা কৰিছে। সেই কৱচ কুশৰ হাতৰ পৰা হেৰোৱাটো এটা অমংগলীয়া ঘটনা বুলি গণ্য কৰা হৈছে। বাহু কম্পন, অক্ষিকম্পন আদিয়ে সম্ভাব্য ঘটনাৰ ইংগিত বহন কৰাৰ কথা বহুবাৰ কোৱা হৈছে, যেনে সয়ম্বৰ সভাত ইন্দুমতীয়ে তেওঁক বৰণ কৰিবনে নকৰে সেই সংশয়ত থকা অজৰ দক্ষিণবাহুত বন্ধা কেয়ূৰৰ ঘন ঘন স্পন্দনে তেওঁৰ সংশয় দূৰ কৰিছে(৬.৬৮)। শকুন্তলা নাটকতো কণ্বৰ তপোবনৰ দুৱাৰমুখতে দুষ্যন্তৰ দক্ষিণবাহু স্পন্দিত হোৱা ঘটনাই স্ত্ৰী- লাভ সূচাইছে। ঠিক তেনেদৰে সীতাৰ সোঁ চকুৰ স্পন্দনে তেওঁৰ জীৱনৰ ভয়ংকৰ দুৰ্যোগৰ সূচনা কৰা দেখি সীতা চিন্তিত হৈ পৰিল(১৪.৪৯-৫০)। মনীষী সকলৰ মনৰ অতিদৈৱিক শক্তিৰ প্ৰভাৱতে এনে 'নিমিত্তদৰ্শন' সম্ভৱ হয় সেইকথাও কালিদাসে কৈছে।

এনেদৰে ৰঘুবংশত পদে পদে অতিপ্ৰাকৃত ঘটনা, চৰিত্ৰ আৰু দৃশ্যৰ অৱতাৰণা কৰা হৈছে। এইবোৰ উপাদানে কাব্যখনৰ গতানুগতিক লৌকিক বৰ্ণনাত কিছু ব্যতিক্ৰম আনিছে, কাহিনীভাগত উৎকণ্ঠা প্ৰদান কৰিছে আৰু দৈৱিক আৰু অতিদৈৱিকৰ মাজত সুবৰ্ণসেতু নিৰ্মান কৰি কালিদাসে কাব্যত এখন ৰহস্যময় জগত প্ৰতিষ্ঠা কৰিছে। মানুহৰ প্ৰতিটি সৎ কামতে স্বৰ্গীয় শক্তিয়ে সাহায্য আগবঢ়াইছে আৰু বিপৰীত কামত শাস্তি প্ৰদান কৰিছে। এনেদৰে দৈৱ আৰু এক পৰমশক্তিয়ে মানুহৰ কাম কাজ নিয়ন্ত্ৰণ কৰি থকা বুলি দেখুওৱা হৈছে আৰু কৰ্ত্তব্য অকৰ্ত্তব্যত প্ৰবৃত্তি নিবৃত্তিৰ শিক্ষা পৰোক্ষভাৱে

দিয়া হৈছে। এনেদৰে কালিদাসে পুনৰবাৰ ৰঘুবংশৰ যোগেদি পাৰ্থিব অপাৰ্থিৱৰ মাজৰ সম্বন্ধ অতি নিবিড় কৰি দেখুৱাইছে।

ৰঘুবংশৰ আদৰ্শ

কাব্য ৰচনাতেই কবিসকলৰ দায়িত্ব শেষ নহয়। সমাজখনক গঢ় দিয়াত সাহিত্যিক সকলৰ অবদানৰ মূল্য যে আটাইতকৈ বেছি তাক দোহৰাৰ প্ৰয়োজন নাই। চক্ৰেটিছ, এৰিষ্টট্‌ল, টলষ্টয়, কাৰ্লমাৰ্ক্স, মেক্সিমগৰ্কী আদিতকৈয়ো আগতেই এই ক্ষেত্ৰত বাল্মীকিৰ উদাহৰণ ডাঙি ধৰিব পাৰি। কেৱল কবিসুলভ অনুভূতিৰ দ্বাৰা প্ৰণোদিত হৈয়ে যে বাল্মীকিয়ে কাব্য ৰচাৰ অভিলাষ কৰিছিল তেনে নহয়, বৰং সমাজৰ আগত সুখগ্ৰাহ্যৰূপত এটা সৎ আদৰ্শ দাঙি ধৰাৰ সংকল্প আগত লৈহে তেওঁ ৰামায়ণ প্ৰস্তুত কৰিছিল। নহ'লে তেওঁ কাব্যৰ বাবে কাহিনী বিচাৰি নাৰদৰ ওচৰ চাপি জগতৰ শ্ৰেষ্ঠ পুৰুষজনৰ খবৰ নল'লেহেঁতেন। বাল্মীকি শিক্ষক আছিল। তেওঁ অনুভৱ কৰিছিল যে ছাত্ৰ সকলক সুনাগৰিক কৰি গঢ়ি তুলিবলৈ হ'লে তেওঁলোকৰ বৌদ্ধিক আৰু মানসিক প্ৰবৃত্তি সমূহ সৰুকালৰে পৰা সৎ আদৰ্শৰ সাঁচত গঢ়িব লাগিব। আদিকাব্যৰ পৰিকল্পনাৰ দিনৰে পৰা আজি পৰ্য্যন্ত ভাৰতীয় সাহিত্যাই এই আদৰ্শ ৰক্ষা কৰি আহিছে। তদুপৰি কাব্যৰচনাৰ অন্যতম উদ্দেশ্য সম্পৰ্কে প্ৰাচীন চিন্তানায়ক সকলে কাব্যতত্ত্ব সমালোচনা শাস্ত্ৰত ফহিয়াই কৈ গৈছে। অলংকাৰ গ্ৰন্থসমূহে কৈছে যে মানুহে কৰ্ত্তব্যত প্ৰবৃত্তি আৰু অকৰ্ত্তব্যৰ পৰা নিবৃত্তি জন্মাৰ পৰা উপদেশ কাব্যৰ পৰা লাভ কৰিব পাৰে আৰু তেনে কৰ্ত্তব্য, অকৰ্ত্তব্যৰ উপদেশ দিওঁতা কাব্যসমূহ প্ৰকাৰান্তৰে চতুৰ্বৰ্গ প্ৰাপ্তিৰ হেতু স্বৰূপ হৈ পৰেগৈ। কাৰণ সকলো ভাৰতীয় কাব্যই সদায় সৎ আদৰ্শ প্ৰচাৰ কৰি সততাৰ জয় ঘোষণা কৰি আহিছে। সেয়েহে সকলো কাব্যৰ আঁৰতে এটাই আদৰ্শ সদাই লুকাই থাকে, সেইটো হৈছে— 'ৰাম আদিৰ দৰে আচৰণ কৰিবা, ৰাৱণ আদিৰ দৰে নকৰিবা'। তাকে স্পষ্ট কৰিবলৈ আলংকাৰিক বিশ্বনাথ কবিৰাজে কৈছে যে— 'চতুৰ্বৰ্গ প্ৰাপ্তিৰ্হি কাব্যতো ৰামাদিৱৎ প্ৰবৰ্ত্তিতব্যং ন ৰাৱণাদিৱৎ ইত্যাদি কৃত্যাকৃত্য প্ৰবৃত্তিনিবৃত্ত্যুপদেশদ্বাৰেণ সুপ্ৰতীতৈৱ'— "ৰামৱ

দৰে আচৰণ কৰিব লাগে, বাৱনৰ দৰে নালাগে, এনে ধৰণৰ প্ৰবৃত্তি নিবৃত্তি, কৰিবলগীয়া— কৰিবনলগীয়া আদি বিষয়ৰ উপদেশৰ যোগেদি কাব্য অধ্যয়ণৰ দ্বাৰা চতুৰ্বৰ্গ ফল লাভ হয়— সেই কথা সুস্পষ্ট।" শৃঙ্গাৰ প্ৰকাশ গ্ৰন্থত ভোজৰাজেও কৈছে যে সকলো বাক্যই (কাব্যৰ বাক্যই) প্ৰকৃততে বিধি আৰু নিষেধ বুজায়— 'সৰ্বং হি বাক্যং বিধি নিষেধয়োৰেব পৰ্য্যবসতি'। ৰঘুবংশত সন্নিবিষ্ট প্ৰতিটি কাহিনীয়েই কৰ্ত্তব্যত প্ৰবৃত্তি আৰু অকৰ্ত্তব্যত নিবৃত্তিৰ উদাহৰণ ডাঙি ধৰিছে বুলি নিশ্চিত ভাৱে ক'ব পাৰি।

কালিদাস এজন সমাজ সচেতন সাহিত্যিক আছিল। তাতে তেওঁ আছিল ৰজাঘৰীয়া লিখক। গতিকে তেওঁৰ দায়িত্বও আছিল অধিক। সেয়েহে কালিদাসৰ প্ৰতিটি কাব্যকৃতিয়েই মহৎ আদৰ্শৰ বাহকৰূপে নিৰ্মিত হৈছে। কালিদাসৰ কুমাৰসম্ভৱ, অভিজ্ঞানশকুন্তলম, আৰু মেঘদূতত যদি প্ৰধানকৈ প্ৰেম, তপস্যা, প্ৰায়শ্চিত, সৌহাৰ্দ্য, সহযোগিতা আদিৰ আদৰ্শ প্ৰতিষ্ঠিত হৈছে, তেনেহলে বিক্ৰমোৰ্বশীয, আৰু মালবিকাগ্নিমিত্ৰত প্ৰধানকৈ নিষ্ঠা, সততা আৰু ঐকান্তিকতাৰ ধাৰণা স্পষ্ট কৰি দিয়া হৈছে। কিন্তু ৰঘুবংশৰ পাতত কালিদাসে এই সকলোবোৰ একত্ৰ কৰাৰ উপৰিও মানুহৰ মহত্বঘোষণা কৰিছে আৰু জীৱনৰ পূৰ্ণতা বিশ্লেষণ কৰি দেখুৱাইছে। সেয়েহে ৰঘুবংশত কালিদাসৰ মহত্বম প্ৰজ্ঞাৰ প্ৰতিফলন ঘটিছে।

ৰঘুবংশত অনেক ৰাজ চৰিত্ৰৰ অন্বয় সাধিত হৈছে যদিও ৰাজকীয় ঐশ্বৰ্য্যৰ পয়োভৰ প্ৰদৰ্শিত হোৱা নাই। মহাপ্ৰতাপী ৰজাসকলে সাধাৰণ প্ৰজাৰ দৰে আচৰণ কৰিছে। তেওঁলোক ধৰ্মভীৰু, কৰ্ত্তব্যপৰায়ণ., দায়িত্বশীল, আত্মত্যাগী আৰু বিনয়ী। কালিদাসৰ এই বৈশিষ্ট্য তেওঁৰ আন কেইখন কাব্যতো দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে শকুন্তলা নাটকৰ কথা ক'ব পাৰি। এই নাটকৰ নায়কজনেই এজন পৰাক্ৰমী ৰজা, কিন্তু নাটকৰ কোনো ঠাইতে ৰাজকীয় ঐশ্বৰ্য্যৰ পয়োভৰ দেখিবলৈ পোৱা নাযায়। ই অতি লক্ষ্যনীয় বিষয় যে এই নাটকৰ সাতটা অংকৰ ভিতৰত ছটা অংকেই প্ৰকৃতিৰ মুকলি পৰিবেশত অনুষ্ঠিত হৈছে। কেৱল পঞ্চম অংকত ৰাজসভাৰ এটা দৃশ্য আছে কিন্তু তাতো ৰাজ বৈভৱৰ বৰ্ণনা নাই। ষষ্ঠ অংকত সকলো ঘটনা যদিও কেৱল

ৰজা দুষ্যন্তকে কেন্দ্ৰ কৰি ঘটিছে, তথাপি এই অংকৰ পটভূমি ৰাজউদ্যানহে ৰাজকাৰেং নহয়।

ৰঘুবংশত ৰজাসকলৰ বিষয় বিন্যাসত কালিদাসৰ আৰু এক বক্তব্য স্পষ্ট হৈ পৰিছে। লক্ষ্য কৰা যায় কবিয়ে বৈবস্বত মনুৰ পৰা ৰঘুবংশৰ ক্ৰমোন্নতি দেখুৱাইছে, দিলীপৰ পৰা ৰামলৈকে ৰজাসকলৰ চৰিত্ৰ বিশ্লেষণৰ দ্বাৰা সূৰ্য্যবংশৰ উৎকৰ্ষ আৰু কুশৰ পৰা অগ্নিবৰ্ণলৈকে বংশটোৰ অবক্ষয় চিহ্নিত কৰা হৈছে। বিলাসপ্ৰিয় ৰজা কুশৰ জলবিহাৰ, ৰক্ষা কবচ হেৰুওৱা আৰু ঘাইকৈ ৰামৰ কাহিনীৰ শেষৰ ফালে সীতা পৰিত্যাগৰ পৰা যেন বংশটিৰ অনৰ্থৰ ইংগিত দিয়া হৈছে। বিলাসপ্ৰিয়, দায়িত্বজ্ঞানহীন, কামাতুৰ, সুৰাসক্ত ৰজা অগ্নিবৰ্ণ ৰাজৰোগত আক্ৰান্ত হোৱা ঘটনাৰ দ্বাৰা অসৎ ৰজাৰ জীৱনৰ পৰিণতি সম্পৰ্কেও সকিয়াই দিয়া হৈছে। অগ্নিবৰ্ণৰ কাহিনীৰ দ্বাৰা কালিদাসে ঘোষণা কৰিছে— চৰিত্ৰবলেই ৰাজকুলৰ ভেটি। সেই ভেটিত ফাট মেলিলে ৰাজকুলৰ স্থিতিয়েই বিপন্ন হব পাৰে। ৰজাৰ জীৱন ত্যাগৰ বাবে, ভোগৰ বাবে নহয়। ৰঘু তাৰ জ্বলন্ত উদাহৰণ। কিন্তু প্ৰলোভন তেওঁলোকৰ দুৱাৰদলিতে বৈ আছে। তাক চেৰাই যাব পাৰিব লাগিব। মৃগয়াৰ প্ৰলোভন সম্বৰণ কৰিব নোৱাৰি দশৰথে নিজৰ মৃত্যু মাতি আনিলে। প্ৰলোভনৰ উৰ্দ্ধত থাকিব নোৱাৰি অগ্নিবৰ্ণই সমস্ত কুলৰে বিনাশ মাতি আনিলে।

ৰজাঘৰীয়া কবি হ'লেও তেওঁ নিভীকভাৱে ৰজাৰ দায়িত্ব আৰু কৰ্ত্তব্য ঘোষণা কৰিছে। প্ৰথম সৰ্গৰ আৰম্ভণীতে সৎ ৰজাৰ লক্ষণাৱলী নিৰ্ণয় কৰি দিছে। প্ৰজাৰ প্ৰতি ৰজাৰ দায়িত্বৰ উদাহৰণ দি কৈছে-

প্ৰজানাং বিনয়াধানাদ্ ৰক্ষণাদ্ ভৰণাদপি।

স পিতা পিতৰস্তাসাং কেৱলং জন্মহেতৱঃ ।।১.২৪ ।।

এই কথা ইতিমধ্যে কোৱা হৈছে যে ভাৰতীয় লৌকিক সাহিত্যৰ জন্মৰ অন্তৰালত সৎ আদৰ্শ প্ৰতিষ্ঠাৰ সংকল্প নিহিত হৈ আছে। ভোজৰাজে কোৱাৰ দৰে এই কথাও ওপৰত উনুকিওৱা হৈছে যে সকলো কাব্যই প্ৰকৃততে কৰ্ত্তব্য অকৰ্ত্তব্যত প্ৰবৃত্তি নিবৃত্তি সম্বন্ধেই শিক্ষা দিয়ে। উদাহৰণেৰে তেনে বিষয়ৰ জ্ঞান দিবৰ বাবে কবিসকলে এক কৌশলৰ আশ্ৰয় লয়। তেওঁলোকে প্ৰশংসনীয় কামৰ বাবে ৰূপকৰূপে পুৰস্কাৰ আৰু তাৰ বিপৰীতে অসৎ কামৰ বাবে

অভিশাপৰূপে শাস্তি প্ৰদান কৰি দেখুৱায়। ৰঘুবংশৰ মূল বিষয়বস্তুৰ লগত গ্ৰথিত অভিশাপৰ কাহিনীবোৰৰো এয়ে তাৎপৰ্য্য। পত্নীচিন্তত অবিনীত আচৰণ কৰাৰ বাবে দিলীপে নিঃসন্তান ৰূপ শাস্তি পাব লগা হৈছে। সংযম আৰু সেৱাৰে তেওঁ প্ৰায়শ্চিত কৰিছে। অত্যন্ত মৃগয়া বিলাসৰ ফলত দশৰথে পুত্ৰবিচ্ছেদ আৰু শেষত মৃত্যুৰূপ শাস্তি ভুগিছে। এনেদৰে অপ্সৰা হৰিণী, গন্ধৰ্বপুত্ৰ প্ৰিয়ংবদ আদিয়েও কৰ্ম অনুযায়ী ফল লাভ কৰিছে। তাৰ দ্বাৰা কালিদাসে সংযম, বিনয় আদি সদাচাৰৰ মূল্য নিৰূপণ কৰি পাঠকক অসদাচাৰণৰ পৰিণাম সম্পৰ্কে সাৱধান কৰি দিছে। এই প্ৰসংগত কালিদাসে অনেক সূক্তিও সংযোগ কৰিছে। বিষয়বস্তুৰ লগত সংগতি ৰাখি তেওঁ নীতিমূলক অনেক বাক্য ৰচনা কৰিছে যেনে--

প্ৰতিবধ্নাতি হি শ্ৰেয়ঃ পূজ্যপূজব্যতিক্ৰমঃ

-পূজনীয় জনৰ পূজাৰ ব্যতিক্ৰম হ'লে মংগলৰ পথত বাধা হয়।

সম্বন্ধমাভাষণ পূৰ্বমাহুঃ।

আলাপ আপ্যায়নতে মানুহৰ সম্পৰ্ক গঢ়ি উঠে।

আদানং হি বিসৰ্গায় সতাং বাৰিমুচামিব

সজ্জন সকলে দান কৰাৰ বাবেই গ্ৰহণ কৰে, ঠিক মেঘৰ দৰে।

আজ্ঞাভৱনাং হ্যবিচাৰনীয়া

-গুৰুজনৰ আদেশৰ দোষ গুণ বিচাৰ কৰা উচিত নহয়।

কাব্যখনত পৰ্য্যাপ্ত পৰিমাণে এনেধৰণৰ নীতিবাক্য পোৱা যায়। এইবোৰ কালিদাসৰ মহান বাণী বুলি ভাৰতীয় আদৰ্শত স্বীকৃত হৈছে।

কালিদাসৰ প্ৰেমৰ আদৰ্শ অতি উচ্চ স্তৰত স্থাপিত, ঠিক তেনেদৰে তেওঁৰ দাম্পত্য সম্বন্ধৰ ধাৰণাও অতি মহান। গাৰ্হস্থ্যাশ্ৰমক তেওঁ 'সৰ্বোপকাৰক্ষমাশ্ৰম' বুলি আখ্যা দিছে। ৰঘুবংশীয় ৰজাসকলে যদিও যৌৱনত বিষয়ভোগ কৰে, তথাপি তেওঁলোক সংযমী। দিলীপ আৰু সুদক্ষিণাক কালিদাসে আদৰ্শ দম্পতীৰ উদাহৰণৰূপে দাঙি ধৰিছে। ইয়াত একজন আনজনৰ পৰিপূৰক। স্ত্ৰী পতিৰ সহধৰ্মচাৰিণী। সুদক্ষিণা আৰু সীতাৰ চৰিত্ৰত তাক ফুটাই তোলা হৈছে। কেৱল সেয়ে নহয়, স্ত্ৰী স্বামীৰ বাবে গৃহিনী, পৰামৰ্শদাত্ৰী, অন্তৰংগ সখী, আৰু ললিতকলাৰ প্ৰিয়া শিষ্যা-- 'গৃহিণী সচিবঃ সখী মিথঃ

প্রিয়শিষ্যা ললিতে কলাবিধৌ' (৮.৬৭)। সন্তান হৈছে পতি -পত্নীৰ প্ৰেমৰ অংশীদাৰ আৰু তেওঁলোকৰ পৰস্পৰাশ্ৰিত প্ৰেমৰ উপচিতিৰ হেতু।

এতিয়া প্ৰশ্ন হ'ব পাৰে যে স্বামী স্ত্ৰীৰ এনে নিবিড় সম্পৰ্ক দেখুওৱা কালিদাসে সীতা বিসৰ্জনত ৰামক কিয় অনুমোদন জনালে। বাল্মীকিক অন্ধভাৱে অনুকৰণ কৰাৰ ফলত ৰঘুবংশতো সীতা বিসৰ্জনে স্থান পালে বুলি ভাবিব নোৱাৰি। কাৰণ কালিদাস তেনে অন্ধ অনুকৰণকাৰী নহয়। তেওঁ অভিজ্ঞান শকুন্তলম নাটকতে মহাভাৰতৰ কাহিনীৰ কিমান পৰিবৰ্তন ঘটাইছে সিও এই সন্দৰ্ভত বিচাৰ্য্য বিষয়।আমাৰ বোধেৰে অতি সূক্ষ্মভাৱে মন কৰিলে দেখা যায় যে স্বামী স্ত্ৰীৰ গভীৰ অন্তৰংগতা প্ৰতিপন্ন কৰিবলৈকেহে কালিদাসৰ ৰামেও সীতা বিসৰ্জনৰ সিদ্ধান্ত লৈছে। মানুহে নিজৰ সুখ সকলোৰে লগত ভাগ কৰি উপভোগ কৰিব পাৰে, কিন্তু নিজৰ চৰম দুখ একান্ত আপোন, বিশ্বাসী আৰু প্ৰিয়জনৰ লগতহে ভাগ কৰা যায়। তাতে ৰামৰ দৰে এজন মৰ্য্যাদা সম্পন্ন ৰজাৰ ক্ষেত্ৰত ই আৰু বেছি থুনুকা বিষয়। ৰামে লক্ষ্মণক নিৰ্দ্দেশ দিছে-- 'স ত্বং ৰথী তদ্ব্যপদেশনেয়াং প্ৰাপয্য বাল্মীকিপদং ত্যজৈনাম'- 'তুমি তেওঁক ৰথেৰে লৈ গৈ বাল্মীকিৰ পদতেই এৰি থৈ আহিবা'। এনেদৰে ৰামে কৌশলেৰে সীতাৰ নিৰাপত্তাৰ উপায়ো লক্ষ্মণক কৈছে। তদুপৰি কালিদাসে ইতিমধ্যে কৈ থৈছে-- 'ৰাজা প্ৰকৃতিৰঞ্জনাৎ'-- প্ৰজাৰঞ্জনেই ৰজাৰ ধৰ্ম। এনে বৃহত্তৰ স্বাৰ্থৰ বাবে ৰামে ক্ষুদ্ৰ স্বাৰ্থ পৰিত্যাগ কৰিছে। ইয়াৰ দ্বাৰা কলিদাসৰ ৰজাৰ আদৰ্শ ৰক্ষা পৰিছে। কিন্তু কালিদাসে সীতা বিসৰ্জনৰ পিছত ৰামৰ অন্তৰ্দ্বন্দ্বক উপলব্ধি কৰিবলৈ পাহৰা নাই। তেওঁ কৈছে--

বভূৰ ৰামঃ সহসা সবাষ্পস্তুষাৰবৰ্ষীৱ সহস্যচন্দ্ৰঃ।
কৌলীনভীতেন গৃহান্নিৰস্তা ন তেন বৈদেহসুতা মনস্তঃ।।১৪.৮৪।।

তেওঁ তুষাৰবৰ্ষী চন্দ্ৰৰ দৰে স্তব্ধ হৈ ৰল, চিৰদিনৰ বাবে। ৰামে মনৰ পৰা সীতাক পৰিত্যাগ কৰা নাই। কুলৰ ঐতিহ্য ৰক্ষাৰ বাবে ঘৰৰ পৰা হে ত্যাগ কৰিছে। পুনৰ পাণি গ্ৰহণ নকৰি তেওঁ যেন সীতা বিসৰ্জনৰ প্ৰায়শ্চিত্ত কৰিবলৈকে বিচাৰিলে।

ৰঘুবংশৰ মাজেৰে কালিদাসৰ অন্যতম ভাৱাদৰ্শ তপস্যা আৰু অধ্যৱসায়ৰ মৰ্যাদাও নিৰ্ণীত হৈছে। অভীষ্ট ধন লাভ কৰিবলৈ তপস্যাৰ

প্ৰয়োজন। দিলীপৰ একান্ত অভীষ্ট হ'ল পুত্ৰ সন্তান। যাৰ বাবে তেওঁ কঠোৰ ব্ৰতচাৰী হব লগীয়া হৈছে। কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ৰ দ্বাৰাহে ৰঘু সসাগৰা পৃথিৱীৰ অধীশ্বৰ হব পাৰিছে। ৰাম- সীতাৰ জীৱন তপস্যাৰ বহ্নিত বিশুদ্ধ বুলিহে বন্দনীয়। শ্ৰমবিমুখ অগ্নিবৰ্ণৰ জীৱনৰ দুঃখবহ পৰিণতিয়ে অধ্যৱসায়ৰ মহত্ব আৰু প্ৰকটভাৱে ফুটাই তুলিছে।

ৰঘুবংশৰ বাহিৰে কালিদাসৰ আন কেইখন প্ৰন্থত এযুটি নায়ক-নায়িকাক লৈ একোটা বিশেষ কাহিনী ৰচিত হৈছে। পৰিসৰৰ সীমাবদ্ধতাৰ বাবে তাত তেওঁ মানৱ জীৱনক বিভিন্ন দিশৰ পৰা জুখি চাবলৈ সুবিধা পোৱা নাই। কিন্তু ৰঘুবংশত উনত্ৰিচজন ভিন্ন ব্যক্তিত্বৰ নায়কৰ যোগেদি কবিয়ে জীৱন চৰ্যাৰ বিভিন্ন পথ পৰিক্ৰমণ কৰিব পাৰিছে। ফলত বিস্তৃৰ অভিজ্ঞতাপুষ্ট মহাকবিয়ে অনেক মহামূল্যবান সিদ্ধান্ত এই প্ৰন্থত একত্ৰ সন্নিবিষ্ট কৰিবলৈ সক্ষম হৈছে। সেয়েহে ৰঘুবংশক ভাৰতীয় জীৱনাদৰ্শ আৰু নীতিবোধৰ কোষপ্ৰন্থ ৰূপে স্বীকৃতি দিব পাৰি।

ৰঘুবংশত ভাৰতীয় সমাজ

প্ৰথম অধ্যায়ৰ আলোচনামতে কালিদাসক যদি গুপ্তকালীন কবি বুলি মানি লোৱা হয়, তেতিয়াহলে আমি খৃষ্টাব্দ চতুৰ্থ শতিকাৰ শেষ হোৱাৰ ভাৰতীয় সমাজ ব্যৱস্থা তেওঁৰ কাব্যত প্ৰতিফলিত হোৱা দেখিবলৈ পাম। যদিও কালিদাসে কাব্যখনৰ বিষয়বস্তু প্ৰাচীন প্ৰভুৰ পৰা চয়ন কৰিছে, তথাপিতেওঁ তাৰ উপস্থাপনত বৰ প্ৰাচীনত্ব ৰক্ষা কৰিবলৈ বিচৰা নাই যেন লাগে। তেওঁৰ সমসাময়িক ৰাজনৈতিক পটভূমিতে প্ৰাচীন ৰজাসকলৰ কাৰ্য্যপন্থা নিৰ্ণয় কৰি লৈছে। কলিংগ, পাণ্ড্য কামৰূপ, প্ৰাগজ্যোতিষপুৰ আদি ঠাইৰ নাম ৰামায়ণত পাবলৈ নাই। মহাভাৰতৰ যুদ্ধৰ পিছৰ পৰাহে ভাৰতৰ পূৰ প্ৰান্তৰ কামৰূপ লৌহিত্য, ইয়াৰ অগুৰু আৰু হাস্তিবলে ভাৰতীয় সাহিত্যত সঘনে স্থান পাবলৈ ধৰিলে। ৰঘুবংশত পোৱা এনে কেতবোৰ প্ৰসঙ্গ ৰ উল্লেখৰ পৰা এই কথা ক'ব পাৰি যে গুপ্তকালীন ভাৰতীয় সমাজৰ বিভিন্ন তথ্য, বিশেষকৈ শাসনযন্ত্ৰৰ সবিশেষ ৰঘুবংশত সঞ্চিত হৈছে। কেইবাজনো ৰজাৰ কাহিনী ইয়াত গ্ৰথিত হোৱা বাবে ৰঘুবংশত ৰাজকীয় কাৰ্য্যপ্ৰণালী বিশদভাৱে আলোচিত হৈছে।

ৰঘুবংশত আমি এজন সাৰ্বভৌম ব্যক্তিৰ অধীনত কেন্দ্ৰীভূত শাসনব্যৱস্থা দেখিবলৈ পাওঁ। ৰাজতন্ত্ৰত ৰজা একছত্ৰী শাসনকৰ্ত্তা আছিল। আসমুদ্ৰ তেওঁলোকৰ ৰাজ্য বিস্তৃত আছিল। সাম্ৰাজ্যবাদ ৰাজনীতিৰ এক প্ৰধান লক্ষ্য আছিল। ৰঘুৰ দিগ্বিজয়, দিলীপ আৰু ৰামৰ অশ্বমেধ যজ্ঞই সেই কথা প্ৰতিপন্ন কৰে। [illegible]। প্ৰজাসকলৰ মংগলবিধান তেওঁলোকৰ মূল লক্ষ্য হৈ পৰিছিল। [illegible], ৰক্ষণা-বেক্ষণ ভৰণ-পোষণ, শিক্ষা-দীক্ষা আদি বিষয়ত ৰজাৰ পূৰ্ণ দায়িত্ব আছিল, সেয়েহে কোৱা হৈছে -'প্ৰজাঃ প্ৰজানাং পিতেৰ পাসি'(২.৪৮)।

আকৌ কৈছে—

প্ৰজানাং বিনয়াধানাদ্ ৰক্ষনাদ্ ভৰণাদপি
স পিতা পিতৰস্তাসাং কেৱলং জন্মহেতৱঃ ।। ১.২৪।।

জনকল্যান সাধনৰ বাবে প্ৰজাৰ পৰা ৰজাই কৰ সংগ্ৰহ কৰিছিল আৰু দিগ্বিজয় আদিত লাভ কৰা ধন বিশ্বজিৎ যজ্ঞ অনুষ্ঠিত কৰি আৱশ্যক অনুপাতে দান কৰিছিল। ৰজাসকলে নীতিবশতঃ এনে দান কৰ্ম কৰাৰ ফলত দেশত অৰ্থনৈতিক ভাৰসাম্য সততে ৰক্ষা পৰিছিল। বিকেন্দ্ৰীভূত অৰ্থনৈতিক ব্যৱস্থাৰ প্ৰচলন আছিল । প্ৰজাৰ উৎপাদনৰ এক ষষ্ঠাংশ ৰাজহৰূপে সংগৃহীত হৈছিল। তলতীয়া ৰজাৰ উপঢৌকণ আদিৰেও ৰাজকোষ টনকীয়াল কৰা হৈছিল। মন্ত্ৰীৰ সহায়ত ৰজাই শাসনকাৰ্য্য চলাইছিল। শাসন কাৰ্য্যত অমাত্যৰ গুৰুত্ব আৰু ৰজা আৰু অমাত্যবৰ্গৰ অবিচ্ছেদ্য সম্পৰ্কৰ কথা বুজাবলৈ গৈ কালিদাসে কৈছে— সহায়সাধ্যং ৰাজত্বং চক্ৰমেকং ন ৱৰ্ত্ততে কুৰ্বীত সচিবাংস্তস্মাত্তেষাং চ শৃনুয়ান্মতম(শকুন্তলা,১.৭) 'শাসনকাৰ্য্য হৈছে এখন ৰথৰ গঠন প্ৰণালীৰ দৰে। ৰজা আৰু মন্ত্ৰীবৰ্গ ইয়াৰ চকাবোৰৰ দৰে। এটা চকাৰে যিদৰে ৰথ চলিব নোৱাৰে তেনেদৰে এটা চকাস্বৰূপ মন্ত্ৰী অবিহনে শাসনকাৰ্য্য চলিব নোৱাৰে।' ৰঘুবংশত দিলীপে মন্ত্ৰীৰ ওপৰত ৰাজদায়িত্ব সঁপি বশিষ্ঠৰ আশ্ৰমলৈ গৈছিল(১.৩৪)। মৃগয়াবিহাৰী ৰজা দশৰথে নিষ্ঠাবান অমাত্যগণৰ ওপৰত নিৰ্ভয়ে নিৰ্ভৰ কৰিছিল(৯.৬৯)।দশৰথৰ আকস্মিক বিয়োগৰ সময়ত পুত্ৰসকলৰ অনুপস্থিতিত সুমন্ত্ৰ আদি মন্ত্ৰীসকলে সতৰ্কতাৰে ৰাজকাৰ্য্য চলাইছিল আৰু ৰাজ পৰিয়ালৰ ৰক্ষণাবেক্ষণ দিছিল(১২.১১-১২)।কুশয়ো তেওঁৰ অলৌকিক স্বপ্নৰ কথা অমাত্যগণৰ আগত ব্যক্ত কৰি উপদেশ বিচাৰিছিল (১৬.২৪-২৫)। অমাত্যসকলেই মন্ত্ৰণা কৰি কুশৰ মৃত্যুৰ পিচত অতিথিক আৰু ধ্ৰুবসন্ধিৰ পিচত সুদৰ্শনক সিংহাসনত বহুৱাইছিল। মন্ত্ৰী সকলো ৰজাৰদৰে নীতিশাস্ত্ৰত পাৰদৰ্শী আছিল।অৰ্থশাস্ত্ৰত কোৱা হৈছে— ৰজাৰ আসন্ন মৃত্যু আৰু দুৰাৰোগ্য ব্যাধিৰ কথা প্ৰজাবৰ্গৰ পৰা গোপনে ৰাখিব লাগে যাতে তাৰ পৰা প্ৰজাসকলৰ মনোবল নকমে বা শত্ৰুৱে আহে নাপায়। অগ্নিবৰ্ণৰ মন্ত্ৰীসকলেও তেনেই কৰিছিল । আনকি ৰজাৰ মৃত্যুসংবাদ গোপনে ৰাখি নগৰৰ গণ্যমান্য নাগৰিকৰ লগত আলোচনা কৰি ৰাণীৰ অভিষেক কৰি ৰাজকাৰ্য্য চলাইছিল। দেশৰ সুৰক্ষা, শান্তি আদি প্ৰকৃততে বিদ্বান, নিষ্ঠাবান, অনুৰক্ত মন্ত্ৰীসকলৰ দ্বাৰাহে

নিশ্চিত হৈছিল। অগ্নিবৰ্ণৰ দিনতো শাসনকাৰ্য্য মন্ত্ৰীসকলৰ দ্বাৰা পৰিচালিত হৈছিল। মন্ত্ৰনাৰ গোপনীয়তা অতি সৰ্তকতাৰে ৰক্ষা কৰা হৈছিল। পোনতেই কোৱা হৈছে—

তস্য সংবৃতমন্ত্ৰস্য গূঢ়াকাৰেঙ্গিতস্য চ

ফলানুমেয়াং প্ৰাৰম্ভাঃ সংস্কাৰাঃ প্ৰাক্তনা ইব।। ১.২০।।

তদুপৰি এইটোও কোৱা হৈছে যে ৰজাসকলৰ পৰিকল্পনা কাৰ্য্যকৰী হৈ ফলপ্ৰদান কৰাৰ পিছতহে আনলোকে সেইবিষয়ে গম পাইছিল। অতিথিৰ শাসনব্যৱস্থা সম্পৰ্কেও কোৱা হৈছে যে তেওঁ প্ৰতিদিনেই মন্ত্ৰীসকলৰ লগত মন্ত্ৰণা কৰিছিল আৰু অতি সতৰ্কতাৰে মন্ত্ৰনাৰ দ্বাৰ গুপ্ত ৰখা হৈছিল(১৭.৫০)।

ৰজাই গুপ্তচৰ সম্বাৰ ওপৰত বিশেষভাৱে নিৰ্ভৰ কৰিছিল আৰু এই বিভাগটো যথেষ্ট শক্তিশালী আছিল। ৰাজতান্ত্ৰিক শাসনব্যৱস্থা হ'লেও গণমতে যথেষ্ট গুৰুত্ব পাইছিল। ৰামে গুপ্তচৰ ভদ্ৰৰ মুখে প্ৰজাসকলৰ মনোভাৱ জানিব পাৰিয়ে সীতাক পৰিত্যাগ কৰাৰ সিদ্ধান্ত লৈছিল— 'অবৈমি চৈনামনঘেতি কিন্তু লোকাপবাদো বলবান মতো মে'(১৪.৪০)। অতিথিৰো গুপ্তচৰ বাহিনী অতি শক্তিশালী আছিল। তেওঁৰ গুপ্তচৰৰূপ ৰশ্মি চাৰিও ফালে বিয়পি থকাত মেঘমুক্ত সূৰ্য্যমণ্ডলৰ দৰে সেই অতিথিৰ শাসকমণ্ডলীৰ কোনো কথা অজ্ঞাত নাছিল।

ন তস্য মণ্ডলে ৰাজ্ঞো ন্যস্তপ্ৰণিধিদীধিতেঃ।

অদৃষ্টমভবৎ কিঞ্চিদ্ ব্যভ্ৰস্যেৱ বিৱস্বতঃ।।১৭.৪৮।।

ৰজাসকলে আন্বীক্ষিকি বিদ্যা, দণ্ডনীতি, যুদ্ধনীতি, চতুৰুপায় আদি বিদ্যাৰ উপৰিও চিত্ৰ কলা, সংগীতকলা আৰু কামকলা সম্পৰ্কীয় বিদ্যা অৰ্জন কৰিব লাগিছিল। ৰজা সকলক সসাগৰা পৃথিবীৰ অধীশ্বৰ বুলি অভিহিত কৰা হৈছে যদিও ৰাজ্যত পাৰ্বত্য জাতিবোৰৰ পৰা সততে আক্ৰমণ হৈ আছিল। ৰঘুৱে উত্তৰৰ দুৰ্দ্ধৰ্ষ পাৰ্বত্য জাতিবোৰক পৰাস্ত কৰিবলৈ যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল (৪.৭৭) অতিথিয়েও তেনে আক্ৰমণ চলাবলগীয়া হৈছিল।

মনুৰ স্মৃতিশাস্ত্ৰক ৰাজনৈতিক সংবিধান বুলি মনা হৈছিল যেন লাগে, কাৰণ ৰাজাদৰ্শ হিচাপে কালিদাসে প্ৰধানকৈ এইখন স্মৃতিশাস্ত্ৰতে নিৰ্ভৰ কৰি কৈছে—

ৰেখামাত্রমপি ক্ষুন্নাদ্বা মনোবৰ্ত্মনঃ পৰম্।

ন ব্যতীয়ুঃ প্রজাস্তস্য নিয়ন্তুর্নেমিবৃত্তয়ঃ।।১.১৭।।

কৌটিলৰ অৰ্থশাস্ত্ৰৰ উল্লেখ নাথাকিলেও সেই গ্ৰন্থৰ নীতি সমূহো কাৰ্য্যকৰী কৰাৰ কথা ৰঘুবংশত কোৱা হৈছে।

ৰজাসকল বহুপত্নীক আছিল। কিন্তু প্ৰধান মহিষীৰ সুকীয়া মৰ্য্যদা আছিল। অৱশ্যে ৰঘুবংশত দশৰথৰহে একাধিক পত্নী থকাৰ কথা জনা যায়। প্ৰধান মহিষীৰ সন্তানহে সিংহাসনৰ অধিকাৰী হ'ব পাৰিছিল। অপুত্ৰক অৱস্থাত ৰজাৰ মৃত্যু হলে গৰ্ভৱতী মহিষীৰ অভিষেক সম্পন্ন কৰি তেওঁৰ নামত শাসন চলোৱা হৈছিল। অগ্নিবৰ্ণৰ জীৱনীত তেনে দৃষ্টান্ত পোৱা যায়।

ৰঘুবংশৰ পৰা কেৱল ৰাজকুলৰ ৰমণী সকলৰ বিষয়েহে জানিব পাৰি। পত্নী পতিৰ সহধৰ্মচাৰিণী আছিল। পতিৰ বাবে পত্নী গৃহিনী, সচিব, মিত্ৰ, শিষ্যা স্বৰূপা আছিল। স্ত্ৰী সকলে নিজৰ অভিলাষ পূৰণৰ স্বাধীনতা পাইছিল। সুদক্ষিণাৰ দোহদেচ্ছা পূৰণৰ বাবে দিলীপ উৎসুক আছিল। কৈকেয়ীয়ে নিজৰ মনোবাঞ্ছা পূৰণ কৰিবলৈ সুবিধা পাইছে। সীতায়ো নিজ ইচ্ছানুযায়ী পতিৰ লগত বনলৈ যাব পাৰিছে। নাৰীৰ সতীত্বৰ ওপৰত বিশেষ চকু দিয়া হৈছিল। সীতা তাৰ জ্বলন্ত উদাহৰণ।ৰাজকুলৰ দাসীসকলেও গৰাকীৰ পৰা যথোচিত সন্মান পাইছিল বুলি ৰঘুবংশৰ পৰা জানিব পাৰি। বিনয়, লজ্জা, শ্ৰদ্ধাশীলতা আদিক নাৰীৰ ভূষণ বুলি গণ্য কৰা হৈছিল। ৰঘুবংশৰ প্ৰতিগৰাকী নাৰীকেই এইবোৰ গুণেৰে বিভূষিত কৰা হৈছে।

সয়ম্বৰ প্ৰথাৰ প্ৰচলন আছিল, যেনে ইন্দুমতীৰ সয়ম্বৰ। অভিভাৱকৰ যোগেদি বিয়াৰ বৰ কন্যা ঠিক কৰাৰ প্ৰথাও আছিল যেনে কুশ- কুমুদ্বতীৰ বিবাহ। কন্যাৰ চিত্ৰ দেখুৱাই বিবাহ ঠিক কৰাৰ প্ৰথাও আছিল। সুদৰ্শনৰ কইনা তেনেদৰে ঠিক কৰা হৈছিল। বিবাহত যজ্ঞানুষ্ঠান কৰাৰ ৰীতি আছিল। ইন্দুমতী অজৰ বিবাহ অনুষ্ঠান বিস্তৃত ভাবে বৰ্ণনা কৰা হৈছে। সপ্তপদী, হস্তস্পৰ্শ, আখৈ প্ৰদান, লগুনগাঠি কন্যা সম্প্ৰদান আদিৰ বিধান আছিল। তদুপৰি মাল্যবান পৰ্বতত কন্দল ফুলৰ সৈতে মিশ্ৰিত হৈ যোৱা ৰক্তিম ধোৱা দেখি ৰামৰ মনত পৰিছে– বিয়াৰ সময়ত হোমৰধোৱাত সীতাৰ মুখকান্তি কেনে অৰুণবৰ্ণৰ হৈ পৰিছিল(১৩.২৯)। নৃত্যগীত পটীয়সী স্ত্ৰী সকলে ৰজা বা

ৰাজপুৰুষৰ মনোৰঞ্জন কৰিছিল। তেনে স্ত্ৰী সকলক গণিকা বুলি উল্লেখ কৰা হোৱা নাই যদিও, তেওঁলোকে ৰজাৰ কামলীলাৰো সঙ্গী হৈছিল, ঊনবিংশ সৰ্গৰ পৰা এই বিষয়ে অনুমান কৰিব পাৰি।

আমোদ- প্ৰমোদৰ ভিতৰত মৃগয়া, ৰথবিহাৰ, জলকেলি, প্ৰমোদউদ্যান ভ্ৰমণ আদিৰ উল্লেখ পোৱা যায়। স্ত্ৰী সকলৰ বিলাস সামগ্ৰীৰ বহু উল্লেখ পোৱা যায়। নানা প্ৰকাৰ আভূষণ আৰু অংগৰাগ তেওঁলোকে ব্যৱহাৰ কৰিছিল। পত্ৰৰচনা আৰু তিলক ধাৰণৰ প্ৰচলন আছিল। সাজসজ্জাৰ ক্ষেত্ৰত কৰ্ণিকাৰ, শিৰীষ, পদুম আৰু তমাল পত্ৰ ব্যৱহাৰ কৰিছিল। স্থাপত্যবিদ্যাই উৎকৰ্ষ লাভ কৰিছিল। কুশাৱতীৰ বৰ্ণনা আৰু পৰিত্যক্তা অযোধ্যানগৰীৰ পুনৰ্ণিমান প্ৰসঙ্গৰ পৰা এই বিষয়ে প্ৰতীয়মান তথ্য পোৱা যায়।

কালিদাসে যি সময়ত কাব্য- চৰ্চ্চা কৰিছিল সেইসময়ত বৌদ্ধধৰ্মৰ প্ৰভাৱ কিছু স্তিমিত হৈছিল। গুপ্তৰজাসকল হিন্দু আছিল। গতিকে হিন্দুধৰ্মৰ প্ৰসাৰ আৰু প্ৰচাৰৰ চেষ্টা চলিছিল। ৰঘুবংশৰ মতে ৰজা প্ৰজা উভয়ে বৈদিক যজ্ঞাদি অনুষ্ঠানত ভাগ লৈছিল। দেশত শস্যবৃদ্ধি, প্ৰজাৰ আয়ুস বৃদ্ধি, মাৰি মৰক আদি বিঘিনি প্ৰশমন আদিৰ বাবে যজ্ঞ কৰিছিল। কাব্যখনৰ বিভিন্ন ঠাইত যাগ, যজ্ঞ আদিৰ উল্লেখ আছে যদিও উপাস্য দেৱ দবীৰ নামোল্লেখ পাবলৈ নাই। কালিদাসৰ তিনিওখন নাটকৰ নান্দীশ্লোক আৰু ৰঘুবংশৰো প্ৰথম শ্লোকত শিৱস্তুতিপোৱা যায়। কুমাৰ সম্ভৱত ষষ্ঠসৰ্গত শিৱস্তুতি, দ্বিতীয় সৰ্গত ব্ৰহ্মাৰ স্তুতি আৰু ৰঘুবংশৰ দশম সৰ্গত বিষ্ণুস্তুতি পোৱা যায়। তাৰ মানে পুৰাণসিদ্ধ ব্ৰহ্মা -বিষ্ণু- শিৱ এই ত্ৰিমূৰ্ত্তিৰ ধাৰণাই জনবিশ্বাসত স্থান পাইছিল আৰু সেইমতে সৃষ্টি- স্থিতি- বিনাশৰ প্ৰত্যয় মানুহে মানি লৈছিল। কালিদাসৰ যে উপাস্য দেৱতা শিৱ আছিল সি বৰ্ত্তমান প্ৰমাণিত বিষয়। বেদান্ত দৰ্শন(১০.১২,২২,৩৮ ইত্যাদি) সাংখ্য দৰ্শন (৮.২১,১৩,৬০ ইত্যাদি) যোগদৰ্শন (১.৮,১৫.৯৫,১৩.৫২ ইত্যাদি) আদি বিষয়ত চিন্তন- মননে বৌদ্ধিক ক্ষেত্ৰত বিকাশ লাভ কৰিছিল।

আশ্ৰম সমূহ আছিল বৌদ্ধিক চিন্তচৰ্চ্চাৰ প্ৰাণকেন্দ্ৰ। তপোৱনত গৃহস্থী মুনি সকলৰো স্থান আছিল। ইয়াত শিক্ষাৰ্থী সকলক শিক্ষাদানৰ ব্যৱস্থা আছিল। শাসন কাৰ্য্যত ঋষিসকল পোনপটীয়াভাৱে জড়িত নহ'লেও

ৰাজনৈতিক আৰু সামাজিক বিষয়ত তেওঁলোকে গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ৰাজপৰিয়ালৰ আধ্যাত্মিক আৰু মানসিক উৎকৰ্ষ সাধনত কুলগুৰুৰ অধিক দায়িত্ব আছিল। তেওঁলোকে গোপনীয় হ'লেও মানসিক অশান্তিৰ নিৰাময়ৰ বাবে কুলগুৰুৰ কাষ চাপিছিল, দিলীপে পুত্ৰ কামনাৰে, ৰঘুৱে বিজয় কামনাৰে, বশিষ্ঠৰ ওচৰ চাপিছে। অজৰ বিৰহ বেদনা বশিষ্ঠৰ আশ্বাসত উপশম হৈছে। অগস্ত্যই ৰামচন্দ্ৰৰ বাবে ৰক্ষাকবচ অৰ্পন কৰিছে। ৰাজনৈতিক সিদ্ধান্তগ্ৰহণতো কুলগুৰুৰ পৰামৰ্শক মানি চলা হৈছিল। অগ্নিবৰ্ণৰ মৃত্যুৰ খবৰ গোপনে ৰাখি অন্তঃসত্ত্বা ৰাণীৰ আভিষেক কৰি ৰাজ্য চলোৱাৰ বিধান কুলগুৰুৱেই দিছিল (১৯.৫৪)।

ৰাজ পৰিয়ালৰ লগত সংযুক্ত ঋষিসকল অথৰ্ববেদৰ বিশেষজ্ঞ আছিল। বশিষ্ঠ অথৰ্ববেদবিদ আছিল-- --'অথাথৰ্ব নিধেস্তস্য বিজিতাৰি পুৰঃ পুৰ' (১.৫৯কখ)। অভিষেকাদি কাৰ্য্য অথৰ্ববেদোক্ত বিধানেৰে সম্পন্ন হৈছিল- 'স বভূব দুৰাসদঃ পৰৈৰ্গুৰুনাথৰ্ববিদা কৃত প্ৰিয়ঃ' (৮.৪)। সমাজত জাতিভেদ প্ৰথা আছিল আৰু উচ্চ নীচ স্তৰো আছিল। শূদ্ৰৰ তপস্যাৰ অধিকাৰ নাছিল। শূদ্ৰ শম্বূক তাৰ উদাহৰণ (১৫.৫১)।

ৰঘুবংশৰ কাহিনীভাগ এটা ক্ষমতাশালী ৰাজপৰিয়ালৰ পৰা চয়ন কৰা হৈছে, ইয়াৰ চৰিত্ৰ সমূহ ৰাজকুলৰ লোক আৰু ইয়াৰ পটভূমি অযোধ্যাৰ দৰে ৰাজধানী নগৰ। সেই বাবে এই কাব্যত প্ৰধানকৈ উচ্চ স্তৰৰ লোকৰ জীৱন যাত্ৰা প্ৰণালী স্পষ্ট ৰূপত ধৰা পৰিছে। সৰ্বসাধাৰণ প্ৰজাৰ মাজত প্ৰচলিত লোকাচাৰ, লোকউৎসৱ, লোকবিশ্বাস আদিৰ বিষয়ে এই গ্ৰন্থৰ পৰা জানিব পৰা নাযায়। তথাপি ওপৰৰ চমু আলোচনাৰ পৰা দেখা গল যে প্ৰাচীন ভাৰতীয় সমাজ ব্যৱস্থা সম্পৰ্কে যথেষ্ট তথ্য ৰঘুবংশত সংৰক্ষিত হৈ আছে।

ৰঘুবংশত ভৌগোলিক তথ্য

কালিদাসৰ কাব্যসমূহ ভৌগোলিক তথ্যত চহকী। বিশেষকৈ মেঘদূত আৰু ৰঘুবংশই প্ৰাচীন ভাৰতৰ অনেক নগৰ, গাওঁ অৰণ্য, পাহাৰ, পৰ্বত, নদী, জুৰি, সৰোবৰ আদিৰ নাম আৰু স্থান উল্লেখ কৰি গৈছে। কালিদাসে মেঘদূতত বিন্ধ্যা পৰ্বতৰ নামনিৰ পৰা হিমালয়ৰ মধ্যভাগলৈকে এই বিস্তৃত ভূখণ্ডৰ পুংখানুপুংখ বৰ্ণনা আগবঢ়াইছে। কিন্তু ৰঘুবংশত দীঘে প্ৰস্থই জম্বুদ্বীপৰ এখন ৰেখাচিত্ৰ আঁকি পেলোৱা হৈছে। ইয়াত শ্ৰীলংকাৰ পৰা কাশ্মীৰলৈকে আৰু কামৰূপৰ পৰা পাৰস্যলৈকে অবিভক্ত ভাৰতবৰ্ষৰ প্ৰাকৃতিক আৰু ৰাজনৈতিক মানচিত্ৰ কাব্যিক ৰূপত ডাঙি ধৰা হৈছে। এই কাব্যৰ চতুৰ্থ, ষষ্ঠ আৰু ত্ৰয়োদশ সৰ্গত কবিৰ ভৌগোলিক জ্ঞানৰ পৰিসৰ দেখিলে তবধ মানিব লাগে। যাতায়তৰ সুব্যবস্থা নথকা তেনে দিনতো কালিদাসে সমগ্ৰ জম্বুদ্বীপৰ বিভিন্ন অংশৰ প্ৰাকৃতিক বিশেষত্ব আৰু জীৱন যাত্ৰা প্ৰণালীৰ যি বৰ্ণনা দিছে সি তেওঁৰ প্ৰত্যক্ষ জ্ঞান নে পুথিগত জ্ঞান তাক নিশ্চয় কৰিব নোৱাৰি। কেৱল ৰঘুবংশৰ চতুৰ্থ সৰ্গৰ ৰঘুৰ দিগ্বিজয়ৰ বৰ্ণনা পঢ়ি এনে অনুমান মনলৈ আহে যে সমুদ্ৰগুপ্তৰ দিগ্বিজয় যাত্ৰাত বোধকৰো কালিদাস লগত আছিল। অৱশ্যে এই কথা প্ৰমাণ কৰিবলৈ ঐতিহাসিক ব্যাখ্যা নাই। ই এটা অনুমানহে। কাৰণ সম্ৰাটসকল যুদ্ধযাত্ৰাত যাওঁতে লগত চিকিৎসক, সাহিত্যিক, বুৰঞ্জী লিখক আদিক লগত লৈ যোৱা নিয়ম আছিল বুলি জনা যায়। এই বিষয়ে অৰ্থশাস্ত্ৰতো কৌটিল্যই ব্যৱস্থা দি থৈছে। ৰঘুবংশত পোৱাৰ দৰে ভাৰতবৰ্ষৰ বিভিন্ন তথ্য পৰীক্ষা কৰি তেওঁৰ সমসাময়িক ভাৰতবৰ্ষৰ ৰাজনৈতিক পৰিস্থিতি সম্পৰ্কে স্পষ্ট ধাৰণা কৰি ল'ব পাৰি। ৰঘুবংশৰ চতুৰ্থসৰ্গত ৰঘুৰ দিগ্বিজয় যাত্ৰা বৰ্ণনা কৰা হৈছে। আৰু সেই প্ৰসঙ্গতে অযোধ্যাৰ উত্তৰ, দক্ষিণ, পূব আৰু পশ্চিমৰ বিস্তীৰ্ণ এলেকাৰ পৰিচয় দি যোৱা হৈছে। ৰঘুৰ যাত্ৰাপথ কৈ গ'লেই অৱস্থিতি অনুসৰি ঠাইবোৰৰ পৰিচয় পোৱা যাব। সূৰ্য্যবংশীয় ৰজাসকলে কোশল

ৰাজ্যত ৰাজত্ব কৰিছিল। এই ৰাজ্যৰ ৰাজধানী আছিল অযোধ্যা। খৃঃ পূঃ ষষ্ঠ শতিকাত ভাৰতত যি ষোল্লটি মহাজনপদ আছিল, কোশল তাৰ অন্যতম[১]। বৰ্ত্তমান উত্তৰ প্ৰদেশৰ অযোধ্যা আৰু তাৰ সমীপৱৰ্ত্তী অঞ্চলকলৈ কোশল ৰাজ্য গঠিত হৈছিল। গুপ্তবংশীয় ৰজাসকলৰ শাসনকালত অযোধ্যা এখন সমৃদ্ধিশালী নগৰ আছিল। ৰাজধানী অযোধ্যাৰ নাম ঐতৰেয় ব্ৰাহ্মণ, অথৰ্ববেদ, ৰামায়ণ আৰু পুৰাণ সাহিত্যৰ বিভিন্ন প্ৰসঙ্গত পোৱা যায়। ৰঘুৱে অযোধ্যাৰ পৰা পোনতে পূৰদিশৰ ফালে অভিযান আৰম্ভ কৰিলে--

-স যযৌ প্ৰথমং প্ৰাচীং তুল্যঃ প্ৰাচীনবৰ্হিষা।

পূবদিশৰ বিভিন্ন ৰাজ্য জয় কৰি ৰঘু বঙ্গোপসাগৰৰ তালবনেৰে আবৃত শ্যামল তীৰভূমি পালেগৈ আৰু সুহ্ম আৰু বংগদেশৰ ৰজাক তলতীয়া কৰিলে (৪.৩৫,৩৬)। বংগদেশ আৰু কলিংগৰ (বৰ্ত্তমান উৰিষ্যাৰ পূৰ্বাংশ) মাজত সুহ্ম ৰাজ্য আছিল। বালিৰ চতুৰ্থ পুত্ৰ সুহ্মই এই ৰাজ্য প্ৰতিষ্ঠা কৰিছিল বুলি জনা যায়। ইয়াৰ ৰাজধানী তাম্ৰলিপ্ত, দামলিপ্ত বা তামলিনী কোশিয়া নদীৰ পশ্চিম পাৰে অৱস্থিত আছিল[২]। মহাভাৰতৰ টীকাকাৰ নীলকণ্ঠই বংগৰ পশ্চিমাংশৰ ৰাঢ় প্ৰদেশকে সুহ্মদেশ বুলি কৈছে (দ্ৰষ্টব্য, টীকা, সভা পৰ্ব ৩০.১৬)। ৰঘুৱে বৰ্ত্তমানৰ বংগদেশো এই যাত্ৰাত অধিকাৰ কৰি কপিশা নদীৰ পাৰ পালেগৈ। বৰ্ত্তমান উৰিষ্যাৰ সুবৰ্ণৰেখা নদীৰ প্ৰাচীন নাম কপিশা আছিল। কপিশা পাৰ হোৱাৰ পিছত ৰজাৰ সেনা বাহিনীক উৎকল দেশীয় ৰজাই আগবঢ়াই কলিংগৰ পথ দেখুৱাই দিলে। কলিংগদেশৰ উত্তৰভাগৰ নাম আছিল উত্তৰ কলিংগ। সেই নাম ক্ৰমশঃ উৎকলিংগ আৰু পিছত উৎকল হ'লগৈ।

কলিংগ প্ৰদেশ গোদাৱৰীৰ মোহনালৈকে বিস্তৃত আছিল। গতিকে কলিংগ উৎকল দেশৰ দক্ষিণ পশ্চিমত অৱস্থিত আছিল। পৌৰাণিক আখ্যান মতে দীৰ্ঘতমা ঋষি আৰু সুদেষ্ণাৰ পুত্ৰ কলিংগৰ সন্ততি সকলে এই দেশ অধিকাৰ কৰি আছিল বাবে এই দেশ আৰু ইয়াৰ অধিবাসীৰ নাম কলিংগ হ'ল, তুলনীয় জগন্নাথাত্ পূৰ্বভাগে গংগাতীৰান্তগঃ শিৰে। কলিংগদেশঃ সং প্ৰোক্তো বামমাৰ্গপৰায়ণঃ (বিষ্ণুপুৰাণ ২৭/১৬৮)।

১। কাশী, কোশল, অংগ, মগধ, বৃজি, মল্ল, চেদি, বৎস, কুৰু, পাঞ্চাল, মৎস্য, শূৰসেন, অশ্মক, অৱন্তি, গান্ধাৰ, কম্বোজ।

২। হেমচন্দ্ৰ ৪.৪৫

কলিংগৰ পৰা ৰঘুৰ সেনা বাহিনী অগস্ত্য নক্ষত্ৰ উদয় হোৱা দিশৰ ফালে অৰ্থাৎ দক্ষিণ দিশে ঘূৰিলে (৪,৪৪) আৰু কাৱেৰী নদী পৰ্য্যন্ত আগবাঢ়িল আৰু মলয় পৰ্বতৰ উপত্যকাত জিৰণি ল'লে। মলয় পৰ্বতৰ নামনিয়েদি কাৱেৰী নৈ বৈ গৈছে। প্ৰাচীন ভাৰতীয় ইতিহাসত মলয় পৰ্বতৰ এক বিশেষ স্থান আছে। ই সপ্ত কুল পৰ্বতৰ এক অন্যতম পৰ্বত।

মলয় পৰ্বতৰ চন্দন, জালুক, ইলাচী, চুপাৰী আৰু ইয়াৰ শীতল সমীৰণৰ বৰ্ণনা বালৰামায়ণ, মালবিকাগ্নিমিত্ৰ আদি অনেক সংস্কৃত গ্ৰন্থত পোৱা যায়। মলয় পৰ্বতৰ ওচৰৰে দৰ্দ্দুৰ পৰ্বত ৰঘুৱে অতিক্ৰম কৰিলে। তাৰ পৰা অনুমান কৰা হৈছে যে পূৰ্বঘাট আৰু পশ্চিমঘাট পৰ্বতৰ দক্ষিণৰ শীৰ্ষ ভাগকে মলয় আৰু দৰ্দ্দুৰ পৰ্বত বুলি কোৱা হৈছে। মলয় পৰ্বতৰ ওচৰতে পাণ্ড্যদেশীয় ৰজাই ৰঘুৰ বশ্যতা স্বীকাৰ কৰিলে। বৰ্ত্তমান মাদ্ৰাজৰ তিনাভেলি আৰু মাদুৰাই এই দুই ঠাই লগলাগি পাণ্ড্যৰাজ্য গঠিত হৈছিল। এই ৰাজ্য মলয় পৰ্বত আৰু তাম্ৰপৰ্ণী নদীৰ মাজত অৱস্থিত আছিল। এই দেশৰ ৰজাই ৰঘুক মুক্তা উপহাৰ দিয়াৰ কথা কোৱা হৈছে (৪.৫০)। তদুপৰি তাম্ৰপৰ্ণী নদীৰ মোহনা এই ৰাজ্যৰ অন্তৰ্গত আছিল আৰু এই নদী দক্ষিণ মূৰৰ মান্নাৰ উপসাগৰত পৰিছে। গতিকে কালিদাসৰ দিনত এই ৰাজ্য ভাৰত মহাসাগৰলৈকে বিস্তৃত হৈ আছিল বুলি অনুমান কৰিব পাৰি। প্ৰাচীন ভাৰতীয় মানচিত্ৰত তাম্ৰপৰ্ণী এখন উল্লেখযোগ্য নৈ। পুৰাণ সাহিত্যই পবিত্ৰ নদীবোৰৰ ভিতৰত তাম্ৰপৰ্ণীকো সামৰি লৈছে। এই নৈ পশ্চিমঘাটৰ পৰা ওলাই মান্নাৰ উপসাগৰতপৰিছে। বৰ্ত্তমান তামিলনাডুৰ তিনাভেলী জিলাৰ মাজেদি এই নৈ বৈ গৈছে।

ৰঘুৰ সেনাবাহিনী এইবাৰ পশ্চিমমুৱা হৈ সহ্য পৰ্বত অতিক্ৰম কৰিলে। সহ্যপৰ্বতক বৰ্ত্তমানো সহ্যাদ্ৰি নামেৰে জনা যায়। পশ্চিমঘাট পৰ্বতৰ এক বিশাল অংশই সহ্যপৰ্বত। মহাভাৰতৰ উদ্যোগপৰ্ব (অধ্যায় ১১-১২), বনপৰ্ব অধ্যায় (২৮২) আৰু ভীষ্মপৰ্বত (অধ্যায় ৯) পুৰাণ প্ৰসিদ্ধ এই পৰ্বতৰ উল্লেখ পোৱা যায়। এই পৰ্বতমালা পাৰ হৈ ৰঘুৱে কেৰল দেশত প্ৰৱেশ কৰিলে। তাৰ মানে আৰৱ সাগৰৰ উপকূলীয় ৰাজ্যবোৰত আক্ৰমণ আৰম্ভ কৰিলে। বৰ্ত্তমানৰ কুমাৰিকাৰ পৰা গোৱালৈকে এই বিস্তৃত অঞ্চলৰ কোচিন, কাণাড়া আৰু ত্ৰিবাঙ্কুৰক একেলগে কেৰল ৰাজ্য বোলা হৈছে। ৰামায়ণৰ দিনৰে পৰা এই ঠাই

এই নামেৰেই প্ৰসিদ্ধ। মহাভাৰতৰ বন পৰ্ব (৭০ তম অধ্যায়), ভীষ্মপৰ্ব (৯ ম অধ্যায়), ব্ৰহ্মবৈৰ্ত্ত পুৰাণ(৯৮ -৯৯ অধ্যায়) দেৱী ভাগৱত (৪ৰ্থ স্কন্ধ) আদি গ্ৰন্থৰ পৰা কেৰল দেশৰ প্ৰসিদ্ধি সম্পৰ্কে অনুমান কৰিব পাৰি। দণ্ডীৰ দশকুমাৰচৰিততো (৮ ম উল্লাস) পশ্চিম সাগৰৰ উপকূলীয় অংশক কেৰলদেশ বোলা হৈছিল। মুৰলা কেৰল দেশৰ প্ৰধান নৈ। ভৱ ভূতিৰ উত্তৰ ৰামচৰিত নাটকত এই নৈৰ উল্লেখ বিশেষভাৱে পোৱা যায়। কেৰল দেশৰ ত্ৰিকূট পৰ্বতত ৰঘুৱে বিজয়ধ্বজা স্থাপন কৰিলে। ৰঘুৰ উত্তৰমুখী সেনাবাহিনী স্থলপথেদি পশ্চিম প্ৰান্তৰ পাৰসিক সকলক জয় কৰাৰ উদ্দেশ্যে আগবাঢ়িল। ইয়াত ধূলিময় ৰণভূমি, যুদ্ধ নিপুণ অশ্বাৰোহী সেনা আৰু আঙুৰ ফলৰ মদিৰাৰ উল্লেখৰ পৰা বুজিব পাৰি যে ৰঘুৰ সেনাবাহিনী সিন্ধুনদীৰ পশ্চিম পাৰত উপস্থিত হৈছিলগৈ। এই ঠাইক পাৰস্য বা পাৰ্সিয়া বুলি কোৱা হৈছিল আৰু অধিবাসী সকলক পাৰসিক নামেৰে বুজোৱা হৈছিল।(৪.৬০-৬৫)

এইবাৰ ৰঘুৱে উত্তৰমুৱা যাত্ৰা আৰম্ভ কৰি পোনতে হূনসকলক পৰাস্ত কৰিলে (৪.৬৮) ঐতিহাসিক তথ্য অনুসৰি হূনসকল মূলতে মধ্য এচিয়াৰ এক যাযাবৰ জাতি আছিল। এওঁলোকক ইন্দো- স্কিথিয়ান বুলিও উল্লেখ কৰা হৈছে খৃষ্টীয় প্ৰথম শতিকাৰ আৰম্ভনীতে হূণনেতা মিহিৰকুলে বৰ্ত্তমান পাকিস্তানৰ অন্তৰ্গত শাকলা বা শিয়ালকোটত থিতাপি লয় আৰু তাতে এখন হূনৰাজ্য স্থাপিত হয়। গুপ্তবংশীয় সম্ৰাট কুমাৰগুপ্তৰ শাসনকালত তেওঁৰ ৰাজ্য হূন সকলে আক্ৰমণ কৰে। ইয়াৰ পিছত কম্বোজ দেশীয় ৰজাই ৰঘুৰ বশ্যতা স্বীকাৰ কৰি অনেক স্বাস্থ্যবান ঘোঁৰা, বস্ত্ৰ আৰু আখৰোত আদি ফল উপহাৰ দিলে (৪.৬৯-৭০) তাৰমানে ৰঘুৰ সৈন্য উত্তৰে উজাই গৈ বৰ্ত্তমান আফগানিস্তানৰ উত্তৰভাগ পালেগৈ। কম্বোজ খৃঃ পূঃ ষষ্ঠ শতিকাৰ ভাৰতৰ যোল্লটি মহাজনপদৰ অন্যতম আছিল। ই গান্ধাৰৰ নিকটবৰ্ত্তী ৰাজ্য আছিল। ৰাজতৰঙ্গিনীৰ পৰা উত্তৰ আফগানিস্তানলৈকে এই ৰাজ্যৰ সীমা বিস্তৃত আছিল বুলি জনা যায়। মহাভাৰতৰ সভাপৰ্বত (২৭.২২-২৩) অৰ্জুনে কম্বোজাধিপতিক পৰাস্ত কৰাৰ কথা পোৱা যায়।

কম্বোজ জয়ৰ পিছতে ৰঘুৱে কেৱল অশ্বাৰোহী সৈন্যবাহিনী লৈহে আগবাঢ়িল। কাৰণ কম্বোজৰ পৰা তেওঁ পূৱমুৱা হৈ হিমালয়ত আৰোহন

কৰিলে—

তেষাং সদশ্বভূয়িষ্ঠাস্তুংগা দ্ৰবিণৰাশয়ঃ
উপদা বিবিশুঃ শশ্বন্নোৎসেকাঃ কোশলেশ্বৰম্ ।।৪.৭০।।

সেয়ে পাহাৰীয়া পথত কোশলৰাজে অৰ্থাৎ ৰঘুৱে পদাতিক আৰু ৰথীগণক পৰিত্যাগ কৰিলে। নমেৰু আৰু দেৱদাৰু গছেৰে ভৰা পাহাৰীয়া অঞ্চলত অনেক পাৰ্বত্য জাতিৰ লগত তেওঁৰ সংঘৰ্ষ হ'ল আৰু উৎসৱসংকেত নামৰ এক দুৰ্দ্ধৰ্ষ গোষ্ঠীকো পৰাস্ত কৰি দিগ্বিজয়ৰ শেষ পৰ্য্যায়ত উপনীত হ'লহি। এই পৰ্য্যায়ত ৰঘুৱে লৌহিত্য নদ পাৰ হৈ কৃষ্ণঅগৰু গছেৰে ভৰা প্ৰাগজ্যোতিষত প্ৰৱেশ কৰিলে। ইন্দ্ৰবিজয়ী কামৰূপৰ ৰজাই ৰঘুক মদৰৱী হাতী দান কৰিহে সন্তুষ্ট কৰিব পাৰিলে আৰু ৰঘুৰ পদযুগলত ৰত্নৰূপ অৰ্পন কৰি বশ্যতা স্বীকাৰ কৰিলে।

চকম্পে তীৰ্ণলৌহিত্যে তস্মিন্ প্ৰাগজ্যোতিষেশ্বৰঃ
তদগজালানতাং প্ৰাপ্তৈঃ সহ কালাগুৰুদ্ৰুমৈঃ।।৮১।।
ন প্ৰসেহে স ৰুদ্ধাৰ্কমধাৰাবৰ্ষদুৰ্দিনম্।
ৰথবৰ্ত্মৰজোহপ্যস্য কুত এৱ পতাকিনীম্।।৮২।।
তমীশঃ কামৰূপানামত্যাখণ্ডলবিক্ৰমম্।
ভেজে ভিন্নকটৈৰ্নাগৈৰন্যানুপৰুৰোধ যৈঃ ।।৮৩।।
কামৰূপেশ্বৰস্তস্য হেমপীঠাধিদেৱতাম্।
ৰত্নপুষ্পোপহাৰেণ চ্ছায়ামানৰ্চ পাদয়োঃ ।।৮৪।।

ৰঘুৰ দিগ্বিজয় বৰ্ণনাৰ দ্বাৰা কোশলৰাজ্যৰ (প্ৰকৃততে গুপ্তসাম্ৰাজ্যৰ) সীমামুৰীয়া ঠাই সমূহৰ অৱস্থিতি, বিস্তৃতি আৰু বিশেষত্বৰে সৈতে চমু পৰিচয় পোৱা যায়। এনে বৰ্ণনাৰ দ্বাৰা লৌহিত্য, পাৰসিক, কম্বোজকে সামৰি মলয়, দৰ্দুৰ, কেৰললৈকে এই বিশাল ভূখণ্ডৰ এখন মানচিত্ৰ চকুৰ আগত আঁকি ধৰা হৈছে। সমুদ্ৰগুপ্তৰ দিগ্বিজয় যাত্ৰাৰ লগত কালিদাসৰ সম্বন্ধ থাকিব পাৰে বুলি কৰা অনুমানৰ কথা প্ৰবন্ধৰ আগচোৱাত কোৱা হৈছে। এই বিষয়ে কোনো ঐতিহাসিক সাক্ষ্য নাই যদিও এটা কথা লক্ষ্য কৰা যায় যে এলাহাবাদ শিলালেখত সমুদ্ৰগুপ্তৰ দিগ্বিজয়ৰ বৰ্ণনা কৰি হৰিষেণে যিদৰে লিখি থৈ গৈছে তাৰ লগত ৰঘুৰ দিগ্বিজয়ৰ বৰ্ণনাৰ মিল দেখা যায়। সমুদ্ৰগুপ্তৰো

সিংহাসনত উঠিয়েই দিগ্বিজয় যাত্রা আৰম্ভ কৰে। উত্তৰ ভাৰতত এখনৰ পিছত এখন ৰাজ্য অধিকাৰ কৰাৰ পিছত তেওঁ দক্ষিণলৈ আগবাঢ়ে। কিন্তু দক্ষিণ ভাৰত বিজয়ত সমুদ্ৰগুপ্তই ভিন্ন নীতি অনুসৰণ কৰে। তাৰ ৰজাসকলে বশ্যতা স্বীকাৰ কৰিলে তেওঁলোকৰ ৰাজপদ হস্তগত নকৰি গুপ্তৰাজৰ সামন্ত ৰজাৰ মৰ্য্যাদা দিয়ে কিন্তু ৰাজকোষৰ বাবে প্ৰচুৰ অৰ্থ তেওঁ দক্ষিণ ভাৰতৰ পৰাই সংগ্ৰহ কৰে।পঞ্জাব, সিন্ধু, পশ্চিম ৰাজপুতনা আৰু কাশ্মীৰৰ বাদে সমগ্ৰ ভাৰতবৰ্ষ সমুদ্ৰগুপ্তই অধীনলৈ আনে। ৰঘুৰ দিগ্বিজয়তো এই নীতিকে অনুসৰণ কৰা দেখা যায়। ৰঘুৰ যাত্ৰাতো পঞ্জাব, ৰাজপুতনা, কাশ্মীৰ আদিৰ উল্লেখ পোৱা নাযায়। অৱশ্যে সিংহলৰ ৰজাই স্বেচ্ছাই সমুদ্ৰগুপ্তৰ বশ্যতা স্বীকাৰ কৰিছিল কিন্তু ৰঘুৰ ক্ষেত্ৰত সিংহলৰ উল্লেখ নাই। অৱশ্যে কালিদাসৰ বৰ্ণনা হৰিষেনৰ বৰ্ণনাতকৈ বৰ্ণাঢ্য আৰু কবিকল্পনা সমৃদ্ধ। তেওঁৰ প্ৰতিভা, কাব্যৰ পৰিসৰ আৰু নায়কৰ যোগ্যতালৈ চাই মহাকবিৰ ৰচনা তেনে হোৱাটো স্বাভাৱিক। দুয়োটা দিগ্বিজয় যাত্ৰাৰ গতিপথত ওপৰে ওপৰে চকু ফুৰাইহে অৱশ্যে এই অনুমান কৰা হৈছে। এই বিষয়ে বিস্তৃত পৰীক্ষনৰ থল নথকা নহয়।

ষষ্ঠ সৰ্গত কালিদাসে সমকালীন লেখত লবলগীয়া ৰাজ্যসমূহৰ চমুটোকা আগবঢ়াইছে। বিৰ্দভৰজাৰ ভনীয়েকৰ সয়ম্বৰ সভালৈ সেইসময়ৰ ভাৰতৰ সকলোবোৰ প্ৰধান ৰজা আহিছিল বুলি আশা কৰিব পাৰি। সয়ম্বৰ সভাৰ সমবেত পাণিপ্ৰাৰ্থী সকলে একো একোখন জনপদৰ প্ৰতিনিধিত্ব কৰিছিল। তেওঁলোকৰ বৰ্ণনাৰ পৰা বিভিন্নৰাজ্যৰ ভৌগোলিকআৰু ৰাজনৈতিক তথ্যৰ সবিশেষ জানিব পাৰি। ষষ্ঠ সৰ্গত ইন্দুমতীৰ সয়ম্বৰ বৰ্ণিত হৈছে। এই সভা বিদৰ্ভৰ ৰাজধানী কুণ্ডিল নগৰত অনুষ্ঠিত হৈছিল। অযোধ্যাৰ পৰা যাত্ৰা আৰম্ভ কৰি অজই নৰ্মদা নদীৰ তীৰ পালেহি।

স নৰ্মদাৰোধসি সিকৰাদ্ৰৈৰ্মৰুদ্ভিৰানৰ্তিত নক্তমালে।
নিবেশয়ামাস বিলঙ্ঘিতাধ্বা ক্লান্তং ৰজোধূসৰকেতু সৈন্যম্ ।।৫.৪২।।

সভাত বহুদেশৰ ৰজা সমবেত হৈছে। ৰজাসকল শাৰীপাতি নিৰ্দিষ্ট আসনত বহিছে আৰু বৰমাল্য লৈ অহা ইন্দুমতীক ধাত্ৰী সুনন্দাই একজন একজনকৈ পৰিচয় কৰাই দি গৈছে। এই পৰিচয় প্ৰসংগত সুনন্দাই প্ৰত্যেকজন

ৰজাৰ ওচৰলৈ গৈ তেওঁৰ নাম, গোত্ৰ পৰিচয়, পৰাক্ৰম, ৰাজ্যৰ অৱস্থিতিআৰু বৈশিষ্ট্য সম্পৰ্কে বহলাই কৈ গৈছে। পোনতেই ইন্দুমতী আহি মগধৰ ৰজাৰ সমুখত আহি থিয় হ'ল। মগধৰাজ্য বৰ্ত্তমান বিহাৰৰ একাংশৰ প্ৰাচীন নাম। গংগাৰ দক্ষিণ পাৰে মুংগেৰ আৰু সিংহভূম জিলালৈকে এই ৰাজ্য বিস্তৃত আছিল। ইয়াৰ ৰাজধানী পাটলীপুত্ৰ এক ঐতি হ্যশালী নগৰ। প্ৰাচীন কালৰে পৰা এই ৰাজ্যই ৰাজনৈতিক ইতিহাসত এক বিশেষ ভূমিকা লৈ আহিছে।

বৰ্ত্তমান বিহাৰ প্ৰদেশৰ পূব অংশত অংগৰাজ্য আছিল। এই ৰাজ্য গংগা আৰু সৰযু নদীৰ সংগম স্থললৈকে বিস্তৃত আছিল। এই ৰাজ্যৰ ৰাজধানীৰ নাম চম্পাৱতী বা চম্পানগৰ। ৰামায়ণ- মহাভাৰতৰ দিনৰে পৰা এই ৰাজ্য বিশেষভাৱে প্ৰখ্যাত। কৰ্ণক দুৰ্য্যোধনে এই ৰাজ্যৰ ৰজা পাতিছিল। মৌৰ্য্যবংশৰ ৰাজত্বকাললৈকে ই স্বাধীন ৰাজ্য আছিল। পৰৱৰ্ত্তী কালত মগধৰ লগত ইয়াক চামিল কৰা হয়।

ইয়াৰ পিছত সুনন্দাই অৱন্তি দেশৰ পৰিচয় দি ক'লে 'হেৰা বৰোৰু, এই দেশৰ তৰুণ ৰজাৰ লগত জোনাক ৰাতি শিপ্ৰানৈৰ ঢৌৰ স্পৰ্শ পোৱা বতাহত কঁপি থকা উদ্যানত বিহাৰ কৰিবলৈ মন কৰিছা নেকি? চন্দ্ৰশেখৰ মহাদেৱ মহাকালৰ মন্দিৰৰ ওচৰতে এওঁৰ কাৰেং। গতিকে কৃষ্ণপক্ষতো এওঁ প্ৰেয়সীৰ সৈতে জোনাক ৰাতি উপভোগ কৰে (৬.৩৪-৩৫)। অৱন্তী ৰাজ্যৰ লগত শিপ্ৰানদী আৰু মহাকাল মন্দিৰৰ উল্লেখ সংস্কৃত সাহিত্যত সঘনে পোৱা যায়। কালিদাসৰ মেঘদূত, শূদ্ৰকৰ মৃচ্ছকটিক, সোমদেৱৰ কথাসৰিৎসাগৰ আদি গ্ৰন্থই এই ৰাজ্য আৰু ইয়াৰ ৰাজধানী উজ্জয়িনীৰ বিস্তৃত বৰ্ণনা দিছে। কথাসৰিৎসাগৰৰ মতে অৱন্তিক উজ্জয়িনীৰ আন নাম আৰু মালৱদেশৰ ৰাজধানী বুলি পোৱা যায়(১৯ শ অধ্যায়)। এম. আৰ. কালেৰ মতে নৰ্মদাৰ উত্তৰ পাৰৰ মালৱদেশৰ পূৰ্বাংশক অৱন্তি বুলি কোৱা হৈছিল[৪]। উজ্জয়িনী বিক্ৰমাদিত্য নামে মহাপ্ৰতাপী ৰজাৰ ৰাজধানী আৰু কালিদাসৰ কাব্যচৰ্চ্চাৰ স্থল আছিল। কালিদাস আৰু ভৱভূতি মহাদেৱ মহাকালৰ উপাসক আছিল[৫]। কালিদাসৰ সমকালীন আনখন দেশৰ নাম অনুপ। অৱন্তিৰ দক্ষিণে অনুপদেশ।

৪। কালে সম্পাদিত মেঘদূত পৃ. ৫৭

৫। ভি.ভি মিৰাচি- ভৱভূতি পৃ. ৮

অনুপদেশৰ ৰাজধানী মাহিষ্মতী ৰেৱানদীৰ তীৰত অৱস্থিত। বৰ্ত্তমান মহাৰাষ্ট্ৰ প্ৰদেশৰ নৰ্মদা নদীৰ প্ৰাচীন নাম ৰেৱা নদী। পুৰাণ সাহিত্যত এই ৰাজ্য আৰু নদীৰ নাম সঘনে পোৱা যায়। ৰজা কাৰ্ত্তবীৰ্য্যাৰ্জ্জুন আৰু পৰশুৰামৰ কাহিনীৰ লগত এই ঠাইৰ নাম বিশেষভাৱে জড়িত। হৰিবংশ(৫৫.৯১-৯৩) আৰু বৃহৎ সংহিতাই (১৪ অধ্যায়) শূৰসেন নামৰ এক ৰাজ্যৰ নাম উল্লেখ কৰিছে। মথুৰা এই ৰাজ্যৰ ৰাজধানী। এই উৎসৰ মতে বসুদেৱ আৰু কুন্তীৰ পিতৃ শূৰবীৰ্য্যৰ নামেৰে এই ৰাজ্যৰ নাম শূৰসেন হয়। ৰঘুবংশত উল্লেখিত শূৰসেন ৰাজ্যও এইখনেই হ'ব। প্ৰসঙ্গক্ৰমে কৰা যমুনাতীৰ, বৃন্দাবন, গোবৰ্দ্ধন আদি ঠাইৰ উল্লেখে এই বিষয়ে প্ৰত্যয় জন্মায়[৬]। সমুদ্ৰতীৰত অৱস্থিত কলিংগদেশৰ ৰজাও সয়ম্বৰ সভালৈ আহিছিল। সুনন্দাৰ বক্তব্যৰ পৰা জনা যায়, মহেন্দ্ৰ পৰ্বত আৰু দক্ষিণৰ সমুদ্ৰ কলিঙ্গ ৰাজ্যৰ ভিতৰুৱা আছিল। পূৰ্বঘাট পৰ্বতৰ উত্তৰাংশ মহেন্দ্ৰ পৰ্বত নামে জনাজাত আছিল বুলি চিনাক্ত কৰা হৈছে। বৰ্ত্তমানৰ বঙ্গোপসাগৰৰ পাৰে পাৰে এই ৰাজ্য গোদাবৰীৰ মোহনালৈকে বিস্তৃত আছিল আৰু এই ৰাজ্যৰে ৰাজধানী সমুদ্ৰতীৰত অৱস্থিত আছিল। দাক্ষিনাত্যৰ আনখন ৰাজ্য হৈছে নাগপুৰ। এই ৰাজ্যক প্ৰাচীন সাহিত্যত উড়গপুৰ, ভুজংগপুৰ আদি নামেৰেও বুজোৱা হৈছিল। ৰঘুবংশৰ মতে এই দেশ দক্ষিণপ্ৰান্তত আৰু ইয়াৰ অধিবাসী সকলৰ গাৰ ৰং শ্যাম বৰ্ণৰ। বৰ্ত্তমান তামিলনাডুৰ তিৰুচিৰাপল্লীৰ প্ৰাচীন নাম নাগপুৰ আছিল বুলি চিনাক্ত কৰা হৈছে। চতুৰ্থ সৰ্গত বৰ্ণনা কৰা পাণ্ড্য ৰজাই এই দেশত শাসন কৰিছিল। মলয় পৰ্বত অৰ্থাৎ পূৰ্বঘাট আৰু পশ্চিমঘাট পৰ্বতৰ দক্ষিণভাগ এই ৰাজ্যৰ অন্তৰ্বৰ্ত্তী আছিল।

ত্ৰয়োদশ সৰ্গত পুনৰ এছোৱা দীঘলীয়া পথৰ বৰ্ণনা প্ৰসঙ্গত সমুদ্ৰৰ পৰা সৰযূতীৰলৈকে বিভিন্ন স্থানৰ টোকা পোৱা যায়। ৰামচন্দ্ৰই সীতাক উদ্ধাৰ কৰি ৰাৱণৰ পুষ্পক বিমানত উঠি আকাশী পথেৰে স্বদেশলৈ উলটি অহাৰ পথছোৱাত পৰা স্থান সমূহ ৰামে তেওঁৰ পূৰ্বস্মৃতিচাৰণৰূপে বৰ্ণাই গৈছে। সেই প্ৰসঙ্গতে তেওঁ প্ৰথমে দক্ষিণোদধিৰ পৰা বৰ্ণনা আৰম্ভ কৰিছে। তাল আৰু

৬। ৬.৪৮-৫২

বিভিন্ন জলজন্তুৰ লীলাভূমি আৰু মূল্যবান মণিমুক্তাৰ আঁকৰ সমুদ্রপৃষ্ঠৰ পৰা ক্রমে উচ্চ ভূমিৰ তামোলৰ বাগান পাৰ হৈ জনস্থান দেখা পালে। প্রস্রবন পাহাৰৰ নামনিত গোদাৱৰীৰ উৎসৰ দক্ষিণ পাৰে থকা দণ্ডকবনৰ উত্তৰাংশ জনস্থান নামে জনাজাত। অৰণ্যৰ মাজত লোকালয়ৰ উপযুক্ত স্থান বুলিয়েই এই ঠাইৰ এই নাম দিয়া হৈছিল। এই ঠাই বৰ্ত্তমান মহাৰাষ্ট্র প্রদেশৰ নাসিক নামৰ নগৰৰ ওচৰত আছিল বুলি চিনাক্ত কৰা হৈছে। এতিয়াও পঞ্চৱতী নামে এটুকুৰা ঠাই নাসিকৰ ওচৰত আছে। সেই অঞ্চলতে প্রখ্যাত পম্পা সৰোবৰৰ অৱস্থান। পেন্নাইৰ নদীৰ শিলাময় উৎস পম্পাসৰোবৰ নামে খ্যাত আছিল।

ৰামায়ণৰ দিনৰে পৰা এই হ্রদৰ প্রসিদ্ধি মনকৰিবলগীয়া। জনস্থানৰ প্রধান নদী গোদাবৰীৰ উল্লেখো ৰঘুবংশৰ এই সৰ্গত পোৱা যায়। গোদাৱৰী নৈ বৰ্ত্তমানো সেই মহাৰাষ্ট্র আৰু অন্ধ্র প্রদেশৰ মাজেৰে বৈ গৈ বঙ্গোপসাগৰত পৰিছে। পঞ্চৱটী প্রাচীন ভাৰতৰ আধ্যাত্মিক চৰ্চ্চাৰ স্থল আছিল। ত্রয়োদশ সৰ্গত পঞ্চৱটীত বাসকৰা বহুতো তপস্বী, তেওঁলোকৰ আশ্রম সমূহ আৰু তপস্যাৰ সাধন সমূহ বৰ্ণনা কৰা হৈছে। এই স্থানৰ উত্তৰ দিশৰ অন্যতম পাহাৰৰ নাম চিত্রকূট। বাল্মীকি ৰামায়ণত চিত্রকূটৰ বিচিত্র বৰ্ণনা পোৱা যায়। বৰ্ত্তমান উত্তৰ প্রদেশৰ বান্দা জিলাত এই পৰ্বত চিনাক্ত কৰা হৈছে। চিত্রকূট পাৰ হৈ ৰামচন্দ্ৰই আকাশীপথৰ পৰা গংগা আৰু যমুনাৰ সংগমস্থল দেখা পাইছে। বৰ্ত্তমান উত্তৰ প্রদেশৰ এলাহাবাদত এই সংগম প্রয়াগতীৰ্থ নামে প্রাচীন কালৰে পৰা প্রখ্যাত।

ৰঘুবংশত কালিদাসে সৰযুনদীৰ উচ্চ প্রশংসা আগবঢ়াইছে। আকাশী পথৰ পৰা সৰযু নদীক দেখি ৰামৰ আনন্দ উথলি উঠিছে যেন বহুকাল বিৰতিৰ মূৰত মাতৃদৰ্শনৰ বাবে পুত্র উদগ্রীব হৈ পৰিছে। এই নদীৰ উৎস মানসসৰোবৰ, অযোধ্যাৰ উপকণ্ঠইদি এই নৈ প্রবাহিত হৈছে। অযোধ্যাবাসীৰ প্রাণস্পন্দনস্বৰূপা, ইক্ষ্বাকুকুলৰ মাতৃস্বৰূপা এই সৰযুনদীয়ে যেন শীতলবায়ুৰূপ হাত মেলি ৰামক দূৰতে আলিংগনহে কৰিলে--

সেয়ং মদীয়া জননীৱ তেন
মান্যেন ৰাজ্ঞা সৰযুৰ্বিযুক্তা
দূৰে বসন্তং শিশিৰানিলৈৰ্মাং

তৰঙ্গ হস্তৈৰুপগূহতীৱ।।১৩.৬৩।।

(মাননীয় ৰজাৰ (দশৰথ)লগত বিচ্ছেদ হৈ সৌৱা মোৰ আইৰ দৰে সুযুনদীয়েও বহুতদিন দূৰত বাস কৰা মোক বায়ুশীতল কৰা তৰঙ্গৰূপ হাতেৰে যেন আলিংগনহে কৰিছে।)

এনেদৰে কালিদাসে জম্বুদ্বীপৰ এই সুবিস্তীৰ্ণ ভূমিভাগৰ প্ৰাকৃতিক আৰু ৰাজনৈতিক মানচিত্ৰ তেওঁৰ শব্দ-সম্ভাৰেৰে আঁকি ৰাখিছে। দেখা গ'ল, প্ৰায় প্ৰত্যেকখন ঠাইৰেই প্ৰাকৃতিক বৈশিষ্ট্য আৰু ৰাজনৈতিক সীমা তেওঁ উল্লেখ কৰিছে। এই ভূখণ্ডৰ নদ নদী, পৰ্বত পাহাৰ, জান জুৰি, সমভূমি, মালভূমি আদি যেন কালিদাসৰ নখ দৰ্পনতহে আছিল। এই স্থান সমূহৰবেছিভাগেই কালিদাসে নিজ চকুৰে দেখিছিল, কেতবোৰ স্থানৰ বিষয়ে পুথিৰ পৰা জানিছিল আৰু কোনো কোনো ক্ষেত্ৰত কল্পনাৰ আশ্ৰয় লৈছিল। ফলত এনে বৰ্ণনাৰ ঠায়ে ঠায়ে অতিৰঞ্জন ঘটিছে। অৱশ্যে কেতিয়াবা কোনোঠাইত কালিদাসে আনুমানিক বৰ্ণনাও দিছে। উদাহৰণ স্বৰূপে চতুৰ্থ সৰ্গৰ ৫৪-৫৭ সংখ্যক শ্লোকত কোৱা হৈছেযে ৰঘুৱে পশ্চিম সাগৰৰ পাৰৰ কেৰল দেশ জয় কৰি মুৰলা নদীৰ পাৰ পালেগৈ আৰু সাগৰৰ তীৰভূমিৰ তাল বনত প্ৰৱেশ কৰিলে। তাতে 'ৰঘুৰ হাতীৰ দল খেজুৰ গছৰ শাখাত বান্ধি দিয়া হ'ল আৰু সেই বননিত নাগকেশৰ ফুলৰ ওপৰত উৰি থকা ভোমোৰা বিলাকে হাতীবোৰৰ মদবাৰিৰ সুবাসত আকৃষ্ট হৈ সিহঁতৰ গণ্ডদেশত আহি পৰিলহি' (৪.৫৭)। এম. আৰ. কালেই চতুৰ্থসৰ্গৰ ৫৭ সংখ্যক এই শ্লোকটোৰ ওপৰত লিখা টোকাত কৈছে যে খেজুৰ গছৰ শাখা (খৰ্জুৰীস্কন্ধনদ্ধানাং) বা দাল নহয়। তদুপৰি খেজুৰ গছ কোঙ্কন উপকূলত দেখা নাযায়। তাল, নাৰিকল আদিৰ লগত সাদৃশ্য থকা বাবে কালিদাসে অনুমানতে কোঙ্কন উপকূলত খেজুৰ গছৰ উল্লেখ কৰিছে বুলি কালেই মন্তব্য দিছে, (দ্ৰষ্টব্য The Raghuvamsa of Kalidasa, P.110)। অৱশ্যে এনে ক্ৰটী ৰঘুবংশত ক'ৰবাত এটাহে চকুত পৰে।

কালিদাসৰ ভৌগোলিক জ্ঞানৰ গভীৰতালৈ লক্ষ্য ৰাখি সমালোচকসকলে তেওঁক বিস্তৃতভাৱে পৰিভ্ৰমণ কৰা এজন পৰিব্ৰাজক বুলি কব খোজে। এই সন্দৰ্ভত ভি. ভি. মিৰাচি আৰু এন. আৰ. নাভলেকাৰে যুটীয়াভাৱে প্ৰণয়ন কৰা

'কালিদাস' নামৰ ইংৰাজী গ্ৰন্থত মহাকবিজনাৰ বৈদগ্ধ্যৰ আলোচনা প্ৰসঙ্গত তেওঁৰ ভৌগোলিক জ্ঞানৰ বিচাৰ কৰি কৈছে যে 'কালিদাসে দীঘে প্ৰস্থই ভাৰতবৰ্ষখন পৰ্য্যটন কৰিছিল, নে সদাগৰ আৰু তীৰ্থযাত্ৰীসকলৰ টোকাৰ ওপৰত নিৰ্ভৰ কৰিছিল সি বিচাৰ্য্য বিষয়, কিন্তু ভাৰতবৰ্ষৰ বিভিন্ন ভৌগোলিক দিশত যে কালিদাসৰ সম্পূৰ্ণ আৰু নিশ্চিদ্ৰ জ্ঞান আছিল তাত সন্দেহ নাই (দ্ৰষ্টব্য' Kalidasa পৃঃ ১০৩)।

ৰঘুবংশত কালিদাসৰ ব্যক্তিত্ব আৰু বৈদগ্ধ্য

ৰঘুবংশ কালিদাসৰ পৰিণত প্ৰজ্ঞাৰ উজ্জ্বল স্বাক্ষৰ। এই কাব্যক মহাকবিজনাৰ ব্যক্তিত্ব আৰু বৈদগ্ধ্যৰ এক অতি স্বচ্ছ দাপোন বুলি কব পাৰি.। ৰঘুবংশত কালিদাসৰ কাব্য প্ৰতিভা, দক্ষতা আৰু বিচক্ষণতা যেনেকৈ ধৰা পৰিছে আন কোনো এখন কাব্যতে তেনেদৰে পৰা নাই। ইয়াত কালিদাসে ৰাজনীতি, সমাজনীতি, ন্যায়নীতি, যুদ্ধনীতি, জ্যোতিষ, ব্যাকৰণ, দৰ্শন, ধৰ্ম, বিজ্ঞান, সুকুমাৰ কলা আদি জ্ঞানৰ সকলো শাখাকে ব্যৱহাৰ কৰিছে। প্ৰকৃততে ৰঘুবংশৰ কথাবস্তুৰ দাবীতেই কবিয়ে এনেদৰে অনেক বিষয় কাব্যখনত অন্তৰ্ভূক্ত কৰিবলৈ বাধ্য হৈছে। ফলত ইয়াত কালিদাসৰ অতিদূৰপ্ৰসাৰী মানসিক দিশ্বলয়ৰ উদ্‌ঘাটন ঘটিছে। তদুপৰি ৰঘুবংশ কালিদাসৰ অন্তিম ৰচনা হোৱা বাবে পৰিণতপ্ৰজ্ঞ কবিৰ আজীৱন আৰ্জিত আৰু সঞ্চিত জ্ঞানৰাশিৰে এই কাব্য সমৃদ্ধ হৈছে। কেৱল কবিৰ প্ৰজ্ঞাই নহয়, তেওঁৰ ব্যক্তিগত জীৱন, চৰিত্ৰ, আচৰণ, ৰুচি মুদ্ৰাদোষ আদিও এই কাব্যত বৰ স্পষ্টৰূপত প্ৰতিফলিত হৈছে। কাব্যকৃতিয়েই হল কবিৰ ব্যক্তিত্বৰ দাপোন, কবিৰ জ্ঞাতে অজ্ঞাতে তেওঁৰ ব্যক্তিত্বৰ ছাপ নিজৰ ৰচনাৰাজিত বৈ যায়। কাৰণ কাব্য ৰচনা হ'ল কবিৰ আত্মপ্ৰদৰ্শনৰ উপায় বিশেষ। প্ৰাচ্য আৰু প্ৰাশ্চাত্যৰ অধ্যাত্মবাদী সমালোচকসকলে দৈৱপ্ৰেৰণাকে (devine inspiration) সাহিত্য সৃষ্টিৰ অন্যতম কাৰণ বুলি কয় যদিও সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত সাহিত্যিকৰ ব্যক্তিগত প্ৰচেষ্টা মুঠেই নাথাকে বুলি ন দি কব নোৱাৰি। আত্মপ্ৰদৰ্শন বা আত্মপ্ৰতিষ্ঠাৰ ইচ্ছা জীৱৰ এক মৌলিক বাসনা। কবিৰ ক্ষেত্ৰতএই বাসনা তীব্ৰতৰ হয়। তাৰ কাৰণ কবি বৰ্ডচ্‌বৰ্থে বিচাৰ কৰি কৈছে যে অধিক সচেতনতা, উদ্যম আৰু

সুক্ষ্মনুভূতিৰে পৰিপুষ্ট তেওঁ এজন প্ৰাণৱন্ত ব্যক্তি, মানুহৰ আচৰণ সম্পৰ্কে যাৰ গভীৰ জ্ঞান আৰু তীক্ষ্ম বোধশক্তি আছে[১]।

কবিৰ থাকিবলগীয়া এই সকলোবোৰ গুণ কালিদাসৰ স্বভাৱত আছিল বুলি তেওঁৰ লিখনীৰাজিয়ে প্ৰমাণ কৰে। তেওঁৰ সমগ্ৰ ৰচনাৰাজিৰ ভিতৰতো বিশেষকৈ ৰঘুবংশত তেওঁৰ বহুমুখী চিন্তাধাৰা, ধ্যান -ধাৰণা ৰুচি -অভিৰুচি , দোষ- ত্ৰুটী আদিৰ গভীৰ সাঁচ বৈ গৈছে।. তেওঁৰ তিনিওখন নাটকতে একোটা নিৰ্দিষ্ট কথাবস্তুক কেতবোৰ বিশেষ শ্ৰেণীৰ চৰিত্ৰই ৰূপায়ণ কৰিছে আৰু কবিৰ বক্তব্যও এটা নিৰ্দিষ্ট বিষয়বস্তুতে সীমাবদ্ধ হৈ আছে। মেঘদূতত কেৱল বিৰহী প্ৰেমিকাৰ মৰ্মবেদনা কাব্যিক ৰূপত উপস্থাপিত হৈছে। কুমাৰসম্ভৱত এক পৌৰাণিক কাহিনীক কেন্দ্ৰ কৰি প্ৰেম আৰু তপস্যাৰ সংঘাট ৰচনা কৰা হৈছে। এই গোটেই কেইখন কাব্যই মানৱ জীৱনৰ একো একোটা দিশ বিস্তৃত ভাৱে বিশ্লেষণ কৰি দেখুৱাইছে আৰু এক সীমাবদ্ধ পৰিসৰৰ ভিতৰত যিমানদূৰ সম্ভৱ সিমানদূৰলৈকে কাব্যকাৰৰ জ্ঞান, প্ৰতিভা আৰু আদৰ্শ দাঙি ধৰিছে। আন কেইখন গ্ৰন্থৰ সীমাবদ্ধতাত অসন্তুষ্ট হৈয়ে যেন কালিদাসে ৰঘুবংশ মহাকাব্যৰ বাবে এক বিস্তৃত আঁচনিৰ পৰিকল্পনা কৰি উলিয়াইছিল, যʼৰ বিশাল পটভূমিত কবিৰ চিন্তাধাৰাই মুক্তভাৱে বিচৰণ কৰিবপাৰিছে। কেৱল বিষয়বস্তুৰ দাবীতেই এই গ্ৰন্থত তেওঁ সৰ্বাধিক চৰিত্ৰ নিয়োগ কৰিব লগীয়া হৈছে। আৰু প্ৰতিটি চৰিত্ৰৰ পৃথক পৃথক ব্যক্তিত্ব, বৈশিষ্ট্য আৰু কাৰ্য্যাৱলী নিৰূপণ কৰিবলগীয়া হৈছে আৰু তাৰ ভিত্তিতে কবিৰ ৰুচি- অভিৰুচি, ধ্যান -ধাৰণা আৰু দৃষ্টিভঙ্গীৰ উদাৰ সম্প্ৰসাৰণ ঘটিছে। ফলত ৰঘুবংশৰ পাতে পাতে কালিদাসৰ ব্যক্তিত্ব আৰু বৈদগ্ধ্য সম্পূৰ্ণৰূপত প্ৰতিফলিত হৈছে।

ৰঘুবংশত ৰাজতন্ত্ৰৰ উদাত্ততম প্ৰশংসা আৰু নিকটতম পৰ্য্যবেক্ষণ পঢ়াৰ পিছত দৃঢ় ধাৰণা হয়যে কালিদাস কোনো সাৰ্বভৌম ৰজাৰ কেৱল সভাকবিয়ে নাছিল, বৰং ৰাজকাৰ্য্যত ৰজাৰ বিশ্বাসী সহায়ক আৰু ব্যক্তিগত জীৱনত ৰজাৰ ঘনিষ্ঠ সহচৰো আছিল।তেওঁৰ সৌজন্যবোধ, দায়িত্ববোধ আৰু নীতিবোধ অতি উচ্চগ্ৰামত বন্ধা আছিল। কাব্য ৰচনা তেওঁৰ ৰুচি আছিল আৰু

১। ভাৱানুবাদ- He is a man speaking to man! a man it is true endowed with more lively sensibility, more enthusiasm and tenderness who has greater knowledge of human nature and a more comprehensive soul.
--Wordsworth

সেই ৰুচিকেই [hobby] তেওঁ carrer 'হিচাপে লৈছিল।

ব্যক্তিগত জীৱনত কালিদাস এজন সুখী গৃহস্থী আছিল। ভাৰতীয় চতুৰাশ্ৰমৰ ব্যৱস্থাক তেওঁ সমৰ্থন কৰিছিল আৰু তাৰ ভিতৰত গাৰ্হস্থ্য আশ্ৰমকে তেওঁ শ্ৰেষ্ঠ বুলি অভিমত দি কৈছে, সৰ্বোপকাৰক্ষমাশ্ৰম। স্বামীৰূপে কবি দৰদী হৃদয়ৰ আছিল। তেওঁৰ ৰচনাৰ সবত্ৰ শংগাৰ ৰসৰ প্ৰাধান্য আৰু এই বিষয়ত তেওঁৰ শালীনতাবোধ মনকৰিবলগীয়া বিষয়। নাৰীৰ প্ৰতি তেওঁ বৰ উচ্চ ধাৰণা পোষণ কৰিছিল। তেওঁ স্ত্ৰী- শিক্ষাৰ সমৰ্থক আছিল। তেওঁৰ কাব্যৰ প্ৰতিগৰাকী নাৰী চৰিত্ৰই শিক্ষা দীক্ষাত পুৰুষৰ সৈতে সমান অধিকাৰ পাইছে। ৰঘুবংশত কালিদাসে পত্নীৰ প্ৰতি অতি উচ্চ ধাৰণা পোষণ কৰিছে। তেওঁৰ মতে পত্নী হ'ল গৃহিনী, সচিব, অন্তৰঙ্গ অৱস্থাৰ সখী আৰু ললিত কলাত প্ৰিয় শিষ্যা। ঠিক তেনেদৰে তেওঁ এজন স্নেহশীল পিতৃ। তেওঁ বিক্ৰমোৰ্বশীয়মত আয়ুস, কুমাৰসম্ভৱত কুমাৰ, অভিজ্ঞানশকুন্তলমত ভৰত আৰু ৰঘুবংশত ৰঘু, দশৰথ, ৰাম আদি কেইবাটিও শিশু পুত্ৰৰ চৰিত্ৰ অংকন কৰিছে আৰু নিখুঁটভাৱে তেওঁলোকৰ চাল- চলন বৰ্ণনা কৰিছে। ৰত্নাগৰ্ভ বসুন্ধৰাৰৰ দৰে আপন্নসত্ত্বা সুদক্ষিণাৰ বৰ্ণনা, শয্যাত মাতৃৰ বুকুত নিৰ্ভৰ নিদ্ৰাত থকা ৰামৰ বৰ্ণনা আদিয়ে কেতবোৰ সুস্থ গাৰ্হস্থ্য ছবি দাঙি ধৰে। শিশু ৰঘুৰ চাল- চলন,. অংগী- ভংগীত দিলীপৰ যি আনন্দ ৰঘুবংশত বৰ্ণনা কৰা হৈছে (৩.২৫-২৬) সি পিতৃত্বৰ গৌৰৱেৰে গৰীয়ান কবিৰ ব্যক্তিগত অভিজ্ঞতা বুলি সহজে অনুমান কৰিব পাৰি। এই বিষয়ত ভৰতৰ প্ৰতি দুষ্যন্তৰ আৰু আয়ুৰ প্ৰতি পুৰুৰৱাৰ ব্যৱহাৰো মনকৰিবলগীয়া। কালিদাসৰ পৰা নাৰীয়ে উচ্চমান পালেও তেওঁৰ ৰচনাত কন্যা শিশুৰ উল্লেখ পাবলৈ নাই। কালিদাসৰ ধাৰণাত নাৰী হব লাগে সুন্দৰী, লজ্জাৱতী, শ্ৰদ্ধাশীলা, শিক্ষিতা, বিনম্ৰা কিন্তু দৃঢ়মনা আৰু অপৰাজিতা। সেয়েহে ৰঘুবংশত লাঞ্ছিতা সীতাই পৰাজয় স্বীকাৰ কৰা নাই। বৰং পৰৱৰ্ত্তী জন্মত হ'লেও এই জন্মৰ অপূৰ্ণতা পূৰ্ণ কৰিবলৈ প্ৰতিজ্ঞা কৰি গৈছে (১৪.৬৬)।

কালিদাস যে কল্পনা বিলাসী আছিল তাক তেওঁৰ প্ৰতিটি ৰচনাই প্ৰমাণ কৰে। প্ৰকৃততে তেওঁৰ প্ৰতিটি সাৰ্থক উপমাৰ উৎস হৈছে তেওঁৰ প্ৰখৰ কল্পনা বিলাস। কল্পনাবিলাসী হ'লেও তেওঁৰ বাস্তৱ জীৱনৰ সাফল্যৰ ছবিখন তেওঁৰ

ৰচনাত স্পষ্টভাৱে দেখা যায়। ভৱভূতি আদিৰ দৰে তেওঁ নিৰাশাবাদী নাছিল। সংসাৰদায়িত্ব, ৰাজদায়িত্ব পালন কৰিবলগীয়া হোৱা বাবে ৰঘুবংশ বাস্তৱিক জ্ঞানেৰে পৰিপূৰ্ণ। প্ৰথম অধ্যায়ত আলোচনা কৰাৰ দৰে জনশ্ৰুতিত উটি অহা তথ্যই যিয়ে নকওঁক, কালিদাসৰ ৰচনাৱলী অধ্যয়ণ কৰাৰ পিছত এই কথা নিশ্চিতকৈ ক'ব পাৰি যে কালিদাসে আনুষ্ঠানিক শিক্ষা লাভ কৰিছিল আৰু ভাৰতীয় ভাষা, সাহিত্য, দৰ্শন, ভূগোল, ইতিহাস, আদিৰ অধ্যয়ণ সম্পূৰ্ণ কৰিছিল। তেওঁৰ ৰচনাত গুৰুকুল শিক্ষা পদ্ধতিৰ বিশদ বিৱৰণ আৰু আশ্ৰম আৰু আশ্ৰম- জীৱনৰ সৰু বৰ চিত্ৰৰ সজীৱ বৰ্ণনাৰ পৰা (১.৪৪-৫৫) আশ্ৰম জীৱনৰ লগত থকা তেওঁৰ ঘনিষ্ঠ সম্বন্ধৰ কথা অনুমান কৰিব পাৰি। আশ্ৰমৰ বাধ্যতা মূলক নীতি নিয়ম তেওঁৰ অৱগত আছিল (শকুন্তলা ১ম আৰু ৩য় অংক)। গুৰুৰ প্ৰতি ভক্তিত তেওঁ সদায় অৱনত আছিল। কণ্ব, বশিষ্ঠ, বাল্মীকি আদিৰ মহানতা, উদাৰতা আৰু বিচক্ষণতা ব্যক্ত কৰাত কবিয়ে ক'তো কাৰ্পন্য কৰা নাই। তদুপৰি তেওঁৰ ৰচনাৰ ছত্ৰে ছত্ৰে প্ৰতিফলিত হোৱা শাস্ত্ৰজ্ঞানে তেওঁৰ গভীৰ অধ্যয়ণৰ কথা প্ৰমাণ কৰি দেখুৱাই।

কালিদাস তৎকালীন ভাৰতবৰ্ষৰ বুদ্ধিজীৱিসকলৰ অন্যতম আছিল। নিজৰ জাতীয় ইতিহাস আৰু ঐতিহ্যৰ প্ৰতি তেওঁ শ্ৰদ্ধাশীল আছিল যদিও, সাহিত্যত কিবা এক নতুনত্বৰ সৃষ্টি কৰাত তেওঁ সদায় আগ্ৰহী আছিল। আলংকাৰিক ৰাজশেখৰে মহাকবিৰ সংজ্ঞা দি কৈছে যে যি কবিয়ে শব্দাৰ্থৰ বিষয়ত নতুনত্ব উদ্ভাৱন কৰি প্ৰাচীন বিষয়বস্তু ও শব্দসম্ভাৰ কাব্যত সন্নিবিষ্ট কৰিব পাৰে তেওঁকেই মহাকবি বুলি কোৱা যায়।

শব্দাৰ্থোক্তিষু যঃ পশ্যেদিহ কিঞ্চন নূতনম।
উল্লিখেৎ কিঞ্চন প্ৰাচ্যং মন্যতাং স মহাকবি ঃ।।

এই অৰ্থত কালিদাসক শাস্ত্ৰীয় অৰ্থতো মহাকবি আখ্যা দিব পাৰি। কাব্যৰচনা কালিদাসৰ ৰুচি আছিল, সেয়েহে এনে সাৱলীল স্বতঃস্ফূৰ্ত ৰচনা তেওঁ আগবঢ়াব পাৰিছে। তেওঁৰ এই ৰুচিয়েই তেওঁৰ জীৱিকা হৈ পৰিছিল। সাহিত্য চৰ্চ্চাক তেওঁ জীৱিকা নিৰ্বাহ আৰু প্ৰতিষ্ঠা লাভৰ উপায় হিচাপে নিৰ্বাচন কৰি লৈছিল। স্পষ্ট ভাষাত কৈ দিব পাৰি যে কালিদাস এজন ঘোৰ careerist আছিল। জীৱনত ব্যক্তিগত সাফল্য আৰু উন্নতি সাধনত তেওঁ

সততে তৎপৰ আছিল। লক্ষ্য কৰা যায় তেওঁৰ কাব্যৰ শ্ৰোতা দৰ্শক আৰু পৃষ্ঠপোষকৰ অসন্তুষ্টি সাধন কৰিব পৰা কোনো কথা তেওঁ ৰচনাত সন্নিবিষ্ট কৰা নাই। ভৱভূতিয়ে মালতীমাধৱৰ প্ৰস্তাৱনাত যিদৰে দৰ্শকৰ প্ৰতি বিষোদ্গাৰ [২] কৰিছে তাত নাট্যকাৰ আৰু দৰ্শকৰ মাজত থকা অপ্ৰীতিকৰ সম্বন্ধ ফুটি উঠিছে। কিন্তু কালিদাসৰ কাব্যত দৰ্শক, পাঠক আৰু পৃষ্ঠপোষকৰ প্ৰতি তোষামোদহে লিপিবদ্ধ হৈছে। বিদ্বানসকলৰ পৰা প্ৰশংসা আৰু দৰ্শক পাঠকৰ মাজত জনপ্ৰিয়তা লাভ কৰিবলৈ আৰু সাহিত্যিকৰূপে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ তেওঁ সততে তৎপৰ আছিল। নিজকে 'যশঃপ্ৰাৰ্থী কবি' ৰূপে (১.৩)আভিহিত কৰিবলৈ তেওঁ অকনো দ্বিধাবোধ কৰা নাই। কাব্যৰ শ্ৰোতা আৰু দৰ্শকক তেওঁ অসীম শ্ৰদ্ধা আৰু সমীহ কৰিছিল, সেয়েহে শকুন্তলাৰ দৰে যুগজয়ী গ্ৰন্থ এখন প্ৰণয়ন কৰি উলিওৱাৰ পিছতো তেওঁ নিজে কৈছে– 'আ পৰিতোষাদ্ বিদুষাং ন সাধু মন্যে প্ৰয়োগবিজ্ঞানম্' 'বিদ্বানসকলৰ সন্তুষ্টি সাধন নোহোৱালৈকে এই নতুন প্ৰয়োগ কৌশল ভাল হৈছে বুলি ভাবিব নোৱাৰি'। কালিদাসৰ এনে উক্তিত সুপ্ৰতিষ্ঠিত কবিজনৰ বিনয়বত্তা প্ৰকাশ পাইছে। কালিদাস যে অহংশূন্য বিনয়ী ব্যক্তি আছিল সেই কথা ৰঘুবংশত প্ৰাৰম্ভতে প্ৰমাণিত হৈছে। তেওঁ কৈছে, 'ক'ত সেই সূৰ্য্যসম্ভূত বংশ আৰু ক'ত মোৰ দৰে অল্পবুদ্ধিৰ পুৰুষ, মহাপ্ৰতাপী ৰঘুবংশৰ কথা লিখিবলৈ গৈ মই যেন ভুৰেৰে দুস্তৰ সাগৰহে পাৰ হ'বলৈ ইচ্ছা কৰিছো'।

ভাৰতীয় ঐতিহ্য তেওঁৰ বাবে গৌৰৱৰ বিষয় আছিল। ইতিহাস- পুৰাণ তেওঁ গভীৰ ভাৱে অধ্যয়ণ কৰিছিল। এই দেশৰ সাহিত্যৰ লগতো তেওঁৰ নিবিড় পৰিচয় আছিল। ব্যাস, বাল্মীকি, ভাস, সৌমিল্ল, কবিপুত্ৰ আদিৰ ৰচনা তেওঁ আগ্ৰহেৰে পঢ়িছিল আৰু সেইবোৰৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। ৰঘুবংশত বাল্মীকি, মালবিকাগ্নিমিত্ৰত [৩] ভাস আদি পূৰ্বজ কবিসকলৰ নাম শ্ৰদ্ধাৰে সুঁৱৰিছে। ৰামায়ণৰ পৰা ৰঘুবংশৰ, মহাভাৰতৰ পৰা অভিজ্ঞানশাকুন্তলমৰ, শিৱপুৰাণৰ পৰা কুমাৰসম্ভৱৰ, বৈদিকসাহিত্যৰ পৰা বিক্ৰমোৰ্ৱশীয়মৰ বাবে কথাবস্তু চয়ন কৰিছে।অগ্ৰজ কবিৰ পদাংক অনুসৰণ কৰি প্ৰতিষ্ঠা লাভ

২। যে নাম কেচিদিহ নঃ প্ৰথয়ন্ত্যবজ্ঞাং জানন্তি তে কিমপি তান্ প্ৰতি নৈষ যত্নঃ।
উৎপৎস্যতেঽস্তি মম কোঽপি সমানধৰ্মা কালো হ্যয়ং নিৰবধিৰ্বিপুলা চ পৃথ্বী।।

৩ প্ৰথিতযশসাং ভাস সৌমিল্ল কবিপুত্ৰাদীনাং প্ৰবন্ধানতিক্ৰম্য বৰ্তমানকবেঃ কালিদাসস্য

কৰিবলৈ আকুণ্ঠ চেষ্টা কৰি কৈছে—

অথবা কৃতবাগ্দ্বাৰে বংশেহস্মিন্ পূৰ্বসূৰিভিঃ।
মণৌ বজ্ৰসমুৎকীৰ্ণে সূত্ৰস্যেবাস্তি মে গতিঃ।।(১.৪)।।

তীক্ষ্ম প্ৰতিভাধৰ কৱিজনাৰ সাফল্যৰ অন্যতম কাৰণ হৈছে তেওঁৰ প্ৰখৰ পৰ্য্যবেক্ষণ ক্ষমতা আৰু সূক্ষ্ম বিশ্লেষণাত্মক দৃষ্টিভঙ্গী। সেয়েহে তেওঁ কাব্যত অংকন কৰা প্ৰতিটি চিত্ৰ নিখুঁট, নিভাজ আৰু পূৰ্ণাঙ্গ ৰূপত ধৰা পৰিছে। ৰঘুৰং শৰ প্ৰতিটি চৰিত্ৰ তেওঁ বৰ সূক্ষ্মভাৱে অংকন কৰিছে। পিতৃৰূপে দিলীপৰ আচৰণ, আপন্নসত্ত্বা সুদক্ষিণাৰ লাজকুৰীয়া, গম্ভীৰ চাল চলন, দীৰ্ঘকালৰ মূৰত লগ পোৱা সীতাৰ প্ৰতি ৰামৰ সংযত প্ৰেমৰ উদগীৰণ, অন্ধমুণিৰ পুত্ৰক অজানিতে বধ কৰি শংকিত অপৰাধী দশৰথৰ অন্তৰ্দ্বন্দ্ব ইত্যাদি অতি স্বাভাৱিক ভাৱে ফুটাই তুলিছে। এনে একোটি সম্পূৰ্ণ পৰিস্থিতিৰ উপৰিও, একোটা পৰিস্থিতিক সজাই তোলা খণ্ডচিত্ৰবোৰো ইমান স্বচ্ছভাৱে দাঙি ধৰিছে যে সেইবোৰে কৱিজনাৰ অতি সূক্ষ্ম পৰ্য্যবেক্ষণ ক্ষমতাকে প্ৰমাণ কৰি দেখুৱাই। উদাহৰণ স্বৰূপে সপ্তম সৰ্গৰ এটি পৰিস্থিতিৰ পৰিপূৰক টুকুৰা চিত্ৰসমূহ দাঙি ধৰিব পাৰি, বিবাহৰ অন্তত নৱবধূ ইন্দুমতীক লগত লৈ বৰ অজ নগৰ ভ্ৰমণৰ বাবে ৰাজপথেৰে ওলাই আহিল। বৰকন্যাক চোৱাৰ আগ্ৰহত পুৰসুন্দৰী সকলে হাতৰ কাম এৰি প্ৰাসাদসমূহৰ গৱাক্ষ বাৰত জুম পাতিলেহি। সেই সুন্দৰীসকলৰ কোনোবে আলতা লগাবলৈ বুলি প্ৰসাধিকাৰ ওচৰত পাতি দিয়া ভৰিটো আঁজোৰ মাৰি দৌৰি অহাৰ বাবে খিৰিকিৰ মুখলৈকে মজিয়াত আলতাৰে ভৰিৰ চিন আঁকি পেলালে। আন এজনীয়ে সোঁ চকুত কাজল লৈ বাওঁ চকু উকাকৈ কাজলৰ কাঠিডাল হাতত লৈয়ে খিৰিকিৰ মুখ পালেহি। কোনোবা এজনীয়ে হঠাৎ উঠি বাতায়নৰ মুখলৈ দৌৰি যাওঁতে চুলিৰ বান্ধ খুলি মালা খহি পৰিল আৰু খোলাচুলি হাতেৰে ধৰিয়ে বাহিৰলৈ ওলাই আহিল। কোনোজনীয়ে আকৌ কোলাতে লৈ বত্নমণিৰ হাৰ গাঁথি আছিল। দৌৰাদৌৰিকৈ উঠি যাওঁতে গাঁথি থোৱা মণিবিলি সূতাৰ আনটো মূৰেদি খহি পৰিল, তেওঁৰ বুঢ়া আৰু তৰ্জনী আঙুলিৰ মাজত কেৱল সূতাডালহে ওলমি

থাকিল . চঞ্চল ভোমোৰাৰ দৰে চকুৰে সৈতে সেই যুৱতীসকলৰ প্ৰসাধনৰ সুগন্ধেৰে সুবাসিত কৌতুহলী মুখবোৰ বাতায়নবোৰৰ মুখত জুম পাতি থকা দেখি এনেহে লাগিছিল যেন বাতায়নবোৰ সহস্ৰদল পদুমেৰেহে অলংকৃত কৰা হৈছিল (৭.৫-১১) । তেনেদৰে হোমৰ গুৰিত ইন্দুমতীৰ বৰ্ণনাও অতি বিশদভাৱে দিছে– ধোৱা লাগি ইন্দুমতীৰ চকু কাজলমিহলি পানীৰে ভৰি গ'ল বীজাংকুৰৰ কৰ্ণভূষণ লেৰিলি গ'ল, গাল দুখন ৰঙা হৈ পৰিল। প্ৰিয়াবিৰহত অজৰ ব্যাকুলাৱস্থা, কামাতুৰ অগ্নিবৰ্ণৰ উচ্ছৃংখ ল আচৰণ আদি ইমান সূক্ষ্মভাৱে বৰ্ণনা কৰিছে যাৰ ফলত প্ৰতিটি খণ্ডচিত্ৰই সম্পূৰ্ণ হৈ পৰি শ্ৰব্যকাব্যখনো দৃশ্য ভাৱপন্ন কৰি তুলিছে।

কালিদাস মানৱতাবাদী কবি আছিল। মানুহৰ মহত্ত্ব প্ৰতিপন্ন কৰিবলৈকে যেন তেওঁ ৰঘুবংশত অনেক মানব চৰিত্ৰ প্ৰস্তুত কৰি লৈছে। ইয়াত ধৰ্মবীৰ, দানবীৰ, দয়াবীৰ, ৰণবীৰ, ত্যাগবীৰ, ভোগবীৰ, আদি বিভিন্ন লক্ষণযুক্ত পুৰুষ সৃষ্টি কৰা হৈছে। বিভিন্নপ্ৰকাৰে ইয়াত মানবীয় গুণৰাজিৰ পৰ্য্যালোচনা কৰা হৈছে আৰু তাৰ বিপৰীতে কাব্যৰ শেষৰ ফালে অসুস্থ মানৱচৰিত্ৰৰ পতন প্ৰতিপাদন কৰা হৈছে। মানৱ জীৱনৰ বিভিন্ন চিত্ৰ একত্ৰ পৰিবেশন কৰাৰ উদ্দেশ্যেই যেন কালিদাসে ৰঘুবংশ ৰচনা কৰিছিল এনে লাগে।

প্ৰচলিত সমাজব্যৱস্থাত কালিদাস সন্তুষ্ট আছিল। সামাজিক জীৱনৰ পৰম্পৰাগত ৰীতি- নীতিৰ ব্যতিক্ৰম হোৱাটো তেওঁ সহ্য নকৰিছিল। অতি শক্তিশালী ব্যক্তিত্বৰ অধিকাৰী হোৱা স্বত্বেও তেওঁ শূদ্ৰকৰ দৰে অসবৰ্ণ বিবাহ বা অসমানুপাতিক প্ৰেম সমৰ্থন কৰা নাই। ৰজা দুষ্যন্তয়ো কেৱল আৱেগৰ বশৱৰ্ত্তী হৈ শকুন্তলাক গ্ৰহণ কৰিবলৈ আগবঢ়া নাই। যদিও তেওঁ শকুন্তলাৰ প্ৰতি আকৰ্ষিত হৈছিল তথাপি শকুন্তলা তেওঁৰ গ্ৰহণযোগ্যা হয়নে নহয় সেই বিষয়ে জানি লৈহে প্ৰেম নিবেদন কৰিছে।

কালিদাসৰ কাব্যত সদায় আশাবাদৰ সুৰ শুনা যায়। জীৱনৰ কণ্টকাকীৰ্ণ পথৰ পৰিচয় তেওঁ দিয়া নাই। প্ৰতিখন কাব্যতে তেওঁ মধুময় জীৱনৰ স্বাদ উপভোগ কৰাৰ কথাহে কৈছে। এনে উপভোগৰ পৰা তেওঁ বীতৰাগ তপস্বী সকলকো বঞ্চিত হ'বলৈ দিয়া নাই। পুত্ৰ, কন্যা পৰিবাৰ বন্ধু বান্ধৱেৰে পৰিপূৰ্ণ সংসাৰ একোখনত সকলোকে তেওঁ ব্যস্ত ৰাখিছে। সেয়েহে

তেওঁ কণ্বৰ হাতত শকুন্তলাক আৰু বাল্মীকিৰ হাতত সীতাক তুলি দিছে। একে উদ্দেশ্যেৰেই তেওঁ শকুন্তলা নাটকত অদিতিৰে সৈতে মাৰিচৰ আশ্ৰম ৰচনা কৰিছে। মানুহৰ সমাজখন প্ৰেম, প্ৰীতি আৰু আশ্ৰয়ৰ আশ্বাসেৰে পৰিপূৰ্ণ তাকে কৰবলৈ ৰঘুবংশত প্ৰথম সৰ্গতে ঋষি, ঋষিপত্নী, মুনিকন্যা, তপস্বীবালক, গৃহপালিত মৃগ, মৃগপোটক আৰু পক্ষীকুলেৰে পৰিবেষ্টিত বিশাল সংসাৰ খনেৰে কালিদাসে নিজে আশা কৰা পৰিপূৰ্ণ জীৱনৰ প্ৰতিচ্ছবিখন প্ৰকট কৰি দেখুৱাইছে।

কালিদাসৰ জীৱনাদৰ্শ আৰু নীতিবোধ অতি উচ্চ ক্ৰমত স্থাপিত। তেওঁ জীৱনত সততা আৰু শৃংখলা কামনা কৰিছিল। তেওঁৰ কাব্যৰ য'তেই অসততা, প্ৰবঞ্চনা আৰু উচ্চৃংখলতা আহি পৰিছে তাতেই তেওঁ তাৰ অশুভ পৰিণাম দেখুৱাই গৈছে। তেওঁৰ মতে প্ৰলোভনৰ উৰ্দ্ধত থাকিব পৰাতেই চৰিত্ৰৰ দৃঢ়তা প্ৰকাশ পায়। চৰিত্ৰই হৈছে ব্যক্তিত্বৰ ভেটি। চৰিত্ৰৰ স্খলন হলে ব্যক্তিৰ লগতে কুলৰো পতন হয়। অগ্নিবৰ্ণ তাৰ উদাহৰণ। ঈপ্সিত বস্তু প্ৰাপ্তিৰ দ্বাৰ হৈছে নিষ্ঠা, সততা, সংযম, তপস্যা আৰু সাধনা। কৰ্ত্তব্যনিষ্ঠাই হল সাফল্যৰ সঁচাৰ কাঠি। কৰ্ত্তব্যবোধ আৰু নীতিবোধৰ পৰা ভ্ৰষ্ট হোৱাৰ বাবে কালিদাসৰ কাব্যৰ অনেক চৰিত্ৰ অভিশপ্ত হৈছে। আৰু পিছত অভিশাপ আৰু অনুতাপৰ বহ্নিত তেওঁলোকৰ পৰিশুদ্ধি ঘটিছে। কালিদাসৰ প্ৰতিখন কাব্যই অনেক সুভাষিতেৰে পৰিপূৰ্ণ। ৰঘুবংশত তেনে শতাধিক নীতিবাক্য পোৱা যায়। প্ৰথম সৰ্গতে একাধিক তেনে সদুক্তি আছে যেনে— প্ৰতিবধ্নাতি হি শ্ৰেয়ঃ পূজ্য পূজাব্যতিক্ৰমঃ (১.৭৯), হেম্নঃ সংলক্ষ্যতে হ্যগ্নৌ বিশুদ্ধিঃ শ্যামিকাপি (১.১০), সহস্ৰগুণমুৎস্ৰষ্টুমাদত্তে হি ৰসং ৰবিঃ (১.১২) কাব্যৰ মূল কাহিনীৰ লগত অতি কৌশলেৰে গ্ৰথিত হোৱা অভিশাপৰ কাহিনী আৰু সদুক্তি আদিৰ পৰা সহজে অনুমান কৰিব পাৰি কালিদাসৰ জীৱনাদৰ্শ কেনে উচ্চ আছিল।

ৰঘুবংশত কালিদাসৰ কাব্য- ৰসনাৰ সুস্বাদ পৰিচয় নিহিত হৈছে। বিভিন্ন শাস্ত্ৰীয় তথ্যৰে ভাৰাক্ৰান্ত হোৱা বাবে কোনো কোনো সমালোচকে ৰঘুবংশৰ কাব্যিকতাক সন্দেহ কৰি কয়- ৰঘুৰপি কাব্যম্ অৰ্থাৎ ৰঘুবংশও

৫। এই বাক্যটিৰ দুই প্ৰকাৰৰ অৰ্থ বিচাৰ কৰা হয় আৰু উভয় অৰ্থ কাব্যিক দৃষ্টিকোণৰে আলোচনা কৰা হৈছে।

কাব্যনে? ইয়াক শাস্ত্ৰ বোলাই সংগত। কিন্তু ৰঘুবংশৰ টীকাকাৰ মল্লিনাথৰ সঞ্জীৱনী টীকাৰ পাণ্ডিত্যপূৰ্ণ ব্যাখ্যাত ৰঘুবংশৰ কাব্যিক গুণ আৰু শাস্ত্ৰীয় গুৰুত্বৰ এনে সুন্দৰ ভাবসাম্য ৰক্ষিত হৈছে যে 'ৰঘু ৰপি কাব্যম' ইত্যাদিৰ দৰে লঘু মন্তব্যৰ তৰলতা সহজে প্ৰতীয়মান হৈছে। ৰঘুবংশৰ সৰল সাবলীল ভাষাত গধুৰ শাস্ত্ৰীয় তত্ত্বকথা এনেদৰে উপস্থাপন কৰা হৈছে যে সেইবোৰেই কালিদাসৰ বাক্‌ভঙ্গীৰ বৈচিত্ৰ্য সম্পাদন কৰিছে। নিৰস তাত্ত্বিক সূত্ৰ আৰু পৰিভাষা সমূহক তেওঁ উপমান উপমেয় ৰূপে ব্যৱহাৰ কৰা বাবে সেইবোৰে অসাধাৰণভাৱে অলংকাৰৰ অংগস্বৰূপ হৈ অলংকাৰৰে চমৎকাৰিত্ব সাধন কৰিছে আৰু শৈল্পিক আনন্দৰ (aesthetic pleasure) খোৰাক যোগাইছে।

ৰঘুবংশৰ বিভিন্ন ঠাইত কালিদাসৰ শাস্ত্ৰ বৈদগ্ধ্য প্ৰকাশ পাইছে। তাৰ ভিতৰত বৈদিক সাহিত্যৰ অধ্যয়ন আৰু অনুশীলনৰ নমুনা ৰঘুবংশৰ বহু শ্লোকত পোৱা যায়। বেদৰ মন্ত্ৰৰ অনুকৰণত তেওঁ শ্লোক ৰচনা কৰিবলৈকো লৈছিল[৬]। ৰাজ্যৰ সুৰক্ষাৰ বাবে অথৰ্ববেদোক্ত নীতিৰ কথা কৈছে। অথৰ্ব বেদবিদ বশিষ্ঠৰ নীতি নিপুণতা প্ৰথম সৰ্গত বৰ্ণনা কৰা হৈছে (১.৫৯-৬১)। বৈদিক সংহিতাৰ পৰা উপমাৰ বাবে উপাদান গোটাই আনি কৈছে—

স্বৰসংস্কাৰবত্যাসৌ পুত্ৰাভ্যামথ সীতয়া।
ঋচেবোদৰ্চিষং সূৰ্য্যং ৰামং মুনিৰুপস্থিতঃ।। ১৫.৭৫।।

(তাৰ পিছত দুই পুত্ৰৰে সৈতে সীতাক লৈ মুনি জ্যোতিস্মান ৰামৰ ওচৰলৈ আগবাঢ়ি আহিল। এনে লাগিল যেন কোনো ঋষিয়ে বিশুদ্ধ স্বৰ আৰু উচ্চাৰণেৰে গায়ত্ৰীক লৈ সূৰ্য্যৰ ওচৰলৈহে আহিছে।) ব্ৰাহ্মণ গ্ৰন্থৰ প্ৰভাৱত দিলীপৰ পত্নী সুদক্ষিণাক যজ্ঞপত্নী দক্ষিণাৰ লগত তুলনা কৰা হৈছে (১.৩১)। দিলীপ আৰু সুদক্ষিণাৰ অন্তৰংগতা শ্ৰুতি আৰু স্মৃতিৰ সম্বন্ধেৰে বুজাইছে— শ্ৰুতেৰিবাৰ্থং স্মৃতিৰন্বগচ্ছৎ। ক্ৰিয়া কাণ্ডৰ প্ৰতি তেওঁ শ্ৰদ্ধাশীল আছিল। যাগ যজ্ঞ আৰু তাৰ ফলৰ ওপৰত তেওঁৰ অগাধ আস্থা আছিল। স্মাৰ্ত্ত ক্ৰিয়া কাণ্ড আৰু তাৰ ফলাফলতো কালিদাসৰ বিশ্বাস আছিল। ৰঘুবংশৰ ষোড়শ সৰ্গত অযোধ্যা পুনৰ্নিৰ্মাণ প্ৰসংগত পশুউপহাৰৰ কথাও কোৱা হৈছে (১৬.৩৯)।

৬। শকুন্তলা, ৪.৮

পুৰাণসিদ্ধ ত্ৰিদেৱ বা ত্ৰিমূৰ্ত্তিৰ ধাৰণায়ো তেওঁৰ ৰচনাত ঠাই পাইছে। কুমাৰসম্ভৱৰ ষষ্ঠ সৰ্গত শিৱৰ স্তুতি, দ্বিতীয় সৰ্গত ব্ৰহ্মাৰ স্তুতি আৰু ৰঘুবংশৰ দশমসৰ্গৰ বিষ্ণুস্তুতিয়ে কালিদাসৰ মনত থকা এই পৌৰাণিক ধাৰণা সম্বন্ধে প্ৰত্যয় জন্মায়। তেওঁৰ তিনিওখন নাটক, ৰঘুবংশ, কুমাৰসম্ভৱ আৰু মেঘদূতৰ পৰা এই কথা স্পষ্ট প্ৰমাণ হয় যে তেওঁ শৈৱ আছিল। ক্ষিতি, অপ, তেজ মৰুৎ, ব্যোম, চন্দ্ৰ, সূৰ্য্য আৰু জীৱ জগত (যজমান) এই সকলোবোৰ অষ্টমূৰ্ত্তিধাৰী মহাদেৱৰেই প্ৰকাশমান ৰূপ (শকুন্তলা ১.১) তেৱেঁই তমসাৰ সিপাৰত অৱস্থিত পৰম জ্যোতিস্বৰূপ-- 'স হি দেৱঃ পৰং জ্যোতিস্তমঃ পাৰে ব্যৱস্থিতম্' (কুমাৰ, ২ ৫৮)। কালিদাসৰ ৰচনাত বহুদেৱতাৰ উল্লেখ ঘটিছে যদিও বহু ঠাইত তেওঁৰ একেশ্বৰবাদৰ বিশ্বাস প্ৰতিপন্ন হৈছে। বিশেষকৈ ৰঘুবংশৰ দশমসৰ্গত সন্নিবিষ্ট বিষ্ণুস্তুতিটিত বিষ্ণুক সৃষ্টি- স্থিতি- সংহাৰৰ একমাত্ৰ কাৰকৰূপে বৰ্ণনা কৰি এক পৰমশক্তিৰ অস্তিত্ব প্ৰতিপাদন কৰিছে। এক হ'লেও তেওঁ বিভিন্ন গুণৰ সমাবেশৰ ফলত বিভিন্নৰূপে প্ৰকাশমান -- ই 'একং সৎ বিপ্ৰাঃ বহুধা বদন্তি' এই বাক্যৰ অনুৰণন মাথো। জগতৰ ব্যক্তবস্তুৰ হেতুভূত হৈয়ো তেওঁ নিজে কিন্তু অব্যক্ত হৈয়ে থাকে তাক উপলব্ধি কৰি কৰিয়ে কৈছে—

অমেয়ো মিতলোকস্ত্বমনৰ্থী প্ৰাৰ্থনাবহঃ।
অজিতো জিষ্ণুৰত্যন্তমব্যক্তো ব্যক্তকাৰণম্ ॥ ১০.১৮ ॥

(তোমাক একেৰে জুখিব নোৱাৰি, তুমিহে লোকসমূহক পৰিমাপ কৰিছা, তোমাৰ নিজৰ একোৰে প্ৰয়োজন নাই, তুমি আনৰ প্ৰাৰ্থনাহে পূৰণ কৰা, তোমাক জয় কৰিব নোৱাৰি, তুমিহে সকলোকে জয় কৰিবা, তুমি অতিসূক্ষ্ম (ইন্দ্ৰিয়াতীত) অথচ তুমিয়ে স্থূল (ইন্দ্ৰিয়গ্ৰাহ্য) জগতৰ কাৰণস্বৰূপ।) — ইয়াত উপনিষদৰ 'ন তস্য বেত্তাস্তি, বেদ্যং চ সৰ্বম্' এই বাক্যৰ অনুৰণন লক্ষ্য কৰা যায়। অব্যক্ত নিৰাকাৰ হলেও ঈশ্বৰ ব্যক্ত জগতৰ কাৰণস্বৰূপ উপনিষদৰ এই প্ৰত্যয় ৰঘুবংশৰ একাধিক শ্লোকত প্ৰতিপাদিত হৈছে। উদাহৰণ স্বৰূপে—

সৰ্বজ্ঞস্ত্বমবিজ্ঞাতঃ সৰ্বযোনিস্ত্বমাত্মভূঃ।
সৰ্বপ্ৰভুৰনীশস্ত্বমেকস্ত্বং সৰ্বৰূপভাক্ ॥ ১০.২০ ॥

(তুমি দুৰ্জ্ঞেয়, কিন্তু তুমি সৰ্বজ্ঞ, সকলো সৃষ্টিৰ উৎস তুমি আত্মভূ, সকলোৰে স্বামী, তোমাৰ উৰ্দ্ধত কোনো নাই, তুমি অনন্তৰূপে প্ৰকাশিত)।

এনেদৰে ৰঘুবংশত বেদান্তদৰ্শনৰ প্ৰতিধ্বনি বাৰম্বাৰ শুনা যায়। দশমসৰ্গৰ বিষ্ণুস্তুতিত বেদান্তদৰ্শনৰ 'একংসত্ ', 'তত্ত্বমসি 'আদি প্ৰত্যয়ৰ অনুৰণন শুনা যায়। গীতাৰ ভালেমান শ্লোক বা শ্লোকাংশ কালিদাসে ৰঘুবংশত অনুকৰণ কৰিছে। উদাহৰণ স্বৰূপে–

ৰঘু-- মনৌ বজ্ৰসমুৎকীৰ্ণে সূত্ৰস্যেবাস্তি মে গতিঃ(১.৪)

গীতা-- ময়ি সৰ্বমিদং প্ৰোক্তং সূত্ৰে মণিগণা ইব (৭.৭))

ৰঘু-- আসীন্মহীক্ষিতামাদ্যঃ প্ৰণৱশ্চন্দসামিৱ (১.১১)

গীতা-- প্ৰণৱঃ সৰ্ববেদেষু শব্দঃ খে পৌৰুষং নৃষু (৭.৮)

ৰঘু-- ৰঘুৰপ্যজয়ং গুণত্ৰয়ং প্ৰকৃতিস্থং সমলোষ্টকাঞ্চনঃ (৮.২১)

গীতা-- যুক্ত ইত্যুচ্যতে যোগী সমলোষ্ট্ৰাশ্মকাঞ্চনঃ(৬.৮)

গীতাৰ পৰা বহুতো ধাৰণা আৰু প্ৰকাশভঙ্গী কালিদাসে ধাৰ লৈছে। তাৰে বহুখিনি ৰঘুবংশতে প্ৰয়োগ কৰিছে। গতিকে বেদান্তদৰ্শনৰ অনেক তত্ত্ব এই কাব্যত পোৱা যায়।

ৰঘুবংশত সাংখ্যতত্ত্বও স্থান পাইছে। কবিয়ে কৈছে, তমোগুণৰ প্ৰভাৱত সত্ত্ব আৰু ৰজস্ এই প্ৰথম আৰু মধ্যম গুণ দুটা আচ্ছন্ন হৈ পৰে– 'অগ্নিনাং তমসোৱাৰ্তৌ গুণৌ প্ৰথম মধ্যমৌ'। অষ্টমসৰ্গত অজ আৰু ৰঘুৰ কাৰ্যাৱলী একেলগে বৰ্ণনা কৰোঁতে কালিদাসে সাংখ্যতত্ত্বৰ উপস্থাপন কৰিছে। তেওঁ কৈছে–

পণবন্ধমুখান্ গুণানজঃ ষডুপাযুঙ্ক্ত সমীক্ষ্য তৎফলম্।

ৰঘুৰপ্যজয়ং গুণত্ৰয়ং প্ৰকৃতিস্থং সমলোষ্টকাঞ্চনঃ ।। ২১ ।।

(পৰিণাম বুজি অজই সন্ধি পণ আদি ছয়োটি গুণ প্ৰয়োগ কৰিলে আৰু ৰঘুৱে লোষ্ট (মাটিৰ দলা) আৰু কাঞ্চন (সোণ) একে জ্ঞান কৰি সত্ত্ব, ৰজঃ তমঃ এই তিনিটা গুণক প্ৰকৃতিস্থ কৰি জয় কৰিলে)। আকৌ সমকালীন উৎস ব্ৰাহ্মণৰ বৰ্ণনাৰ প্ৰসংগত ত্ৰিগুণাত্মিকা প্ৰকৃতি, বুদ্ধিৰ বা মহত্ত্বৰ যে কাৰণ তাক স্পষ্টকৈ কৈছে (১০.৬০)। কাৰণৰ মাজতে কাৰ্য্য অপৰিস্ফুটৰূপে বৰ্তি থাকে– 'অব্যক্তং ব্যক্তকাৰণম্' (১০.১৮)।

যোগদৰ্শনৰ প্ৰতি কালিদাসৰ অনুৰাগ তেওঁৰ প্ৰতিখন কাব্যতে প্ৰকাশ পাইছে। যোগবলেৰে তনুত্যাগ কৰা; ৰঘুবংশীয় ৰজাসকলক তেওঁ যোগীৰূপে অংকন কৰিছে। মহাযোগী লক্ষ্মণৰ দেহত্যাগ প্ৰসংগতো যোগমাৰ্গৰ বিষয়ে অৱতাৰণা কৰা হৈছে (১৫.৯৫)। অজৰ হাতত ৰাজ্যভাৰ অৰ্পন কৰি সন্যাসাশ্ৰম গ্ৰহণ কৰা ৰঘুৱে সংযমেন্দ্ৰিয় হৈ তত্ত্বদৰ্শী যোগীসকলৰ লগত মিলিত হ'ল। সেই সময়ত তৰুণ ৰজা অজই প্ৰজাবৰ্গৰ ৰক্ষণাবেক্ষণৰ বাবে বিচাৰাসনত বহিল আৰু প্ৰবীন ৰজা ৰঘুৱে নিৰ্জনত পবিত্ৰ কুশাসনখন আনি ধ্যানত বহিল। প্ৰভুশক্তিৰ বলত অজই ওচৰ চুবুৰীয়া ৰজাসকলক বশীভূত কৰিলে আৰু ৰঘুৱে যোগাভ্যাস কৰি শৰীৰস্থ পাঁচবিধ বায়ুক নিয়ন্ত্ৰন কৰিলে (৮.১৮-১৯)। ইয়াত যোগদৰ্শনৰ মতানুযায়ী প্ৰাণ, অপান, সমান, উদান, ব্যান এই পাঁচপ্ৰকাৰ বায়ুৰ কথা কোৱা হৈছে। ত্ৰয়োদশ সৰ্গত চিত্ৰকূটৰ বৰ্ণনা প্ৰসঙ্গত বীৰাসনত উপবেশন কৰা ঋষিসকলৰ ধ্যানমগ্ন আকৃতি আৰু যোগস্থিত মুনিসকলৰ দৰে তেওঁলোকৰ বেদিকাৰ কাষৰ নিশ্চল তৰুৰাজিৰ বৰ্ণনাতো যোগীজনৰ উপমা লক্ষনীয়—

বীৰাসনৈৰ্ধ্যানজুষামৃষীনামমী—
সমধ্যাসিত বেদিমধ্যাঃ।
নিবাত নিষ্কম্পতয়া বিভান্তি
যোগাধিৰূঢ়া ইৱ শাখিনোহপি।।১৩.৫২।।

ন্যায়-বৈশিষকদৰ্শনৰ ৰূপ-ৰস-গন্ধ-স্পৰ্শ-শব্দৰ ধাৰণাক কালিদাসে ৰঘুবংশত ব্যৱহাৰ কৰিছে। আৰু 'শব্দগুণমাকাশম্' এই তত্ত্বৰ ওপৰত নিৰ্ভৰ কৰি কৈছে— 'অথাত্মনঃ শব্দগুণং গুণজ্ঞঃ '(১৩.১) ইত্যাদি।

ঈশ্বৰ সম্বন্ধে কালিদাস উদাৰমতাৱলম্বী আছিল। মৃত্যু সম্বন্ধে কালিদাসৰ অভিমত অষ্টমসৰ্গত বশিষ্ঠৰ শিষ্যৰ মুখেদি আগবঢ়োৱা হৈছে। তেওঁৰ মতে দেহ আৰু আত্মাৰ সংযোগ বিয়োগ দুটি চিৰন্তন সত্য ঘটনা। মৃত্যু জীৱনতকৈবো স্বাভাৱিক ঘটনা। কোনো আয়ু নজন্মিব পাৰে, কিন্তু জন্মিলে আত্মাৰ মৃত্যু হ'বই। সেয়ে জীৱনটো মায়াহে যাখো, প্ৰাণীয়েৰে একমুহূৰ্তও শ্বাস-প্ৰশ্বাস লৈ বাচি থাকে তাৰ বাবে সেয়ে যথেষ্ট (৮.৮৭)। কবিয়ে মৃত্যুৰ সত্যতা উপলব্ধি কৰে যদিও এইটোও বুজে যে মৃত্যুৰ শোক জয় কৰা মানুহৰ পক্ষে সহজ নহয়।

প্ৰিয়জনৰ শোক বিদীৰ্ণ হৃদয়ত যে সত্যোপলব্ধিৰ বাবে অৱকাশ নাথাকে সেই কথা বুজিয়ে তেওঁ কৈছে যে 'গুৰুৰ কথাক সাগ্ৰহে গ্ৰহণ কৰিলেও তত্ত্বোপদেশে অজৰ অন্তৰত স্থান নাপালে'।

অনন্তকালৰ মাত্ৰ কেইটামান মুহূৰ্ত্ত শ্বাস- প্ৰশ্বাস লৈ থাকিব পৰা প্ৰাণীবোৰকে কৰিয়ে আতাইতকৈ লাভবান বুলি কৈছে— 'ক্ষণমপ্যৱতিষ্ঠতে শ্বসন যদি জন্তুৰ্ননু লাভবানসৌ'(৮.৮৭)। কবি অত্যন্ত আশাবাদী। তেওঁ ক্ষন্তেকীয়া জীৱনটোক বৰ্ণাঢ্যকৈ সজাই তুলিবলৈকে অনুপ্ৰেৰণা দিছে। জীৱনৰ ধনাত্মক দিশ বোৰহে তেওঁ প্ৰত্যক্ষ কৰিছে। জীৱনৰ দুখ-কষ্টক তেওঁ কাব্যৰ মাজলৈ অনা নাই। দাৰিদ্ৰ্য, জৰা, ব্যাধিৰ হা হুমুনিয়াহ কালিদাসৰ কাব্যত পাবলৈ নাই। প্ৰেমজনিত বিৰহ বেদনাক তেওঁ কাব্যিক প্ৰলেপেৰে সুখকৰহে কৰি তুলিছে আৰু অনতিপলমে তেনে দুখ মোচনৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। নিঃসন্তান দিলীপ আৰু দশৰথৰ বাবে পুত্ৰপ্ৰাপ্তিৰ উপায় দিছে, ৰামৰ হাতত অপহৃতা সীতাক ঘূৰাই দিছে, আকৌ পতি পৰিত্যক্তা সীতাৰ বাবে ৰামৰ কথাতেই বাল্মীকিৰ আশ্ৰম বন্দবস্ত কৰি থৈছে। দুষ্যন্ত- শকুন্তলাৰ পুনৰ্মিলনৰ উপায় চিন্তি থৈছে, ইত্যাদি অনেক কথালৈ আঙুলিয়াব পাৰি। কালদাসৰ কাব্যকৃতিয়েই তেওঁৰ উদাৰ জীৱন বীক্ষাৰ দলিল স্বৰূপ বুলি কব পাৰি।

কবি হিচাপে কাব্যতত্ত্বৰ শাস্ত্ৰীয় বিধি- নিষেধ সম্পৰ্কে কালিদাস সচেতন আছিল। তেওঁৰ পূৰ্বজ্ঞ নাট্যবিজ্ঞানী সকলে নিৰ্দ্ধাৰণ কৰি দিয়া নাটকৰ নিয়মাৱলী তেওঁ আখৰে আখৰে পালন কৰিছিল— কালিদাসৰ তিনিওখন নাটকৰ নিৰ্মানকৌশল বিশ্লেষণ কৰি চালে সেই কথাত পতিয়ন যাব পাৰি। তদুপৰি তেওঁ কাব্য আৰু নাটকৰ কোনো কোনো ঠাইত পোৱা নাট্যতত্ব বিষয়ক মন্তব্য সমূহে[৭] কালিদাসৰ কাব্যতত্ত্বৰ ওপৰত থকা অধ্যয়ণৰ কথা সূচায়। ৰঘুবংশৰ গঠন প্ৰণালী, বিষয়বস্তুৰ উপস্থাপন ৰীতি আৰু ভাষালৈ লক্ষ্য ৰাখিলে শ্ৰব্যকাব্য প্ৰণয়নৰ ক্ষেত্ৰতো কালিদাসৰ অলংকাৰ শাস্ত্ৰীয় জ্ঞানৰ পৰিচয় পাব পাৰি। ৰঘুবংশৰ কাব্যিক সৌন্দৰ্য্য আলোচনাৰ প্ৰসঙ্গত তেওঁৰ কবি প্ৰতিভাৰ বিভিন্ন দিশ আলোচনা কৰা হৈছে।

৭। তুলনীয়- নাট্যং ভিন্নৰুচেৰ্জনস্য বহুধাপ্যেকং সমাৰাধনং- মালৱিকাগ্নিমিত্ৰ।

তেওঁ যে প্ৰণালীবদ্ধভাৱে ভাষা আৰু ভাষাতত্ত্ব অধ্যয়ন কৰিছিল সেই কথা কালিদাসৰ সুসংহত আৰু বিশুদ্ধ ভাষাই প্ৰমাণ কৰে। মুখগহ্বৰত বৰ্ণ উচ্চাৰণৰ স্থান শুদ্ধৰূপে ব্যৱহাৰ হ'লেহে বক্তাৰ অভিপ্ৰেত বক্তব্য সুসম্প্ৰেৰিত হয় তাকো ৰঘুবংশতে কৈ থৈছে—

পুৰাণস্য কবেস্তস্য বৰ্ণস্থানসমীৰিতা।

বভূৱ কৃতসংস্কাৰা চৰিতাৰ্থৈৱ ভাৰতী।। (১০.৩৬)।।

(সনাতন কবিৰ উচ্চাৰণ স্থানৰ পৰা শুদ্ধ আৰু সংস্কৃত ভাৱে উচ্চৰিত হ'লতহে বাক্- ভাৰতী সাৰ্থক হ'ল।) এনে উক্তি কুমাৰসম্ভৱতো পোৱা যায় (২.১৭)। ৰঘুবংশত ৰাজকুমাৰসকলৰ নামকৰণৰ ক্ষেত্ৰত কবিয়ে যি ব্যাকৰণিক বিশ্লেষণ দাঙি ধৰিছে সি কবিৰ ভাষাতত্ত্বৰ প্ৰায়োগিক জ্ঞানৰ উদাহৰণ দিয়ে। ৰঘুবংশত ব্যাকৰণৰ সূত্ৰাদিৰ উল্লেখো মনকৰিবলগীয়া। ৰাম আদি চাৰিও ভায়েকৰ লগত সীতা আদি চাৰিও ভনীৰ মিলনক কালিদাসে প্ৰকৃতি- প্ৰত্যয়ৰ মিলন বুলি কৈছে (১১.৫৬)। দ্বাদশ সৰ্গত ৰামে বালিক বধ কৰি সুগ্ৰীৱক সিংহাসনত স্থাপন কৰা কাৰ্য্যক ক্ৰিয়াৰ স্থানত আন বৰ্ণৰ আদেশ হোৱা নিয়ম কাৰ্য্যকৰী হোৱাৰ দৰে বুলি কৈছে (১২.৫৮)। পঞ্চদশ সৰ্গত লৱনাসুৰ নিপাতৰ দায়িত্ব ৰামে শত্ৰুঘ্নৰ ওপৰত ন্যস্ত কৰিলে, সেই কথা কবিয়ে কৈছে যে এটা অপবাদে অৰ্থাৎ বিশেষ ব্যাকৰণিক সূত্ৰই যিদৰে সকলো সামান্য সূত্ৰক খণ্ডন কৰিব পাৰে তেনেকৈ ৰঘুবংশৰ যি কোনো এজনেই সমূহ সামান্য শত্ৰুক নিপাত কৰিব পাৰে—[৮]

যঃ কশ্চন ৰঘুনাং হি পৰমেকঃ পৰন্তপঃ।

অপবাদ ইৱোৎসৰ্গং ব্যাৰ্বৰ্তয়িতুমীশ্বৰঃ।। ১৫.৭।।

এনেদৰে ব্যাকৰণৰ জটিল নিৰস সূত্ৰবোৰকে কালিদাসে অনায়াসে উপমাপ্ৰপঞ্চৰ অন্তৰ্গত অলংকাৰ প্ৰস্তুত কৰোতে ব্যৱহাৰ কৰিব পাৰিছিল। ব্যাকৰণৰ গভীৰ অধ্যয়ন আৰু অনুশীলন থকা বাবেহে কালিদাসৰ বাবে এনে কাম অনায়াসসাধ্য হৈছিল।

৮। অপবাদো- বিশেষবিধিঃ। উপসৰ্গং সামান্যবিধি মিব। সামান্যশাস্ত্ৰতো নূনং বিশেষো বলবান্ ভৱেৎ ইতি হেমাদ্ৰি।

কালিদাস কোনো ৰজাৰ সভাকবি থকা বাবে ৰজা আৰু ৰাজতন্ত্ৰৰ লগত তেওঁৰ ওতঃপ্ৰোত সম্বন্ধ আছিল। সেয়েহে ৰাজনীতি বা কূটনীতি সম্পৰ্কীয় জ্ঞানতো তেওঁ পৰিপুষ্ট আছিল। আৰু ৰঘুবংশত অনেক ৰজাৰ কাৰ্য্যৱলী বৰ্ণিত হোৱা বাবে এই মহাকাব্যত কবিজনৰ ন্যায়শাস্ত্ৰ সম্পৰ্কীয় জ্ঞানৰ প্ৰদৰ্শন সূচল হৈছে। ৰঘুবংশৰ প্ৰথম সৰ্গতে তেওঁ সৎ আৰু আদৰ্শ ৰজাৰ লক্ষণসমূহ বিশ্লেষণ কৰি দেখুৱাইছে। ৰঘুৰ দিগ্বিজয় প্ৰসংগত সাম, দান, দণ্ড আৰু ভেদনীতিৰ সুপ্ৰয়োগৰ কথা কৈছে। ৰঘুৰ শাসন ব্যৱস্থাত সন্ধি, বিগ্ৰহ, যান, আসন, দ্বৈধীভাব, আৰু সংশয় এই ষড়গুণ অৰ্থাৎ ৰজাৰ পালনীয় এই ছয় প্ৰকাৰ বৈদেশিক নীতিৰ কথা কৈছে (৮.২১)। ৰজাই ৰাজহ আদায় কৰা আৰু তাৰ প্ৰয়োগৰ কথা প্ৰথম সৰ্গতে উল্লেখ কৰি কৈছে—

প্ৰজানামেৰ ভূত্যৰ্থং স তাভ্যো বলিমগ্ৰহীৎ।
সহস্ৰগুণমুৎস্ৰষ্টুমাদত্তে হি ৰসং ৰবিঃ।।১.১৮।।

কাব্যখনত একাধিকবাৰ ৰজাক ষষ্ঠাংশবৃত্তি বুলি কোৱা হৈছে। ৰাজনীতিত আৰু শাসনব্যৱস্থাত মন্ত্ৰগুপ্তিৰ আৱশ্যকতা বহবাৰ উল্লেখ কৰা হৈছে। প্ৰথম সৰ্গত ৰজাসকলৰ সাধাৰণ বৰ্ণনা প্ৰসঙ্গত মন্ত্ৰগুপ্তি আৰু তাৰ ৰক্ষা আৰু ফলপ্ৰাপ্তিৰ ইঙ্গিত কিদেৰ কৰা হয় তাক চমুকৈ কোৱা হৈছে (১.২০)। চতুৰ্থসৰ্গত সৈন্য বাহিনীত থকা ছয় প্ৰকাৰ সৈন্যৰ কথা কোৱা হৈছে[১]। তৃতীয় সৰ্গত প্ৰভাৱ, মন্ত্ৰণা আৰু আভিযান এই তিনিপ্ৰকাৰ সাধনৰ কথা কোৱা হৈছে। এই তিনিপ্ৰকাৰ সাধনৰদ্বাৰা ৰজাৰ তিনিপ্ৰকাৰ শক্তি প্ৰভুশক্তি, মন্ত্ৰশক্তি আৰু উৎসাহ শক্তি অটুত থাকে--'অসূত পুত্ৰং সময়ে শচীসমা ত্ৰিসাধনা শক্তিৰিবাৰ্থমক্ষয়ম্ (৩.১৩)। ৰঘুবংশত ৰাজকাৰ্য্য পৰিচালনাত মন্ত্ৰী পৰিষদৰ ভূমিকা সম্পৰ্কে বাৰম্বাৰ উল্লেখ কৰা হৈছে। অৰ্থশাস্ত্ৰৰ বিধান মতে অগ্নিবৰ্ণৰ দুৰাৰোগ্য ব্যাধি আৰু মৃত্যুৰ বাতৰি প্ৰজা আৰু শত্ৰুৰ পৰা গোপন কৰা হৈছে। ৰঘুবংশৰ পৰা মনুসংহিতা আৰু অৰ্থশাস্ত্ৰৰ নীতিৰ অনেক উদ্ধৃতি দাঙি ধৰিব পাৰি। সেইবোৰত নীতিশাস্ত্ৰৰ পাৰিভাষিক শব্দৰ বহুলপ্ৰয়োগ আৰু অলংকাৰ প্ৰসঙ্গত সেইবোৰৰ যথাযথ ব্যৱহাৰলৈ চাই কালিদাসক এজন নিপুন নীতিবিদ

১। ছয় প্ৰকাৰৰ সৈন্য হ'ল বেনে, মৌল ৰজাৰ বংশানুক্ৰমিক সৈন্য, ভৃত্য- বেতনভোগী সৈন্যদল, সুহৃৎ- মিত্ৰৰজাৰ সৈন্যদল, শ্ৰেণী- যুদ্ধৰ বাবে বিশেষভাৱে সংগঠিত সেনাদল, আটবিক- আৰণ্যক সেনাদল, দ্বিষৎ- শত্ৰুৰ শত্ৰুসকলেৰে গঠিত সেনাদল।

বুলি কব পাবি।

জ্যোতির্ব্বিদ্যাতো কালিদাসব যথেষ্ট জ্ঞান আছিল। তেওঁৰ বচনাবলীত জ্যোতির্ব্বিদ্যা সম্পর্কীয় উক্তি যথেষ্ট পৰিমাণে পোৱা যায়। বঘুবংশৰ পৰাই তেনে উদাহৰণ অনেক ডাঙি ধৰিব পাৰি, যেনে, চতুর্থসর্গত বঘুৰ জন্মৰ সময়ত ৰাশিচক্রৰ বিভিন্ন স্থানত অৱস্থিত গ্রহ সমূহৰ স্থান নির্দেশ কৰি কৈছে যে ভাগ্য সম্পদ সূচনা কৰা পাঁচটি গ্রহ সেই সময়ত সূর্য্যৰ সৈতে একেলগে উচ্চস্থানত আছিল (৩.১৩)। দিলীপৰ প্রখৰ প্রতিভাশালী ব্যক্তিত্বৰ আশ্রয়ত বিকাশ লাভ কৰা বঘু যেন সূর্য্যৰশ্মিত প্রৱেশ কৰি বৃদ্ধি পোৱা বালচন্দ্রহে- 'পুপোষ বৃদ্ধিং হৰিদশ্বদীধিতেৰণুপ্রৱেশাদিব বালচন্দ্রমা' (৩.২২)।

কালিদাসৰ ভৌগোলিক জ্ঞান অতি বিস্তৃত আছিল। তেওঁ সমসাময়িক ভাৰতবর্ষখনৰ প্রাকৃতিক আৰু ৰাজনৈতিক বিভাগবোৰ ভালদৰে জানিছিল। মেঘদূত আৰু ঋতুসংহাৰত কালিদাসৰ ভৌগোলিক জ্ঞানৰ পৰিচয় পোৱা যায় যদিও বঘুবংশত সেই জ্ঞানৰ সুপ্রয়োগ ঘটাই কালিদাসে বঘুৰ দিগ্বিজয় আৰু ইন্দুমতীৰ সয়ম্বৰৰ বর্ণনা অত্যধিক উপাদেয় আৰু বৈচিত্র্যপূর্ণ কৰি তুলিছে। সয়ম্বৰ সভাত গোটখোৱা ৰজাসকলৰ ক্রমে পাণ্ড্য, চোল, মগধ, অঙ্গ, অৱন্তি, অনূপ, কলিংগ, শূৰসেন আদি দেশবোৰৰ ৰাজনৈতিক স্থিতি আৰু প্রাকৃতিক বৈশিষ্ট্যৰ বর্ণনা অতি যথাযথ হৈছে। এই প্রদেশসমূহৰ প্রাকৃতিক আকর্ষণ সমূহ কালিদাসৰ জনা আছিল। সয়ম্বৰ সভাত প্রতিজন ৰজাৰ পৰিচয় প্রদান কৰি ধাত্রী সুনন্দাই ইন্দুমতীক সেই ৰজাৰ ৰাজ্যৰ বৈশিষ্ট্যও জনাই গৈছে। উদাহৰণ স্বৰূপে অৱন্তিদেশৰ ৰজাৰ পৰিচয় প্রসঙ্গত কৈছে, 'চন্দ্রশেখৰ মহাদেৱ মহাকালৰ প্রতিষ্ঠিত মন্দিৰৰ ওচৰতেই এওঁৰ ৰাজকাৰেং, সেয়েহে কৃষ্ণপক্ষতো এওঁ ৰমণী সকলৰ লগত জ্যোৎস্নাময়ী ৰজনী উপভোগ কৰে। এই তৰুণ ৰজাৰ লগত শিপ্রানদীৰ ঢৌৰ সংস্পর্শত শীতল হোৱা বতাহত কঁপি উঠা উদ্যানসমূহত তুমি বিহাৰ কৰিবলৈ ইচ্ছা কৰা নেকি'? (৬.৩৪-৩৫)। তেনেদৰে অনূপ দেশৰ পৰিচয় দি সুনন্দাই ইন্দুমতীক কৈছে যে যদি মাহিষ্মতী নগৰীৰ প্রাচীৰৰ মেখলাৰ দৰে জলস্রোতত উচ্ছল চঞ্চল ৰেৱা নদীক প্রাসাদৰ খিৰিকিয়েদি চাব খোজা তেনেহলে এই আজানুলম্বিত ৰজাৰ অংকশায়িনী হোৱা (৬.৪৩)। আকৌ যদি শূৰসেন দেশৰ তৰুণ ৰজাক বিয়া

কৰোৱা তেনেহলে বৃন্দাবনৰ কোমল পল্লৱৰ ওপৰত ৰচা পুষ্পশয্যাত তোমাৰ যৌৱনশ্ৰী উপভোগ কৰিব পাৰিবা আৰু বাৰিষা গোবৰ্দ্ধন পৰ্বতৰ ৰমণীয় গুহাৰ সেমেকা শেলুৰৈৰ গোন্ধ থকা শিলত বহি ময়ূৰৰ নাচ উপভোগ কৰিবও পাৰিবা (৬.৫০-৫১)।

হিমালয়ৰ পৰা তাম্ৰপৰ্ণীলৈকে আৰু পাৰস্যৰ পৰা কামৰূপলৈকে ৰঘুৰ দিগ্বিজয়ৰ পথচোৱাৰ বৰ্ণনা কালিদাসে অতি বিস্তৃতভাৱে আগবঢ়াইছে। পৰ্বত, পাহাৰ, নদী, উপত্যকা, মালভূমি , মৰুভূমি আদি অনায়সে অতিক্ৰম কৰি যোৱা ৰঘুৰ সেনাবাহিনীৰ এই যাত্ৰাৰ বৰ্ণনা অতি ৰোমাঞ্চকৰ হৈছে। এই স্থান সমূহৰ বেছিভাগেই কালিদাসে নিজ চকুৰে দেখিছিল, কেতবোৰ স্থানৰ বিষয়ে পুথিৰ পৰা জানিছিল আৰু কোনো কোনো ঠাইৰ ক্ষেত্ৰত তেওঁ পুথিগত জ্ঞানৰ লগতে কল্পনাৰো সংমিশ্ৰণ ঘটাইছিল। ফলত এনে বৰ্ণনাৰ ঠায়ে ঠায়ে অতিৰঞ্জন ঘটিছে। কালিদাসৰ ভৌগোলিক জ্ঞানৰ বিশাল পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি সমালোচকসকলে তেওঁক বিস্তৃতভাৱে পৰিভ্ৰমণ কৰা এজন পৰিব্ৰাজক বুলি ক'ব খোজে। এই সন্দৰ্ভত মহামহোপাধ্যায় বসুদেৱ বিষ্ণু মিৰাচি আৰু পণ্ডিত নাৰায়ণ ৰঘুনাথে নাভলেকাৰে যুটীয়াভাৱে ৰচনা কৰা 'কালিদাস' নামৰ গ্ৰন্থত মহাকবিজনাৰ ভৌগোলিক জ্ঞানৰ গভীৰতাৰ ওপৰত থকা সকলো প্ৰকাৰ সন্দেহ নিৰসন কৰি কৈছে যে কালিদাসে দীঘে-প্ৰস্থই ভাৰতবৰ্ষখন পৰ্য্যটন কৰিছিল, নে সদাগৰ আৰু তীৰ্থযাত্ৰী সকলৰ টোকাৰ ওপৰত নিৰ্ভৰ কৰিছিল সি বিচাৰ্য্য বিষয়, কিন্তু ভাৰতবৰ্ষৰ বিভিন্ন ভৌগোলিক দিশত যে কালিদাসৰ সম্পূৰ্ণ আৰু নিশ্ছিদ্ৰ জ্ঞান আছিল তাত সন্দেহনাই।[১০]

কালিদাসৰ সুকুমাৰ কলা সম্পৰ্কীয় জ্ঞান নাটক কেইখন আৰু মেঘদূতত অধিক স্পষ্টভাৱে প্ৰকাশ পাইছে। ৰঘুবংশীয় শৌৰ্য্যশালী ৰজাসকলৰ কলা কুশলতা উদ্ঘাটন কৰিবলৈ কালিদাসে সুবিধা পোৱা নাই যদিও, ঠায়ে ঠয়ে কৱিৰ সঙ্গীত শিল্প, চিত্ৰশিল্প, স্থাপত্য শিল্প আদি সম্পৰ্কীয় মন্তব্য পোৱা যায়। প্ৰথম সৰ্গত আশ্ৰম যাত্ৰাৰ পথত ৰাজ দম্পতীয়ে ময়ূৰৰ দ্বিধাবিভক্ত ষড়জ

১০। Whether Kalidasa has travelled through the length and breadth of India or whether he depended upon the reports of traders and pilgrims is a moot point, but it is out of question that he possessed a full and occurate knowledge of the geography of India-
--*Kalidasa p.103*

স্বৰৰ দৰে মনোৰম কেকাধ্বনি শুনিবলৈ পাইছিল

মনোভিৰামাঃ শৃণ্বন্তৌ ৰথনেমিস্বনোন্মুখৈঃ
ষড়জসংবাদিনাঃ কেকা দ্বিধা ভিন্নাঃ শিখণ্ডিভিঃ।। ১.৩৯।।

উনবিংশসৰ্গত কলানিপুণ ৰজা অগ্নিবৰ্ণৰ সঙ্গীত উপভোগৰ কথা বৰ্ণিত হৈছে। ৰজাৰ সঙ্গীত কুশলতাৰ কথা ক'বলৈ গৈ কবিয়ে কৈছে-- 'তেওঁৰ (অগ্নিবৰ্ণৰ) অংকদেশ কেতিয়াও শূন্য নাথাকিছিল, হয় মনোমোহিনী মধু ভাষিনী বামলোচনা, নহয় মনেমাহৰ ধ্বনিময়ী বীণাই পৰ্যায়ক্ৰমে তেওঁৰ কোলাত স্থান পাইছিল। তেওঁ নিজেই ৰসিক, মাল্য আৰু বলয় আন্দোলন কৰি তেওঁ মৃদঙ্গ বজায় আৰু নৰ্ত্তকীসকলৰ মনোযোগ আকৰ্ষণ কৰে, ফলত নৃত্যাভিনয়ত ভুল কৰি নাট্যাচাৰ্য্যৰ সমুখত তেওঁলোক লজ্জিত হৈ পৰে' (১৯.১৩-১৪)।

তদুপৰি অষ্টম সৰ্গত ইন্দুমতীৰ মৃত্যুত অজই বিলাপ কৰি কৈছে যে তেওঁৰ গৃহিনী তেওঁৰ ললিতকলাৰ প্ৰিয়শিষ্যা আছিল। ৰঘুবংশৰ ষোড়শসৰ্গৰ অযোধ্যাৰ বৰ্ণনাত কালিদাসৰ ভাস্কৰ্য্য আৰু স্থাপত্য বিদ্যাৰ জ্ঞান প্ৰকাশ পাইছে। কালিদাসৰ প্ৰতিখন কাব্যকৃতিয়ে তেওঁৰ কামশাস্ত্ৰ সম্বন্ধীয় জ্ঞানৰ পৰিচয় দিয়ে যদিও ৰঘুবংশত এই বিষয়ৰ শাস্ত্ৰীয় আৰু অশাস্ত্ৰীয় দুয়োবিধ তথ্যৰে যথাযথ ব্যৱহাৰ ঘটিছে। ৰঘুবংশত দিলীপ, অজ, ৰাম,কুশ আৰু অগ্নিবৰ্ণ ভিন ভিন ব্যক্তিত্বৰ নায়ক। সেয়েহে কালিদাসে যুৱাবস্থাৰ অন্তিম স্তৰত দিলীপৰ সংযত প্ৰেম, অজ আৰু কুশৰ যৌৱনৰ বিলাসী প্ৰেম, ৰামৰ দায়িত্বশীল অথচ মধুৰ প্ৰেম, অগ্নিবৰ্ণৰ উচ্ছৃংখল প্ৰেম আদিত ভিন্ন স্বাদ আৰোপ কৰিবলৈ সুবিধা পাইছে। তদুপৰি আপন্নসত্ত্বা সুদক্ষিণাৰ আচৰণ, কুশৰ ওচৰত অযোধ্যাৰ পুৰশ্ৰীৰ নিবেদন, লংকাৰ পৰা উদ্ধাৰ কৰি অনা সীতাৰ ৰামৰ প্ৰতিআচৰণ আদিৰ সফল ৰূপায়ণৰ গুৰিতে হৈছে কালিদাসৰ কামশাস্ত্ৰৰ ওপৰত থকা সুগভীৰ অধ্যয়ন। তদুপৰি অভিজ্ঞানশাকুন্তল নাটকৰ চতুৰ্থ অংকত বিবাহিতা স্ত্ৰীৰ কৰ্ত্তব্য অকৰ্ত্তব্যৰ জ্ঞান দিয়া কণ্ব মুনিৰ উপদেশমূলক শ্লোকটি বাৎস্যায়নৰ কামসূত্ৰৰ এটি সূত্ৰৰ বিস্তৃতিকৰণ বুলি সহজে অনুমান কৰা যায়। তুলনীয়--

শুশ্ৰূষস্ব গুৰূন্ কুৰু প্ৰিয়সখীবৃত্তিং সপত্নীজনে
ভৰ্তুৰ্বিপ্ৰকৃতাপি ৰোষণতয়া মাস্ম প্ৰতীপং গমঃ।।

ভৰ্তুৰ্বিপ্ৰকৃতাপি ৰোষণতয়া মাস্ম প্ৰতীপং গমঃ।।
ভূয়িষ্ঠং ভৱ দক্ষিণা পৰিজনে ভোগেষ্বনুৎসেকিনী
যান্ত্যেৱং গৃহিণীপদং যুৱতয়ো বামাঃ কুলস্যাধয়ঃ।।শকুন্তলা ৪.১৫।।
শ্বশ্ৰূশ্বশুৰপৰিচৰ্যা তৎপাৰতন্ত্ৰ্যমনুত্তৰবাদিতা
ভোগেষ্বনুৎসেকঃ, পৰিজনে দাক্ষিণ্যম্,
নায়কাপচাৰেষু কিঞ্চিৎকলুষিতা নাত্যৰ্থং নিবেদত্ ।। কামসূত্ৰ।।

ওপৰৰ অতি সংক্ষেপ আলোচনাৰ পৰাই বুজা যায় যে ৰঘুবংশ মহাকাব্যত কালিদাসৰ মণীষাৰ বিভিন্ন দিশ প্ৰতিফলিত হৈছে। কেৱল পুথিগত বিদ্যাই নহয়, ৰঘুবংশত কালিদাসৰ পৈণত অভিজ্ঞতাৰো প্ৰকাশ ঘটিছে। ৰঘুবংশত কালিদাসৰ মাজত থকা এজন জ্ঞানলিপ্সু গবেষকৰ ঐকান্তিকতা প্ৰকটভাৱে ধৰা পৰিছে। ৰামায়ণত ৰামৰ পুত্ৰ কুশতে অন্তপৰা বংশটোৰ সঠিক ইতিবৃত্ত বিচাৰি পণ্ডিতজনে পুৰাণাদি নানা উৎস ফহিয়াই চাইছে আৰু বিশ্বাসযোগ্যভাৱে সূৰ্য্যবংশৰ বংশলতা প্ৰস্তুত কৰি উলিয়াইছে। কালিদাসে প্ৰস্তুত কৰি উলিওৱা ৰঘুবংশৰ এই ইতিহাস অতি যুক্তিনিষ্ঠ আৰু বিবেকসম্মত হৈছে। ৰঘুবংশত কালিদাসৰ বস্তুব্যৱহাৰ আৰু তথ্য পৰিবেশনৰ কৌশললৈ লক্ষ্য কৰি এই মন্তব্য নিঃসংকোচে আগবঢ়াব পাৰি যে কালিদাস তদানীন্তন ভাৰতৰ এজন অগ্ৰগণ্য চিন্তানায়ক আছিল।

আলংকাৰিক ৰাজশেখৰে তেওঁৰ কাব্যমীমাংসা নামৰ গ্ৰন্থত কৱিৰ জ্ঞান পৰিধি নিৰ্ণয় কৰি দি কৈছে যে কৱি এজনে দৰ্শনৰ বিভিন্ন বিভাগ, প্ৰচলিত ধৰ্মীয় বিশ্বাসসমূহ, পৌৰবিজ্ঞান, সমাজ বিদ্যা, ৰাজনীতি, অৰ্থনীতি, কামশাস্ত্ৰ, নাট্যশাস্ত্ৰ আৰু বিভিন্ন দেশৰ লোকাচাৰ আদিৰ বিষয়ে সম্যকভাৱে জানি লোৱা উচিত। নীতিশাস্ত্ৰকাৰ সকলেও কৈছে যে চাৰিবেদ, ছয়বেদাঙ্গ, দুইপ্ৰকাৰ তৰ্কশাস্ত্ৰ, পুৰাণ আৰু স্মৃতিশাস্ত্ৰ- এই চৈধ্যপ্ৰকাৰ বিদ্যা আয়ত্ব নকৰালৈকে এজন শিষ্যক সমাৱৰ্ত্তন শেষ কৰি সংসাৰত প্ৰৱেশ কৰিবলৈ দিয়া নহয়। ৰঘুবংশতো বৰতন্তু শিষ্য কৌৎসই ৰঘুৰ ওচৰলৈ গুৰুদক্ষিণাৰ বাবে দান বিচাৰি আহি তেওঁ লাভ কৰা চৈধ্যবিদ্যাৰ অনুপাতে দান বিচাৰিছিল।(৫.২১)।

কালিদাসেও গুৰুকুলত শিক্ষা গ্ৰহণ কৰিছিল। সেই পদ্ধতি মতে ওপৰোক্ত চৈধ্য বিদ্যা আয়ত্ব কৰিছিল আৰু অকৃপনভাৱে তাৰ সুপ্ৰয়োগ

তেওঁৰ ৰচনাৰাজিত কৰিছিল। কালিদাসে স্বতঃ প্ৰণোদিত ভাৱে কাব্য ৰচনা কৰিছিল, সেয়েহে তাত্ত্বিক বিষয়বস্তুৰে কাব্যিকৰূপ পৰিগ্ৰহ কৰি তেওঁৰ কাব্যত ধৰা দিছিল। প্ৰকৃতাৰ্থত তেওঁক মহাকবি বোলা যায়, কাৰণ প্ৰাচীন বিষয়বস্তুৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা আছিল, শব্দাৰ্থত অভিনৱত্ব প্ৰদানত তেওঁ আগ্ৰহী আছিল, আৰু প্ৰচলিত কাব্যৰীতিত সংস্কাৰসাধন কৰিবলৈ তেওঁৰ সৎসাহস আছিল। এই গুণখিনি এজন মহাকবিৰ গাত থাকিব লাগে বুলি ৰাজশেখৰে কৈছে। ৰাজশেখৰৰ ভাষাত—

শব্দাৰ্থোক্তিষু যঃ পশ্যেদিহ কিঞ্চন নূতনম্
উল্লিখেৎ কিঞ্চন প্ৰাচ্যং মন্যতাং স মহাকবিঃ।

তদুপৰি কালিদাসৰ জাতীয়তাবোধ, দেশপ্ৰেম আৰু ঐতিহ্যপ্ৰীতি আছিল অসাধাৰণ। গতিকে সমগ্ৰ ভাৰতবৰ্ষখনকে নতুন দৃষ্টিৰে পৰীক্ষা কৰি কাব্যৰ পৰিসীমাত আবদ্ধ কৰি ৰাখিবলৈ সমৰ্থ হৈছিল।

যিকোনো সাহিত্যিক এজনৰ সাহিত্যকৰ্মৰাজি তেওঁৰ ব্যক্তিসত্ত্বাৰ প্ৰতিফলন মাথোন। সাহিত্যিকৰ ব্যক্তিগত জ্ঞান- বুদ্ধি, আচাৰ, আচৰণ, ধ্যান- ধাৰণা, ভাব- দৃষ্টিভঙ্গী আশা- আকাংখ্যা আৰু নিজৰ জীৱনৰ অভিজ্ঞতা আদিয়েই তেওঁৰ সাহিত্যত প্ৰধানকৈ প্ৰকাশ পায়। তেনে অৰ্থত কালিদাসৰ ভিতৰৰ মানুহজনৰ যি প্ৰতিফলন আমি ওপৰৰ আলোচনাত দেখিলো তাত প্ৰধানকৈ তিনিটা আসাধাৰণ গুণৰ সমন্বয় দেখিবলৈ পালো। সেয়া হৈছে কালিদাসৰ বৈদগ্ধ্য, কবিত্ব আৰু বিনয়বত্তা। মাঘ, ভাৰবি, ভৱভূতি, বাণভট্ট আদি কবিৰ ৰচনাত প্ৰথম লক্ষণ দুটাৰ প্ৰকাশ ঘটিছে যদিও তৃতীয় লক্ষণটি তেনে প্ৰসিদ্ধ কবিৰ ৰচনাত দেখিবলৈ পোৱা নাযায়। কালিদাসৰ প্ৰতিখন কাব্যতে তেওঁৰ বিনয়বত্তা দেখিলে এনে লাগে যেন নীতিনিষ্ঠ কবি ভৰ্তৃহৰিয়ে কালিদাসক উদ্দেশ্য কৰিয়েই কৈছে যে 'বিদ্যাই মানুহক বিনয়ী কৰি তোলে, বিনয়বত্তাই যোগ্যতা আনে, যোগ্যতাই ধনাগম সূচনা কৰে, ধনৰ পৰা ধৰ্ম হয় আৰু তেতিয়াহে সুখ হয়—

বিদ্যা দদাতি বিনয়ং বিনয়াদ্ যাতি পাত্ৰতাম্
পাত্ৰত্বাদ্ ধনমাপ্নোতি ধনাদ্ ধৰ্মস্ততঃ সুখম্।

ভৰ্তৃহৰিৰ এই নীতিবাক্য কালিদাসৰ প্ৰতি যথাযথ মন্তব্য বুলি নিঃসন্দেহে

কব পাৰি। কালিদাসৰ এনেবোৰ অসাধাৰণ গুণত বিস্মিত হোৱা প্ৰাচীন নবীন সকলো সমালোচকে অনামিকাত স্থাপন কৰিব পৰা কৱি এজন আজিও বিচাৰি পোৱা নাই। অজ্ঞাত কৱিয়ে সমুচিত ভাৱেই মন্তব্য কৰিছে যে প্ৰাচীন কৱিসকলৰ গণনা প্ৰসঙ্গত পোনতে কালিদাসক কণিষ্ঠ আঙুলিত ধৰা হ'ল। আজিও তেওঁৰ সমান কৱিৰ অভাৱত অনামিকা আঙুলিটোৰ (অনামিকা নাম) অৰ্থবান হৈ ৰৈছে। অৰ্থাৎ অনামিকাত স্থাপন কৰিব পৰা কৱিজন আজিও নোলাল সেয়ে সেই আঙুলিটোৰ নাম অনামিকাই হৈ থাকিল--

পুৰা কবীনাং গণনাপ্ৰসঙ্গে
কনিষ্ঠিকাধিষ্ঠিত কালিদাসা।
অদ্যাপি তত্তুল্যকবেৰভাবা-
দনামিকা সাৰ্থৱতী বভূৱ।

পৰিশিষ্টঃ অসমীয়া অনুবাদ,

প্ৰথম সৰ্গ

শব্দ আৰু অৰ্থৰ জ্ঞান লাভৰ বাবে, শব্দ আৰু অৰ্থৰ দৰেই সদাসংযুক্ত জগতৰ জনকজননী পাৰ্বতী আৰু পৰমেশ্বৰক মই বন্দনা কৰোঁ।।১।।

ক'ত সেই সূৰ্য্যসম্ভূত বংশ আৰু ক'ত (মোৰ) অল্পপৰিসৰ বুদ্ধি। মোহবশতঃ মই যেন ভুৰেৰে দুস্তৰ সাগৰহে পাৰ হ'বলৈ ইচ্ছা কৰিছোঁ।।২।।

ওখ মানুহে ঢুকি পোৱা ফলৰ বাবে বাওনাই লোভত হাত মেলিলে যেনেদৰে হাঁহিয়াতৰ পাত্ৰ হয় তেনেদৰে কবিযশলিপ্সু, মূৰ্খময়ো উপহাসৰ পাত্ৰই হ'মগৈ।।৩।।

অথবা, বজ্ৰসূচীৰ দ্বাৰা ছিদ্ৰ উলিওৱা মণিৰ মাজেদি সূতাডাল যিদৰে সহজে প্ৰবেশ কৰে, তেনেদৰে(বাল্মীকি আদি) পূৰ্বসূৰী সকলৰ কাৰ্য্যৰ দ্বাৰা এই বংশৰ দ্বাৰ উন্মোচন কৰি থোৱাৰ বাবে মোৰো এই বংশত প্ৰবেশ সহজ হ'ব।।৪।।

ৰঘুবংশৰ যি সকল পুৰুষ অজন্ম শুদ্ধ আছিল, ফল প্ৰাপ্তি নোহোৱালৈকে যি সকলে কৰ্ম কৰিছিল, যি সকল সমুদ্ৰলৈকে বিস্তৃত পৃথিৱীৰ অধিপতি আছিল, যি সকলৰ ৰথৰ পথ স্বৰ্গলৈকে (মুক্ত) আছিল, যিসকলে বিধিমতে যাগযজ্ঞ কৰিছিল, ইচ্ছানুযায়ী যাচক সকলক সৎকাৰ কৰিছিল, অপৰাধ অনুসাৰে দণ্ড দিছিল। উচিত সময়ত সজাগ হৈছিল, যিসকলে দানৰ বাবেই অৰ্থ সংগ্ৰহ কৰিছিল, সত্যৰ বাবেই মিতভাষ অৱলম্বণ কৰিছিল, যশৰ বাবেই যি সকলে বিজয় কামনা কৰিছিল, সন্তানৰ বাবেই যি পাণি গ্ৰহণ কৰিছিল, যিসকলে শিশুকালত বিদ্যাভ্যাস, যৌৱনত বিষয়ভোগ, বাৰ্দ্ধক্যত মুনিবৃত্তি গ্ৰহণ কৰি যোগবলেৰে দেহত্যাগ কৰিছিল সেই সকল পুৰুষৰ গুণৰাশিৰ কথা শুনি শুনি মোৰ বাগ্ঐশ্বৰ্য্য কিঞ্চিদ্ হোৱা স্বত্ত্বেও চাপল্যবশতঃ ৰঘুবংশজাত

পুৰুষসকলৰ বিষয়ে ক'বলৈ ওলাইছোঁ।।৫-৯।।

ভালবেয়া বিচাৰ কৰিব পৰা সুধীসকলে সেই কথা শুনিব। কিয়নো সোণৰ শুদ্ধতা আৰু অশুদ্ধতা অগ্নিয়েহে পৰীক্ষা কৰিব পাৰে।।১০।।

বেদৰ ভিতৰত প্ৰণৱমন্ত্ৰ যেনে, ৰাজকুলৰ আদিভূত, আৰু মনীষীসকলৰ माननीয় সূৰ্য্যপুত্ৰ মনু নামে তেনে এজন ৰজা আছিল।।১১।।

ক্ষীৰসমুদ্ৰত যিদৰে চন্দ্ৰৰ জন্ম হৈছিল তেনেদৰে তেওঁৰ (মনুৰ) অতি পবিত্ৰ বংশত, দিলীপ নামেৰে পবিত্ৰতম ৰাজেন্দুৰ জন্ম হৈছিল।।১২।।

তেওঁৰ বহল বক্ষস্থল, বৃষৰদৰে স্কন্ধদেশ, শালগছৰ দৰে উচ্চ শৰীৰ, দীৰ্ঘবাহু আৰু স্বকৰ্মোপযোগী শৰীৰ যেন ক্ষাত্ৰধৰ্মৰ আশ্ৰয়স্থলহে আছিল।।১৩।।

সৰ্বাধিক শক্তিৰে সমস্ত তেজকে স্বপ্ৰভাৱেৰে পৰাভূত কৰি, উচ্চতাৰে সকলোকে পৰাজিত কৰি তেওঁ যেন মেৰু পৰ্বতৰ দৰে পৃথিৱীক দমন কৰি আছিল।।১৪।।

অৱয়ৱ অনুপাতে তেওঁৰ জ্ঞান, জ্ঞান অনুৰূপে তেওঁৰ বিদ্যা, বিদ্যা অনুৰূপে তেওঁৰ কৰ্মাৰম্ভ আৰু আৰম্ভ কৰা কৰ্ম অনুৰূপে তেওঁৰ সিদ্ধি লাভ হৈছিল।।১৫।।

তেজ, প্ৰতাপ আদিৰে প্ৰচণ্ড আৰু দয়া, দাক্ষিণ্য আদিৰে ৰমণীয় নৃপগুণৰ কাৰণে আশ্ৰিত সকলৰ বাবে তেওঁ (ৰজা দিলীপ) জলজন্তু আৰু ৰত্নৰাজি থকাৰ বাবে সাগৰ যিদৰে একাধাৰে দুষ্প্ৰৱেশ্য অথচ আশ্ৰয়ণীয় হয়, তেনে আছিল।।১৬।।

সাৰথিৰ দ্বাৰা চালিত ৰথৰ চকা যিদৰে আগৰ চকাৰ চিনৰ পৰা আঁতৰি নাযায় তেনেদৰে তেওঁৰ শাসন ব্যৱহৃত প্ৰজাসকলে মনু প্ৰদৰ্শিত পথৰ পৰা ৰেখামাত্ৰও বিচলিত হোৱা নাছিল।।১৭।।

তেওঁ প্ৰজাৰ হিতৰ বাবে তেওঁলোকৰ পৰা কৰ গ্ৰহণ কৰে। সহস্ৰগুণ বৰষুণ দিবৰ বাবেই সূৰ্য্যই পৃথিৱীৰ পৰা (বাষ্পৰূপে) জল গ্ৰহণ কৰে।।১৮।।

তেওঁৰ সেনাবল কেৱল ছত্ৰ-চামৰ আদিৰ দৰে (শোভাবৰ্দ্ধকহে) আছিল। কিয়নো শাস্ত্ৰত অপ্ৰতিহত বুদ্ধি আৰু ধনুত সংযোজিত জ্যা এই দুইবিধৰ দ্বাৰাই তেওঁৰ প্ৰয়োজন সিদ্ধি হৈছিল।।১৯।।

যি ৰজাই মন্ত্ৰণাৰ গোপনীয়তা ৰক্ষা কৰিছিল, যাৰ আকাৰ ইংগিতো সাধাৰণ লোকৰ আগোচৰ আছিল, জন্মান্তৰৰ সংস্কাৰৰ দৰে সেই ৰজাৰ কাৰ্য্যাৱলী কাৰ্য্যফলৰ দ্বাৰাহে অনুমান কৰিব পৰা হৈছিল।।২০।।

তেওঁ নিৰ্ভয় হৈয়ো আত্মৰক্ষা কৰিছিল, নিৰোগী হৈয়ো ধৰ্মাচৰণ কৰিছিল, নিৰ্লোভী হৈয়ো অৰ্থ গ্ৰহণ কৰিছিল আৰু অনাসক্ত হৈ সুখ ভোগ কৰিছিল।।২১।।

তেওঁ জ্ঞানী হৈয়ো মৌন, শক্তিশালী হৈয়ো ক্ষমাশীল, ত্যাগী হৈয়ো দৰ্পহীন আছিল— তেওঁৰ মাজত এই পৰস্পৰ বিৰোধী গুণবোৰে সহোদৰৰ দৰে সহাৱস্থান কৰিছিল।।২২।।

বিষয়ভোগৰ প্ৰতি নিস্পৃহ, বিদ্যাত পাৰদৰ্শী তেওঁৰ ধৰ্মত ৰতি আছিল, সেয়েহে বৃদ্ধাবস্থা প্ৰাপ্ত নোহোৱাকৈয়ে (যৌৱনাৱস্থাতে) তেওঁ (বুদ্ধিত) বৃদ্ধত্ব অৰ্জন কৰিছিল।।২৩।।

প্ৰজাসকলৰ শিক্ষাদান, ৰক্ষণাবেক্ষণ, ভৰণ- পোষণ আদি কৰাৰ বাবে তেওঁ (প্ৰজাসকলৰ) পিতৃ আছিল। সেয়েহে তেওঁলোকৰ প্ৰকৃত পিতৃসকল কেৱল জন্মদাতাহে আছিল।।২৪।।

লোক প্ৰতিষ্ঠাৰ বাবে তেওঁ অপৰাধীক দণ্ড দিছিল। সন্তান লাভৰ বাবেই পাণি গ্ৰহণ কৰিছিল। সেযেহে সেই মনীষীৰ অৰ্থ আৰু কাম বৰ্গৰ সাধনো ধৰ্মানুগ আছিল।।২৫।।

তেওঁ যজ্ঞৰ বাবে পৃথিবীক (ষষ্ঠাংশৰূপ কৰৰ দ্বাৰা) দোহণ কৰিছিল আৰু ইন্দ্ৰই শস্যবৃদ্ধিৰ বাবে স্বৰ্গক (বৃষ্টিৰ দ্বাৰা) দোহন কৰিছিল। এনেদৰে সম্পদ বিনিময় কৰি (দিলীপ আৰু ইন্দ্ৰ) উভয় স্বৰ্গ আৰু মৰ্ত্ত্য এই উভয় লোকৰে সমৃদ্ধি সাধন কৰিছিল।।২৬।।

আন ৰজা সকলে ৰাজ্য ৰক্ষাত নিপুণ দিলীপৰ যশৰ অনুকৰণ কৰিব নোৱাৰিছিল কাৰণ, চৌৰ্য্য শব্দই পৰধনৰ পৰা আঁতৰি কেৱল কথাতহে স্থিতি লৈছিলহি।।২৭।।

ৰোগীৰ ওচৰত ঔষধ যিদৰে প্ৰিয়, শত্ৰু হ'লেও সৎলোক তেওঁৰ ওচৰত তেনে প্ৰিয় আছিল। কিন্তু প্ৰিয়জন যদি দোষযুক্ত হয়, তেনেহ'লে তাক তেওঁ সাপে খোটা আঙুলিৰ দৰেই ত্যাগ কৰিছিল।।২৮।।

বিধাতাই তেওঁক সৰ্টকৈয়ে মহাভূতৰ(পঞ্চ) উপাদানেৰে সৃষ্টি কৰিছে। কাৰণ তেওঁৰ সকলো গুণ একমাত্ৰ পৰৰ কাৰণেহে উৎসৰ্গিত হয়।।২৯।।

অন্য কোনো ৰজাৰ শাসন নিৰপেক্ষ এই পৃথিৱীক তেওঁ এখন মাত্ৰ ৰাজনগৰীৰ দৰে শাসন কৰিছিল। উপকূল ভূমি যেন সেই নগৰীৰ প্ৰাচীৰ আৰু সমুদ্ৰ যেন তাৰ পৰিখা আছিল।।৩০।।

যজ্ঞৰ দক্ষিণাৰ দৰে (পৱিত্ৰ) মগধ বংশজাতা সুদক্ষিণা তেওঁৰ পত্নী আছিল, যাৰ নামটি দাক্ষিণ্যৰ পৰাই উৎপত্তি হৈছে।।৩১।।

তেওঁৰ অন্তেৰপুৰ ডাঙৰ হলেও (অৰ্থ্যাৎ অনেক ৰাণী থকা স্বত্বেও) সেই মনস্বিনী (সুদক্ষিণা) আৰু ৰাজলক্ষ্মী এই দুই গৰাকীক লৈয়েই ভূপতি দিলীপে নিজকে প্ৰকৃত কলত্ৰবান বুলি জ্ঞান কৰিছিল।।৩২।।

আত্মানুৰূপা সেই পত্নীৰ পৰা পুত্ৰৰূপে আত্মজন্ম চাবৰ বাবে উদ্‌গ্ৰীৱ হৈ থকা স্বত্বেও, মনস্কামনাৰ ফল লাভ পলম হোৱা দেখি অতি ব্যগ্ৰ হৈ তেওঁ কাল কটাইছিল।।৩৩।।

সন্তান প্ৰাপ্তিৰ বাবে অনুষ্ঠান আদি কৰাৰ উদ্দেশ্যে তেওঁ পৃথিৱীৰ গুৰুভাৰ মন্ত্ৰীসকলৰ ওপৰত অৰ্পন কৰিলে।।৩৪।।

তাৰ পিছত পুত্ৰপ্ৰাপ্তিৰ কামনাৰে পৱিত্ৰ সেই দম্পতীয়ে যথোচিত ভাৱে বিধাতাৰ পূজা অৰ্চনা কৰি গুৰু বশিষ্ঠৰ আশ্ৰমলৈ গ'ল।।৩৫।।

মধুৰ আৰু গম্ভীৰ শব্দ কৰা এখন ৰথত উঠি তেওঁলোক দুজন বৰ্ষাকালীন (মধুৰ আৰু গম্ভীৰ ধ্বনিযুক্ত) মেঘত অৱস্থান কৰা বিদ্যুৎ আৰু ঐৰাৱতৰ দৰে শোভা পালে।।৩৬।।

আশ্ৰমৰ শান্তিভঙ্গ নহওঁক, এই ভাবি কেইজনমান অনুচৰৰ সৈতে যোৱা স্বত্বেও তেওঁ বিশেষ তেজস্বীতাৰ বাবে সেনাবলৰ দ্বাৰা আবৃত যেন দেখাইছিল।।৩৭।।

শালগছৰ পত্ৰভঙ্গৰ বাবে সুবাসিত, পুষ্পৰেণুমিশ্ৰিত আৰু বনৰাজিক সামান্য কঁপাই বৈ যোৱা সুখস্পৰ্শী বায়ুৱে (পথত) তেওঁলোকৰ সেৱা কৰিলে।।৩৮।।

তেওঁলোকৰ ৰথৰ চকাৰ শব্দত উন্মুখ হৈ ময়ূৰ বিলাকে দ্বিধাবিভক্ত ষড়জস্বৰৰ দৰে যি মনোৰম কেকাধ্বনি কৰিবলৈ ধৰিলে তাক শুনি শুনি

তেওঁলোক (বশিষ্ঠৰ আশ্ৰমলৈ) যাবলৈ ধৰিলে।।৩৯।।

বাট এৰি কাষত থিয় হৈ ৰথৰ ফালে চাই থকা হৰিণৰ যুটিবোৰৰ চকুত নিজৰ চকুৰ সাদৃশ্য চাই তেওঁলোক আগবাঢ়িবলৈ ধৰিলে।।৪০।।

অস্পষ্ট মধুৰ শব্দ কৰি, স্তম্ভহীন তোৰণমালাৰ দৰে শাৰী পাতি উৰি যোৱা সাৰস পক্ষী বোৰলৈ কেতিয়াবা মুৰ তুলি চাই চাই তেওঁলোক আগবাঢ়িবলৈ ধৰিলে ।।৪১।।

তেওঁলোকৰ প্ৰাৰ্থনা সিদ্ধিৰ সূচনা কৰি বতাহো অনুকূল দিশত বলা বাবে ঘোঁৰাৰ খুৰাৰ আঘাটত উঠা ধূলিয়ে তেওঁলোকৰ কুন্তল (চুলি) আৰু শিৰস্ত্ৰান স্পৰ্শ কৰিব নোৱাৰিলে।।৪২।।

পদুমপুখুৰীবোৰৰ ঢৌৰ স্পৰ্শত শীতল হোৱা আৰু তেওঁলোকৰ নিজৰ নিঃশ্বাসৰ অনুৰূপ পদ্মগন্ধী বায়ুৰ আঘ্ৰাণ লৈ তেওঁলোক যাবলৈ ধৰিলে।।৪৩।।

নিজেই দানকৰা যজ্ঞস্তম্ভেৰে চিহ্নিত গাওঁবোৰত যাজ্ঞিক সকলে যঁচা অৰ্ঘ্য আৰু তাৰ পিছত তেওঁলোকৰ অমোঘ আশীৰ্বাদ স্বীকাৰ কৰি তেওঁলোক দুয়ো আগবাঢ়িবলৈ ধৰিলে।।৪৪।।

সদ্যপ্ৰসতুত ঘি লৈ আহি উপস্থিত হোৱা গোপবৃদ্ধসকলক তেওঁলোকে পথৰ কাষত গজি উঠা বনৰীয়া গছবিলাকৰ নাম সুধি আগবাঢ়িবলৈ ধৰিলে।।৪৫।।

হিমুক্ত সময়ত চন্দ্ৰ আৰু চিত্ৰা নক্ষত্ৰৰ মিলনত যি অপূৰ্ব শোভা হয়, শুদ্ধবেশে প্ৰস্থান কৰা তেওঁলোক দুইজনৰে একেলগে তেনে শোভাই হৈছিল।।৪৬।।

স্বয়ং বুধৰ দৰে প্ৰিয়দৰ্শন ৰজাই পত্নীক ইটো সিটো বস্তু দেখুৱাই যাওঁতে কিমান দূৰ বাট অতিক্ৰম কৰিলে তাক গমেই নাপালে।।৪৭।।

দুলৰ্ভ যশৰ অধিকাৰী ৰজাই ক্লান্ত ঘোঁৰা আৰু মহিষীৰে সৈতে সন্ধ্যাবেলা সেই সংযমী মহৰ্ষিৰ আশ্ৰমত উপস্থিত হলগৈ।।৪৮।।

সমিধ, কুশ আৰু ফল আহৰণ কৰি আন বনৰ পৰা ঘূৰি অহা আৰু আশ্ৰমৰ হোমাগ্নিয়ে অদৃশ্যভাৱে স্বাগত কৰা তপস্বীসকলে পূৰ্ণ কৰি তোলা আশ্ৰমত গৈ তেওঁলোক উপস্থিত হলগৈ।।৪৯।।

কুটীৰৰ দুৱাৰ মুখবোৰ বোধ কৰি নীৱাৰ ধানৰ ভাগ লোৱাত অভ্যস্ত,

আৰু ঋষিপত্নী সকলৰ সন্তানতুল্য মৃগবিলাকে পূৰ্ণ কৰি তোলা আশ্ৰমত তেওঁলোক গৈ উপস্থিত হ'ল।।৫০।।

আলবালত পানী খোৱাত অভ্যস্ত চৰাই বিলাকৰ মনত নিৰ্ভয় দিবৰ বাবে মুনিকন্যা সকলে গছপুলি বোৰত পানী দি তৎক্ষনাত আঁতৰি গৈছিল।।৫১।।

ৰ'দ নোহোৱাৰ বাবে নীবাৰ ধানবোৰ থুপ খুৱাই থোৱা কুটীৰৰ চোতাল বোৰত বহি হৰিণবোৰে ঘাঁহ পাগুলি আছিল।।৫২।।

ধোঁৱা দেখি অনুমান কৰিব পৰা গৈছিল যে হোমাগ্নি জ্বলোৱা হৈছে, আহুতিৰ গন্ধমিশ্ৰিত বায়ুচালিত সেই ধোৱাই আশ্ৰম উন্মুখ অতিথি সকলক পবিত্ৰ কৰিছিল।।৫৩।।

'ঘোঁৰা কেইটাক জিৰণি দিয়া ' এইবুলি সাৰথিক আদেশ দি তেওঁ (দিলীপে)) তেওঁৰ পত্নীক ৰথৰ পৰা নমালে আৰু নিজেও নামিলে।।৫৪।।

আশ্ৰম বাসী জিতেন্দ্ৰিয় মুনিসকলে নীতিশাস্ত্ৰৰূপ অক্ষিযুক্ত, আশ্ৰমৰ ৰক্ষক আৰু পূজনীয়া ৰজাক পত্নীৰে সৈতে পূজা অৰ্চনা কৰিলে(অৰ্থাৎ অভ্যৰ্থনা জনালে)।।৫৫।।

সান্ধ্যবিধি সমাপ্ত হোৱাৰ পিছত তেওঁলোকে পিছফালে (বহি থকা) অৰুন্ধতীৰে সৈতে তপোনিধিক (বশিষ্ঠক) যেন স্বাহা সমন্বিত অগ্নিৰ দৰেহে দেখিবলৈ পালে।।৫৬।।

ৰজা আৰু মাগধী ৰাণ মহিষীয়ে তেওঁলোকৰ চৰন স্পৰ্শ কৰিলে আৰু সেই গুৰু আৰু গুৰু পত্নীয়ে আনন্দেৰে তেওঁলোকক অভিনন্দন জনালে।।৫৭।।

আতিথ্যৰ বাবে তেওঁলোকৰ ৰথযাত্ৰাৰ ক্লান্তি দূৰ হ'লত ঋষিয়ে ৰাজ্যৰূপ আশ্ৰমৰ ঋষিক (দিলীপক) ৰাজ্যৰ কুশল বাৰ্ত্তা সুধিলে।।৫৮।।

তাৰ পিছত শত্ৰুপুৰ বিজয়ী শব্দাৰ্থ তত্ত্ববিদ্, সম্পদশালী বাগ্মিবৰ দিলীপে অথৰ্ববেদবিদ্ ঋষিৰ আগত ক'বলৈ ধৰিলে।।৫৯।।

মোৰ দৈৱিক [1] আৰু মানুষিক[2] আপদৰাশিৰ নিবাৰণ কৰোঁতা আপুনি থাকোতে সেই মোৰ ৰাজ্যৰ সাতোটি অংগ[3] মঙ্গলে থকাতো তেনেই

১। দৈৱিক আপদ পাঁচবিধ- অগ্নি, জল, ৰোগ, দুৰ্ভিক্ষ আৰু মৰণ।
২। মানুষিক আপদ পাঁচবিধ- ঠগ, চোৰ, শত্ৰু, ৰজাৰ কৃপাপাত্ৰ আৰু ৰজাৰ লোভ।
৩। ৰাজ্যৰ সপ্ত অংগ- স্বামী, মন্ত্ৰী, মিত্ৰ, ৰাজধানী, ৰাষ্ট্ৰ, দুৰ্গ আৰু সেনানি।

স্বাভাৱিক।।৬০।।

মোৰ বাণসমূহে যিদেখে তাকেহে ভেদ কৰিব পাৰে, কিন্তু মন্ত্ৰকৃৎ আপোনাৰ মন্ত্ৰ বাজিৰ দ্বাৰা দূৰতেই শত্ৰু প্ৰতিহত হয়। সেয়েহে মোৰ অস্ত্ৰ আপোনাৰ মন্ত্ৰৰ ওচৰত ব্যৰ্থ।।৬১।।

হে হোতা, আপুনি বিধিসম্মত ভাৱে অগ্নিত যি ঘৃতাহুতি প্ৰদান কৰে সেয়ে খৰত শুকাই যোৱা শস্যৰ বাবে বৃষ্টি স্বৰূপ হয়।।৬২।।

ঈতি[৪] ৰহিত হৈ নিৰ্ভয়ে যে আমাৰ প্ৰজাসকলে দীৰ্ঘায়ু লাভ কৰিছে তাৰ কাৰণ হল আপোনাৰ ব্ৰহ্মতেজ।।৬৩।।

আপুনি ব্ৰহ্মাৰ পুত্ৰ। আপোনাৰ দৰে গুৰুৱে এনেদৰে যাৰ মংগল চিন্তা কৰে সেই মোৰ সম্পদ কিয় নিৰাপদ আৰু অব্যাহত নহ'ব।।৬৪।।

কিন্তু আপোনাৰ এই বধূৰ পৰা আত্মানুৰূপ সন্তানৰ মুখ দেখা নোপোৱা মোক এই দ্বীপৱতী আৰু ৰত্নপ্ৰসূ পৃথিৱীয়েও তৃপ্তি দিব পৰা নাই।।৬৫।।

মোৰ পিছত এই বংশত পিণ্ডদিয়া লোক কোনো নাথাকিবযেন দেখি নিশ্চয় পিতৃপুৰুষ সকলে এতিয়াৰ পৰাই শ্ৰাদ্ধত দিয়া পিণ্ডৰ কিছু অংশ (ভৱিষ্যতৰ বাবে) সঞ্চয় কৰি ৰখাত তৎপৰ হৈছে আৰু সেই বাবে মই অৰ্পন কৰা শ্ৰাদ্ধত পৰ্য্যাপ্ত আহাৰ গ্ৰহণ কৰা নাই।।৬৬।।

মোৰ পিছত দুৰ্লভ হ'ব বুলি ভাবিতেওঁলোকে হুমুনিয়াহ কাঢ়ি পান কৰাৰ বাবে মই দিয়া জলৰ তৰ্পন নিশ্চয় কিঞ্চিদ্ উষ্ণ হৈ পৰে।।৬৭।।

যজ্ঞ সম্পাদনৰ দ্বাৰা বিশুদ্ধাত্মা হোৱা স্বত্বেও মই যেন সন্তানহীনতাৰ বাবে অন্ধকাৰেৰে আচ্ছন্ন হৈ লোকালোক পৰ্বতৰ দৰে প্ৰকাশবান (দীপ্তিমান) আৰু অপ্ৰকাশবান (মলিন) হৈ ৰৈছো।।৬৮।।

তপস্যা আৰু দানৰ দ্বাৰা আৰ্জিত পূণ্য কেবল পৰলোকৰ সুখৰ কাৰণ হয়, কিন্তু শুদ্ধবংশত জন্মা সন্তান ইহলোক আৰু পৰলোক উভয়ৰে সুখৰ কাৰণ।।৬৯।।

হে বিধাতা! মই যেন আপুনি নিজ হাতে পানী দি ডাঙৰ কৰা নিষ্ফল

৪। অতিবৃষ্টিৰনাবৃষ্টিৰ্মূষিকাঃ শলভাঃ শুকাঃ।
অত্যাসন্নাশ্চ ৰাজানঃ ষড়েতা ঈতয়ঃ স্মৃতাঃ।।
কামন্দকীয় সূত্ৰত কোৱা হৈছে- অতিবৃষ্টি, অনাবৃষ্টি, এন্দুৰ, কাকতিকৰি, ভাটো আৰু বহিঃশত্ৰুৰ আক্ৰমণ এই ছয়বিধ ৰাজ্যৰ আতংক।

আশ্ৰম তৰুহে, মোক সন্তানহীন দেখি আপোনাৰ বাৰু দুখ নহয়নে? ।।৭০।।

হে ভগৱন্! স্নান নকৰা হাতীৰ বাবে বন্ধনস্তম্ভ যেনে পীড়াদায়ক হয়, পিতৃঋণো মোৰ কাৰণে তেনেই দুঃসহ হৈছে বুলি আপুনি বুজক।।৭১।।

হে তাত! (সেই পিতৃঋণৰ পৰা) যাতে মই মুক্ত হব পাৰো, তেনে কৰাৰ বাবে আপুনিয়ে যোগ্য ব্যক্তি। কিয়নো দুৰ্লভ হ'লেও ইক্ষ্বাকুকুলৰ সিদ্ধি আপোনাৰ আয়ত্বাধীন।।৭২।।

ৰজাই এইদৰে সকলো কথা জনালত ঋষিয়ে ক্ষন্তেক সময় চকুমুদি ধ্যান কৰি স্তব্ধ হৈ ৰল, যেন সকলো মাছ শুই পৰা এক বিশাল হ্ৰদহে।।৭৩।।

চিত্তৰ একাগ্ৰতাৰে শুদ্ধান্তঃ কৰণৰ তেওঁ ঋষিয়ে সন্তানহীনতাৰ কাৰণ প্ৰত্যক্ষ কৰিলে আৰু তাৰ পিছত তেওঁ দিলীপক জনালে।।৭৪।।

অতীতত কোনো এদিন যেতিয়া তুমি ইন্দ্ৰৰ কাৰ্য্য সম্পন্ন কৰি পৃথিবীলৈ ঘূৰি আহিছিলা, তেতিয়া কামধেনু সুৰভি পথৰ কাষত কল্পতৰুৰ ছায়াত জিৰণি লৈ আছিল ।।৭৫।।

ঋতুস্নাতা এই মহিষীৰ ধৰ্মলোপ হোৱাৰ ভয়ত তেওঁৰ কথা ভাবি তুমি প্ৰদক্ষিণ ক্ৰিয়াৰ যোগ্য সেই ধেনুৰ প্ৰতি উচিত আচৰণ নেদেখুৱালা ।।৭৬।।

'তুমি মোক অনাদৰ কৰিলা গতিকে মোৰ সন্তানৰ হ'লেও সেৱা নকৰালৈকে তোমাৰ সন্তান নহ'ব'— এইদৰে তেওঁ অভিশাপ দিছিল।।৭৭।।

হে ৰাজন। মন্দাকিনীৰ প্ৰবাহ আৰু উদ্দাম দিগ্‌গজৰ চিৎকাৰত সেই শাপ তুমিও নুশুনিলা আৰু তোমাৰ সাৰথিয়েও নুশুনিলে।।৭৮।।

তেওঁক অৱজ্ঞা কৰাৰ কাৰণে তোমাৰ অভীষ্টৰ দ্বাৰ অৰ্গলযুক্ত বুলি জানিবা। কাৰণ পূজ্যজনৰ পূজাৰ ব্যতিক্ৰমে সদায় মঙ্গলত বিঘিনি ঘটায়।।৭৯।।

সেই সুৰভি এতিয়া বৰুণৰ দীৰ্ঘকালীন যজ্ঞৰ হবি যোগান ধৰিবৰ বাবে নাগে দ্বাৰ ৰুদ্ধ কৰি ৰখা পাতাল লোকত বাস কৰিছেগৈ।।৮০।।

সুৰভিৰ কন্যাক তেওঁৰ প্ৰতিনিধি জ্ঞান কৰি, পবিত্ৰ ভাৱেৰে পত্নীৰ সৈতে সেৱা কৰা। সন্তুষ্ট হলে তেৱেঁই তোমাৰ অভীষ্ট পূৰণ কৰিব।।৮১।।

এনেদৰে কওঁতেই সেই হোতাৰ (বশিষ্ঠৰ) যজ্ঞাহুতিৰ সাধন ৰূপিনী নন্দিনী নামে অনিন্দনীয় ধেনু বনৰ পৰা উভটি আহিল।৮২।।

সন্ধ্যাই যিদৰে নবোদিত চন্দ্ৰক ধাৰণ কৰে তেনেদৰে কুঁহিপাতৰ দৰে স্নিগ্ধ পাটলবৰ্ণ বিশিষ্টা সেই ধেনুৱে কপালত ইষৎ বক্ৰ শুভ্ৰ ৰোমাৱলী ধাৰণ কৰি শোভা পাইছিল।।৮৩।।

কুম্ভৰ দৰে পীণস্তনযুক্তা নন্দিনীয়ে বৎসদৰ্শনেচ্ছাত ক্ষৰিত হোৱা ইষদুষ্ণ আৰু অবভৃত স্নানৰ জলতকৈও পবিত্ৰ দুগ্ধেৰে মাটি তিয়াই দিছিল।।৮৪।।

তাইৰ খুৰাৰ আঘাটত উঠা ধুলিয়ে পথৰ কাষৰ পৰা ৰজাৰ শৰীৰ স্পৰ্শ কৰি তেওঁক তীৰ্থস্নানৰ পবিত্ৰতা দান কৰিছিল।।৮৫।।

নিমিত্তজ্ঞ তপোনিধিয়ে পুণ্যদৰ্শনা তাইক (নন্দিনীক) দেখি পুত্ৰপ্ৰাপ্তিৰূপ মনোৰথ সফল হ'ব বুলি জানি যজমান ৰজাক আকৌ ক'বলৈ ধৰিলে।।৮৬।।

হে ৰাজন! তোমাৰ সিদ্ধি অদূৰবৰ্ত্তী বুলি জানি লোৱা। কাৰণ এই কল্যানী নাম লওঁতেই আহি উপস্থিত হৈছেহি।।৮৭।।

তুমি এতিয়া বন্যবৃত্তি অবলম্বন কৰি বিদ্যা লাভৰ বাবে নিৰন্তৰ অভ্যাস কৰাৰ দৰে এই ধেনুক নিৰন্তৰ অনুসৰণ কৰি সন্তুষ্ট কৰা উচিত।।৮৮।।

তাই চলন ফুৰণ কৰিলে তুমিও চলন ফুৰণ কৰিবা, তাই ৰলে তুমিও ৰ'বা, তাই বহিলেহে তুমি বহিবা, তাই পানী খালেহে তুমি খাবা।।৮৯।।

বধূ সুদক্ষিণাযো ভক্তিযুক্ত হৈ পূজা সৎকাৰ কৰি পুৱা তপোবনৰ সীমালৈকে এই ধেনুক অনুসৰণ কৰিব আৰু সন্ধ্যা তাইক আদৰি আনিব।।৯০।।

এনেদৰে যিমান দিনলৈকে নন্দিনী প্ৰসন্ন নহয় সিমান দিনলৈকে সেৱা কৰিবা। তোমাৰ মংগল হওঁক, তুমি তোমাৰ পিতাৰ দৰে পুত্ৰৱানসকলৰ অগ্ৰগণ্য হোৱা।।৯১।।

দেশকালজ্ঞ শিষ্য আনন্দিত হৈ পত্নীৰে সৈতে মূৰ দোৱাই "সেয়ে হ'ব" বুলি গুৰুৰ আদেশ গ্ৰহণ কৰিলে।।৯২।।

তাৰ পিছত ৰাতি বিদ্বান সত্যপ্ৰিয় ভাৰ্মা ব্ৰহ্মাৰ পুত্ৰই (বশিষ্ঠই) কান্তিমান নৃপতিক শুবলৈ আদেশ দিলে।।৯৩।।

ব্ৰতনিয়মত অভিজ্ঞ মুনিয়ে তপঃ সিদ্ধি [illegible] সত্ত্বেও (অৰ্থাৎ তপোবলেৰে [illegible] সামগ্ৰী [illegible] কৰিব জনা সত্ত্বেও) [illegible]

বাবে (ৰজাই ব্ৰত পালন কৰিবৰ বাবে) তেওঁৰ (দিলীপৰ) কাৰণে বনবাসীৰ উপযোগী সামগ্ৰীহে যোগাৰ কৰিলে ।।৯৪ ।।

সেই ৰজাই কুলপতিয়ে দেখুৱাই দিয়া পৰ্ণশালাত প্ৰবেশ কৰি ব্ৰতচাৰিণী পত্নীৰে সৈতে কুশৰ শয্যাত শয়ণ কৰিলে আৰু তেওঁৰ শিষ্যসকলৰ অধ্যয়ন শুনি ৰাতিপুৱাল বুলি জানিব পাৰিলে-- এনেদৰে তেওঁ ৰাতিটো কটালে ।।৯৫ ।।

দ্বিতীয় সৰ্গ

তাৰপিছত ৰাতিপুৱাতে যশোধন প্ৰজাধিপতিয়ে (দিলীপে) ঋষিৰ গাইজনীক (নন্দিনীক) পত্নীৰদ্বাৰা গন্ধ আৰু মাল্যৰে পূজা কৰাই আৰু পোৱালীটিক দুগ্ধপান কৰাই বান্ধি ৰাখি, বনলৈ যাবৰ বাবে এৰি দিলে।।১।।

স্মৃতিয়ে বিদৰে শ্ৰুতিক অনুসৰণ কৰে তেনেদৰে পতিব্ৰতাসকলৰ ভিতৰত শ্ৰেষ্ঠা, ৰজাৰ ধৰ্মপত্নীয়েও নন্দিনীৰ খুৰাৰ স্পৰ্শত পৱিত্ৰ হোৱা ধূলিময় পথ অনুসৰণ কৰিলে।।২।।

যশঃসুৰভি, দয়ালু ৰজাই প্ৰিয়তমা পত্নীক (আশ্ৰমৰ সীমাৰ পৰা) ওভোটাই পঠিয়াই পয়োধৰৰূপ চাৰিওসাগৰেৰে শোভিতা গোৰূপধাৰিণী সুৰভিকন্যাক (নন্দিনীক) পৃথিৱীৰ দৰে ৰক্ষা কৰিবলৈ ধৰিলে।।৩।।

ব্ৰত পালনৰ বাবে সেই ধেনুৰ অনুগামী তেওঁ অৱশিষ্ট অনুচৰবৰ্গকো (আগবাঢ়িবলৈ) নিষেধ কৰিলে। তেওঁৰ দেহৰক্ষাৰ বাবে আনৰ প্ৰয়োজন নাই, কাৰণ মনুৰ সন্ততিসকল নিজৰ শক্তিৰ দ্বাৰাই সুৰক্ষিত।।৪।।

সেই সম্ৰাটে সুস্বাদু তৃণৰ মুঠি প্ৰদান কৰি, গা খজুৱাই দি, (কীট পতঙ্গৰ) দংশন নিবাৰণ কৰি (নন্দিনীৰ) স্বেচ্ছাগমণ অব্যাহত ৰাখি তেওঁৰ সেৱাত তৎপৰ হৈছিল।।৫।।

গাইজনী থিয় হৈ ৰ'লে তেওঁ নিজেও ৰয়, যাবলৈ ধৰিলে তেওঁ খোজ লয়, বহিলে নিজেও আসন লয়, পানী খাবলৈ ধৰিলে (নিজে) পানী খায়, এনেদৰে ৰজাই তাইক ছায়াৰ দৰে অনুসৰণ কৰিবলৈ ধৰিলে।।৬।।

ৰাজচিহ্ন (ছত্ৰ-দণ্ডাদি) পৰিত্যাগ কৰিলেও, নিজৰ বিশেষ তেজস্বীতাৰ বাবে তেওঁ যে ৰাজলক্ষ্মী ধাৰণ কৰিছিল তাক বুজা গৈছিল, এনে অৱস্থাত তেওঁ মদৰাৰি প্ৰকাশ নোপোৱা অথচ ভিতৰি মদাৱস্থা প্ৰাপ্ত হোৱা হাতীৰ দৰে হৈছিল।।৭।।

তেওঁ লতাৰ ঠাৰিৰে চুলি বান্ধি লৈ, ধনুত শৰ সংযোজন কৰি লৈ মুনিৰ হোমধেনুক ৰক্ষা কৰাৰ ছলেৰে বনীয়া হিংস্ৰজন্তু বিলাকক শিক্ষা দিবলৈহে

যেন বনত ঘূৰি ফুৰিবলৈ ধৰিলে।।৮।।

বৰুণসদৃশ তেওঁ দেহৰক্ষী অনুচৰবিহীন হ'লেও (পথৰ) কাষৰ গছগছনি বোৰে আনন্দোন্মাদ পক্ষীৰ কূজনেৰে তেওঁৰ জয়ধ্বনিহে যেন উচ্চাৰণ কৰিলে।।৯।।

পুৰকন্যাসকলে তেওঁলৈ পবিত্ৰ আখৈ বৰ্ষণ কৰাৰ দৰে বতাহত লৰচৰ কৰা নতুন লতাবোৰে ওচৰতে থকা অগ্নিসম পূজনীয় তেওঁৰ ওপৰত ফুল বৰ্ষণ কৰিলে।।১০।।

তেওঁ ধনুৰ্দ্ধাৰী হ'লেও তেওঁৰ কৰুণাময় শৰীৰ হৰিণীবিলাকে নিৰ্ভয় মনেৰে চাবলৈ পোৱাত সিহঁতে যেন চকুৰ বিশালতাৰ ফল হে লাভ কৰিছিল।।১১।।

ছিদ্ৰপথেদি বতাহ সোমাই কীচক বনবোৰে কৰা বাহীবাদনৰ লগত লতামণ্ডপসমূহত বনদেৱতাসকলে উচ্চস্বৰে গোৱা নিজৰ যশগান তেওঁ (দিলীপে) শুনিবলৈ পালে।।১২।।

পাহাৰী ঝৰণাৰ জলকনাৰে সিক্ত, গছবিৰিখৰ লৰচৰ কৰি থকা ফুলৰ গন্ধযুক্ত বতাহে ব্ৰতাচৰণেৰে পবিত্ৰ হোৱা, ৰ'দত ক্লান্ত হোৱা ছত্ৰবিহীন তেওঁৰ সেৱা কৰিব ধৰিলে।।১৩।।

ৰক্ষাকৰ্ত্তা তেওঁ বনত প্ৰবেশ কৰাত বৰষুণ নোহোৱাকৈয়ে বনজুই নুমাই গ'ল। ফল ফুল বিশেষভাৱে বৃদ্ধি পাবলৈ ধৰিলে। জন্তুবোৰৰ মাজতো বলবান জন্তুবোৰে দুৰ্বলবোৰৰ ওপৰত উৎপীড়ণ কৰাৰ পৰা বিৰত হ'ল।।১৪।।

পল্লৱৰ দৰে তামবৰণীয়া সূৰ্য্যৰ ৰশ্মি আৰু মুনিৰ গাইজনী, দুয়ো তেওঁলোকৰ সঞ্চৰণৰ দ্বাৰা দিগন্ত পবিত্ৰ কৰি সন্ধ্যা পৰত (নিজৰ নিজৰ) আবাস স্থানলৈ (অৰ্থাৎ অস্তাচল আৰু আশ্ৰমলৈ) যাবলৈ উদ্যত হ'ল।।১৫।।

মধ্যমলোকৰ (পৃথিবীৰ) অধিপতিয়ে দেৱতা, পিতৃ আৰু অতিথিৰ কৰ্মৰ (যজ্ঞ, শ্ৰাদ্ধ, শুশ্ৰূষা) সাধনস্বৰূপা সেই নন্দিনীক অনুসৰণ কৰিলে। নন্দিনীও সৎপুৰুষসকলৰ মাননীয় তেওঁৰ দ্বাৰা সংযুক্তা হৈ সাধুসম্মত বিধিৰদ্বাৰা সংযুক্তা সাক্ষাৎ শ্ৰদ্ধাৰ দৰে শোভা পালে।।১৬।।

তেওঁ শ্যামবৰণীয়া বনভূমি চাই চাই যাবলৈ ধৰিলে। তাত সৰু সৰু পুখুৰীবোৰৰ পৰা বৰাগাহৰীবোৰ উঠিবলৈ ধৰিলে, ময়ূৰবোৰে নিজৰ

বাহথকা গছবোৰলৈ মূৰ তুলি চাবলৈ ধৰিলে আৰু শস্যশ্যামলা পথাৰবোৰত হৰিণবোৰে বহিবলৈ (জিৰাবলৈ) ধৰিলে।।১৭।।

একবৎসা নন্দিনী আৰু ৰজা দিলীপ উভয়ে ক্ৰমে স্তনভাৰ বহন কৰা বাবে আৰু শৰীৰৰ গুৰুত্বৰ বাবে মনোহৰ গতিবদ্বাৰা তপোবনলৈ ওভটাৰ পথ অলংকৃত কৰিলে।।১৮।।

অৰণ্যৰ সীমাৰ পৰা ঘূৰি অহা বশিষ্ঠধেনুৰ অনুসৰণকাৰী তেওঁক (তেওঁৰ) প্ৰিয়তমা পত্নীয়ে পলক নেপেলোৱাকৈ উপবাসী চকুৰে পান কৰিবলৈ ধৰিলে।।১৯।।

পথত (নন্দিনীক) ৰজা দিলীপে সমুখত ৰাখিছিল আৰু ৰজাৰ ধৰ্মপত্নী আগবাঢ়ি আহি (নন্দিনীৰ) ওচৰ চাপিছিল। এনে অৱস্থাত দুয়োজনৰ মাজত সেই ধেনু দিন আৰু ৰাত্তিৰ মধ্যৱৰ্ত্তী সন্ধ্যাৰ দৰে বিৰাজ কৰিছিল।।২০।।

চাউলৰ অৰ্ঘ্যপাত্ৰ হাতত লৈ সুদক্ষিণাই পয়স্বিনী নন্দিনীক প্ৰদক্ষিণ কৰি, প্ৰণাম জনাই কাৰ্য্যসিদ্ধিৰ দ্বাৰস্বৰূপ তেওঁৰ বিশাল শিঙদুটাৰ মাজৰ অংশত পূজা কৰিলে।।২১।।

পোৱালীটিৰ বাবে ব্যাকুল হৈ পৰিলেও নন্দিনীয়ে যে স্থিৰ হৈ পূজা গ্ৰহণ কৰিছিল সেইবাবেই তেওঁলোক দুয়োজনেই আনন্দিত হৈছিল। ভক্তিমানসকলৰ প্ৰতি মহাত্মাসকলৰ প্ৰসন্নতাৰ লক্ষণে আশু ফললাভৰ ইঙ্গিত দিয়ে।।২২।।

গুৰু আৰু গুৰুপত্নীৰ চৰণ সেৱা কৰি, সন্ধ্যাকৃত্য সমাপন কৰি, দোহন কৰাৰ পিছত বহি থকা দুগ্ধৱতী নন্দিনীক বাহুবলেৰে শত্ৰু জয় কৰা দিলীপে পুনৰ সেৱা কৰিবলৈ ধৰিলে।।২৩।।

ৰক্ষক সেই ৰজা দিলীপে পত্নীৰে সৈতে নন্দিনীৰ ওচৰত বত্তি-নৈবেদ্য থ'লে আৰু তেওঁ নন্দিনী শুলতহে শুলে আৰু ৰাত্তিপুৱা (নন্দিনী) উঠিলত তেওঁলোকো উঠিল।।২৪।।

সন্তান কামনাত এইদৰে মহিষীৰে সৈতে ব্ৰত পালন কৰি মহান কীৰ্ত্তিমান, দৰিদ্ৰৰ দুখমোচনত উৎসুক তেওঁৰ (দিলীপৰ) একৈশ দিন অতিবাহিত হ'ল।।২৫।।

পিছদিনা মুনিৰ হোমধেনু নিজৰ অনুগামী দিলীপৰ মনৰ ভাব জানিবলৈ ইচ্ছা কৰি গঙ্গাৰ জলপ্ৰবাহৰ কাষৰ নতুন গহ্বৰতাৰে পৰিপূৰ্ণ

হিমালয়ৰ গুহাত প্ৰৱেশ কৰিলে।।২৬।।

কোনো হিংস্ৰজন্তুৱে মনেৰেও তেওঁক (নন্দিনীক) আক্ৰমণ কৰিব নোৱাৰে, এই ভাবি ৰজাই পৰ্বতৰ শোভা চাই থাকোতেই এটা সিংহই হঠাতে অলক্ষিতে জপিয়াই পৰি নন্দিনীক বলেৰে আকৰ্ষণ কৰিবলৈ ধৰিলে।।২৭।।

গুহাৰ ভিতৰত প্ৰতিধ্বনিত হৈ ডাঙৰ হোৱা তেওঁৰ (নন্দিনীৰ) আৰ্ত্তনাদে আৰ্তজনৰ মঙ্গলকৰ্ত্তা ৰজাৰ পৰ্বতত আবদ্ধ দৃষ্টিক ৰচীৰে টানি যেন ঘূৰাইহে আনিলে।।২৮।।

ধনুৰ্দ্ধাৰী সেই দিলীপে মৃগাবৰণীয়া গাইজনীৰ পিঠিত বহি থকা সিংহটোক পৰ্বতৰ গেৰুৱা বৰণীয়া উচ্চভূমিৰ ওপৰত প্ৰফুল্লিত লোধ্ৰবৃক্ষৰ দৰে দেখা পালে।।২৯।।

তাৰ পাচত শৰণাগতৰ ৰক্ষা কৰোতা, বাহুবলেৰে শত্ৰু জয় কৰোতা, সিংহগামী সেই ৰজাই নিজে পৰাভৱ অনুভৱ কৰি বধ্য সেই সিংহক বিনাশ কৰিবলৈ তূণৰ পৰা শৰ উলিয়াবলৈ ইচ্ছা কৰিলে।।৩০।।

প্ৰহাৰ কৰিবলৈ উদ্যত হোৱা তেওঁৰ সোঁহাতৰ খনৰ আঙুলিবোৰ নখৰ প্ৰভাৱে ভূষিত হোৱা শৰৰ গুৰিটোত সংলগ্ন হৈ থকাত তেওঁ চিত্ৰাৰ্পিতৰ দৰে থাকিল।।৩১।।

বাহু স্তম্ভিত হোৱাৰ কাৰণে ক্ৰোধান্বিত হোৱা ৰজাই ওচৰতে থকা অপৰাধীক স্পৰ্শ কৰিব নোৱাৰি নিজৰ বিক্ৰমৰ প্ৰভাৱত ঠিক মন্ত্ৰ আৰু ঔষধৰ প্ৰভাৱত ৰুদ্ধশক্তি সৰ্পৰ দৰে ভিতৰি ভিতৰি দগ্ধ হবলৈ ধৰিলে।।৩২।।

সিংহৰদৰে পৰাক্ৰমী, মহাত্মাসকলৰ পক্ষপাতী, মনুবংশৰ পতাকাস্বৰূপ আৰু নিজৰ অৱস্থাত নিজে আচৰিত হোৱা তেওঁক (দিলীপক) আৰু আচৰিত কৰি দি সিংহটোৱে মানুহৰ দৰে কথাৰে ক'বলৈ ধৰিলে।।৩৩।।

হে মহীপতি, আপোনাৰ শ্ৰম নিষ্প্ৰয়োজন। মোৰ ওপৰত নিক্ষেপ কৰা আপোনাৰ অস্ত্ৰ বিফলে যাব। গছ উভালি পেলাব পৰা বতাহৰ শক্তি কিন্তু পৰ্বতৰ ক্ষেত্ৰত নিষ্ফল হয়।।৩৪।।

কৈলাস পৰ্বতৰ দৰে শুভ্ৰবৰ্ণৰ বৃষভত আৰোহণ কৰিবৰ সময়ত পাদাৰ্পণেৰে মোৰ পিঠি অনুগৃহীত কৰা অষ্টমূৰ্ত্তিধাৰী মহাদেৱৰ ভৃত্য বুলি মোক জানিবা। নিকুম্ভৰ মিত্ৰ মোৰ নাম কুম্ভোদৰ।।৩৫।।

সমুখৰ সৌ দেৱদাৰু গছজোপা দেখিছেনে? বৃষভধ্বজ মহাদেৱৰদ্বাৰা পুত্ৰৰূপে গৃহীত হোৱা সেই গছজুপিয়ে স্কন্দৰ মাতৃৰ (পাৰ্বতীৰ) স্তন সদৃশ স্বৰ্ণকুম্ভৰ পৰা নিঃসৃত গাখীৰৰ দৰে পানীৰ স্বাদ ভোগ কৰে।।৩৬।।

কোনো এদিন বনৰীয়া হাতীয়ে গাল খজুৱাওতে ইয়াৰ বাকলি এৰাই গৈছিল। তেতিয়া পৰ্বতৰাজৰ কন্যাই (পাৰ্বতীয়ে) অসুৰৰ অস্ত্ৰেৰে আঘাট পোৱা সেনাপতি কাৰ্ত্তিকৰ বাবে কৰাৰ দৰে (ইয়াৰ বাবেও) শোক কৰিছিল।।৩৭।।

তেতিয়াৰে পৰা বনৰীয়া হাতীবোৰক ভয় খুৱাবৰ কাৰণে শূলপানি মহাদেৱে ওচৰলৈ অহা প্ৰাণীবিলাকেৰে জীৱিকা নিৰ্বাহ কৰিব পৰাকৈ সিংহত্ব প্ৰদান কৰি (সিংহৰ আকাৰ প্ৰদাণ কৰি) এই পৰ্বতৰ গুহাত মোক নিযুক্ত কৰিছে।।৩৮।।

চন্দ্ৰৰ সুধাপান কৰি তৃপ্ত হোৱা দেৱশত্ৰু ৰাহুৰ দৰে পৰমেশ্বৰদ্বাৰা আদিষ্ট হৈ ওচৰলৈ অহা এই গাইজনীৰ ৰক্তময় ভোজনেই ভোকাতুৰ মোৰ তৃপ্তিৰ বাবে যথেষ্ট হ'ব।।৩৯।।

সেয়ে আপুনি লজ্জা পৰিত্যাগ কৰি গুচি যাওঁক। গুৰুৰ প্ৰতি শিষ্যই দেখুৱাবলগীয়া ভক্তি আপুনি দেখুৱাইছে। ৰক্ষনীয় বস্তুক অস্ত্ৰদ্বাৰা ৰক্ষা কৰা সম্ভৱ নহ'লে সি অস্ত্ৰধাৰণকাৰীৰ যশস্যা হানি নকৰে।।৪০।।

পুৰুষাধিৰাজ দিলীপে পশুৰাজ সিংহৰ এই অহংকাৰপূৰ্ণ কথা শুনি মহাদেৱৰ প্ৰভাৱত অস্ত্ৰ প্ৰতিহত হৈছে বুলি জানি নিজৰ প্ৰতি অৱজ্ঞাৰ ভাৱ এৰি দিলে।।৪১।।

প্ৰথমবাৰৰ বাবে এনে প্ৰতিবন্ধক পাই বাণপ্ৰয়োগত ব্যৰ্থপ্ৰয়াস হৈ দিলীপে বজ্ৰনিক্ষেপ কৰিব খুজি ত্ৰিনয়নৰ (মহাদেৱৰ) দৃষ্টিত জঠৰ হৈ পৰা বজ্ৰপাণি ইন্দ্ৰৰদৰে তাক (সিংহক) উত্তৰ দিবলৈ ধৰিলে।।৪২।।

হে পশুৰাজ, যি কথা মই কব খুজিছো, সেই কথা ব্যৰ্থশক্তি মোৰ বাবে নিশ্চয় হাস্যকৰ হ'ব। তথাপি, আপুনি প্ৰাণীবিলাকৰ মনৰ সকলো ভাব জানে বাবেই মই কওঁ।।৪৩।।

স্থাৱৰ- জংগম সকলোৰে সৃষ্টি -স্থিতি- নাশৰ কাৰণস্বৰূপ তেওঁ (মহাদেৱ) মোৰ মাননীয়। সাক্ষিক গুৰুৰ এই গোধন সমুখতে নাশ হোৱা

দেখি (তাক) উপেক্ষা কৰাও উচিত নহয়।।৪৪।।

সেয়ে আপুনি মোৰ শৰীৰেৰে জীৱিকা নির্বাহ্ কৰি প্ৰসন্ন হওঁক, দিনৰ শেষত সৰু পোৱালীটোৰ বাবে ব্যাকুল হৈ থকা মহৰ্ষিৰ এই গাইজনীক এৰি দিয়ক।।৪৫।।

তাৰ পাচত ভূতেশ্বৰ মহাদেৱৰ অনুচৰ তেওঁ (সিংহই) কিঞ্চিত হাঁহি, দাঁতৰ জ্যোতিৰে পৰ্বতৰ গুহাৰ অন্ধকাৰ খণ্ড বিখণ্ড কৰি বাকপটু (বা সম্পদশালী) ৰজাক পুনৰ ক'বলৈ ধৰিলে।।৪৬।।

পৃথিৱীৰ একছত্ৰী ক্ষমতা, নবীন বয়স আৰু সুন্দৰ শৰীৰ-- অলপ বস্তুৰ বাবে এই বহুতোবোৰ ত্যাগ কৰিবলৈ ইচ্ছা কৰা আপোনাক মই অবিবেকী বুলিহে ভাবিছো।।৪৭।।

যদি এয়া আপোনাৰ জীৱৰ প্ৰতি দয়াই হয় তেনেহলে আপোনাৰ মৃত্যুৰ পিছত এই একমাত্ৰ গাইজনীৰহে কল্যান হ'ব। আকৌ হে প্ৰজানাথ, আপুনি জীয়াই থাকিলে পিতাৰ দৰে প্ৰজাবিলাকক বিপদ বিঘিনিৰপৰা সদায় ৰক্ষা কৰিব পাৰিব।।৪৮।।

আকৌ যদি একমাত্ৰ গাইজনীৰ বাবে হোৱা অপৰাধৰ খণ্ডত অগ্নিতুল্য গুৰুৰ কাৰণে আপুনি ভয় খাইছে, তেনেহলে কুম্ভৰদৰে স্তনৰ ভাৰ বহন কৰা কোটি কোটি গাই দান কৰি আপুনি তেওঁৰ ক্ৰোধ শান্ত কৰিবপাৰে।।৪৯।।

সেইবাবে সুখ শান্তিৰ উপভোগ কাৰী, বলিষ্ঠ নিজৰ শৰীৰ ৰক্ষা কৰক। (আপোনাৰ) সম্পদশালী ৰাজ্যক ইন্দ্ৰৰ ৰাজ্য বুলিয়েই কোৱা হয়, পৃথিৱী স্পৰ্শ কৰি থকাৰ কাৰণেহে ই তাৰ পৰা(স্বৰ্গৰ পৰা) পৃথক।।৫০।।

ইমানকে কৈ মৃগেন্দ্ৰ বিৰত হ'লত পৰ্বতখনেও তাৰ গুহাত হোৱা প্ৰতিধ্বনিৰে সেই কথাকে যেন ৰজাক সস্নেহে উচ্চস্বৰে ক'লে।।৫১।।

নৰপতিয়ে দেৱানুচৰৰ (সিংহৰ) কথা শুনি আৰু তাৰ দ্বাৰা(সিংহৰদ্বাৰা) আক্ৰান্ত হোৱাত সকাতৰ নয়নেৰে তেওঁলৈ চাই থকা গাইজনী দেখি আৰু বেছি সদয় হৈ আকৌ ক'বলৈ ধৰিলে।।৫২।।

বিপদ- আপদৰ পৰা ৰক্ষা কৰে বুলিয়েই ক্ষত্ৰিয়সকলৰ উচ্চ 'ক্ষত্ৰ' নাম পৃথিৱীত প্ৰসিদ্ধ। তাৰ বিপৰীত কাম কৰা জনৰ ৰাজ্য নাইবা নিন্দামলিন প্ৰাণৰ কি প্ৰয়োজন।।৫৩।।

আন গাখীৰতী গাইৰ দানেৰে মহৰ্ষিক সন্তুষ্ট কৰাটো কেনেকৈনো সম্ভৱ হ'ব? এওঁ (নন্দিনী) সুৰভিতকৈ কোনো গুণে কম নহয় বুলি জানিব। আপুনিও মহাদেৱৰ শক্তিৰ বলতহে এওঁক আক্ৰমণ কৰিবলৈ সমৰ্থ হৈছে।।৫৪।।

মই নিজ দেহ অৰ্পণৰ মূল্যেৰে এই নন্দিনীক মুক্ত কৰা উচিত। তেনেহ'লে আপোনাৰ ভোজনতো কোনো ব্যাঘাত নহ'ব আৰু মুনিৰ যজ্ঞাদি ক্ৰিয়াও অব্যাহত থাকিব।।৫৫।।

দেৱদাৰু গছজোপাৰ প্ৰতি আপোনাৰো অতি যত্ন। পৰৰ অধীন আপুনিও এই কথা বুজিব পাৰিছে যে ৰক্ষণীয়জনক বিনাশ কৰি নিজে অক্ষতদেহে নিয়োগকৰ্ত্তাৰ ওচৰত উপস্থিত হ'বগৈ নোৱাৰি।।৫৬।।

যদি আপোনাৰ হিংসাৰ আযোগ্য বুলি নিশ্চিত হৈছে, তেনেহ'লে মোৰ এই যশৰূপ শৰীৰৰ প্ৰতি দয়া কৰক। মোৰ নিচিনা লোকৰ একান্ত নশ্বৰ ভৌতিক দেহৰ প্ৰতি কোনো আস্থা নাই।।৫৭।।

বাগালাপৰ যোগেদি মিত্ৰতা স্থাপন হয় বুলি পণ্ডিতসকলে কয়। বনৰ প্ৰান্তত মিলিত হোৱা আমাৰ দুয়োজনৰ মাজত এই বন্ধুত্ব (ইতিমধ্যে) ঘটিছেই। গতিকে হে ভূতনাথৰ অনুচৰ, তুমি বন্ধু, মোৰ অনুৰোধ প্ৰত্যাখ্যান কৰা উচিত নহয়।।৫৮।।

সিংহই "সেয়ে হওঁক" এই বুলি কোৱাত তৎক্ষণাৎ জঠৰতাৰ পৰা ৰজাৰ বাহুদুখন মুক্ত হ'ল। আৰু (তেতিয়া) সেই দিলীপে অস্ত্ৰ পৰিত্যাগ কৰি নিজৰ দেহক এটা মাংসপিণ্ডৰ দৰে সিংহলৈ বুলি সমৰ্পণ কৰিলে।।৫৯।।

ভয়ানক সিংহটো (গাৰ ওপৰত) পৰিবহি বুলি ভাবি তলমুৰ কৰি থকা প্ৰজাপালক দিলীপৰ ওপৰত সেই মুহূৰ্ত্তে বিদ্যাধৰসকলৰ হাতৰ পৰা পুষ্পবৃষ্টি হ'বলৈ ধৰিলে।।৬০।।

' 'উঠা বৎস" এই অমৃততুল্য বাক্য উচ্চাৰিত হোৱা শুনি থিয় হৈ দিলীপে সমুখত নিজৰ মাতৃৰ দৰে গাখীৰতী গাইজনীকহে দেখিলে, সিংহক নহয়।।৬১।।

বিস্মিত সেই ৰজাক গাইজনীয়ে কলে হে সাধু, মই মায়া উত্থাপন কৰি তোমাক পৰীক্ষা কৰিছিলো। ঋষিৰ প্ৰভাৱত আনকি যমেও মোক আক্ৰমণ কৰিবলৈ সমৰ্থ নহয়, আন হিংস্ৰজন্তুৱে কি কৰিব পাৰিব।।৬২।।

বৎস, গুৰুৰ প্ৰতি দেখুওৱা ভক্তি আৰু মোৰ প্ৰতি দেখুওৱা অনুকম্পাত মই প্ৰসন্ন হৈছো। বৰ প্ৰাৰ্থনা কৰা। মোক কেৱল দুগ্ধ প্ৰস্ৰবিনী বুলিয়েই নাভাবিবা। প্ৰসন্না হ'লে মই সকলো মনোবাঞ্ছা পূৰণ কৰিব পাৰো।।৬৩।।

তাৰ পিছত, প্ৰাৰ্থীসকলৰ মনোৰথ পূৰণ কৰোতা, নিজ বাহুবলেৰে বীৰ আখ্যা লাভ কৰোতা তেওঁ(দিলীপে) দুই হাত যোৰ কৰি বংশৰ ৰক্ষক অনন্ত কীৰ্তিযুক্ত এক পুত্ৰসন্তান সুদক্ষিণাৰ গৰ্ভত প্ৰাৰ্থনা কৰিলে।।৬৪।।

'তথাস্তু'—এই বুলি সন্তান প্ৰাৰ্থী ৰজাক সেই পয়স্বিনীয়ে ইপ্সিত বৰৰ প্ৰতিশ্ৰুতি দি তেওঁক এই বুলি আদেশ দিলে 'হে পুত্ৰ, গছৰ পাতৰ পাত্ৰত মোৰ গাখীৰ দোহন কৰি পান কৰা।।৬৫।।

ৰজাই কলে-হে মাতৃ, পোৱালীয়ে পান কৰাৰ পিছত আৰু ঋষিৰ হোমাদি অনুষ্ঠানৰ পিছত থকা অৱশিষ্ট তোমাৰ গাখীৰ ঋষিৰ আদেশ লৈ, মই ৰক্ষা কৰা পৃথিৱীৰ ষষ্ঠাংশৰ দৰে উপভোগ কৰিবলৈ ইচ্ছা কৰো।।৬৬।।

ৰজাই এনেদৰে কোৱাত বশিষ্ঠৰ গাইজনী আৰু অধিক আনন্দিত হ'ল আৰু তেওঁৰে সৈতে হিমালয়ৰ গুহাৰ পৰা অনায়াসে বিনাশ্ৰমে আশ্ৰমলৈ উভঁটি আহিল।।৬৭।।

নিৰ্মল চন্দ্ৰৰ দৰে মুখশ্ৰীৰ নৃপশ্ৰেষ্ঠ দিলীপে তেওঁৰ (নন্দিনীৰ) অনুগ্ৰহৰ কথা গুৰুক নিবেদন কৰি, তেওঁৰ নিজৰ মুখৰ প্ৰসন্নতাৰ চিনৰ পৰাই বুজিবপৰা সেই কথাকে পুনৰ কোৱাৰ দৰে যেন প্ৰিয়া সুদক্ষিণাৰ আগত ক'লে।।৬৮।।

অনিন্দিতাত্মা, সজ্জনবৎসল তেওঁ (দিলীপে) বশিষ্ঠৰ আদেশমতে পোৱালীয়ে খোৱাৰ আৰু হোমানুষ্ঠানৰ পিচত অৱশিষ্ট নন্দিনীৰ দুগ্ধ শুভ্ৰ মূৰ্ত্তিমান যশস্যাৰ দৰে অতি তৃষ্ণাৰ্ত্ত হৈ পান কৰিলে।।৬৯।।

(পিছদিনা) পুৱাতে জিতেন্দ্ৰীয় বশিষ্ঠই যথাবিধি ব্ৰতসমাপ্তিৰ অনুষ্ঠান কৰি প্ৰস্থান কালৰ উপযোগী আশীৰ্বাদ প্ৰদান কৰি সেই দম্পতিক নিজৰ ৰাজধানীলৈ প্ৰত্যাবৰ্ত্তন কৰালে।।৭০।।

ৰজাই হোমাগ্নিক, গুৰুক (বশিষ্ঠক) আৰু পিছত অৰুন্ধতীক আৰু পোৱালীৰে সৈতে নন্দিনীক প্ৰদক্ষিণ কৰি সৎ আৰু শুভ কৰ্মৰ ফলেৰে অধিক প্ৰভাৱশালী হৈ প্ৰস্থান কৰিলে।।৭১।।

ধৰ্মপত্নীৰে সৈতে (ব্ৰতপালনৰ কষ্ট) সহিষ্ণু তেওঁ (দিলীপে) শ্ৰুতিমধুৰ

ধ্বনিযুক্ত আৰু অনাঘাটৰ বাবে সুখকৰ ৰথত উঠি পথ অতিক্ৰম কৰিলে, যেন তেওঁ নিজৰে পূৰ্ণ মনোৰথত উঠিহে যাত্ৰা কৰিলে ॥ ৭২ ॥

অদৰ্শনৰ বাবে ব্যাকুল হৈ প্ৰজাসকলে, পুত্ৰপ্ৰাপ্তিৰ ব্ৰতপালনদ্বাৰা ক্ষীণকায় হোৱা ৰজাক নবোদিত চন্দ্ৰৰ দৰে যেন হেপাহ নপলোৱা চকুৰে পান কৰিবলৈ ধৰিলে ॥ ৭৩ ॥

ইন্দ্ৰৰদৰে কান্তিমান তেওঁ (দিলীপে) পুৰবাসীসকলৰদ্বাৰা অভিনন্দিত হৈ উন্নত পতাকাৰে শোভিত ৰাজধানীত প্ৰৱেশ কৰি সৰ্পৰাজ বাসুকিৰ দৰে সবল বাহুৰে পৃথিৱীৰ ভাৰ পুনৰ বহন কৰিলে ॥ ৭৪ ॥

তাৰ পিছত, আকাশে যিদৰে অত্ৰিৰ নেত্ৰজাত জ্যোতি (অৰ্থাৎ চন্দ্ৰ), গঙ্গানদীয়ে যিদৰে অগ্নিপৰিত্যক্ত মহাদেৱৰ তেজ ধাৰণ কৰিছিল, তেনেদৰে ৰাণীয়েও (সুদক্ষিণায়ো) ৰাজকুল ৰক্ষণৰ বাবে মহান লোকপালসকলৰ তেজ নিহিত গৰ্ভ ধাৰণ কৰিলে ॥ ৭৫ ॥